অধ্যায় ১ ঃ ভাৰতীয় অৰ্থনীতিৰ প্ৰকৃতি

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ প্ৰাক্-স্বাধীনতাৰ কালত ভাৰতীয় অৰ্থনীতি

১.৩.১ কৃষি খণ্ড

১.৩.২ ঔদ্যোগিক খণ্ড

১.৩.৩ বৈদেশিক বাণিজ্য

১.৩.৪ জনসংখ্যা পৰিস্থিতি আৰু বৃত্তিগত গাঁথনি

১.৩.৫ বুনিয়াদ

১.৪ ভাৰতীয় অৰ্থনীতি ঃ বৈশিষ্ট্য আৰু বিচাৰ্য বিষয়সমূহ

১.৪.১ উন্নয়নশীল অৰ্থনীতি হিচাপে ভাৰতৰ বৈশিষ্ট্য

১.৪.২ ভাৰতীয় অৰ্থনীতিৰ সাম্প্ৰতিক সমস্যা

১.৫ ৰাষ্ট্ৰীয় আয়ৰ ধাৰা ঃ বৃদ্ধি আৰু গঠন

১.৫.১ ৰাষ্ট্ৰীয় আয়ৰ বৃদ্ধিৰ ধাৰা

১.৫.২ ৰাষ্ট্ৰীয় আয়ৰ গঠন

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্ৰগতিৰ খতিয়ান

১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতৰ স্বাধীনতাৰ বৰ্ষ অৰ্থাৎ, ১৯৪৭ চনত ভাৰতীয় অৰ্থনীতিৰ স্থিতি সম্পৰ্কে জানিব পাৰিব
- ভাৰতীয় অৰ্থনীতিৰ অনুন্নয়ন আৰু অচলাৱস্থাৰ কাৰকসমূহ বৰ্ণনা কৰিব পাৰিব
- ভাৰতীয় অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ সৈতে পৰিচিত হ'ব পাৰিব
- উন্নয়নশীল অৰ্থনীতিৰূপে ভাৰতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- ভাৰতীয় অৰ্থনীতিৰ সাম্প্ৰতিক সমস্যাসমূহ বৰ্ণনা কৰিব পাৰিব
- ভাৰতৰ ৰাষ্ট্ৰীয় আয়ৰ বিকাশৰ ধাৰা আৰু উপাদানবিলাকৰ সম্পৰ্কে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টিৰ মুখ্য উদ্দেশ্য হৈছে প্ৰাক্-স্বাধীনতাৰ কালত আৰু বৰ্তমান সময়ত ভাৰতীয় অৰ্থনীতিৰ মূল বৈশিষ্ট্যসমূহৰ সৈতে আপোনাক পৰিচিত কৰোৱা। এখন ৰাষ্ট্ৰৰ বৰ্তমানৰ অৰ্থনৈতিক স্থিতি আৰু ভৱিষ্যতৰ সম্ভাৱনীয়তাৰ বিষয়ে বুজিবলৈ ৰাষ্ট্ৰখনৰ পূৰ্বৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে জনাটো গুৰুত্বপূৰ্ণ। সেয়েহে প্ৰথমতে আমি প্ৰাক্-স্বাধীনতাৰ কালত ভাৰতীয় অৰ্থনীতিৰ স্থিতি সম্পৰ্কে আলোচনা কৰোঁ আহক।

ভাৰতীয় অৰ্থনীতিৰ বৰ্তমানৰ স্বৰূপটোৰ শিপা ইতিহাসৰ মাজতহে বিচাৰি পোৱা যায়, বিশেষকৈ বৃটিছৰ দুশ বছৰীয়া শাসনকালত, যাৰ পৰা ভাৰতে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনাখন স্বাধীনতা লাভ কৰিছিল। বৃটিছ ঔপনিৱেশিক শাসনৰ মূল উদ্দেশ্য আছিল গ্ৰেইট ব্ৰিটেইনৰ ক্ৰমবৰ্ধমান আধুনিক ঔদ্যোগিক ভেটিৰ বাবে ভাৰতক এক যোগনিয়াৰ অৰ্থনীতি (feeder economy)লৈ পৰিৱৰ্তিত কৰা। ভাৰতীয় অৰ্থনীতিয়ে যোৱা ছটা দশকত লাভ কৰা উন্নয়নৰ প্ৰকৃতি আৰু স্তৰ সম্পৰ্কে মূল্যায়ণ কৰাৰ পূৰ্বে উপৰোক্ত অৰ্থনৈতিক সম্পৰ্কটোৰ শোষণমূলক প্ৰকৃতিৰ বিষয়ে বুজি পোৱাটো প্ৰয়োজনীয়।

১.৩ প্ৰাক্-স্বাধীনতাৰ কালত ভাৰতীয় অৰ্থনীতি

বৃটিছ শাসনৰ পূৰ্বে ভাৰতত এক স্বাধীন অৰ্থনীতি আছিল। বেছিভাগ লোকৰে উপাৰ্জনৰ পথ আছিল কৃষি; যদিও দেশখনৰ অৰ্থনীতিক বিভিন্ন ধৰণৰ উৎপাদনমূলক কাৰ্যৰে চিহ্নিত কৰা হৈছিল। বিশেষকৈ কপাহী আৰু ৰেচমৰ বয়ন শিল্প, ধাতু তথা মূল্যৱান শিলৰ কাৰুকাৰ্যৰ বাবে ভাৰত জনাজাত আছিল। উচ্চমানৰ কেঁচা সামগ্ৰীৰ ব্যৱহাৰ আৰু পাকৈত শিল্পকৰ্মৰ বাবে উপৰ্যুক্ত সামগ্ৰীসমূহ বিশ্ববিখ্যাত আছিল। ভাৰতৰ ঔপনিৱেশিক চৰকাৰে যুগুত কৰা অৰ্থনৈতিক নীতিসমূহে ভাৰতৰ অৰ্থনৈতিক উন্নয়নতকৈ শাসক ৰাষ্ট্ৰৰ অৰ্থনৈতিক স্বাৰ্থৰ সুৰক্ষা আৰু উন্নতিতহে আগ্ৰহী আছিল। এনে নীতিসমূহে ভাৰতীয় অৰ্থনীতিৰ গাঁথনিত এক মৌলিক পৰিৱৰ্তন আনিছিল। ভাৰত ৰাষ্ট্ৰ ক্ৰমান্বয়ে বৃটিছ অৰ্থনীতিৰ বাবে কেঁচা সামগ্ৰী যোগান দিওঁতা আৰু বৃটেইনৰ পৰা অহা উৎপাদিত ঔদ্যোগিক সামগ্ৰীৰ ক্ৰেতালৈ ৰূপান্তৰিত হ'বলৈ ধৰিছিল।

অৱধাৰিতভাৱে ঔপনিৱেশিক চৰকাৰে ভাৰতৰ ৰাষ্ট্ৰীয় তথা জনমূৰি আয় গণনা কৰিবলৈ কোনো ব্যৱস্থা হাতত লোৱা নাছিল। কেতবোৰ ব্যক্তিগতভাৱে কৰা আয় গণনাৰ প্ৰচেষ্টাই বৰঞ্চ মতবিৰোধমূলক আৰু অস্থায়ী ফলাফলহে দেখুৱাইছিল। দাদাভাই নাওৰোজি, উইলিয়াম ডিগ্‌বি, ফিণ্ড্‌লে শ্বাইৰাছ, ভি কে আৰ ভি ৰাও আৰু আৰ চি দেশাই —এইসকল উল্লেখযোগ্য গণনাকাৰীৰ ভিতৰত ৰাওৱে ঔপনিৱেশিক কালত কৰা ৰাষ্ট্ৰীয় তথা জনমূৰি আয়ৰ গণনাক যথেষ্ট গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰা হয়। অৱশ্যে প্ৰায়ভাগ অধ্যয়নতে পোৱা হৈছে যে, বিংশ শতিকাৰ প্ৰথমাৰ্ধত দেশৰ মুঠ প্ৰকৃত আয় বৃদ্ধিৰ হাৰ দুই শতাংশতকৈও কম আছিল আৰু বছৰেকত জনমূৰি আয় বৃদ্ধিৰ হাৰ কেৱল অৰ্ধ শতাংশহে আছিল।

১.৩.১ কৃষি খণ্ড

বৃটিছ ঔপনিৱেশিক শাসন কালত ভাৰতীয় অৰ্থনীতি মূলতঃ কৃষিভিত্তিক আছিল— দেশখনৰ মুঠ জনসংখ্যাৰ প্ৰায় ৮৫ শতাংশ লোক গ্ৰামাঞ্চলত বাস কৰিছিল আৰু প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে তেওঁলোক কৃষিৰ ওপৰত নিৰ্ভৰশীল আছিল। এক বৃহৎ জনসংখ্যাৰ বৃত্তি হোৱা সত্ত্বেও অৱশ্যে কৃষি খণ্ডই ক্ৰমান্বয়ে অচলতা আৰু অৱনতিৰ ফালে ঢাল খাবলৈ ধৰিলে। কৃষি খণ্ডই মুঠ কৃষিভূমিৰ বিস্তাৰৰ ফলত উন্নয়নৰ সন্মুখীন হৈছিল যদিও কৃষিভিত্তিক উৎপাদন হ্ৰাসহে হ'বলৈ ধৰিছিল। কৃষি খণ্ডৰ এনেধৰণৰ অচলাৱস্থাৰ মূল কাৰণ আছিল ঔপনিৱেশিক চৰকাৰে প্ৰচলন কৰা বিভিন্ন ভূমি নিষ্পত্তিকৰণৰ ব্যৱস্থাসমূহ। সেই সময়ৰ বৰ্তমানৰ ভাৰতৰ পূব প্ৰান্তৰ ৰাজ্যসমূহেৰে গঠিত বংগ প্ৰেছিডেন্সিত প্ৰচলিত জমিদাৰী ব্যৱস্থাত কৃষি খণ্ডৰ লাভালাভ কৃষকৰ পৰিৱৰ্তে জমিদাৰসকলেহে পাইছিল। ইয়াৰ উপৰি ঔপনিৱেশিক চৰকাৰৰ বাদেও বহুতো জমিদাৰে কৃষিক্ষেত্ৰৰ উন্নয়নৰ বাবে কোনো পদক্ষেপ লোৱা নাছিল। জমিদাৰসকলৰ মুখ্য স্বাৰ্থটোৱে আছিল কৃষকসকলৰ অৱস্থাক আওকাণ কৰি কেৱল ৰাজহ সংগ্ৰহ কৰা; আৰু ইয়ে কৃষকসকলৰ মাজত যথেষ্ট হাহাকাৰ আৰু সামাজিক উত্তেজনাৰ সৃষ্টি কৰিছিল। জমিদাৰসকলৰ এনে মানসিকতাৰ বাবে অৱশ্যে ৰাজহ নিষ্পত্তিকৰণ ব্যৱস্থাও যথেষ্ট দায়ী আছিল; কিয়নো জমিদাৰসকলৰ বাবে ৰাজহ জমা দিয়াৰ তাৰিখ নিৰ্দিষ্টভাৱে ধাৰ্য কৰা আছিল আৰু সেই তাৰিখৰ ভিতৰত ৰাজহ জমা দিব নোৱাৰিলে তেওঁলোকে নিজৰ অধিকাৰ হেৰুৱাবলগীয়া হৈছিল। ইয়াৰ উপৰি কৃষকৰ দূৰৱস্থা আৰু নিম্ন স্তৰৰ কৃষি উৎপাদনৰ বাবে দায়ী আন কিছুমান কাৰক আছিল নিম্নস্তৰৰ প্ৰযুক্তি, জলসিঞ্চন ব্যৱস্থাৰ অভাৱ আৰু সাৰৰ নিম্ন প্ৰয়োগ। অৱশ্যে কৃষি খণ্ডৰ বিশেষীকৰণৰ বাবে দেশৰ কিছুমান অঞ্চলত নগদী শস্যৰ তুলনামূলকভাৱে উচ্চ উৎপাদনৰ প্ৰমাণ পোৱা গৈছে। কিন্তু এই ব্যৱস্থাই কৃষকসকলৰ অৱস্থাৰ কোনো উন্নতি কৰিব পৰা নাছিল, কিয়নো খাদ্য-শস্যৰ ঠাইত তেওঁলোকে নগদী শস্য উৎপাদন কৰিবলগীয়া হৈছিল, যিবোৰ বৃটিছ উদ্যোগসমূহলৈহে পঠিওৱা হৈছিল। স্বাধীনতাৰ সময়ত হোৱা দেশ বিভাজনৰ বাবেও দেশৰ কৃষি খণ্ডৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছিল। অবিভাজিত দেশখনৰ এক বৃহৎ অংশৰ উৰ্বৰ আৰু জলসিঞ্চিত কৃষিভূমি পাকিস্তানৰ অংশলৈ যোৱাৰ বাবে ভাৰতৰ কৃষি খণ্ড যথেষ্ট প্ৰভাৱিত হৈছিল। ভাৰতৰ মৰাপাট উদ্যোগৰ ওপৰত এই প্ৰভাৱ যথেষ্ট পৰিমাণে পৰিছিল কিয়নো, প্ৰায়ভাগ মৰাপাট উৎপাদক ভূমিয়ে পূব পাকিস্তানত (এতিয়া বাংলাদেশ) অন্তৰ্ভুক্ত হৈছিল। ভাৰতৰ মৰাপাট সামগ্ৰীৰ উদ্যোগবোৰ (যি পূৰ্বতে বিশ্বত একছত্ৰী স্থিতিত আছিল) কেঁচা সামগ্ৰীৰ অভাৱত পৰিছিল।

১.৩.২ ঔদ্যোগিক খণ্ড

কৃষি খণ্ডৰ নিচিনাকৈ, ঔপনিৱেশিক শাসন কালত ভাৰতে উদ্যোগ খণ্ডতো সুদৃঢ় ভেটি গঢ়িব পৰা নাছিল। দেশখনৰ বিশ্বখ্যাত হস্তশিল্প উদ্যোগৰ অৱনতি হোৱা সত্ত্বেও ইয়াত কোনো আধুনিক ঔদ্যোগিক ভেটি গঢ়ি উঠিবলৈ দিয়া হোৱা নাছিল। ভাৰতক ক্ৰমান্বয়ে এনেদৰে অনা-ঔদ্যোগিক কৰি তোলা আঁচনিৰ আঁৰত ঔপনিৱেশিক চৰকাৰৰ দুটা উদ্দেশ্য আছিল। প্ৰথমটো উদ্দেশ্য আছিল ভাৰতৰ স্থিতি কেৱল বৃটেইনৰ নৱ প্ৰতিষ্ঠিত উদ্যোগ-সমূহলৈ এক কেঁচা সামগ্ৰী যোগান দিওঁতা দেশলৈ অৱনমিত কৰা, আৰু দ্বিতীয়তে, ভাৰতক বৃটেইনৰ উৎপাদিত সামগ্ৰীৰ এখন বজাৰৰূপে গঢ়ি তোলা, যাতে বৃটেইনৰ স্বাৰ্থ সাপেক্ষে ভাৰতত ক্ষমতাৰ সম্প্ৰসাৰণ কৰি থাকিব পাৰি। এনে অৰ্থনৈতিক অৱস্থাত স্থানীয় হস্তশিল্পৰ বজাৰখনৰ অৱনতিয়ে কেৱল নিবনুৱা সমস্যা বৃদ্ধিয়ে নহয়, বৰঞ্চ ই ভাৰতত স্থানীয়ভাৱে উৎপাদিত সামগ্ৰীৰ অভাৱৰ ফলত ভাৰতীয় গ্ৰাহকসকলৰ মাজত নতুন চাহিদাৰ সৃষ্টি কৰিছিল। বৃটেইনৰ নিম্নমানৰ উৎপাদিত সামগ্ৰীসমূহৰ আমদানিয়ে যথেষ্ট লাভজনকভাৱে এই চাহিদা পূৰণ কৰিছিল। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত, ভাৰতত আধুনিক উদ্যোগৰ ভেটি গঢ়ি উঠিছিল যদিও ইয়াৰ উন্নতিৰ হাৰ লেহেমীয়া আছিল। প্ৰাৰম্ভণিতে এই উন্নতি কেৱল কপাহী আৰু মৰাপাটৰ বস্ত্ৰ উদ্যোগৰ মাজতে সীমাবদ্ধ আছিল। মুখ্যতঃ ভাৰতীয়সকলে চলোৱা কপাহী উদ্যোগসমূহ দেশখনৰ পশ্চিম প্ৰান্তত, যেনে— মহাৰাষ্ট্ৰ আৰু গুজৰাটত অৱস্থিত আছিল। আনহাতে মুখ্যতঃ বিদেশীসকলে পৰিচালনা কৰা মৰাপাটৰ উদ্যোগসমূহ বংগত গঢ়ি উঠিছিল। ক্ৰমান্বয়ে বিংশ শতিকাৰ আৰম্ভণিৰ সময়তে লোহা আৰু ষ্টীল উদ্যোগসমূহ গঢ়ি উঠিবলৈ ধৰে। ১৯০৭ চনত টাটা আইৰণ এণ্ড ষ্টীল কোম্পানী (টিচ্‌কো/TISCO) স্থাপিত হয়। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত চেনি, চিমেণ্ট, কাগজ ইত্যাদিৰ কেতবোৰ উদ্যোগো গঢ় লৈ উঠে। কিন্তু ভাৰতত ঔদ্যোগীকৰণক উৎসাহিত কৰিবলৈ কোনো মূলধনজাত সামগ্ৰীৰ উদ্যোগ স্থাপন হোৱা নাছিল। দেশখনৰ অ'ত-ত'ত স্থাপিত হোৱা কেইটামান উদ্যোগে পৰম্পৰাগত হস্তশিল্প উদ্যোগসমূহৰ স্থান পূৰণ কৰিবলৈ সমৰ্থ নাছিল। তদুপৰি, নতুন ঔদ্যোগিক খণ্ডটো বিকাশৰ হাৰে মুঠ ঘৰুৱা উৎপাদনত যগোৱা অৰিহণা তেনেই সামান্য আছিল। নতুন ঔদ্যোগিক খণ্ডটোৰ আন এটা গুৰুত্বপূৰ্ণ অসুবিধা আছিল ৰাজহুৱা খণ্ডৰ অতি সীমিত পৰিসৰত কৰা কার্য। এই খণ্ডটো কেৱল ৰে'ল, শক্তি উৎপাদন, দূৰ সংযোগ, বন্দৰ আৰু কিছুমান বিভাগীয় কার্যৰ মাজতেই সীমাবদ্ধ হৈ আছিল।

১.৩.৩ বৈদেশিক বাণিজ্য

প্ৰাচীন কালৰ পৰাই ভাৰতে বাণিজ্য ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। কিন্তু সামগ্ৰী উৎপাদন, বাণিজ্য আৰু শুল্কৰ ক্ষেত্ৰত ঔপনিৱেশিক চৰকাৰে চলোৱা

সীমাবদ্ধ নীতিসমূহে ভাৰতৰ বৈদেশিক বাণিজ্যৰ আকাৰ, গঠন আৰু আয়তনৰ ক্ষেত্ৰত যথেষ্ট বিৰূপ প্ৰভাৱ পেলাইছিল। ফলস্বৰূপে, ভাৰত প্ৰাথমিক সামগ্ৰী, যেনে— কেঁচা ৰেচম, কপাহ, ঊল, চেনি, নীল, মৰাপাট ইত্যাদিৰ ৰপ্তানিকাৰী (exporter) হৈ পৰিছিল আৰু বৃটেইনত উৎপাদিত উপভোক্তাৰ সামগ্ৰী, যেনে— কপাহী, ৰেচমী আৰু ঊলৰ কাপোৰৰ লগতে কম ওজনৰ যন্ত্ৰৰ দৰে মূলধনজাত সামগ্ৰীৰ আমদানিকাৰী (importer) হৈ পৰিছিল। সকলো ব্যৱহাৰিক কাৰ্যৰ বাবে বৃটেইনে ভাৰতৰ আমদানি আৰু ৰপ্তানিৰ ওপৰত একচেতিয়া নিয়ন্ত্ৰণ চলাইছিল। ইয়াৰ ফলস্বৰূপে ভাৰতৰ বৈদেশিক বাণিজ্যৰ আধাতকৈয়ো বেছি অংশ বৃটেইনৰ সৈতে সীমাবদ্ধ আছিল আৰু বাকী অংশৰ বাণিজ্যও চীন, চিলোন (শ্ৰীলংকা) আৰু পাৰ্ছীয় (ইৰাণ)ৰ দৰে কম সংখ্যক দেশৰ লগতহে হৈছিল। ছুয়েজ চেনেল (Suez Canal) মুকলি হোৱাৰ ফলত ভাৰতৰ বৈদেশিক বাণিজ্যৰ ওপৰত বৃটিছসকলৰ নিয়ন্ত্ৰণ অধিক হৈ পৰিছিল। ঔপনিৱেশিক কালত ভাৰতৰ বৈদেশিক বাণিজ্যৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে উচ্চ হাৰৰ ৰপ্তানি উদ্বৃত্ত (export surplus)। কিন্তু এই উদ্বৃত্তৰ বাবে দেশৰ অৰ্থনীতিয়ে যথেষ্ট ব্যয় কৰিবলগীয়া হৈছিল। ঘৰুৱা বজাৰত হোৱা অভাৱৰ বাবে মৌলিক প্ৰয়োজনীয় সামগ্ৰী— খাদ্য-শস্য, বস্ত্ৰ, কেৰাচিন আদিয়ে যথেষ্ট মনোযোগ আকৰ্ষণ কৰিবলৈ ধৰিছিল। ইয়াৰ উপৰি এই ৰপ্তানি উদ্বৃত্তই ভাৰতলৈ সোণ বা ৰূপৰ আমদানি কৰা নাছিল। বৰঞ্চ ইয়াক ঔপনিৱেশিক চৰকাৰে বৃটেইনত স্থাপন কৰা কাৰ্যালয়ৰ খৰচ, বৃটিছৰ বিৰুদ্ধে ঘোষণা হোৱা যুদ্ধৰ খৰচ আৰু অদৃশ্য সামগ্ৰীসমূহৰ আমদানিৰ বাবে হোৱা খৰচ হিচাপে ব্যৱহাৰ কৰা হৈছিল, আৰু এই সকলোবোৰৰ ফলাফল আছিল ভাৰতৰ পৰা ধনৰ বহির্গমন।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক ঃ

ক) বৃটিছ ঔপনিৱেশিক শাসন কালত ভাৰতৰ অৰ্থনীতি মূলতঃ কৃষিভিত্তিক আছিল। (শুদ্ধ / অশুদ্ধ)

খ) ৰাষ্ট্ৰীয় আৰু জনমূৰি আয়ৰ ক্ষেত্ৰত ডি কে ডি আৰ বাৱে ঔপনিৱেশিক কালত কৰা মূল্যায়ণক যথেষ্ট গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰা হয়। (শুদ্ধ / অশুদ্ধ)

২ নং প্ৰশ্ন ঃ টিচ্‌কো (TISCO) কেতিয়া স্থাপন কৰা হৈছিল? টিচ্‌কোৰ সম্পূৰ্ণ নামটো কি?

.....

.....

৩ নং প্ৰশ্ন ঃ ঔপনিৱেশিক চৰকাৰে ভাৰতীয় অৰ্থনীতিক কিয় ঔদ্যোগিক বিকাশৰ পৰা বঞ্চিত কৰিব বিচাৰিছিল? (৬০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

.....

১.৩.৪ জনসংখ্যা পৰিস্থিতি আৰু বৃত্তিগত গাঁথনি

জনসংখ্যা পৰিস্থিতি ঃ ১৮৮১ চনত কৰা এক লোকপিয়লত বৃটিছ শাসন কালত ভাৰতৰ জনসংখ্যাৰ বিভিন্ন খুঁটিনাটি প্ৰথমবাৰৰ বাবে সংগ্ৰহ কৰা হয়। বহুতো সীমাবদ্ধতা থকা সত্ত্বেও ই ভাৰতৰ জনসংখ্যাৰ বিসম হাৰত বৃদ্ধি হোৱা দেখুৱাইছিল। ইয়াৰ পিছত প্ৰতি দহ বছৰৰ মূৰত এনে লোকপিয়ল কৰা হৈছিল। ১৯২১ চনৰ পূৰ্বে ভাৰতত জনসংখ্যাৰ পৰিৱৰ্তনৰ প্ৰথম স্তৰটো চলি আছিল। দ্বিতীয় স্তৰৰ পৰিৱৰ্তন ১৯২১ চনৰ পিছত আৰম্ভ হৈছিল। অৱশ্যে এইটো স্তৰত ভাৰতৰ মুঠ জনসংখ্যা আৰু জনসংখ্যা বৃদ্ধিৰ হাৰ, ইয়াৰে দুয়োটাই নাছিল। সামাজিক উন্নয়নৰ বিভিন্ন সূচকসমূহো উৎসাহমূলক নাছিল। মুঠ সাক্ষৰতাৰ হাৰ ১৬ শতাংশতকৈয়ো কম আছিল। ইয়াৰ ভিতৰত আকৌ মহিলাৰ সাক্ষৰতাৰ হাৰ ৭ শতাংশতকৈয়ো কম আছিল। ৰাজহুৱা স্বাস্থ্য ব্যৱস্থাসমূহ হয়তো বৃহৎ জনসংখ্যাৰ বাবে উপলব্ধ নাছিল আৰু উপলব্ধ হ'লেও এই ব্যৱস্থাসমূহ পৰ্যাপ্ত নাছিল। ফলস্বৰূপে, পানী আৰু বতাহৰ পৰা হোৱা ৰোগৰ প্ৰকোপ বৃদ্ধি পাইছিল। মুঠ মৃত্যুৰ হাৰ যথেষ্ট উচ্চ আছিল, বিশেষকৈ বৰ্তমানৰ নৱজাতকৰ মৃত্যুৰ হাৰ (Infant mortality) প্ৰতি হাজাৰত ৩০.১৫ৰ বিপৰীতে সেই সময়ত প্ৰতি হাজাৰত ২১৮ আছিল। জন্মৰ সময়ৰ প্ৰত্যাশিত আয়ুস (Life Expectancy at birth) বৰ্তমানৰ ৬৭ বছৰ ৯ মাহৰ বিপৰীতে সেই সময়ছোৱাত মাত্ৰ ৩২ বছৰ হে আছিল। নিৰ্দিষ্ট তথ্যৰ অভাৱত সেই সময়ৰ দৰিদ্ৰতাৰ ছবিখন স্পষ্টকৈ পোৱা নাযায় যদিও এয়া নিশ্চিত যে ঔপনিৱেশিক কালত ভাৰতত যথেষ্ট দৰিদ্ৰ লোক বাস কৰিছিল। ভাৰতীয় জনসংখ্যাৰ সেই সময়ৰ নিম্নাৱস্থাৰ বাবে ইয়েই আছিল প্ৰধান কাৰক।

বৃত্তিগত গাঁথনি ঃ ঔপনিৱেশিক কালৰ ভাৰতৰ বৃত্তিগত গাঁথনি (Occupational structure), অৰ্থাৎ বিভিন্ন উদ্যোগ আৰু খণ্ডত কৰ্মচাৰীসকলৰ বিতৰণ সমগ্ৰ কালছোৱাত প্ৰায় একেই আছিল। কৃষি খণ্ডত আটাইতকৈ বেছি, প্ৰায় ৭০-৭৫ শতাংশ লোক নিয়োজিত হোৱাৰ বিপৰীতে উৎপাদন খণ্ডত আৰু সেৱা খণ্ডত কেৱল ক্ৰমে ১০ আৰু ১৫-২০ শতাংশ লোক নিয়োজিত হৈছিল। আন এটা গুৰুত্বপূৰ্ণ দিশ আছিল বৰ্ধিত আঞ্চলিক বৈষম্য। তেতিয়াৰ মাদ্ৰাজ প্ৰেছিডেন্সি (বৰ্তমানৰ তামিলনাড়ু, অন্ধ্ৰপ্ৰদেশ, কেৰেলা আৰু কৰ্ণাটক ৰাজ্য), মহাৰাষ্ট্ৰ আৰু পশ্চিমবংগত

উৎপাদন আৰু সেৱা খণ্ডৰ বিকাশৰ বাবে কৃষি খণ্ডৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাইছিল। কিন্তু একে সময়তে উৰিষ্যা, ৰাজস্থান আৰু পাঞ্জাৱ আদি ৰাজ্যসমূহত কৃষি খণ্ডত নিয়োজন বৃদ্ধি পাইছিল।

১.৩.৫ বুনিয়াদ

বৃটিছ শাসনকালৰ পূৰ্বে ভা�ৰতত নিৰ্মাণ কৰা পথসমূহ আধুনিক যাতায়াতৰ বাবে উপযোগী নাছিল। বিত্তৰ নাটনিৰ বাবে ঔপনিৱেশিক প্ৰশাসনেও এইক্ষেত্ৰত বিশেষ কাম কৰিব পৰা নাছিল। নিৰ্মাণ কৰা পথসমূহ প্ৰাথমিকভাৱে ভাৰতৰ ভিতৰতে সেনাবাহিনীৰ যাতায়াত আৰু ইংলেণ্ড অথবা অন্য বিদেশী ৰাষ্ট্ৰলৈ কেঁচা সামগ্ৰী ৰপ্তানি কৰাৰ উদ্দেশ্যৰে গ্ৰামাঞ্চলৰ পৰা নিকটতম ৰে'ল ষ্টেচন অথবা বন্দৰলৈ লৈ যোৱাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। বৰ্ষাকালত গ্ৰামাঞ্চলসমূহলৈ যোৱাৰ বাবে উপযুক্ত পথৰ অভাৱ হৈছিল। স্বাভাৱিকতে তেনে অঞ্চলসমূহ প্ৰাকৃতিক দুৰ্যোগ আৰু দুৰ্ভিক্ষৰ সময়ত বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছিল। ১৮৫০ চনত বৃটিছসকলে ভাৰতৰ ৰে'ল সেৱাৰ সূচনা কৰে, আৰু এই সেৱাক ভাৰতলৈ বৃটিছে দিয়া এক উল্লেখযোগ্য বৰঙণি বুলিব পাৰি। ৰে'ল সেৱাই ভাৰতীয় অৰ্থনীতিৰ বুনিয়াদক দুইধৰণে প্ৰভাৱান্বিত কৰিছিল। এহাতে ইয়াৰ সহায়ত লোকসকলে ভৌগোলিক আৰু সাংস্কৃতিক সীমা অতিক্ৰম কৰি দূৰ যাত্ৰা কৰিব পৰা হৈছিল, আৰু আনহাতে ই ভাৰতৰ কৃষিৰ ব্যৱসায়ীককৰণত সহায় কৰিছিল। ইয়ে ভাৰতৰ গ্ৰাম্য অৰ্থনীতিৰ তুলনামূলক স্বয়ংসম্পূৰ্ণতা (self-sufficiency)-ৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলাইছিল। ভাৰতৰ ৰপ্তানি বাণিজ্যৰ আয়তন বৃদ্ধি হৈছিল, কিন্তু ভাৰতীয়সকল ইয়াৰ লাভৰ অংশীদাৰ হোৱা নাছিল। সেয়েহে ভাৰতীয়সকলে ৰে'ল সেৱাৰ প্ৰচলনৰ বাবে পোৱা সামাজিক লাভৰ তুলনাত দেশখনৰ অৰ্থনৈতিক লোকচানৰ পৰিমাণ যথেষ্ট বেছি আছিল। পথ আৰু ৰে'ল সেৱাৰ উন্নয়নৰ লগতে ঔপনিৱেশিক চৰকাৰে আভ্যন্তৰীণ বাণিজ্য আৰু সমুদ্ৰ পথ উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল। অৱশ্যে এই ব্যৱস্থাসমূহ যথেষ্ট সন্তুষ্টিদায়ক নাছিল। কোনো কোনো সময়ত আভ্যন্তৰীণ জলপথসমূহ অমিতব্যয়ীৰূপে হে পৰিগণিত হৈছিল। যেনে— উৰিষ্যা উপকূলৰ জলসংযোগ প্ৰণালী। এই জলসংযোগ প্ৰণালীৰ স্থাপনত চৰকাৰৰ এক বৃহৎ পুঁজি ব্যয় কৰিছিল; কিন্তু তৎস্বত্ত্বেও ইয়াৰ সমান্তৰালভাৱে অৱস্থিত ৰে'লপথৰ সৈতে ই প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰাৰ বাবে ইয়াক সময়ত বন্ধ কৰি দিয়া হৈছিল। বৈদ্যুতিক টেলিগ্ৰাফ ব্যৱস্থা ব্যয়বহুল হোৱা স্বত্ত্বেও কেৱল আইন-শৃংখলা নিয়ন্ত্ৰণৰ স্বাৰ্থতে বৃটিছসকলে ভাৰতত প্ৰৱৰ্তন কৰিছিল। আনহাতে ডাকসেৱাই ৰাইজৰ স্বাৰ্থত সেৱা আগবঢ়োৱা স্বত্ত্বেও, ইয়াৰ সম্প্ৰসাৰণ পৰ্যাপ্ত নাছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়লৈ মাত্ৰাধিক শ্ৰম আৰু নিম্ন উৎপাদন কৃষি খণ্ডৰ বাবে বোজাস্বৰূপ হৈ পৰিছিল। উদ্যোগ ক্ষেত্ৰৰ বাবে আধুনিকীকৰণ, বহুমুখীকৰণ, ক্ষমতা নিৰ্মাণ আৰু বৰ্ধিত ৰাজহুৱা বিনিয়োগ অতি প্ৰয়োজনীয় হৈ পৰিছিল। বিদেশী

বাণিজ্যৰ মূল লক্ষ্য আছিল বৃটেইনৰ ঔদ্যোগিক বিপ্লৱত অৰিহণা যোগোৱা। বিখ্যাত ৰে'ল সেৱাকে আদি কৰি অন্যান্য বুনিয়াদী ক্ষেত্ৰতো উন্নয়ন, প্ৰসাৰণ আৰু ৰাজহুৱাকৰণৰ প্ৰয়োজন হৈছিল। দাৰিদ্ৰতা আৰু নিবনুৱা সমস্যা দূৰ কৰিবলৈ ৰাজহুৱা অৰ্থনৈতিক নীতিৰ কল্যাণ আৱশ্যকীয় হৈ পৰিছিল। থোৱতে ক'বলৈ গ'লে, দেশখন অগণন সামাজিক আৰু অৰ্থনৈতিক সমস্যাৰ সন্মুখীন হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

৪ নং প্ৰশ্ন ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক ঃ

ক) বৃটিছ শাসিত ভাৰতৰ প্ৰথম জনগণনা ১৮৮৯ চনত এক লোকপিয়ল যোগে কৰা হৈছিল। (শুদ্ধ / অশুদ্ধ)

খ) ভাৰতে স্বাধীনতা লাভ কৰা সময়লৈ ইয়াৰ কৃষি খণ্ড এক আধুনিক কৃষি খণ্ডলৈ ৰূপান্তৰিত হৈ উঠিছিল। (শুদ্ধ / অশুদ্ধ)

৫ নং প্ৰশ্ন ঃ বৃটিছ শাসন কালত কেতবোৰ সামাজিক সূচকৰ অৱস্থা সম্পৰ্কে লিখক। (৬০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

.....

৬ নং প্ৰশ্ন ঃ আমাৰ দেশত ৰে'ল সেৱাৰ সূচনাই ভাৰতীয় অৰ্থনীতিলৈ যথেষ্ট উন্নয়ন কঢ়িয়াই আনিছিল। এই কথাষাৰৰ সৈতে আপুনি একমতনে? (৬০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

.....

১.৪ ভাৰতীয় অৰ্থনীতি ঃ বৈশিষ্ট্য আৰু বিচাৰ্য বিষয়সমূহ

এই শাখাটিত আমি ভাৰতীয় অৰ্থনীতিৰ দুটা প্ৰধান দিশৰ বিষয়ে আলোচনা কৰিম,

যথা— উন্নয়নশীল অৰ্থনীতি হিচাপে ইয়াৰ মৌলিক বৈশিষ্ট্যসমূহ, আৰু ইয়াৰ পৰা উদ্ভৱ হোৱা বিষয়সমূহ।

১.৪.১ উন্নয়নশীল অৰ্থনীতি হিচাপে ভাৰতৰ বৈশিষ্ট্য

ভাৰতীয় অৰ্থনীতিৰ মাজত উন্নয়নশীল অৰ্থনীতিৰ প্ৰতিটো বৈশিষ্ট্যই আছে। ভাৰতীয় অৰ্থনীতিৰ মূল বৈশিষ্ট্যসমূহ এনেধৰণৰ ঃ

- **নিম্নমানৰ আয় ঃ** ভাৰতৰ জনমূৰি আয় বিশ্বৰ ভিতৰতে নিম্নমানৰ। নিম্নমানৰ আয়ৰ অৰ্থ হৈছে নিম্নমানৰ জীৱন-ধাৰণ প্ৰণালী আৰু নিম্নমানৰ ভোগ। স্বাধীনতাৰ সময়ৰ পৰা উৎপাদন ক্ষেত্ৰত হোৱা বিকাশসমূহ দেশখনৰ জনমূৰি আয়ৰ মাজত প্ৰতিফলিত নহয়। ইয়াৰ কাৰণ হৈছে জনসংখ্যাৰ বৰ্ধিত হাৰ। জনসাধাৰণৰ আয়ৰ স্তৰসমূহৰ মাজত এক বৃহৎ পাৰ্থক্য দেখিবলৈ পোৱা যায়। এতিয়াও ভাৰতৰ জনসংখ্যাৰ প্ৰায় এক-তৃতীয়াংশ লোকেই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। জীৱন-ধাৰণৰ নিম্নমানৰ ফলস্বৰূপে শ্ৰমৰ কাৰ্যকাৰিতাও নিম্নস্তৰৰ হয়।
- **কৃষি খণ্ডৰ আধিপত্য ঃ** ভাৰতৰ শ্ৰমশক্তিৰ প্ৰায় দুই-তৃতীয়াংশ কৃষিক্ষেত্ৰত নিয়োজিত আৰু দেশখনৰ মুঠ ঘৰুৱা উৎপাদনৰ ২৭ শতাংশৰ পৰা ৩০ শতাংশ অৰিহণা কৃষি খণ্ডৰ পৰা আহে। ইয়াৰ বিপৰীতে প্ৰায়বোৰ উন্নত দেশতে কেৱল ২-৪ শতাংশ শ্ৰমশক্তি কৃষিক্ষেত্ৰত নিয়োজিত হয় আৰু মুঠ ঘৰুৱা উৎপাদনৰ কেৱল ২-৯ শতাংশ কৃষি খণ্ডই অৰিহণা যোগায়। ভাৰতত কৃষি খণ্ড এতিয়াও মৌচুমীৰ ওপৰত নিৰ্ভৰশীল আৰু কৃষিখণ্ডত ব্যৱহাৰ কৰা প্ৰযুক্তিও যথেষ্ট পিছপৰা।
- **মূলধনৰ নাটনি ঃ** নিম্নমানৰ আয়ৰ ফলস্বৰূপে সঞ্চয় আৰু মূলধন গঠনৰ স্তৰো নিম্নমানৰ হয়। মূলধনৰ নাটনিৰ বাবে শ্ৰম আৰু প্ৰাকৃতিক সম্পদৰ দৰে সম্পদসমূহ অব্যৱহৃত আৰু আহৃত নোহোৱাকৈয়ে থাকে।
- **প্ৰযুক্তিগত অনগ্ৰসৰতা ঃ** উৎপাদনৰ প্ৰায়ভাগ ক্ষেত্ৰতে ব্যৱহৃত প্ৰযুক্তিসমূহ যথেষ্ট অনগ্ৰসৰ, অৰ্থাৎ আওপুৰণি। গৱেষণা আৰু উন্নয়নৰ ক্ষেত্ৰত কৰা বিনিয়োগ অতি নিম্নমানৰ হোৱা বাবে প্ৰযুক্তি আমদানি কৰিবলগীয়া হয়।
- **অপৰ্যাপ্ত বুনিয়াদ ঃ** ঔদ্যোগিক উৎপাদনৰ লগতে কৃষি উৎপাদন আৰু সেৱা খণ্ডতো যাতায়াত, দূৰ সংযোগ, শক্তি ইত্যাদিৰ দৰে বুনিয়াদী সুবিধাসমূহৰ প্ৰয়োজন হয়। ভাৰতত এই সকলোবোৰ সুবিধাই অপৰ্যাপ্ত।
- **জনসংখ্যা বৃদ্ধিৰ উচ্চ হাৰ ঃ** বিশ্বৰ মুঠ জনসংখ্যাৰ ছয় ভাগৰ এভাগ অৰ্থাৎ ১১৭ কোটি হৈছে ভাৰতৰ মুঠ জনসংখ্যা (২০০৯ চনৰ জুলাই মাহত কৰা আনুমানিক গণনা অনুযায়ী)। জনসংখ্যাবিদসকলৰ ধাৰণা মতে, ২০৩০ চনৰ ভিতৰত ভাৰতে বিশ্বৰ সৰ্বোচ্চ জনসংখ্যাৰ দেশ চীনকো চেৰ পেলাব। সেই সময়ত ভাৰতৰ জনসংখ্যা ১৫৩ কোটি হ'ব বুলি ধাৰণা কৰা হৈছে। ইয়াৰ বিপৰীতে সেই সময়ছোৱাত চীনৰ

জনসংখ্যাই ইয়াৰ সৰ্বোচ্চ সীমা ১৪৬ কোটি চুব (আৰু ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিব)। জনসংখ্যা বৃদ্ধিৰ উচ্চ হাৰে উপলব্ধ সম্পদৰ ওপৰত অধিক চাপ সৃষ্টি কৰাৰ লগতে জনমূৰি আয় হ্ৰাস কৰে।

- **নিৰক্ষৰতাৰ উচ্চ হাৰ ঃ** ২০১১ চনৰ লোকপিয়ল অনুসৰি, ভাৰতৰ মুঠ সাক্ষৰতাৰ হাৰ হৈছে ৭৪ শতাংশ। পুৰুষৰ সাক্ষৰতাৰ হাৰ ৮২ শতাংশ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ ৬৫.৫ শতাংশ।
- **নৱজাতকৰ মৃত্যুৰ উচ্চ হাৰ ঃ** এক সমীক্ষা অনুসৰি, বিশ্বৰ ভিতৰতে ভাৰতত নৱজাতকৰ মৃত্যুৰ হাৰ সৰ্বোচ্চ। ৰাষ্ট্ৰসংঘৰ মানৱ উন্নয়ন প্ৰতিবেদন (Human Development Report) অনুসৰি ২০১৮ চনত মানৱ উন্নয়ন সূচক (Human Development Indicator) অনুযায়ী, ভাৰতে ১৮৯ দেশৰ ভিতৰত ১৩০ সংখ্যক স্থানলৈ অৱনমিতহে হৈছে। এই ঘটনাই দেশখনত অপৰ্যাপ্ত পুষ্টি আৰু দুৰ্বল অনাময় ব্যৱস্থাক সূচায়।

১.৪.২ ভাৰতীয় অৰ্থনীতিৰ সাম্প্ৰতিক সমস্যা

২০২০ চনৰ ভিতৰত ভাৰতে নিজকে এক অৰ্থনৈতিক মহাশক্তিৰূপে আৰু এখন উন্নত দেশ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ লোৱা উদ্দেশ্যৰ পৰিপ্ৰেক্ষিতত দেশখনে আৰ্থ-সামাজিক সংস্কাৰ ত্বৰান্বিত কৰিবলৈ আৰু আনুষ্ঠানিক তথা বুনিয়াদী সমস্যাসমূহ সমাধান কৰিবলৈ প্ৰচেষ্টা চলোৱা উচিত। বিকাশৰ হাৰ উন্নত কৰি তুলিবলৈও যথাযথ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ভাৰতীয় অৰ্থনীতিয়ে সন্মুখীন হোৱা সাম্প্ৰতিক সমস্যাসমূহ এনেধৰণৰ—

- **মুদ্ৰাস্ফীতি ঃ** ভাৰতত মুদ্ৰাস্ফীতি এক গুৰুত্বপূৰ্ণ সমস্যা আৰু বৰ্ধিত মজুৰি, সম্পত্তিৰ মূল্য তথা খাদ্যৰ মূল্যই ইয়াক ইন্ধন যোগাইছে। বছৰেকত ৯.২ শতাংশ আৰ্থিক বিকাশৰ ক্ষেত্ৰত আৰু বিশেষকৈ বুনিয়াদৰ দৰে যোগানৰ দিশসমূহত সৃষ্টি হোৱা সীমাবদ্ধতাৰ বাবে, মুদ্ৰাস্ফীতিজনিত চাপ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ২০০৪-০৫ আৰু ২০০৭-০৮ বিত্তীয় বৰ্ষৰ মাজৰ সময়ছোৱাত ভাৰতৰ ঘৰুৱা অৰ্থনীতিৰ বিকাশৰ হাৰ ৯ শতাংশতকৈও অধিক হৈছিল, কিন্তু আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক দূৰৱস্থাই ভাৰতীয় অৰ্থনীতিক বাহ্যিকভাৱে ইমান প্ৰভাৱিত কৰিছিল যে কেতবোৰ খণ্ডত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছিল। ২০০৯ চনত ভাৰতৰ মুদ্ৰাস্ফীতিৰ হাৰ আছিল ১১.৪৯ শতাংশ। এদশক পাছত যি সময়ছোৱাত ভাৰতীয় অৰ্থনীতিত কিছুমান উত্থান পতন দেখা গৈছে, বাৰ্ষিক মুদ্ৰাস্ফীতিৰ হাৰ ২০১৮-১৯ বৰ্ষত ৩.৪১ শতাংশলৈ কমি আহিছে।
- **শিক্ষাৰ নিম্ন মানদণ্ড ঃ** সাক্ষৰতা হৈছে আৰ্থ-সামাজিক উন্নয়নৰ মূল ভেটি আৰু ১৯৪৭ চন, অৰ্থাৎ বৃটিছ শাসনৰ সমাপ্তিৰ সময়ৰ ১২ শতাংশৰ বিপৰীতে ২০১১ চনত ভাৰতত সাক্ষৰতাৰ হাৰ ৭৪ শতাংশলৈ বৃদ্ধি পাইছিল। এই বিকাশৰ হাৰ

ছয়গুণতকৈও অধিক, যদিও বিশ্বৰ গড় সাক্ষৰতাৰ হাৰ ৮৬ শতাংশৰ বিপৰীতে ভাৰতৰ হাৰ অতি নিম্ন। ভাৰতত সাক্ষৰতাৰ ক্ষেত্ৰত এক বৃহৎ লিংগ বৈষম্য(gender discrimination) দেখিবলৈ পোৱা যায় ঃ ২০১১ চনত প্ৰাপ্তবয়স্ক (১৫ বছৰ বা ততোধিক)-ৰ সাক্ষৰতাৰ হাৰ পুৰুষৰ মাজত ৭৮.৮ শতাংশ আৰু মহিলাৰ মাজত ৫৯.৩ শতাংশ। ভাৰতত মহিলাৰ নিম্ন সাক্ষৰতাৰ হাৰে দেশখনত পৰিয়াল পৰিকল্পনা তথা জনসংখ্যা বৃদ্ধিৰ হাৰ ৰোধ কৰিবলৈ লোৱা ব্যৱস্থাসমূহৰ ওপৰত যথেষ্ট ঋণাত্মক প্ৰভাৱ পেলাইছে। গ্ৰামাঞ্চলত আৰু মহিলা-সকলৰ মাজত এই প্ৰভাৱ অধিক। ভাৰতৰ গ্ৰামাঞ্চলৰ ৫০ শতাংশ মহিলাই নিৰক্ষৰ।

- **অনগ্ৰসৰ বুনিয়াদী ব্যৱস্থা ঃ** ভাৰতৰ প্ৰায়ভাগ অঞ্চলৰে যাতায়াত আৰু দূৰ সংযোগ ব্যৱস্থা অতি অনগ্ৰসৰ। শক্তি যোগানৰ নাটনিৰ বাবে কোনো কোনো অঞ্চলত বিদ্যুতৰ নাটনি হয়। বহুতো ভাৰতীয় লোক পানীৰ দৰে মৌলিক প্ৰয়োজনৰ পৰাও বঞ্চিত। বৰ্ধিত জনসংখ্যা আৰু বৰ্ধিত অৰ্থনীতিৰ ফলত এই সমস্যাবোৰ ক্ৰমান্বয়ে গুৰুতৰ হোৱাৰ আশংকা আছে।
- **লেনদেনৰ সন্তুলনৰ বিপৰ্যয় ঃ** ভাৰতবৰ্ষত বিদেশী মুদ্ৰাৰ পৰিমাণ যথেষ্ট পৰিমাণে বাঢ়িছে, যদিও চলিত হিচাপ (Current Account)ত দেখা দিয়া ঘাটিৰ ফলত লেনদেনৰ সন্তুলন (balance of payment) বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। এয়া হোৱাৰ মূল কাৰণ হ'ল ঘৰুৱা অৰ্থনীতিটোৰ ওপৰত অত্যধিক চাপ। দেশৰ মুঠ যোগান মুঠ চাহিদাৰ সমান হোৱা নাই। ফলত বিদেশী সামগ্ৰীৰ আমদানি বৃদ্ধি পাইছে। অৱশ্যে, শেহতীয়া সময়ছোৱাত ভাৰতৰ চলিত হিচাপত ঘাটিৰ পৰিমাণ ৩ শতাংলৈ হ্ৰাস পাইছে।
- **অসমতা হ্ৰাস পোৱাৰ সলনি বৃদ্ধিহে পাইছে ঃ** সাধাৰণতে আশা কৰা যায় যে দেশৰ অৰ্থনীতিৰ বৃদ্ধিয়ে দেশৰ দুখীয়া জনসাধাৰণক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ উন্নীত কৰাত সহায় কৰিব। কিন্তু এতিয়ালৈকে দেখা গৈছে যে দেশৰ অৰ্থনীতিক বৃদ্ধিয়ে ব্যাপক অসমতাৰহে সৃষ্টি কৰিছে। ইয়ে দক্ষ আৰু ধনী শ্ৰেণীটোকহে লাভান্বিত কৰিছে। ভাৰতবৰ্ষৰ বহুখিনি দুখীয়া লোকে এতিয়াও অৰ্থনৈতিক বৃদ্ধিৰ কোনো প্ৰত্যক্ষ ফলাফল লাভ কৰা নাই। ফ'ৰ্বছৰ সমীক্ষাত দেখা গৈছে যে দেশৰ ৩১ নিযুত ঘৰত এতিয়াও বিদ্যুৎ নাই। দেশৰ বুজন সংখ্যক লোক এতিয়াও দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। তদুপৰি, দেশখনৰ চুকে-কোণে টেলিভিছন, মোবাইল আৰু ইন্টাৰনেট সেৱা সোমাই পৰাত গাঁৱৰ জনসাধাৰণৰ মাজত অসমতাৰ সচেতনতা বৃদ্ধি পাইছে।
- **ব্যাপক বাজেট ঘাটি ঃ** বিশ্বৰ উন্নয়নশীল দেশসমূহৰ ভিতৰত ভাৰতবৰ্ষৰ বাজেট ঘাটি অন্যতম। ইয়াৰ ফলত ৰাজহুৱা খণ্ডসমূহ, যেনে— শিক্ষা, স্বাস্থ্য আদিত ৰাজহুৱা বিনিয়োগৰ পৰিমাণ যথেষ্ট সীমিত হৈছে। অৱশ্যে শেহতীয়া সময়ছোৱাত,

বিশেষকৈ ২০১৮-১৯ বৰ্ষত ভাৰতবৰ্ষৰ বিত্তীয় ঘাটি ৩.৩৯ শতাংশলৈ হ্ৰাস পাইছে।

- **পৰিৱেশৰ ওপৰত অৰ্থনৈতিক বৃদ্ধিৰ বিৰূপ প্ৰভাৱ ঃ** দেশৰ উচ্চ অৰ্থনৈতিক বৃদ্ধিয়ে মধ্যবিত্ত শ্ৰেণীটোক প্ৰতিপত্তিশালী হোৱাত সহায় কৰিছে। তেওঁলোকে নতুন নতুন গাড়ী কিনিব পাৰিছে তথা নতুন নতুন বিলাসী সামগ্ৰী কিনিব পাৰিছে। কিন্তু ইয়াৰ ফলত প্ৰদূষণ বহু পৰিমাণে বৃদ্ধি পাইছে। ভাৰতীয় নগৰসমূহত বৃদ্ধি পোৱা জনসংখ্যাৰ কথাটো মন কৰিলে এয়া অধিক স্পষ্ট হৈ পৰে। বহু অৰ্থবিজ্ঞানীয়ে মত প্ৰকাশ কৰে যে স্থিৰ অৰ্থনীতিক বৃদ্ধি তথা এক সুস্থ সামাজিক বাতাবৰণ বৰ্তাই ৰখাৰ স্বাৰ্থত দেশখনে ইয়াৰ বৰ্ধিত জনসংখ্যা নিয়ন্ত্ৰণ কৰা উচিত।
- **প্ৰৱেশত বাধা ঃ** ভাৰতীয় অৰ্থনীতিটোত এতিয়াও ব্যাপক নিয়ন্ত্ৰণ প্ৰচলিত। ইয়াৰ ফলত ব্যৱসায়ী শ্ৰেণীটোৱে নতুন নতুন বজাৰত প্ৰৱেশ কৰাত ব্যয় আৰু অন্যান্য অসুবিধাৰ সন্মুখীন হয়। ইয়ে দেশখনৰ ঔদ্যোগিক বাতাবৰণ বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছে। দেশত বিনিয়োগ বৃদ্ধি কৰিবলৈ হ'লে এনেধৰণৰ বাধাসমূহ আঁতৰোৱাতো নিতান্তই জৰুৰী। নিয়ম-কানুনবোৰ সহজ-সৰল কৰিব লাগে আৰু ব্যৱসায়ত থকা বাধাসমূহ শিথিল কৰিব লাগে।
- **নিবনুৱা সমস্যা ঃ** দেশখনৰ অৰ্থনৈতিক বৃদ্ধি ত্বৰান্বিত হোৱা সত্ত্বেও নিবনুৱাৰ সংখ্যা দিনক দিনে বৃদ্ধি হৈয়ে আছে। অৱশ্যে দেশখনৰ শ্ৰমৰ বজাৰখনত শ্ৰমিকৰ সংখ্যা বৃদ্ধি পাব ধৰিছে। বিশেষকৈ যুৱতীসকলৰ উপস্থিতি উৎসাহজনক। নিৰ্মাণ আৰু সেৱা খণ্ডত বিনিয়োগ বৃদ্ধি নকৰিলে যথেষ্ট পৰিমাণে নিয়োগৰ সুবিধা বৃদ্ধি হোৱাটো অসম্ভৱ।
- **দক্ষতাৰ নাটনি ঃ** তুলনামূলকভাৱে, ভাৰতৰ শিক্ষা খণ্ডটো পিছপৰা নহয়; যদিও দক্ষ মানৱ সম্পদৰ বৰ অভাৱ দেখা যায়, বিশেষকৈ তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰখনত। আকৌ দেশখনৰ বিভিন্ন অঞ্চলত ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধানটো ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰিছে। শৈক্ষিক তথা বৃত্তিমুখী শিক্ষাৰ প্ৰসাৰণ ঘটোৱাটো অত্যন্ত জৰুৰী হৈ পৰিছে।
- **বিত্তীয় সংস্কাৰ ঃ** বিত্তীয় সংস্কাৰ সাধনৰ এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হ'ল বিত্তীয় ব্যৱস্থাটোৰ সবলীকৰণ আৰু উপযুক্ত কৰ সংস্কাৰ (Tax Reform) ব্যৱস্থাৰ জৰিয়তে ইয়াক সমন্বিত কৰা। মন কৰিবলগীয়া কথাটো হ'ল পৰোক্ষ কৰ (Indirect Tax)এ কেৱলমাত্ৰ সম্পদৰ আবণ্টনকে প্ৰভাৱান্বিত নকৰে, ই দেশখনৰ বিনিয়োগৰ পৰিৱেশো বিনষ্ট কৰে। সেয়ে পৰোক্ষ কৰৰ সংস্কাৰ কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে।
- **প্ৰত্যক্ষ বিদেশী বিনিয়োগ ঃ** দেশখনৰ উন্নয়নৰ স্বাৰ্থত দেশৰ অৰ্থনীতিলৈ প্ৰত্যক্ষ বিদেশী বিনিয়োগ (Foreign Direct INvestment– FDI) আকৰ্ষণ কৰাটো আৱশ্যকীয়। এনেধৰণৰ বিনিয়োগে দেশখনত প্ৰযুক্তিৰ সম্প্ৰসাৰণ (technol-

ogy spillover)ত সহায় কৰে, মানৱ সম্পদৰ বিকাশত অৱিহণা যোগায়। আন্তর্জাতিক বাণিজ্য, বিশেষকৈ ৰপ্তানি বৃদ্ধিত অৱিহণা যোগায়, এক প্রতিদ্বন্দ্বিতামূলক বাণিজ্যিক পৰিৱেশ গঠন কৰি তোলে, ঔদ্যোগিক মনোবৃত্তি বিকশিত কৰে, সম্পদসমূহৰ উৎপাদনশীলতা বৃদ্ধি কৰে, আৰু সবাতোকৈ গুৰুত্বপূর্ণ কথাটো হ'ল— ই সম্পদসমূহৰ ব্যৱহাৰত দক্ষতা আনে।



অগ্রগতি নিৰীক্ষণ

৭ নং প্রশ্ন ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক ঃ

ক) উন্নয়নশীল বিশ্বত ভাৰত বাজেট ঘাটি সর্বোচ্চ হোৱা দেশসমূহৰ মাজৰ এখন। (শুদ্ধ / অশুদ্ধ)

খ) ভাৰতৰ জনসংখ্যা বিশ্বৰ মুঠ জনসংখ্যাৰ ছয় ভাগৰ এভাগ। (শুদ্ধ / অশুদ্ধ)

৮ নং প্রশ্ন ঃ 'মুদ্রাস্ফীতি' হৈছে ভাৰতৰ অন্যতম সাম্প্রতিক সমস্যা।' এই কথাষাৰৰ সৈতে আপুনি একমতনে? আপোনাৰ মতামতৰ সপক্ষে যুক্তি দর্শাওক। (৬০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

১.৫ ৰাষ্ট্রীয় আয়ৰ ধাৰা ঃ বৃদ্ধি আৰু ইয়াৰ গঠন

১.৫.১ ৰাষ্ট্রীয় আয়ৰ বৃদ্ধিৰ ধাৰা

ৰাষ্ট্রীয় আয়ৰ ধাৰা সম্পর্কীয় অধ্যয়নত ৫৫ বছৰীয়া পৰিকল্পনাৰ সময়ছোৱাক সামৰি লোৱা হৈছে। ১৯৫১ চনত আৰম্ভ হোৱা পৰিকল্পনাৰ উন্নয়নৰ প্রক্রিয়াৰ এটা পৰিণতি হিচাপে এই দশকবিলাকত ভাৰতীয় অর্থনীতিত গাঁথনিগত পৰিৱর্তন দেখা হৈছে। এই পৰিৱর্তনবিলাক বিকাশৰ হাৰ আৰু মুঠ ঘৰুৱা উৎপাদন (GDP)ৰ বিভিন্ন খণ্ডৰ গঠনতো প্রতিফলিত হৈছে। তলৰ ১.১নং তালিকাত প্রকৃত মুঠ ঘৰুৱা উৎপাদনত দীর্ঘকালীন সময়ছোৱাত পৰিলক্ষিত হোৱা কিছুমান গুৰুত্বপূর্ণ দিশ দাঙি ধৰা হৈছে।

তালিকা ১.১ ঃ মুঠ ঘৰুৱা উৎপাদনৰ গড় বাৰ্ষিক বৃদ্ধি

সময়	বছৰ	বৃদ্ধিৰ হাৰ (শতাংশ)
প্ৰথম পৰিকল্পনা	১৯৫১—৫৬	৩.৬
দ্বিতীয় পৰিকল্পনা	১৯৫৬—৬১	৪.৩
তৃতীয় পৰিকল্পনা	১৯৬১—৬৬	২.৮
বাৰ্ষিক পৰিকল্পনা	১৯৬৬—৬৯	৩.৮
চতুৰ্থ পৰিকল্পনা	১৯৬৯—৭৪	৩.৩
পঞ্চম পৰিকল্পনা	১৯৭৪—৭৯	৪.৮
বাৰ্ষিক পৰিকল্পনাবিলাক	১৯৭৯—৮০	-৬.০
ষষ্ঠ পৰিকল্পনা	১৯৮০—৮৫	৫.৭
সপ্তম পৰিকল্পনা	১৯৮৫—৯০	৬.০
বাৰ্ষিক পৰিকল্পনাবিলাক	১৯৯০—৯২	৩.০
অষ্টম পৰিকল্পনা	১৯৯২—৯৭	৬.৮
নৱম পৰিকল্পনা	১৯৯৭—০২	৫.৪
দশম পৰিকল্পনা	২০০২—০৭	৭.৬
একাদশ পৰিকল্পনা	২০০৭—১২	৮.০
দ্বাদশ পৰিকল্পনা	২০১২—১৭	৮.০(Q)#

(Q)# Quick Estimates. (ততাতৈয়া হিচাপ); উৎস ঃ Website of MOSPI

তালিকাখনত দেখা গৈছে যে, আশীৰ দশকৰ সময়ছোৱাত মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ আছিল ৫.৮%, যিটো নিৰ্ধাৰিত লক্ষ্যতকৈ বেছি আছিল। কিন্তু এই সময়ছোৱাত বাৰ্ষিক বিকাশৰ হাৰ আছিল অত্যন্ত অস্থিৰ। ১৯৯১-৯২ত হোৱা সংকটৰ বাবে এই উচ্চ হাৰ টিকি নাথাকিল, সেই সময়ত মুঠ ঘৰুৱা উৎপাদনৰ বাৰ্ষিক বিকাশৰ হাৰ ০.৮% লৈ নামে।

নবৈৰৰ দশকৰ সময়ছোৱাৰ সৈতে (১৯৯২ৰ পৰা ২০০২লৈ) এই শতিকাৰ প্ৰথম দশকটো (২০০২ৰ পৰা ২০১২লৈ) তুলনা কৰিলে কিছুমান মন কৰিবলগীয়া দিশ দেখা যায়। নব্বৈৰ দশকৰ সময়ছোৱাত বিকাশৰ হাৰ ৬ শতাংশৰ বিপৰীতে এই শতিকাৰ প্ৰথমটো দশকৰ বিকাশৰ হাৰ উল্লেখযোগ্যভাৱে ৭.৮ শতাংশলৈ বৃদ্ধি পাইছে।

১.৫.২ ৰাষ্ট্ৰীয় আয়ৰ গঠন

ৰাষ্ট্ৰীয় আয়ৰ গঠনত অৰ্থনৈতিক কাৰ্যকলাপসমূহৰ অৰিহণা ভিন ভিন খণ্ডত বিভাজিত কৰি প্ৰকাশ কৰা হয়। একোটা অৰ্থনীতি যেতিয়া অধিক উন্নত হয়, তেতিয়া মুঠ ঘৰুৱা উৎপাদনলৈ উদ্যোগ খণ্ডৰ বৰঙণি বৃদ্ধি পায় আৰু কৃষি খণ্ডৰ অংশ তুলনামূলকভাৱে কম হয়। ভাৰতীয় অৰ্থনীতিও ইয়াৰ ব্যতিক্ৰম নহয়; উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা

বিভিন্ন পদক্ষেপৰ পৰিণতিত এই একেই অভিজ্ঞতা দেশখনৰ অৰ্থনীতিতো দেখা গৈছে। ঘৰুৱা উৎপাদনৰ পৰিৱৰ্তিত গঠনৰ বিস্তৃত ধাৰা তলৰ ১.২ নং তালিকাত দেখুওৱা হৈছে ঃ

তালিকা ১.২ ঃ মুঠ ঘৰুৱা উৎপাদনত মূল উদ্যোগৰ অংশ


(১৯৯৩-৯৪ৰ মূল্যত) শতাংশ হিচাপত

খণ্ড/বৰ্ষ	১৯৫০-৫১	১৯৮০-৮১	২০০৫-০৬
১। কৃষি ইত্যাদি	৫৭.২	৩৯.৭	১৯.৭
ক) কৃষি	৫০.২	৩৫.৮	১৮.০
খ) বন	৬.১	৩.০	০.৭
গ) মীন	০.৯	১.০	০.৯
২। খনি, প্ৰস্তুতকৰণ ইত্যাদি	১৪.৮	২৩.৭	২৬.২
ক) খনি আৰু কুৰেৰী	১.৫	২.১	২.১
খ) প্ৰস্তুতকৰণ	৮.৯	১৩.৮	১৫.১
i) পঞ্জীকৃত	৪.৪	৮.১	১০.৩
ii) অপঞ্জীকৃত	৪.৫	৫.৮	৪.৮
গ) বিদ্যুৎ, গেছ আৰু পানী যোগান	০.৩	১.৭	২.২
ঘ) নিৰ্মাণ	৪.১	৬.১	৬.৮
৩। পৰিবহন, যোগাযোগ আৰু বাণিজ্য ইত্যাদি	১১.৯	১৮.৪	২৬.১
৪। বিত্ত আৰু স্থাৱৰ সম্পত্তি	৬.৭	৬.৫	১৩.৮
৫ ।সমূহীয়া আৰু ব্যক্তিগত সেৱা	৯.৪	১১.৭	১৪.২
ক) পণ্য খণ্ড (১+২)	৭২.০	৬৩.৪	৪৫.৯
খ) সেৱা খণ্ড (৩+৪+৫)	২৮.০	৩৬.৬	৫৪.১
মুঠ	১০০.০	১০০.০	১০০.০


বিভিন্ন পৰিকল্পনাৰ সময়ছোৱাত বিভিন্ন ক্ষেত্ৰসমূহৰ বৰঙণি ক্ষেত্ৰসমূহৰ ঔদ্যোগিক মূলৰ ভিত্তিত বিবেচনা কৰি চালে ৰাষ্ট্ৰীয় আয়ৰ গাঁথনিগত পৰিবৰ্তন হোৱাটো পৰিলক্ষিত হয়। আৰু এনে হোৱাৰ প্ৰধান কাৰণ হ'ল পৰিকল্পনাসমূহৰ ফলস্বৰূপে দেশৰ অৰ্থনীতিৰ বিকাশ। সাধাৰণতে ঔদ্যোগীকৰণৰ প্ৰসাৰৰ লগে লগে মুঠ ঘৰুৱা উৎপাদনত উদ্যোগ আৰু সেৱা খণ্ডৰ অংশ বৃদ্ধি পায়। ভাৰতীয় অৰ্থনীতিয়েও এক কৃষি প্ৰধান অৰ্থনীতিৰ পৰা উদ্যোগ প্ৰধান এক অৰ্থনীতিলৈ এই প্ৰক্ৰিয়াৰ জৰিয়তে পৰিৱৰ্তিত হ'ল। যিহেতু বিকাশৰ প্ৰক্ৰিয়াটোৰ দ্ৰুত সম্প্ৰসাৰণত সংগঠিত খণ্ডৰ প্ৰস্তুতকৰণ (manufacturing) উদ্যোগে অৰিহণা যোগালে, সেয়ে প্ৰস্তুতকৰণ খণ্ডৰ অংশ বৃদ্ধি হোৱাটো প্ৰায় নিশ্চিতেই আছিল। অৱশ্যে, কৃষি খণ্ডৰ বিকাশৰ হাৰ দ্ৰুত হোৱা পৰিলক্ষিত নহ'ল।

মুঠ ঘৰুৱা উৎপাদনত বিভিন্ন উদ্যোগখণ্ডৰ বৰঙণি চিত্ৰ ১.১ আৰু ১.২ ৰ সহায়ত দেখুওৱা হ'ল।

চিত্ৰ ১.১ ঃ মুঠ ঘৰুৱা উৎপাদনত বিভিন্ন উদ্যোগখণ্ডৰ বৰঙণি। (১৯৯৯- ২০০০ চনৰ মূল্যৰ ভিত্তিত।



চিত্ৰ ১.২ ঃ মুঠ ঘৰুৱা উৎপাদনত বিভিন্ন উদ্যোগখণ্ডৰ বৰঙণি। (২০১১- ২০১২ চনৰ মূল্যৰ ভিত্তিত।



চিত্ৰ ১.১ ত মুঠ ঘৰুৱা উৎপাদনত ১৯৯৯-২০০০ চনৰ মূল্যৰ ভিত্তিত দেখুওৱা হৈছে। চিত্ৰ ১.২ ত ২০১৪-১৫ বৰ্ষত মুঠ ঘৰুৱা উৎপাদনত বিভিন্ন উদ্যোগখণ্ডৰ বৰঙণি ২০১১-১২ চনৰ মূল্যৰ ভিত্তিত দেখুওৱা হৈছে।

সংগঠিত উদ্যোগ ঃ সংগঠিত উদ্যোগ বুলিলে চৰকাৰৰ নিয়ম-কানুন মানি চলা আৰু চৰকাৰী পঞ্জীভুক্ত উদ্যোগ সমূহো বুজোয়া যায়। এইবোৰ উদ্যোগত কৰ্মচাৰী আৰু নিয়োগকৰ্তা দুয়োটা থাকে। আনহাতে, অপঞ্জীভুক্ত ব্যক্তিগত আৰু খুচুৰা প্ৰতিস্থান সমূহক অসংগঠিত উদ্যোগখণ্ড হিচাপে চিহ্নিত কৰা হয়।

বিশ্বজুৰি সেৱা খণ্ডৰ গুৰুত্বপূৰ্ণ সম্প্ৰসাৰণ হোৱাৰ ফলত এই খণ্ডটোক 'বিকাশৰ ইঞ্জিন' বুলি গণ্য কৰা হয়। অৰ্থবিজ্ঞানীসকলে কয় যে, উন্নয়ন হৈছে এটা তিনি তৰপীয়া প্ৰক্ৰিয়া। বিকাশৰ প্ৰক্ৰিয়াত সেৱা খণ্ডৰ প্ৰভুত্ব সাধাৰণতে বিকাশৰ তৃতীয় স্তৰত সংলগ্ন হৈ থাকে। বিকাশৰ প্ৰক্ৰিয়াত ভাৰতৰ সেৱা খণ্ডৰ উন্নয়ন (২০০৫-০৬ত GDPত এই খণ্ডৰ অংশ আছিল ৫৪.১%) বিকাশৰ তৃতীয় স্তৰত সংলগ্ন হৈ থাকে। দৰাচলতে, ভাৰতীয় অৰ্থনীতিয়ে ঔদ্যোগীকৰণৰ স্তৰটো সম্পূৰ্ণ নকৰাকৈয়ে তাৰ পৰৱৰ্তী 'সেৱা খণ্ড' প্ৰধান এক অৰ্থনীতিলৈ অকস্মাতে জাঁপ মাৰি দিলে। উদ্যোগীকৰণৰ অগ্ৰগতিৰ বাবেই ই সম্ভৱ হ'ল। একে সময়তে কৃষি খণ্ডৰ বিকাশ দ্ৰুত কৰি তুলিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰা উচিত। এইটো এই কাৰণেই প্ৰয়োজনীয় যে কৃষিৰ বিকাশ আৰু ঔদ্যোগিক উন্নয়নৰ মাজত এটা সম্পৰ্ক আছে। দৰাচলতে, এক উন্নয়নশীল অৰ্থনীতিৰ পৰা উন্নত অৰ্থনীতিলৈ ভাৰতীয় অৰ্থনীতিৰ গমন তেতিয়াহে কাৰ্যকৰী হৈ উঠিব।

মুঠ ঘৰুৱা উৎপাদনত ৰাজহুৱা খণ্ডৰ অংশৰ ধাৰা ঃ মুঠ ঘৰুৱা উৎপাদনত ৰাজহুৱা খণ্ডৰ অংশ ১৯৫০-৫১ চনত আছিল ৭.৬%। এই পৰিমাণ ১৯৭০-৭১ত ১৪.৯% লৈ আৰু ২০০৫-০৬ত ২৩.০% লৈ বৃদ্ধি পায়। তলৰ তালিকা ১.৩ ত ইয়াক দেখুওৱা হৈছে ঃ

তালিকা ১.৩ ঃ চলিত মূল্যত মুঠ ঘৰুৱা উৎপাদনত ৰাজহুৱা খণ্ডৰ অংশ শতাংশত)

খণ্ড/বৰ্ষ	১৯৭০-৭১	১৯৯৩-৯৪	২০০৫-০৬
ৰাজহুৱা খণ্ডৰ মুঠ ঘৰুৱা উৎপাদন	১৪.৯	২৫.৯	২৩.০
১) চৰকাৰী প্ৰশাসন	৬.৫	৮.৭	৯.৫
২) বিভাগীয় প্ৰতিষ্ঠান	৪.১	৩.৭	২.৭
৩) অ-বিভাগীয় প্ৰতিষ্ঠান	৪.৪	১৩.৫	১১.৮

উৎস ঃ Indian Economy, Dutt and Sundaram, 2009

দেশৰ প্ৰশাসনীয় সেৱাৰ সম্প্ৰসাৰণৰ লগে লগে ৰাজহুৱা উদ্যোগ প্ৰতিষ্ঠানবিলাকত উৎপাদনশীল কাৰ্যকলাপ বৃদ্ধি পোৱাৰ ফলত ৰাজহুৱা খণ্ডৰ অংশ ক্ৰমশঃ বৃদ্ধি পায়। কিন্তু ১৯৯১ত অৰ্থনৈতিক সংস্কাৰ আৰম্ভ কৰাৰ লগে লগে ৰাজহুৱা খণ্ডৰ ভূমিকা ক্ৰমাৎ সীমিত হৈ আহিছে। ২০১১-১২ চনত মুঠ ঘৰুৱা উৎপাদনত

ৰাজহুৱা খণ্ডৰ ৰৰঙণি (চলিত মূল্যত) ২০.৫ শতাংশলৈ হ্ৰাস পাইছে। (উৎস ঃ www.data.gov.in)

শুদ্ধ ঘৰুৱা উৎপাদনত সংগঠিত আৰু অসংগঠিত খণ্ডৰ অংশ ঃ অৰ্থনৈতিক উন্নয়নৰ আন এটা পৰিণতি হৈছে শুদ্ধ ঘৰুৱা উৎপাদন (Net Domestic Product NDP)ৰ গঠন অসংগঠিত খণ্ডৰ পৰা সংগঠিত খণ্ডলৈ হোৱা পৰিবৰ্তন। তলৰ তালিকা ১.৪ত দেখুওৱাৰ দৰে ভাৰতত সংগঠিত খণ্ডৰ অংশ ১৯৮০-৮১ চনত ৩০%ৰ পৰা ২০০৪-০৫ চনত ৪২% লৈ বৃদ্ধি পায়। ইয়াৰ লগে লগে অসংগঠিত খণ্ডৰ অংশ সেই সময়ছোৱাত ৭০%ৰ পৰা ৫৮%লৈ হ্ৰাস পায়।

তালিকা ১.৪ ঃ শুদ্ধ ঘৰুৱা উৎপাদনত সংগঠিত আৰু অসংগঠিত খণ্ডৰ অংশ

(শতাংশত)

খণ্ড/বৰ্ষ	১৯৮০-৮১		২০০৪-০৫		২০০৭-০৮	
	সংগঠিত	অসংগঠিত	সংগঠিত	অসংগঠিত	সংগঠিত	অসংগঠিত
১। কৃষি, বন আৰু মীন	৪.৮	৯৫.২	৫.৬	৯৪.৪	৮.৮	৯১.২
২। খনি আৰু প্ৰস্তুতকৰণ	৫৬.৮	৪৩.২	৬২.৯	৩৭.১	৭০.২	২৯.৮
৩। সেৱা	৩৯.৯	৬০.১	৬১.৯	৩৮.১	৪৬.০	৫৪.০
৪। মুঠ	৩০.০	৭০.০	৪২.০	৫৮.০	৪২.৯	৫৭.১

উৎস ঃ Indian Economy, Dutt and Sundharam, 2009; 2016

ভিন ভিন খণ্ডৰ গঠনৰ পৰা দেখা গৈছে যে খনি, প্ৰস্তুতকৰণ ইত্যাদিৰ সংগঠিত খণ্ডৰ অংশ ১৯৮০-৮১ বৰ্ষৰ ৫৬.৮%ৰ পৰা ২০০৪-০৫ বৰ্ষত ৬২.৯% লৈ, আৰু ২০০৭-০৮ বৰ্ষত ৭০.২% লৈ বৃদ্ধি পাইছে। তদুপৰি, যোৱা তিনিটা দশকত সংগঠিত খণ্ডৰ বিভিন্ন সেৱাৰ সামগ্ৰিক বিকাশ ১৯৮০-৮১ত ৩৯.৯% পৰা ২০০৪-০৫ত ৬১.৯%লৈ বৃদ্ধি পাইছে। কিন্তু ২০০৭-০৮ বৰ্ষত ই ৪৬ শতাংশলৈ হ্ৰাস হৈছে। আনহাতে, অসংগঠিত খণ্ডৰ অৱিহণা ১৯৮০-৮১ত ৭০.০%ৰ পৰা ২০০৭-০৮ বৰ্ষত ৫৭.১%লৈ হ্ৰাস পাইছে।



অগ্ৰগতি নিৰীক্ষণ

৯ নং প্ৰশ্ন ঃ অৰ্থনীতিৰ মুঠ ঘৰুৱা উৎপাদনত গৌণ আৰু সেৱা খণ্ডবিলাকৰ ধাৰা সম্পৰ্কে আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৃটিছ শাসনৰ পূৰ্বে ভাৰতৰ এক স্বাধীন অৰ্থনীতি আছিল।
- ঔপনিৱেশিক সময়ত ভি কে আৰ ভি ৰাৱে কৰা ৰাষ্ট্ৰীয় আৰু জনমূৰি আয়ৰ মূল্যাংকণক যথেষ্ট তাৎপৰ্যপূৰ্ণ বুলি গণ্য কৰা হয়।
- বৃটিছ শাসিত ভাৰতৰ জনসংখ্যা গণনা প্ৰথমবাৰৰ বাবে ১৮৮১ চনত এক লোকপিয়ল যোগে কৰা হৈছিল।
- ঔপনিৱেশিক চৰকাৰে বিভিন্ন ধৰণৰ ভূমি নিষ্পত্তিকৰণ ব্যৱস্থাৰ প্ৰচলন কৰিছিল।
- বৃটিছ শাসন কালত পৰম্পৰাগত হস্তশিল্প উদ্যোগসমূহ ধ্বংসপ্ৰাপ্ত হৈছিল। ঔপনিৱেশিক শাসনৰ অধীনত ভাৰতে এক সুদৃঢ় ঔদ্যোগিক ভেটি স্থাপন কৰিব পৰা নাছিল। বৰ্ষাকালত গ্ৰামাঞ্চলসমূহলৈ যাব পৰা পথৰ ব্যৱস্থা হোৱা নাছিল।
- ভাৰতত আয় স্তৰৰ মাজত বৃহৎ অসমতা আছে আৰু দেশখনৰ প্ৰায় এক-তৃতীয়াংশ জনসংখ্যাই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে।
- ভাৰতৰ প্ৰায়ভাগ অঞ্চলতে যাতায়াত ব্যৱস্থা যথেষ্ট অনগ্ৰসৰ আৰু দূৰ সংযোগ প্ৰণালীও অনুন্নত।
- ইমানদিনে ভাৰতৰ অৰ্থনৈতিক বিকাশত যথেষ্ট অসমতা দেখা গৈছে।
- ভাৰতীয় শ্ৰমৰ বজাৰত নিয়োজিত লোকৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে।
- কৃষি খণ্ডত জলসিঞ্চন আৰু জলযোগান ব্যৱস্থাত বৰ্ধিত বিনিয়োগ কৰাটো প্ৰয়োজনীয়।
- বিত্তীয় সংস্কাৰ সাধনৰ এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হ'ল বিত্তীয় ব্যৱস্থাটোৰ সবলীকৰণ আৰু উপযুক্ত কৰ সংস্কাৰ ব্যৱস্থাৰ জৰিয়তে ইয়াক সমন্বিত কৰা।
- কৃষক আৰু কৃষিক্ষেত্ৰৰ লগত জড়িত প্ৰতিষ্ঠানসমূহে প্ৰতিদ্বন্দ্বিতামূলক হাৰত বিত্ত লাভ কৰাটো গুৰুত্বপূৰ্ণ।
- ৰাষ্ট্ৰীয় আয়ৰ বিকাশৰ ধাৰা সন্তোষজনক নহয়। কেতবোৰ নিৰ্দিষ্ট সময়ত ৰাষ্ট্ৰীয় আয় তুলনামূলকভাৱে অধিক হৈছে যদিও পৰৱৰ্তী সময়বিলাকত সেই ধাৰা বৰ্তি থাকিব পৰা নাই।
- ৰাষ্ট্ৰীয় আয়ৰ গাঁথনিগত সংমিশ্ৰণৰ পৰিবৰ্তন হৈছে। কৃষি খণ্ডৰ অৰিহণা দ্ৰুত গতিত হ্ৰাস পাইছে আৰু ঔদ্যোগিক খণ্ডৰ অংশ ক্ৰমান্বয়ে বৃদ্ধি পাইছে। সেৱা খণ্ডত যথেষ্ট অগ্ৰগতি পৰিলক্ষিত হৈছে।

১.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অৰ্থনীতি— ইয়াৰ পৰিৱৰ্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছাৰ্চ, ২০০৮।

২) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অৰ্থনীতি (উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিসহ)*, বনলতা, ২০০৪।

ইংৰাজী গ্ৰন্থ ঃ

1) Agrawal, A. N. (2019). *Indian Economy: Developmental Problems and Policies.* New Delhi: New Age International Publishers.

2) Datt, G and Mahajan, A. (2016). *Datt & Sundharam's Indian Economy.* New Delhi: S. Chand & Co.

3) Kapila, U. (2003). *Indian Economy since Independence.* New Delhi: Academic Foundation.

4) Misra, S.K. & Puri, V.K. (2018). *Indian Economy.* New Delhi: Himalya Publishing House.

১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ (ক) শুদ্ধ। (খ) শুদ্ধ।

২ নং প্ৰশ্ন উত্তৰ ঃ টিস্কো ১৯০৭ চনত স্থাপিত হৈছিল। ইয়াৰ সম্পূৰ্ণ নাম হৈছে— টাটা আইৰণ এণ্ড ষ্টীল কোম্পানী।

৩ নং প্ৰশ্ন উত্তৰ ঃ ভাৰতক ক্ৰমান্বয়ে অনা-উদ্যোগি কৰি তোলা আঁচনিৰ আঁৰত ঔপনিৱেশিক চৰকাৰৰ দুটা উদ্দেশ্য আছিল। প্ৰথমতে, ই ভাৰতৰ স্থিতি কেৱল নৱ প্ৰতিস্থিত উদ্যোগসমূহলৈ এক কেঁচা সামগ্ৰী যোগান দিওঁতা দেশলৈ অৱনমিত কৰিব বিচাৰিছিল। দ্বিতীয়তে, ই ভাৰতক বৃটেইনৰ উৎপাদিত সামগ্ৰীৰ এখন বজাৰৰূপে গঢ়ি তুলিব বিচাৰিছিল, যাতে বৃটেইনৰ স্বাৰ্থ সাপেক্ষে ভাৰতত ক্ষমতাৰ সম্প্ৰসাৰণ কৰি থাকিব পাৰি।

৪ নং প্ৰশ্ন উত্তৰ ঃ (ক) শুদ্ধ। (খ) অশুদ্ধ।

৫ নং প্ৰশ্ন উত্তৰ ঃ বৃটিছ শাসনকালত ভাৰতত সামাজিক উন্নয়নৰ বিভিন্ন সূচকসমূহ উৎসাহমূলক নাছিল। মুঠ সাক্ষৰতাৰ হাৰ ১৬ শতাংশতকৈয়ো কম আছিল। ইয়াৰ ভিতৰত আকৌ মহিলাৰ সাক্ষৰতাৰ হাৰ ৭ শতাংশতকৈও কম আছিল। পানী আৰু বতাহৰ পৰা হোৱা ৰোগৰ বৃদ্ধিয়ে বহু লোকৰ প্ৰাণহানি কৰিছিল। নৱজাতকৰ মৃত্যুৰ হাৰ অতি উচ্চ আছিল— প্ৰতি হাজাৰত ২১৮টা। জন্মৰ সময়ৰ প্ৰত্যাশিত আয়ু কেৱল ৩২ বছৰ

আছিল।

৬ নং প্ৰশ্ন উত্তৰ ঃ ৰে'ল সেৱাৰ প্ৰচলনে ভাৰতীয়সকললৈ দীঘলীয়া ভ্ৰমণ সহজ কৰি তোলাৰ নিচিনা সামাজিক লাভসমূহ কঢ়িয়াই আনিলেও, ই দেশখনৰ যথেষ্ট অৰ্থনৈতিক লোকচান কৰিছিল। প্ৰথমতে, ৰে'ল সেৱাই ভাৰতৰ কৃষিৰ ব্যৱসায়ীকৰণত সহায় কৰি ভাৰতৰ গ্ৰাম্য অৰ্থনীতিৰ তুলনামূলক স্বয়ংসম্পূৰ্ণতা (Self-sufficiency)ৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলাইছিল। দ্বিতীয়তে, ভাৰতৰ ৰপ্তানি বাণিজ্যৰ আয়তন বৃদ্ধি হৈছিল যদিও ভাৰতীয়সকল ইয়াৰ লাভৰ অংশীদাৰ হোৱা নাছিল।

৭ নং প্ৰশ্ন উত্তৰ ঃ (ক) শুদ্ধ। (খ) শুদ্ধ।

৮ নং প্ৰশ্ন উত্তৰ ঃ মুদ্ৰাস্ফীতি ভাৰতৰ এক গুৰুত্বপূৰ্ণ সমস্যা। বছৰেকত ৯.২ শতাংশ আৰ্থিক বিকাশৰ ক্ষেত্ৰত আৰু বিশেষকৈ বুনিয়াদৰ দৰে যোগানৰ দিশসমূহত সৃষ্টি হোৱা সীমাবদ্ধতাৰ বাবে, মুদ্ৰাস্ফীতিজনিত চাপ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ২০০৪-০৫ আৰু ২০০৭-০৮ বিত্তীয় বৰ্ষৰ মাজৰ সময়ছোৱাত ভাৰতত বিকাশৰ হাৰ ৯ শতাংশতকৈও অধিক হৈছিল, কিন্তু আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক দূৰৱস্থাই ভাৰতীয় অৰ্থনৈতিক বাহ্যিকভাৱে ইমান প্ৰভাৱিত কৰিছিল যে কেতবোৰ খণ্ডত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছিল। ২০০৯ চনত ভাৰতৰ মুদ্ৰাস্ফীতিৰ হাৰ আছিল ১১.৪৯ শতাংশ।

৯ নং প্ৰশ্ন উত্তৰ ঃ সামগ্ৰিকভাৱে গৌণ খণ্ডৰ অংশ ১৯৫০-৫১ত মুঠ ঘৰুৱা উৎপাদনৰ ১.৪৮%ৰ পৰা ২০০৫-০৬ত ২৬.২%লৈ বৃদ্ধি পালে। প্ৰস্তুতকৰণ খণ্ডত পঞ্জীকৃত আৰু অপঞ্জীকৃত দুয়োটা খণ্ড অন্তৰ্ভুক্ত। একেদৰে, বাণিজ্য, পৰিবহন, মজুতকৰণ, যোগাযোগ, বেংক সেৱা, বীমা, স্থাৱৰ সম্পত্তি, সমূহীয়া আৰু ব্যক্তিগত সেৱাসমূহ অন্তৰ্ভুক্ত থকা সেৱা খণ্ডৰ অংশ ১৯৫০-৫১ চনৰ ২৮.০%ৰ পৰা ২০০৫-০৬ চনত প্ৰায় ৫৪%লৈ বৃদ্ধি পায়।



১.৯ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱাত ভাৰতৰ কৃষিখণ্ডৰ বিষয়ে এটি চমুটোকা লিখক।

২ নং প্ৰশ্ন ঃ স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱাত ভাৰতৰ ঔদ্যোগিক ক্ষেত্ৰৰ স্থিতি সম্পৰ্কে চমুকৈ আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱাত ভাৰতৰ বৈদেশিক বাণিজ্যৰ স্থিতি কেনেধৰণৰ আছিল? চমুকৈ ব্যাখ্যা কৰক।

৪ নং প্ৰশ্ন ঃ স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱাত ভাৰতৰ জনসংখ্যা পৰিস্থিতি আৰু বৃত্তিগত গাঁথনি কেনেধৰণৰ আছিল? চমুকৈ লিখক।

৫ নং প্ৰশ্ন ঃ স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱাত ভাৰতৰ বুনিয়াদী ব্যৱস্থাৰ এক চমু অৱলোকন কৰক।

৬ নং প্ৰশ্ন ঃ ঔদ্যোগিক মূলৰ ভিত্তিত ৰাষ্ট্ৰীয় আয়ৰ গঠনত হোৱা গাঁথনিগত পৰিৱৰ্তনৰ বিষয়ে চমুকৈ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱাত ভাৰতৰ অৰ্থনীতিৰ ছবিখন বৰ্ণনা কৰি এখন ৰচনা লিখক।

২ নং প্ৰশ্ন ঃ ভাৰতীয় অৰ্থনীতিয়ে সন্মুখীন হোৱা সাম্প্ৰতিক সমস্যাসমূহ ব্যাখ্যা কৰক।

৩ নং প্ৰশ্ন ঃ এক উন্নয়নশীল অৰ্থনীতি হিচাপে ভাৰতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

৪ নং প্ৰশ্ন ঃ ভাৰতৰ ৰাষ্ট্ৰীয় আয়ৰ বিকাশ আৰু গঠনৰ ধাৰা সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ জনসংখ্যা আৰু মানৱ সম্পদ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ জনসংখ্যাগত পৰিৱৰ্তন তত্ত্ব ঃ চমু ধাৰণা
২.৪ ভাৰতবৰ্ষৰ জনসংখ্যাৰ আকাৰ আৰু বৃদ্ধি
২.৫ ভাৰতীয় জনসংখ্যাৰ বৈশিষ্ট্যসমূহ
২.৬ মানৱ উন্নয়নৰ নির্দেশকসমূহ
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ অগ্রগতিৰ খতিয়ান
২.১০ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ সম্পদ ধাৰণাটোৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- জনসংখ্যাগত পৰিৱৰ্তনৰ বিভিন্ন স্তৰসমূহৰ এক সম্যক ধাৰণা আহৰণ কৰিবলৈ সক্ষম হ'ব
- ভাৰতীয় জনসংখ্যাৰ বৃদ্ধি আৰু ইয়াৰ বিভিন্ন বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- মানৱ উন্নয়নৰ ধাৰণাটিৰ লগতে ইয়াৰ বিভিন্ন নির্দেশকসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়

আমি সকলোৱেই জানোঁ যে এইখন পৃথিৱীত সৃষ্টিকর্তাৰ সকলোবোৰ সৃষ্টিৰ ভিতৰত মানুহেই হ'ল সর্বোত্তম সৃষ্টি আৰু আটাইতকৈ বুধিয়ক জীৱ। নিজৰ বুদ্ধিমত্তাৰ সহায়েৰে মানুহে নিত্য-নতুন কৌশল উদ্ভাৱন কৰিছে আৰু বিভিন্ন প্রকাৰৰ সামগ্রী উৎপাদন কৰিছে। গতিকে উৎপাদন প্রক্রিয়াত মানুহৰ বিভিন্ন অৰিহণাৰ কথা লক্ষ্য কৰি মানুহকো অন্যান্য উৎপাদনৰ উপাদনসমূহৰ নিচিনাকৈ একপ্রকাৰৰ মূল্যৱান সম্পদ হিচাপে গণ্য কৰিব পাৰি।

মানৱ সম্পদক মূলধনজাতীয় সম্পদ হিচাপে গণ্য কৰিব পাৰি, কাৰণ তেওঁলোকে কর্মৰত জীৱনটোৰ দ্বাৰা অর্থনৈতিক উন্নয়নত অৰিহণা যোগায়। এখন দেশৰ জনসাধাৰণ যিমানেই মানসিক আৰু শাৰীৰিকভাৱে কার্যদক্ষ হ'ব, সিমানেই মানৱ মূলধনৰ গুণগত মানদণ্ডও বৃদ্ধি

পাব। মানুহৰ শ্ৰমৰ লগতে সৃষ্টিশীলতা আৰু উদ্যমী কৌশলো জড়িত হৈ থাকে, গতিকে ই অৰ্থনীতিৰ বিকাশ আৰু উন্নয়নত বিশেষ বৰঙণি আগবঢ়ায়। সেই বাবেই ইয়াক মানৱ সম্পদ হিচাপেও অভিহিত কৰা হয়।

জনসংখ্যাক তেতিয়াহে মানৱ সম্পদ হিচাপে গণ্য কৰিব পাৰি, যেতিয়া ই উৎপাদন প্ৰক্ৰিয়াত বৰঙণি যোগায়। তাৰ বাবে জনসংখ্যাৰ পৰিমাণ সদায় ***প্ৰকাম্য*** (optimum) হোৱা উচিত, ই অতি কম বা অত্যধিক হ'ব নালাগে। অতি সীমিতসংখ্যক জনসংখ্যাই অৰ্থনীতিত প্ৰয়োজনীয় শ্ৰমশক্তিৰ যোগান ধৰাত ব্যৰ্থ হ'ব পাৰে আৰু ফলত সক্ৰিয় চাহিদা সৃষ্টিত অসুবিধাৰ সৃষ্টি হয়। ঠিক সেইদৰে অত্যধিক জনসংখ্যাও অৰ্থনীতিৰ বাবে বোজাস্বৰূপ হৈ পৰে। সেই বাবেই জনসংখ্যাৰ আয়তন আৰু অৰ্থনৈতিক উন্নয়নৰ মাজত এটা ভাৰসাম্য সম্পৰ্ক বজাই ৰাখিবলৈ হ'লে এক নিৰ্দিষ্ট পৰিমাণৰ জনসংখ্যা থকাটোহে অতি প্ৰয়োজনীয়। কিন্তু এই সম্পৰ্ক হ'ল এটা দ্বিপাক্ষিক (two way) বা দুই ধৰণৰ সম্পৰ্ক। এইক্ষেত্ৰত উন্নয়নে কেনেদৰে জনসংখ্যাক প্ৰভাৱান্বিত কৰে সেয়া ব্যাখ্যা কৰিবলৈ থকা গুৰুত্বপূৰ্ণ তত্ত্বটো হ'ল জনসংখ্যাগত পৰিৱৰ্তন তত্ত্ব (Theory of Demographic Transition)। এই তত্ত্ব অনুসৰি জনসংখ্যা বৃদ্ধি তিনিটা স্তৰত অধ্যয়ন কৰিব পাৰি। এই অধ্যায়টিৰ আৰম্ভণিতে জনসংখ্যাগত পৰিৱৰ্তন তত্ত্বটো চমুকৈ আলোচনা কৰা হৈছে। লগতে ইয়াত ভাৰতীয় জনসংখ্যাৰ আয়তন, বৃদ্ধি আৰু বৈশিষ্ট্যসমূহৰ বিষয়েও কিছু কথা সন্নিৱিষ্ট কৰা হৈছে। অধ্যায়টিৰ শেষৰ ফালে মানৱ উন্নয়নৰ ধাৰণা আৰু মানৱ উন্নয়নৰ নিৰ্দেশকসমূহৰ (মানৱ উন্নয়ন সূচকাংক) বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে।



জনসংখ্যাৰ ***প্ৰকাম্য*** আকাৰ মানে হ'ল দেশৰ পৰিৱেশ তন্ত্ৰই বহন কৰিবলৈ সক্ষম হোৱা জনসংখ্যাৰ আকাৰ। কিন্তু ই সৰ্বোচ্চ সংখ্যক জনসংখ্যা নহয়।

২.৩ জনসংখ্যাগত পৰিৱৰ্তন তত্ত্ব

জনসংখ্যাগত পৰিৱৰ্তন তত্ত্ব (Theory of Demographic Transition) অনুসৰি, অৰ্থনৈতিক উন্নয়নৰ বিভিন্ন অৱস্থাৰ সৈতে জন্ম হাৰ আৰু মৃত্যুহাৰৰ পৰিমাণো ভিন্ন হয়। জনসংখ্যা বৃদ্ধি সাধাৰণতে তিনিটা পৰ্যায়ত অধ্যয়ন কৰিব পাৰি। গতিকে আমি ক'ব পাৰোঁ যে জন্মহাৰ আৰু মৃত্যু হাৰৰ অনুক্ৰম (sequence) অৰ্থনৈতিক উন্নয়নৰ সৈতে ওতপ্ৰোতভাৱে জড়িত।

প্ৰথম পৰ্যায় ঃ জনসংখ্যা বৃদ্ধিৰ প্ৰথম পৰ্যায়ত জন্মহাৰ আৰু মৃত্যুহাৰৰ পৰিমাণ অতি উচ্চ হৈ থাকে। ইয়াৰ ফলত জনসংখ্যাৰ প্ৰকৃত বৃদ্ধি অতি কম হয়। এই তত্ত্বমতে, প্ৰথম অৱস্থাত বিভিন্নধৰণৰ পাৰস্পৰিক সম্পৰ্কযুক্ত কাৰণৰ বাবে মৃত্যুহাৰৰ পৰিমাণ বেছি হয়। সাধাৰণতে উন্নয়নশীল দেশসমূহৰ প্ৰকৃতি কৃষিপ্ৰধান আৰু ইয়াৰ উৎপাদনশীলতা অতি কম। ইয়াৰ জনসাধাৰণ পুষ্টিহীনতা, পুৰণিকলীয়া জনস্বাস্থ্যকৰ ব্যৱস্থা আৰু কাৰ্যকৰী চিকিৎসা সেৱাৰ অভাৱ আদি বিভিন্ন সমস্যাৰে জৰ্জৰিত। এই পৰ্যায়ত জন্মহাৰ উচ্চ হোৱাৰ আন কাৰণসমূহ হ'ল— কিছুমান প্ৰচলিত সামাজিক অন্ধবিশ্বাস, ধৰ্মীয় বিশ্বাস, কম বয়সত বিবাহ, পৰিয়াল পৰিকল্পনা সম্বন্ধীয় জ্ঞানৰ অভাৱ, ইত্যাদি। মুঠতে এই পৰ্যায়ত উচ্চ জন্মহাৰৰ লগতে মৃত্যুৰ হাৰো অধিক হোৱা পৰিলক্ষিত হয়। যাৰ ফলত প্ৰকৃত বৃদ্ধিৰ হাৰ অতি নিম্ন হয়, কাৰণ উচ্চ জন্মহাৰ উচ্চ মৃত্যুহাৰৰ

দ্বাৰা নিয়ন্ত্রিত হয় বা কেতিয়াবা উচ্চ মৃত্যুহাৰ উচ্চ জন্মহাৰৰ দ্বাৰা নিয়ন্ত্রিত হয়। গতিকে জনসংখ্যা বৃদ্ধিৰ হাৰ লেহেমীয়া হয়।

দ্বিতীয় পর্যায় ঃ জনসংখ্যাগত পৰিৱর্তনৰ দ্বিতীয় পর্যায়ত মৃত্যুহাৰ দ্রুতগতিত হ্রাস পাবলৈ ধৰে; কিন্তু জন্ম হাৰ উচ্চ হৈয়ে থাকে। ফলত জনসংখ্যা বৃদ্ধি পায়। আনহাতে আয়ৰ পৰিমাণ বৃদ্ধি হোৱাৰ ফলত জনসাধাৰণৰ খাদ্যাভ্যাসো উন্নত মানদণ্ডৰ হ'বলৈ ধৰে। অর্থনৈতিক উন্নয়নে জনস্বাস্থ্য সেৱাৰ লগতে অন্যান্য সেৱাসমূহবো উন্নতি সাধন কৰে। এই সকলোবোৰ প্রত্যক্ষ আৰু পৰোক্ষ প্রভাৱৰ ফলত মৃত্যুহাৰ হ্রাস পায়। গতিকে এইটো পর্যায়ত মৃত্যুহাৰ নিম্নগামী হোৱাৰ ফলত জনসংখ্যাৰ প্রকৃত বৃদ্ধি দৰাচলতে অধিক হয়; যদিও জন্মহাৰ প্রায় একেই থাকে নাইবা কিছু পৰিমাণে হ্রাস পায়। তদুপৰি দ্বিতীয় পর্যায়ত আন এটা কাৰকৰ বাবেও জন্মহাৰ প্রকৃততে বৃদ্ধি হ'ব পাৰে। সেয়া হ'ল প্রত্যাশিত আয়ুস (Life expectancy) বৃদ্ধিৰ লগে লগে প্রজননক্ষম বয়স (Reproductive age)ৰ লোকৰ সংখ্যাও বৃদ্ধি পায়। গতিকে আমি ক'ব পাৰোঁ যে দ্বিতীয় পর্যায়ত জনসংখ্যা বৃদ্ধিৰ হাৰ অতি খৰতকীয়া হৈ পৰে। ভাৰতবর্ষ বর্তমান জনসংখ্যা বিস্ফোৰণৰ এইটো পর্যায়ত উপনীত হৈছে। কিন্তু এনেকুৱা দ্রুত জনসংখ্যা বৃদ্ধিয়ে দেশৰ অর্থনৈতিক উন্নয়নত অতি গুৰুতৰ প্রভাৱ পেলায়।

তৃতীয় পর্যায় ঃ নিৰৱচ্ছিন্নভাৱে চলি থকা উন্নয়নৰ প্রক্রিয়াই পিছলৈ এখন উন্নয়নশীল দেশৰ মূল বৈশিষ্ট্যসমূহকেই সলনি কৰি পেলায়। উন্নয়নৰ ফলস্বৰূপেই এই দেশসমূহত ক্রমান্বয়ে ঔদ্যোগীকৰণ আৰু নগৰীকৰণে গা কৰি উঠে। যাৰ ফলস্বৰূপে দেশৰ জনসাধাৰণৰ মাজত লাহে লাহে গাঁও অঞ্চলৰ পৰা নগৰ অঞ্চললৈ প্রৱজন হোৱাৰ প্রৱণতাই গা কৰি উঠে। গতিকে নগৰীকৰণ আৰু জীৱনধাৰণৰ বর্দ্ধিত ব্যয়ৰ লগত তাল মিলাই চলিবলৈ মহিলাসকলেও কাম কৰিবলৈ বাহিৰলৈ ওলাই আহিবলৈ বাধ্য হৈ পৰে। গতিকে এনেক্ষেত্রত একোটা ডাঙৰ পৰিয়াল পোহপাল দিয়াটো ক্রমান্বয়ে জটিল হৈ পৰে আৰু অধিক সন্তান গৌৰৱৰ কাৰণ হোৱাৰ বিপৰীতে ই সমস্যাৰ কাৰণহে হৈ পৰে। পিছলৈ শিক্ষাৰ প্রসাৰ হোৱাৰ ফলত মানুহৰ ধ্যান-ধাৰণাও সলনি হ'বলৈ ধৰে। তেওঁলোকে প্রচলিত বিশ্বাস আৰু আওপুৰণি মূল্যবোধ ত্যাগ কৰে। লাহে লাহে জনসাধাৰণে সৰু পৰিয়ালৰ সুবিধাসমূহ অনুভৱ কৰিবলৈ আৰম্ভ কৰে। যাৰ ফলস্বৰূপে পূর্বৰ তুলনাত জন্মৰ হাৰ বহু পৰিমাণে হ্রাস পাবলৈ ধৰে। আনহাতে এনে অৱস্থাত মৃত্যুৰ হাৰ অতি কম হৈয়ে আছিল; কিন্তু ই কেতিয়াও শূন্য হ'ব নোৱাৰে, কাৰণ মানুহে কেতিয়াও মৃত্যুৰ পৰা হাত সাৰিব নোৱাৰে। এইদৰে জন্মহাৰ আৰু মৃত্যুহাৰৰ মাজৰ পার্থক্য ক্রমান্বয়ে কমি আহে আৰু জনসংখ্যা বৃদ্ধি অতি লেহেমীয়া হৈ পৰে। গতিকে, তৃতীয় পর্যায়ত, জন্মহাৰ আৰু মৃত্যুহাৰ অতি নিম্নস্তৰত ক্রমান্বয়ে সুস্থিৰ হয়, যাৰ ফলস্বৰূপে জনসংখ্যা অতি লেহেমীয়া হাৰতহে বৃদ্ধি পায়। এই তিনিটা পর্যায়ে কেনেকৈ প্রাৰম্ভিক উচ্চ জন্মহাৰ আৰু মৃত্যুহাৰ বিশিষ্ট অর্থনীতি এটা নিম্ন জন্মহাৰ আৰু মৃত্যুহাৰ বিশিষ্ট অর্থনীতিলৈ পৰিৱর্তিত হ'ব পাৰে সেই সম্পর্কে আমাক সম্যক ধাৰণা প্রদান কৰিলে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মানুহক কিয় মূল্যৱান সম্পদৰূপে গণ্য কৰা হয়?
(৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন নং ২ ঃ জনসংখ্যাগত পৰিৱর্তনৰ পর্যায় তিনিটাৰ মূল বৈশিষ্ট্যসমূহ চিহ্নিত কৰক।
(৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

২.৪ ভাৰতবর্ষত জনসংখ্যাৰ আকাৰ আৰু বৃদ্ধি

জনসংখ্যাগত পৰিৱর্তনৰ তত্ত্ব সম্পর্কে কৰা আলোচনাৰ পৰা আমি এইটো নিশ্চিতভাৱে ক'ব পাৰোঁ যে ভাৰতবর্ষই ইতিমধ্যে ইয়াৰ প্রথম পর্যায়টো অতিক্রম কৰিলে; কিন্তু এতিয়াও তৃতীয় পর্যায়ত প্রৱেশ কৰিবলৈ বাকী আছে। আমি এইটোও ক'ব পাৰোঁ যে ভাৰতবর্ষই বর্তমান দ্বিতীয় পর্যায়ৰ মাজেৰে গতি কৰিছে। কিন্তু ভাৰতবর্ষৰ ক্ষেত্রত এই দ্বিতীয় পর্যায়টোৰ তত্ত্বগত সিদ্ধান্তসমূহ আৰু প্রকৃত সত্যতাসমূহৰ মাজত কিছু পার্থক্য দেখা গৈছে। কুৰি শতিকাৰ আৰম্ভণিতে ভাৰতবর্ষৰ মুঠ জনসংখ্যা আছিল ২৩৬ নিযুত আৰু ২০০১ চনৰ লোকপিয়ল মতে, ইয়াৰ পৰিমাণ হ'ল ১,০২৭ নিযুত। ভাৰতবর্ষৰ জনসংখ্যা বৃদ্ধিৰ হাৰ অধ্যয়ন কৰিলে ইয়াক তলত উল্লেখ কৰা ধৰণে ভাগ কৰিব পাৰি—

১৮৯১—১৯২১ ঃ স্থবিৰ জনসংখ্যা।

১৯২১—১৯৫১ ঃ স্থিৰ বৃদ্ধি।

১৯৫১—১৯৮১ ঃ দ্রুতগতিত হোৱা উচ্চহাৰৰ বৃদ্ধি।

১৯৮১—২০০১ ঃ নিম্নগামী হোৱাৰ নির্দিষ্ট সংকেতসহ হোৱা উচ্চ বৃদ্ধি।

যদি আমি ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ ধাৰা অধ্যয়ন কৰিব বিচাৰোঁ তেনেহ'লে ওপৰত উল্লিখিত চাৰিটা পর্যায় ভালদৰে লক্ষ্য কৰিব লাগিব। তলৰ তালিকা ২.১লৈ লক্ষ্য কৰিলে ইয়াকে দেখা যায় যে ১৮৯১—১৯২১ চনৰ ভিতৰত, জনসংখ্যাৰ মিশ্র বার্ষিক বৃদ্ধিৰ হাৰ (compound annual growth rate–CAGR) অতি কম আছিল। কিন্তু ১৯৫১ চনৰ পৰা জনসংখ্যা প্রায় ২.১ শতাংশকৈ বৃদ্ধি হ'ল আৰু এই উচ্চ বৃদ্ধিৰ হাৰ ১৯৮১ চনলৈ চলি থাকিল।

ইয়াৰ পিছতো জনসংখ্যা বৃদ্ধি হৈ থাকিল; কিন্তু মিশ্রবৃদ্ধিৰ হাৰ সামান্য পৰিমাণে কমিল। ২০১১ চনৰ লোকপিয়ল অনুসাৰে, ভাৰতবৰ্ষৰ জনসংখ্যা বছৰি প্রায় ১.৬৪ শতাংশকৈ বৃদ্ধি হৈছে।

তালিকা ২.১ ঃ ভাৰতবৰ্ষৰ জনসংখ্যাৰ মিশ্র বার্ষিক বৃদ্ধিৰ হাৰ (শতাংশত)

সময় সূচী	জনসংখ্যাৰ মিশ্র বার্ষিক বৃদ্ধিৰ হাৰ
১৮৯১—১৯২১	০.১৯
১৯২১—১৯৫১	১.২২
১৯৫১—১৯৮১	২.১৫
১৯৮১—১৯৯১	২.১১
১৯৯১—২০০১	১.৯৩
২০০১—২০১১	১.৬৪

উৎস ঃ Census of India, 2011.


১৯২১ চনৰ আগলৈ ভাৰতবৰ্ষ জনসংখ্যাগত পৰিৱর্তনৰ প্রথম পর্যায়তে আছিল। উল্লেখযোগ্য যে, ১৯২১ চনটোক মহান বিভাজন বছৰ (The Year of Greal Divide) বুলিও অভিহিত কৰা হয়, কাৰণ ১৯২১ চনৰ আগলৈ জনসংখ্যা বৃদ্ধি অতি লেহেমীয়া আৰু অনিয়মীয়া আছিল। কিন্তু ১৯২১ চনৰ পাছত জনসংখ্যা অতি দ্রুত আৰু অনিয়ন্ত্রিতভাৱে বৃদ্ধি হ'ল। গতিকে ১৯২১ চনৰ পাছৰ পৰাই ভাৰতবৰ্ষই জনসংখ্যাগত পৰিৱর্তনৰ দ্বিতীয় পর্যায়ত প্রৱেশ কৰিলে। এইটো পর্যায়ত জনসংখ্যাৰ উচ্চ বৃদ্ধিৰ ক্ষমতাক (high growth potential) জনসংখ্যাৰ উচ্চ প্রকৃত বৃদ্ধি (high actual growth) হিচাপে অনুধাৱন কৰা হৈছে। এই বৃদ্ধিৰ ধাৰাটোলৈ লক্ষ্য কৰিলে প্রতীয়মান যাব পাৰি যে, অতি সোনকালে ভাৰতবৰ্ষই জনসংখ্যাগত পৰিৱর্তনৰ তৃতীয় পর্যায়ত প্রৱেশ কৰিব।

ভাৰতবর্ষত জন্মহাৰ উচ্চ হোৱাৰ কাৰণসমূহ ঃ ভাৰতবৰ্ষই বর্তমান জনসংখ্যা বিস্ফোৰণৰ (population explosion) সন্মুখীন হৈছে— এই কথাটো জনাৰ পাছত আমাৰ মনত স্বাভাৱিকতে এনেকুৱা ধৰণৰ উচ্চ জন্মহাৰৰ কাৰণসমূহ সম্পর্কে প্রশ্নৰ উদয় হয়। উচ্চ জন্মহাৰ হ'ল অনুন্নত দেশসমূহৰ এটা প্রধান বৈশিষ্ট্য। এই উচ্চ জন্মাহাৰৰ কাৰণে বহুতো কাৰকক আমি জগৰীয়া কৰিব পাৰোঁ। তাৰ ভিতৰত গুৰুত্বপূর্ণ কাৰকসমূহ তলত উল্লেখ কৰা হ'ল ঃ

- **দাৰিদ্রতা** (Poverty) ঃ দাৰিদ্রতাৰ সৈতে নিৰক্ষৰতা আৰু অনগ্রসৰতা জড়িত হৈ আছে। যাৰ ফলত জনসাধাৰণে এইটো বিশ্বাস কৰে যে, অধিকসংখ্যক সন্তানেহে অধিক উপার্জন কৰিব পাৰে। গতিকে অধিক সন্তান জন্ম দিছিল। তদুপৰি এই নিছলা মানুহখিনিয়ে সন্তান জন্ম দিব পৰা ক্ষমতা বৃদ্ধি হোৱাটোকেই বিচাৰিছিল, যিটো প্রৱণতা কিছুমান জটিল প্রক্রিয়াৰ ফলত সৃষ্টি হৈছিল। ইয়াৰ লগত মনস্তাত্ত্বিক কাৰকো জড়িত হৈ আছে।
- **ধর্মীয় বিশ্বাস আৰু সামাজিক ৰীতি-নীতি** (Religious belief and social attitude) ঃ কিছুমান ধর্মীয় বিশ্বাস আৰু সামাজিক ৰীতি-নীতিও উচ্চ জন্মহাৰৰ বাবে জগৰীয়া। বিশেষকৈ, হিন্দুসকলে এইদৰে বিশ্বাস কৰে যে, এটি পুত্রসন্তান নহ'লে তেওঁলোকে কেতিয়াও জন্ম

আৰু পুনর্জন্মৰ চক্ৰৰ পৰা উদ্ধাৰ পোৱা সম্ভৱ নহয়। বিবাহক সমাজত এক সার্বজনীন প্রথা হিচাপে গণ্য কৰা হয় আৰু যিমান পাৰি কম বয়সতে ল'ৰা-ছোৱালীৰ মাজত বিবাহ সম্পন্ন কৰা হয়। সাধাৰণতে অবিবাহিত লোকক সমাজত সন্মানৰ চকুৰে চোৱা নহয়। গতিকে এই সকলোবোৰ কাৰকেই জন্মহাৰ বৃদ্ধিত অৱিহণা যোগাইছে।

- **নিৰক্ষৰতা আৰু পৰিয়াল সীমিতকৰণৰ ব্যৱস্থাসমূহৰ প্রতি অৱহেলা** (Illiteracy and ignorance about family control measures) ঃ ভাৰতবর্ষই এতিয়াও উচ্চহাৰৰ সাক্ষৰতা অর্জন কৰিবলৈ বাকী আছে। বিশেষকৈ, ভাৰতৰ মহিলাসকল পুৰুষসকলৰ তুলনাত বহু পিছ পৰি আছে। তেওঁলোকৰ বেছি সংখ্যকেই পৰিয়াল নিয়ন্ত্রণৰ সুবিধাসমূহৰ বিষয়ে জ্ঞাত নহয় আৰু কেনেকৈ পৰিয়াল সীমিত কৰিব পাৰি তাৰ উপায়সমূহৰ বিষয়ে নাজানে। পৰিয়াল সীমিতকৰণৰ বাবে ভাৰত চৰকাৰে বিভিন্ন ব্যৱস্থাৱলী গ্রহণ কৰি আহিছে। কিন্তু ইয়াৰ ফলাফল বর্তমানলৈকে সিমান সন্তোষজনক নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ১৯২১ চনটোক কিয় 'মহান বিভাজন বছৰ' বুলি অভিহিত কৰা হৈছে? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন নং ৪ ঃ জনসংখ্যাগত পৰিৱর্তন তত্ত্বটোত তিনিটা পর্যায় আছে। ভাৰতবর্ষ বর্তমান ইয়াৰ কোনটো পর্যায়ত উপনীত হৈছে? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

২.৫ ভাৰতীয় জনসংখ্যাৰ বৈশিষ্ট্যসমূহ

ইতিমধ্যে হোৱা আলোচনাৰ পৰা আমি ভাৰতীয় জনসংখ্যাৰ বৃদ্ধিৰ ধাৰা সম্পর্কে কিছু আভাস পালোঁ। এতিয়া আমি ভাৰতীয় জনসংখ্যাৰ কিছুমান বৈশিষ্ট্য সম্পর্কে আলোচনা কৰিম। এই বৈশিষ্ট্যসমূহ হ'ল—

- **যৌন অনুপাত** (Sex Ratio) ঃ যৌন অনুপাতে প্রতি হাজাৰ পুৰুষৰ বিপৰীতে থকা মহিলাৰ সংখ্যা প্রকাশ কৰে। ইয়াক মুঠ মহিলাৰ সংখ্যাক মুঠ পুৰুষৰ সংখ্যাৰে হৰণ কৰি হৰণফলক ১,০০০ৰে পূৰণ কৰি উলিয়াব পাৰি।

২০১১ চনৰ লোকপিয়ল অনুসৰি, ভাৰতবর্ষত প্রতি হাজাৰ পুৰুষৰ বিপৰীতে ৯৪০

গৰাকী মহিলা আছে। গতিকে ই ২০০১ চনৰ লোকপিয়লৰ তুলনাত সামান্যভাৱে বৃদ্ধি পাইছে। ১৯৯১ চনৰ লোকপিয়লত এই সংখ্যা আছিল ৯৩৩। তলত দেখুওৱা ২.২ তালিকাখনে ১৯০১ চনৰ পৰা ২০০১ চনলৈকে ভাৰতবৰ্ষৰ যৌন অনুপাতৰ সামগ্রিক ধাৰাটো প্রকাশ কৰিব—

তালিকা ২.২ ঃ ভাৰতবৰ্ষত যৌন অনুপাত

বছৰ	প্রতি হাজাৰ পুৰুষত মহিলাৰ সংখ্যা	বছৰ	প্রতি হাজাৰ পুৰুষত মহিলাৰ সংখ্যা
১৯০১	৯৭২	১৯৬১	৯৪১
১৯১১	৯৬৪	১৯৭১	৯৩০
১৯২১	৯৫৫	১৯৮১	৯৩৪
১৯৩১	৯৫০	১৯৯১	৯২৭
১৯৪১	৯৪৫	২০০১	৯৩৩
১৯৫১	৯৪৬	২০১১	৯৪০

উৎস ঃ Indian Economy, Datt and Sundharam, 2016.

এই তালিকাখনৰ পৰা মাত্র কেইটামান দশকৰ বাহিৰে যৌন অনুপাত একেৰাহে কমি গৈ থকাটো পৰিলক্ষিত হৈছে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যসমূহৰ ভিতৰত একমাত্র কেৰেলাতেই মহিলাৰ অনুপাত বেছি, ২০১১ চনত প্রতি হাজাৰ পুৰুষৰ বিপৰীতে ১০৮৪ গৰাকী মহিলা আছিল। আনহাতে, সর্বভাৰতীয় গড় অনুপাততকৈ কম যৌন অনুপাত থকা ৰাজ্যকেইখন হ'ল— অসম, পশ্চিমবংগ, বিহাৰ, ৰাজস্থান, উত্তৰ প্রদেশ, পঞ্জাৰ আৰু হাৰিয়ানা। ভাৰতবৰ্ষত যৌন অনুপাত নিম্নগামী হোৱাৰ কোনো সর্বজনগ্রাহ্য কাৰণ পাবলৈ নাই। কাৰণ স্ত্রী-ভ্রূণ পুৰুষ ভ্রূণতকৈ জৈৱিকভাৱে অধিক সবল আৰু তিৰোতা মানুহ পুৰুষতকৈ দীর্ঘজীৱী। তথাপিও যৌন অনুপাতৰ এই বৈষম্যৰ বাবে মাত্র কেইটামান কাৰণ আগবঢ়োৱা হৈছে। প্রথম কাৰণ, এজনী কন্যা শিশুক সমাজত সাধাৰণতে অৱহেলা কৰা হয়। আনহাতে, কিছুমান সমাজত কন্যা ভ্রূণহত্যা আৰু নৱজাতক হত্যাৰ দৰে কার্যও সংঘটিত হৈ আহিছে। দ্বিতীয় কাৰণ, কেৱল অমনোযোগিতা আৰু অৱহেলাৰ কাৰণেই ভাৰতীয় মহিলাই অতি কম ব্যৱধানতে সন্তান জন্ম দি আহিছে। ইয়াৰ ফলতেই বহুসংখ্যক মহিলা মৃত্যুমুখত পৰে। তৃতীয় কাৰণ, মহিলাসকলক সঠিকভাৱে গণনা কৰা হৈছে নে নাই সেয়া সন্দেহজনক। কাৰণ যেতিয়া কোনো এজন বাহিৰা মানুহ আহে, মহিলাসকলে সামাজিক পৰম্পৰা অনুসৰি ওৰণিৰে মুখ ঢাকি লয়। গতিকে কোনো কোনো মহিলাই গণনাকাৰীৰ আগত দেখা দিবলৈ অস্বীকাৰ কৰিব পাৰে; যাৰ ফলত তেওঁ তালিকাভুক্ত নোহোৱাকৈ ৰৈ যোৱাৰ সম্ভাৱনা থাকে।

- **জনসংখ্যাৰ বয়সৰ গাঁথনি** (Age Composition) ঃ সাধাৰণতে এক নির্দিষ্ট শ্রেণীৰ লোকৰ অনুপাতৰ এক সম্যক ধাৰণা বয়সৰ গাঁথনিয়ে (age composition) দিব পাৰে। উদাহৰণস্বৰূপে, যদি কোনো এক নির্দিষ্ট জনসংখ্যাৰ সন্তান জন্মৰ হাৰ অবিৰতভাৱে বেছি

হৈয়ে আছে তেতিয়া হ'লে সেইখিনি জনসংখ্যাৰ ভিতৰত আমি বেছিখিনি শিশু আৰু অতি কম সংখ্যক বয়সস্থ লোক দেখা পাম। ইয়াৰ বিপৰীতে, য'ত সন্তান জন্মৰ হাৰ এটা দীঘলীয়া সময়জুৰি নিম্ন হৈয়ে আছে তাত আমি অতি কম সংখ্যক শিশু আৰু বেছি সংখ্যক বয়সস্থ লোক দেখিবলৈ পাওঁ। বয়স গাঁথনিৰ তথ্যপাতিসমূহ বিভিন্ন কাৰণত দৰ্কাৰী হৈ পৰে। বয়স গাঁথনিৰ অধ্যয়নে মুঠ জনসংখ্যাৰ শ্ৰমশক্তি (labour force), অনুৎপাদনশীল উপভোক্তা (unproductive consumer) আৰু আশ্ৰিত জনসংখ্যাৰ (dependent population) অনুপাত নিৰ্ণয় কৰাত সহায় কৰে। ২০০১ চনৰ লোকপিয়ল মতে, ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ৩৫.৬ শতাংশই হৈছে শূন্যৰ পৰা ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালী। এই পৰিসংখ্যাটোৱে প্ৰমাণ কৰে যে, ভাৰতবৰ্ষৰ জনসংখ্যাৰ এটা বৃহৎ অংশই হৈছে অনুৎপাদনশীল উপভোক্তা। কিন্তু অনুৎপাদনশীল উপভোক্তাৰ পৰিমাণ আনকি পূৰ্বৰ চাৰিটা দশকতো উচ্চ হৈয়ে আছিল। আনহাতে কৰ্মশক্তিৰ, যাক ১৫-৬০ বয়স শ্ৰেণীৰ ভিতৰত ধৰা হয়, শতকৰা পৰিমাণ হৈছে ৫৮.২। কিন্তু ৬০ বছৰ বা তাৰ ওপৰৰ শ্ৰেণীৰ জনসংখ্যাৰ পৰিমাণ অতি কম আৰু ই হ'ল মাত্ৰ ৬ শতাংশ। এইটো বয়সৰ শ্ৰেণীৰ লোকৰ অতি কম পৰিমাণে ভাৰতীয় লোকৰ নিম্ন প্ৰত্যাশিত আয়ুসকেই সূচাইছে।

- **জনসংখ্যাৰ ঘনত্ব** (Density of Population) ঃ জনসংখ্যাৰ ঘনত্বৰ ধাৰণাটোৱে আমাক প্ৰতি বৰ্গ কিলোমিটাৰত বাস কৰা গড় জনসংখ্যাৰ আভাস দিয়ে। চমুকৈ, প্ৰতি বৰ্গ কিলোমিটাৰত জনসংখ্যাৰ পৰিমাণেই হ'ল জনসংখ্যাৰ ঘনত্ব। ই জনসংখ্যা আৰু ভূমিৰ অনুপাত সূচায়। ১৯২১ চনৰ পৰাই ভাৰতবৰ্ষত জনসংখ্যাৰ ঘনত্ব বৃদ্ধি পাই আহিছে। কিন্তু ১৯৫১ চনৰ পৰা ই অতি দ্ৰুত হাৰত বৃদ্ধি পাইছে। ১৯০১ চনত জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত আছিল ৭৭ জন। কিন্তু ১৯৯১ চনত প্ৰতি বৰ্গ কিলোমিটাৰত ই দ্ৰুতভাৱে বৃদ্ধি পায় আৰু ২০১১ চনত প্ৰতি বৰ্গ কিলোমিটাৰত ৩৮২ হয়গৈ।

  জনসংখ্যাৰ ঘনত্ব বিভিন্ন ৰাজ্যসমূহৰ মাজত আৰু এখন ৰাজ্যৰ বিভিন্ন স্থানতো বেলেগ বেলেগ হোৱা দেখা যায়। তদুপৰি বিভিন্ন অঞ্চলসমূহৰ মাজতো জনসংখ্যাৰ ঘনত্বৰ ক্ষেত্ৰত ভিন্নতা দেখা যায়। জনসংখ্যাৰ ঘনত্ব সৰ্বোচ্চ হৈছে কেন্দ্ৰীয় শাসিত অঞ্চল দিল্লীত (১১২৯৭ জন)। ৰাজ্যসমূহৰ ভিতৰত সৰ্বাধিক হৈছে পশ্চিমবংগত (১১০২ জন) আৰু সৰ্বনিম্ন হিমাচল প্ৰদেশ (১২৩ জন)। এই পাৰ্থক্যসমূহৰ কাৰণ বহুতো। ইয়াৰ ভিতৰত প্ৰধান কাৰণসমূহ হ'ল— জলবায়ুৰ ক্ষেত্ৰত থকা বিভিন্নতা, বৃষ্টিপাত, জলসিঞ্চনৰ সুবিধা, ইত্যাদি। তদুপৰি ঔদ্যোগিক উন্নয়নৰ পাৰ্থক্যও আন এটা উল্লেখযোগ্য কাৰণ হ'ব পাৰে।

- **গ্ৰাম্য-নগৰৰ অনুপাত** (Rural-Urban Ratio) ঃ ভাৰতবৰ্ষৰ গ্ৰাম্য-নগৰৰ অনুপাত সম্পৰ্কে আলোচনা কৰাৰ আগতে আমি 'নগৰীকৰণ' ধাৰণাটোৰ ওপৰত সামান্য দৃষ্টিপাত কৰাটো ভাল হ'ব। অতি সৰল ভাষাত, নগৰীকৰণক আমি গ্ৰামাঞ্চলক নগৰাঞ্চললৈ পৰিৱৰ্তিত হোৱা এটা প্ৰক্ৰিয়া হিচাপে ব্যাখ্যা কৰিব পাৰোঁ। কিন্তু নগৰীকৰণৰ ব্যাখ্যাৰ ক্ষেত্ৰত ব্যৱহৃত হোৱা মাপকাঠি (parameters) বিভিন্ন দেশত বেলেগ বেলেগ। বৰ্তমান ভাৰতবৰ্ষত একোটা

অঞ্চলক নগৰাঞ্চল বুলি তলত দিয়া ধৰণে সংজ্ঞায়িত কৰা হয় ঃ

- পৌৰসভা, পৌৰনিগম, সেনানিবাস (Cantonment) অথবা নথিভুক্ত চহৰ অঞ্চল কমিটীৰ অধীনত থকা সকলো অঞ্চল,
- তলত দিয়া চর্তসমূহ পূৰণ কৰা এলেকাসমূহকো নগৰাঞ্চলৰ অন্তর্ভুক্ত কৰা হয় ঃ
  - ন্যূনতম ৫,০০০ লোকৰ জনসমষ্টি,
  - কর্মৰত পুৰুষৰ অতি কমেও ৭৫ শতাংশই কৃষি বহির্ভূত কার্যৰ সৈতে জড়িত, আৰু
  - প্রতি বর্গ কিলোমিটাৰত জনসংখ্যাৰ ঘনত্ব অতি কমেও ৪০০ জন।

  ভাৰতবর্ষত নগৰীকৰণৰ মূল বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণৰ ঃ
- ভাৰতবর্ষত নগৰীয়া জনসংখ্যা ১৯৬১ চনৰ পৰা দ্রুতভাৱে বৃদ্ধি পাবলৈ ধৰে, ১৯৬১-৭১ দশকটোত প্রায় ৩৮ শতাংশতকৈও অধিক হাৰত বৃদ্ধি পায়। ১৯৯১-২০০১ চনৰ সময়সীমাৰ ভিতৰত নগৰীয়া জনসংখ্যা ৩১ শতাংশকৈ বৃদ্ধি পায়। ১৯০১ চনত ভাৰতবর্ষৰ মুঠ জনসংখ্যাৰ প্রায় ১১ শতাংশ আছিল নগৰীয়া জনসংখ্যা, ১৯৬১ চনত প্রায় ১৮ শতাংশ, ১৯৯১ চনত প্রায় ২৬ শতাংশ, ২০০১ চনত প্রায় ২৮ শতাংশ আৰু ২০১১ চনত ৩১.২ শতাংশ।
- আনহাতে ডাঙৰ চহৰবিলাকত জনসংখ্যা অধিক বৃদ্ধি পাইছে। তদুপৰি প্রথম শ্রেণী আৰু দ্বিতীয় শ্রেণীৰ চহৰবিলাকৰ মাজত তুলনা কৰিলে দেখা যায় যে প্রকৃততে দ্বিতীয় শ্রেণীৰ (সৰু) চহৰবিলাকত জনসংখ্যা হ্রাসহে পাইছে।
- ভাৰতবর্ষৰ বিভিন্ন ৰাজ্যসমূহৰ মাজত নগৰীকৰণৰ হাৰ বেলেগ বেলেগ। উচ্চ হাৰত নগৰীকৰণ হোৱা সত্ত্বেও ভাৰতবর্ষত বর্তমানেও গৰিষ্ঠসংখ্যক লোকেই গ্রামাঞ্চলতে বসবাস কৰি আছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি, এতিয়াও গ্রামাঞ্চলত ৬৮.৮ শতাংশ লোকে বসবাস কৰাৰ বিপৰীতে চহৰাঞ্চলত মাত্র ৩১.২ শতাংশ লোকেহে বসবাস কৰে। গতিকে ভাৰতবর্ষত নগৰীকৰণৰ হাৰ যথানুৰূপ হোৱা বুলি ক'ব নোৱাৰি। তলৰ তালিকা-৩.৩ত যোৱা এশটা বছৰৰ গাঁও আৰু নগৰীয়া জনসংখ্যাৰ পৰিমাণ শতাংশ হিচাপত দেখুওৱা হৈছে।

তালিকা ২.৩ ঃ গাঁও আৰু নগৰীয়া জনসংখ্যাৰ তুলনামূলক বৃদ্ধিৰ হাৰ (শতাংশত)

বছৰ	গাঁৱৰ জনসংখ্যাৰ হাৰ	নগৰীয়া জনসংখ্যাৰ হাৰ	বছৰ	গাঁৱৰ জনসংখ্যাৰ হাৰ	নগৰীয়া জনসংখ্যাৰ হাৰ
১৯০১	৮৯.০	১১.০	১৯৬১	৮২.০	১৮.০
১৯১১	৮৯.৬	১০.৪	১৯৭১	৮০.১	১৯.৯
১৯২১	৮৮.৭	১১.৩	১৯৮১	৭৬.৭	২৩.৩
১৯৩১	৮৭.৮	১২.২	১৯৯১	৭৪.৩	২৫.৭
১৯৪১	৮৫.৯	১৪.১	২০০১	৭২.২	২৭.৮
১৯৫১	৮২.৭	১৭.৩	২০১১	৬৮.৮	৩১.২

উৎস ঃ Indian Economy, Datt and Sundharam 2016.

সময়ৰ লগে লগে ভাৰতবর্ষত নগৰীকৰণৰ হাৰ ক্রমান্বয়ে বৃদ্ধি পাইছে। কিন্তু নগৰীকৰণ সামগ্রিক ছবিখন প্রায় একেই আছে। গতিকে ভাৰতীয় অর্থব্যৱস্থাক পাশ্চাত্য অর্থব্যৱস্থাৰ গ্রাম্য অর্থব্যৱস্থা বুলিহে (যাক সাধাৰণতে ঔদ্যোগিক বা নগৰীয়া অর্থব্যৱস্থা বুলি অভিহিত কৰা হয়) ব্যাখ্যা কৰিব পাৰি।

নগৰীকৰণৰ এই ধাৰাটোৰ পৰা ভাৰতীয় অর্থনীতিৰ গঠন সম্পর্কে এখন স্পষ্ট ছবি পোৱা যায়। ভাৰতত ঔদ্যোগীকৰণৰ বাবে পর্যাপ্ত আন্তঃগাঁথনিৰ অভাৱ হেতুকে ঔদ্যোগীক উন্নয়ন অতি কম পৰিমাণেহে বৃদ্ধি পাইছে। ইয়াৰ ফলাফল হৈছে দুতৰপীয়া (two fold) ঃ প্রথম, নগৰত বাস কৰা লোকৰ দ্বাৰা নগৰীকৰণক সূচোৱা হয়, এই লোকৰ সংখ্যা আগতকৈ বৃদ্ধি পাইছে যদিও ইয়াৰ পৰিমাণ এতিয়াও বহুত কম হৈয়ে আছে। দ্বিতীয়তে, ভাৰতীয় জনসাধাৰণৰ বাবে এতিয়াও কৃষিয়েই প্রধান জীৱিকা, গতিকে প্রকৃত গ্রাম্য জনসংখ্যাৰ আকাৰ যথেষ্ট ডাঙৰ।

- **ভাৰতীয় জনসংখ্যাৰ বৃত্তিগত বিতৰণ** (Occupational Distribution of Population)ঃ অর্থনৈতিক উন্নয়নে দেশৰ অর্থনীতিত বিভিন্ন ধৰণৰ বৃত্তিৰ সৃষ্টি কৰে। এখন দেশৰ কর্মী জনসংখ্যা (working population)-ৰ বৃত্তিগত বিতৰণ বুলিলে সমাজত বিভিন্ন জীৱিকাত নিয়োজিত হৈ থকা লোকৰ মুঠ বিতৰণক বুজায়। ইয়াক দক্ষতাৰ স্তৰ, আর্থিক কার্যকলাপ বা সামাজিক মর্যাদাৰ ভিত্তিত শ্রেণীবিভাজন কৰা হয়। কোনো অর্থব্যৱস্থাৰ বৃত্তিগত বিতৰণ নির্ভৰ কৰে বিভিন্ন উদ্যোগ, প্রযুক্তিৰ স্তৰ, শ্রম বজাৰৰ প্রকৃতি আৰু সমাজৰ বিভিন্ন উৎপাদিত সামগ্রীৰ ওপৰত প্রদান কৰা গুৰুত্বৰ ওপৰত। বৃত্তিগত গাঁথনি বিভিন্ন প্রকাৰৰ শ্রেণীবিভাজনৰ প্রক্রিয়াৰে বর্ণনা আৰু ব্যাখ্যা কৰা হয়। ইয়াৰ সহায়ত একেধৰণৰ জীৱিকাসমূহক কিছুমান বিশেষ দিশ, যেনে— দক্ষতা, নিয়োগ সম্বন্ধীয় মর্যাদা বা কার্যৰ ওপৰত ভিত্তি কৰি একে শ্রেণীভুক্ত কৰা হয়। এনেধৰণৰ শ্রেণীবিভাজনসমূহক অর্থনৈতিক আৰু সামাজিক শ্রেণীৰ বাস্তৱ সন্মত ব্যাখ্যা আগবঢ়াবলৈ ভিত্তি হিচাপে ব্যৱহাৰ কৰা হয়। ২০০১ চনৰ লোকপিয়ল অনুসৰি, দেশৰ মুঠ জনসংখ্যাৰ ভিতৰত কর্মী জনসংখ্যা হৈছে ৩৯.২৬ শতাংশ। গাঁও আৰু চহৰ অঞ্চলত কর্মশক্তিত অংশগ্রহণকাৰীৰ সংখ্যা ক্রমান্বয়ে ৪১.৯৭ শতাংশ আৰু ৩২.২৩ শতাংশ।

  তালিকা-২.৪ত ক্রমান্বয়ে ১৯৬১, ১৯৯৩-৯৪ আৰু ১৯৯৯-২০০০ এই বছৰকেইটাত বিভিন্ন বৃত্তিত নিয়োজিত হৈ থকা মুঠ কর্মী জনসংখ্যাৰ বৃত্তিগত বিতৰণ দেখুওৱা হৈছে।

  - তালিকাখনৰ পৰা এইটো পৰিষ্কাৰ হৈছে যে, সময়ৰ লগে লগে কৃষি আৰু তাৰ আনুসাংগিক কার্যসমূহত অংশগ্রহণকাৰীৰ সংখ্যা ক্রমান্বয়ে কমি আহিছে। আনহাতে, প্রতি হাজাৰ জনসংখ্যাত কাৰিকৰী আৰু মেৰামতি কার্যসমূহত অংশগ্রহণকাৰীৰ সংখ্যা ক্রমান্বয়ে বৃদ্ধি পাই আহিছে।
  - ভাৰতীয় শ্রমশক্তিত অংশগ্রহণকাৰীসকলৰ ভিতৰত নির্মাণ খণ্ডতো বৃদ্ধিৰ ধাৰা অব্যাহত থকা দেখা গৈছে। ঠিক সেইদৰে পৰিবহণ, ভঁৰাল আৰু যোগাযোগ; বিত্ত, বীমা আৰু

স্থাৱৰ সম্পত্তি (real estate)-ৰ ক্ষেত্ৰতো একেই ধাৰা অব্যাহত আছে।

- আন এটা উল্লেখযোগ্য দিশ হ'ল— কৃষিখণ্ডত নিয়োজিত কর্মীৰ সংখ্যা কিছু বছৰৰ পৰা ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে যদিও এইটো খণ্ডতেই বেছিসংখ্যক কর্মী নিয়োজিত হৈ আছে। গতিকে ভাৰতীয় অৰ্থনীতিক এতিয়াও প্ৰাচীন অৰ্থব্যৱস্থা বুলি অভিহিত কৰা হয়।

তালিকা ২.৪ ঃ কেইটামান বছৰত ভাৰতীয় শ্ৰমশক্তিৰ বৃত্তিগত বিতৰণ

উদ্যোগ, বিভাগ/শ্ৰেণী	১৯৬১		১৯৯৩-৯৪		১৯৯৯-২০০০	
	কর্মীৰ সংখ্যা (হাজাৰত)	অংশ (প্ৰতি হাজাৰত)	কর্মীৰ সংখ্যা (হাজাৰত)	অংশ (প্ৰতি হাজাৰত)	কর্মীৰ সংখ্যা (হাজাৰত)	অংশ (প্ৰতি হাজাৰত)
কৃষি, বনাঞ্চলিকৰণ আৰু মীনপালন	১,৪৩,২৮২	৭৫৯	২,৩৮,৬৮২	৬৩৮	২,৩৭,৭৮৬	৫৯৯
খনি আৰু কোৱেৰি	৯১৯	৫	২,৬৭৬	৭	২,২৬৩	৬
কাৰিকৰী আৰু মেৰামতি সেৱাসমূহ	১৭,৯০৬	৯৫	৪৩,২১৮	১১৬	৪৮,২৯৬	১২২
বিদ্যুৎ, গেছ আৰু পানী	২৫৭	১	১,৩৯৪	৪	১,০৪৮	৩
নিৰ্মাণ	২,৭৬৮	১৫	১২,১২৭	৩২	১৭,৬১৮	৪৪
ব্যৱসায়, হোটেল আৰু ৰেষ্টুৰেণ্ট	৮,১৭১	৪৩	২৮,৪৫৯	৭৬	৩৭,৭২৮	৯৪
পৰিবহণ, ভঁৰাল আৰু যোগাযোগ	৩,২৬২	১৭	১০,৭৫৭	২৯	১৪,৭৫৭	৩৭
বিত্ত, বীমা, স্থাৱৰ সম্পত্তি আৰু ব্যৱসায়িক সেৱাসমূহ	৫৪২	৩	৩,৬৫৩	১০	৪,৯২৪	১২
জাতীয়, সামাজিক আৰু ব্যক্তিগত সেৱাসমূহ	১১,৫৭১	৬২	৩২,৮৬৬	৮৮	৩৮,২০০	১২
মুঠ কর্মশক্তি	**১,৮৮,৬৭৬**	**১০০০**	**৩,৭৩,৮৩২**	**১০০০**	**৩,৯৭,০১৮**	**১০০০**



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ যৌন অনুপাত বুলিলে কি বুজা যায়? ভাৰতবর্ষত যৌন অনুপাতৰ ক্ষেত্রত থকা ভাৰসাম্যহীনতাৰ আঁৰৰ কাৰণসমূহ চিহ্নিত কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ ভাৰতীয় জনসাধাৰণৰ বয়স গাঁথনি সম্পর্কে চমুকৈ বর্ণনা কৰক। (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

২.৬ মানৱ উন্নয়নৰ নির্দেশকসমূহ

এখন আদর্শ সমাজৰ যিকোনো সংজ্ঞাই যোগাত্মক স্বাধীনতাক মূল উপাদান হিচাপে গণ্য কৰি মানৱ উন্নয়নৰ ধাৰণাটোতে গুৰুত্ব আৰোপ কৰিছে। এই ধাৰণাটোৱে বিভিন্ন আঁচনি, ইয়াৰ কার্য ৰূপায়ণ আৰু গঠন, এইবিলাকে মানুহৰ প্রয়োজনীয়তাসমূহ পূৰণ কৰিব পাৰিছেনে নাই, মানুহৰ নৈতিক দায়িত্বসমূহৰ উন্নতি হৈছেনে নাই, সর্বজন গ্রহণযোগ্য পছন্দ আৰু সম্পূর্ণ মানৱ উন্নয়নৰ বাবে বিভিন্ন বৈশিষ্ট্যসমৃদ্ধ উপাদানসমূহে সমাজত কাম কৰেনে নাই সেয়া মূল্যায়ণ কৰে। এনেকুৱা এখন সমাজে ইয়াৰ নাগৰিকসকলক মহৎ, সদাচাৰী আৰু বিশ্বস্ত, দক্ষ তথা শিল্পবিদ্যাত পাৰ্গত আৰু জ্ঞানী হ'বলৈ অনুপ্রেৰণা যোগায়। এনেকুৱা সৎ গুণসমূহে সমাজত যোগ্য লোক গঢ়াত অৰিহণা যোগায়।

মুখ্যতঃ মানুহৰ সামগ্রিক উন্নয়নেই হৈছে এনে সমাজৰ একমাত্র উদ্দেশ্য, য'ত মানুহে এটা দীর্ঘ, সুস্বাস্থ্যসমৃদ্ধ আৰু সৃষ্টিশীল জীৱন-যাপন কৰিব পাৰে। আনহাতে মানুহৰ মাজত উন্নয়নৰ প্রক্রিয়াসমূহ গতিশীল কৰি তোলাটোৱেই হ'ল মুখ্য উদ্দেশ্য; কিন্তু মানুহক উন্নয়নৰ প্রক্রিয়াসমূহৰ প্রতি গতিশীল কৰি তোলাটো সমাজৰ উদ্দেশ্য নহয়। যাৰ বাবে অর্থনৈতিক উন্নয়ন হোৱাটোও এটা গুৰুত্বপূর্ণ কথা। কিন্তু অর্থনৈতিক উন্নয়ন এটা পথহে, ই শেষ উদ্দেশ্য নহয়। আচলতে মানৱ উন্নয়নহে প্রকৃত উদ্দেশ্য, কেৱল অর্থনৈতিক উন্নয়ন নহয়।

১৯৯০ চনৰ পৰা ৰাষ্ট্ৰসংঘই উন্নয়নমূলক কাৰ্যসূচীৰ জৰিয়তে (United Nations Development Programme) মানৱ উন্নয়নৰ মূল মাপকাঠি হিচাপে মানৱ উন্নয়ন প্ৰতিবেদন (Human Development Report), মানৱ উন্নয়ন সূচকাংকসহ প্ৰকাশ কৰে। এই কামটোত আগভাগ লৈছিল বিশিষ্ট অৰ্থবিজ্ঞানী ***মেহমুদ-উল-হকে***। তেখেতে আন কেইজনমান বিশিষ্ট অৰ্থবিজ্ঞানীৰ সহযোগত ৰাষ্ট্ৰসংঘৰ সদস্যভুক্ত সকলো ৰাষ্ট্ৰৰে উন্নয়নৰ তুলনামূলক ছবি এখন দাঙি ধৰাৰ উদ্দেশ্যে এই সূচাংকটো উদ্ভাৱন কৰে। মানৱ উন্নয়ন প্ৰতিবেদনৰ মূল কথাখিনি হ'ল মূল শিক্ষাগত অৰ্হতা, লিখা আৰু পঢ়াৰ সৈতে এটা দীৰ্ঘ আৰু সুস্বাস্থ্যসমৃদ্ধ জীৱন-যাপন কৰা। তদুপৰি উন্নতমানৰ জীৱন ধাৰণৰ মানদণ্ড বজাই ৰখা, ইত্যাদিবোৰ হ'ল মানৱ উন্নয়নৰ দৰ্কাৰী উপাদান।

সেইবাবেই HDIক তলত উল্লেখ কৰা সূচকসমূহৰ মাজেৰে মানৱ উন্নয়নৰ মাপকাঠি হিচাপে ব্যৱহাৰ কৰা হয় ঃ

- এটা দীৰ্ঘ আৰু সুস্বাস্থ্যসমৃদ্ধ জীৱন ইয়াক জন্মৰ সময়ত প্ৰত্যাশিত আয়ুসৰ দ্বাৰা (Life expectancy at birth) নিৰ্ধাৰণ কৰা হয়। গতিকে ই কিমান বছৰ এটি নৱজাতক জীয়াই থাকিব তাক নিৰ্দেশ কৰে, যদিহে জন্মৰ সময়ত থকা মৃত্যুহাৰৰ পৰিমাণ শিশুটিৰ গোটেই জীৱনজুৰি একেধৰণে স্থিৰ (static) হৈ থাকে।
- জ্ঞান ইয়াক প্ৰাপ্তবয়স্ক শিক্ষাৰ হাৰ (Adult literacy rate) (দুই-তৃতীয়াংশ ওজনৰ সৈতে) আৰু শিক্ষাৰ প্ৰাথমিক, মাধ্যমিক আৰু অন্যান্য স্তৰত হোৱা সংযুক্ত মুঠ নামভৰ্তিকৰণৰ হাৰৰ দ্বাৰা গণনা কৰা হয়।
- এক উন্নত জীৱন ধাৰণৰ মানদণ্ড ইয়াক মুঠ ঘৰুৱা উৎপাদন (GDP) আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডলাৰৰ মাধ্যমত জনমূৰি ***ক্ৰয় ক্ষমতাৰ সমতুল্যতাৰ*** ***(PPP)*** দ্বাৰা গণনা কৰা হয়।



জনা উচিত

মুঠ নামভৰ্তিকৰণৰ হাৰ (Gross Enrolment Ratio) ঃ মুঠ নামভৰ্তিকৰণৰ হাৰ (GER) বা মুঠ নামভৰ্তিকৰণ সূচক (GEI) হ'ল একপ্ৰকাৰৰ পাৰিসাংখ্যিক জোখ যাক ৰাষ্ট্ৰসংঘই ইয়াৰ শিক্ষা সূচকত শিক্ষাখণ্ডত ব্যৱহাৰ কৰে। GERএ কিণ্ডাৰগার্টেনৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ শিক্ষাৰ মান সম্পৰ্কে এটা মোটামুটি ধাৰণা দিব পাৰে। ইংলেণ্ড আৰু অন্যান্য দেশসমূহত (বিশেষকৈ কমনৱেল্থ ৰাষ্ট্ৰসমূহত) স্নাতকোত্তৰ পৰ্যায়লৈকে শিক্ষা বুলিলে প্ৰাথমিক, মাধ্যমিক আৰু অন্যান্য খণ্ডক বুজোৱা হয়। ৰাষ্ট্ৰসংঘই GER গণনাৰ ক্ষেত্ৰত বয়সৰ সীমাক বাদ দি প্ৰাথমিক, মাধ্যমিক আৰু অন্যান্য শিক্ষাখণ্ডত হোৱা ছাত্ৰৰ নামভৰ্তিকৰণৰ পৰিমাণক বিবেচনা কৰে। ইয়াত তিনিওটা পৰ্যায়তে কাৰ্যালয়ৰ স্কুলীয়া বয়স অনুসৰি জনসংখ্যাৰ কেৱল শতকৰা সংখ্যাটোহে লোৱা হয়।

ক্ৰয় ক্ষমতাৰ সমতুল্যতা (PPP) ঃ ক্ৰয় ক্ষমতাৰ সমতুল্যতা (PPP) হ'ল এক-প্ৰকাৰৰ বিনিময়ৰ হাৰ, যাৰ দ্বাৰা গোটেই দেশৰ দৰ পাৰ্থক্য গণনা কৰা হয়। ইয়াৰ দ্বাৰা প্ৰকৃত উৎপাদন আৰু আয়ৰ আন্তৰ্জাতিক তুলনাৰ লগত সংগতি ৰাখি গোটেই দেশৰ দৰ-পাৰ্থক্য গণনা কৰা হয়। PPP গণনাৰ ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰ্থব্যৱস্থাক সহায়ক হিচাপে ধৰা হয়। ইয়াৰ PPP ১০০ বুলি স্থিৰ কৰা হৈছে।

এতিয়া আমি আমি ভাৰতবৰ্ষৰ ক্ষেত্ৰতেই এয়া বিবেচনা কৰি চাওঁ। ২০০৭/২০০৮ আৰু ২০১৯ বৰ্ষৰ মানৱ উন্নয়ন প্ৰতিবেদনত ভাৰতবৰ্ষৰ ক্ষেত্ৰত তলত দিয়া তথ্যসমূহ লিপিৱদ্ধ হৈছে।

তালিকা ২.৫ ঃ সূচকসমূহৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ স্থান (HDR, 2007/2008)

ক্ৰমিক নং	সূচকসমূহ	ভাৰতবৰ্ষৰ ক্ষেত্ৰত লিপিৱদ্ধ হোৱা পৰিমাণ
১	জন্মৰ সময়ত প্ৰত্যাশিত আয়ুস (বছৰ হিচাপত)	৬৩.৭
২	প্ৰাপ্তবয়স্কৰ সাক্ষৰতাৰ হাৰ (%ত)	৬১.০
৩	সংযুক্ত মুঠ নামভৰ্তিৰকৰণৰ হাৰ (%)	৬৩.৮
৪	জনমূৰি মুঠ ঘৰুৱা উৎপাদন (PPP US$)	৩,৪৫২

মন কৰিব, মানৱ উন্নয়নৰ সূচক সমূহ প্ৰস্তুত কৰোতে বিভিন্ন সময়ত ইয়াৰ পদ্ধতিসমূহৰ সলনি কৰা হৈছে। ২০১৯ চনৰ মানৱ উন্নয়ন প্ৰতিবেদনখনে ভাৰতবৰ্ষৰ স্থান ১২৯ সংখ্যক স্থানত ৰাখিছে। বিভিন্ন সূচক সমূহত ভাৰতৰ স্থান এনেধৰণৰ ঃ

তালিকা ২.৬ ঃ সূচকসমূহৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ স্থান (HDR, 2019)

ক্ৰমিক নং	সূচকসমূহ	ভাৰতবৰ্ষৰ ক্ষেত্ৰত লিপিৱদ্ধ হোৱা পৰিমাণ
১	জন্মৰ সময়ত প্ৰত্যাশিত আয়ুস (বছৰ হিচাপত)	৬৯.৪
২	স্কুলীয়া শিক্ষাৰ প্ৰত্যাশিত বছৰ	১২.৩
৩	স্কুলীয়া শিক্ষাৰ গড় বছৰ	৬.৫
৪	জনমূৰি আয় (PPP US$)	৬,৮২৯



চিন্তা-চৰ্চা কৰক

UNDPএ প্ৰকাশ কৰা মানৱ উন্নয়ন প্ৰতিবেদনত (যিমানকেইখন সম্ভৱ) ভাৰতবৰ্ষ আৰু ইয়াৰ চুবুৰীয়া দেশসমূহৰ স্থান বিচাৰি উলিয়াবলৈ যত্ন কৰক।

.....

.....

.....



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ জন্মৰ সময়ত প্রত্যাশিত আয়ুসে কি নির্দেশ কৰে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ ক্রয় ক্ষমতাৰ সমতুল্যতা কি? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতবর্ষৰ জনসংখ্যা বৃদ্ধিৰ সামগ্রিক ছবিখন জানিবলৈ হ'লে ভাৰতবর্ষৰ জনসংখ্যাৰ কিছুমান বৈশিষ্ট্য সম্পর্কে জনাটোও সমানেই গুৰুত্বপূর্ণ।
- প্রথমটো হ'ল যৌন অনুপাত যিয়ে প্রতি হাজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা দেখুৱায়। ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতবর্ষত প্রতি হাজাৰ পুৰুষৰ বিপৰীতে ৯৩৩ গৰাকী মহিলা আছে।
- দ্বিতীয়টো হ'ল বয়সৰ গাঁথনি। ভাৰতবর্ষত ১৫-৬০ বছৰ বয়সৰ কর্মশক্তিৰ শতকৰা পৰিমাণ হ'ল ৫৮.২। কিন্তু একে সময়তে ভাৰতীয় জনসংখ্যাৰ এক বৃহৎ অংশই হ'ল অনুৎপাদনশীল উপভোক্তা।
- তৃতীয়টো হ'ল জনসংখ্যাৰ ঘনত্ব, যিয়ে ভূমি অনুপাতে জনসংখ্যাৰ হাৰ সূচায়। চতুর্থটো হ'ল গাঁও নগৰৰ অনুপাত। ১৯৬১ চনৰ পৰা নগৰীয়া জনসংখ্যা দ্রুতভাৱে বৃদ্ধি পাইছে। কিন্তু বিভিন্ন ৰাজ্যসমূহৰ মাজত নগৰীকৰণৰ মাত্রাও বিভিন্ন। উচ্চহাৰত নগৰীকৰণ হোৱা সত্ত্বেও, জনসংখ্যাৰ গৰিষ্ঠসংখ্যকেই এতিয়াও গ্রামাঞ্চলতেই বসবাস কৰে।
- ২০০১ চনৰ লোকপিয়ল অনুসৰি গ্রামাঞ্চলত মুঠ জনসংখ্যাৰ ৭২.২ শতাংশই বসবাস কৰে। বৃত্তিগত বিতৰণে এখন সমাজত থকা জীৱিকাসমূহৰ মুঠ বিতৰণক বুজায়। বৃত্তিগত গাঁথনি বিভিন্ন প্রকাৰৰ শ্রেণীবিভাজনৰ প্রক্রিয়াৰে বর্ণনা আৰু ব্যাখ্যা কৰা হয় যাৰ সহায়ত একেধৰণৰ জীৱিকাসমূহক কিছুমান বিশেষ দিশ, যেনে— দক্ষতা, নিয়োগ সম্বন্ধীয় মর্যাদা বা কার্যৰ ওপৰত ভিত্তি কৰি একে শ্রেণীভুক্ত কৰা হয়।
- মানুহৰ শ্রমৰ লগতে সৃষ্টিশীলতা আৰু উদ্যমী কৌশলো জড়িত হৈ থাকে গতিকে ই অর্থনীতিৰ বিকাশ আৰু উন্নয়নত বিশেষ ৰৰঙণি আগবঢ়ায়। সেই বাবেই ইয়াক মানৱ সম্পদ হিচাপে

অভিহিত কৰা হয়।

- ভাৰতবর্ষ অতি উচ্চ হাৰৰ জনসংখ্যা বৃদ্ধিৰ সন্মুখীন হৈছে। কিন্তু এইটো আশা কৰা হৈছে যে অতি সোনকালে ইয়াৰ জনসংখ্যাৰ আকাৰ স্থিতাৱস্থালৈ আহিব।
- বৃদ্ধি আৰু উন্নয়নে জনসংখ্যাৰ আকাৰ নিয়ন্ত্রণ কৰাত অৰিহণা যোগাব পাৰে।
- মানৱ উন্নয়ন সূচকাংক (HDI) হ'ল মানৱ সম্পদ উন্নয়নৰ এটা সংক্ষিপ্ত জোখ বা মাপকাঠি। ই এখন দেশৰ মানৱ উন্নয়নৰ তিনিটা মৌলিক উপাদান ক্রমে সুস্বাস্থ্য সমৃদ্ধ জীৱন, জ্ঞান আৰু জীৱন ধাৰণৰ মানদণ্ডৰ ক্ষেত্রত এখন দেশে গড় হিচাপত উপনীত হোৱা সাফল্যকে সূচায়। এই তিনিটা গুণগত মাপকাঠিৰ লগত তিনিটা বস্তুগত মাপকাঠি ক্রমে জন্মৰ সময়ত প্রত্যাশিত আয়ুস, সাক্ষৰতা/শিক্ষা আৰু জনমূৰি GDP জড়িত হৈ আছে।

২.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) ড° প্রণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অর্থনীতি— ইয়াৰ পৰিৱর্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছার্চ, ২০০৮।

২) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অর্থনীতি (উত্তৰ-পূর্বাঞ্চলৰ অর্থনীতিসহ)*, বনলতা, ২০০৪।

ইংৰাজী গ্রন্থ ঃ

1) Agrawal, A. N. (2019). *Indian Economy: Developmental Problems and Policies.* New Delhi: New Age International Publishers.

2) Datt, G and Mahajan, A. (2016). *Datt & Sundharam's Indian Economy.* New Delhi: S. Chand & Co.

3) Kapila, U. (2003). *Indian Economy since Independence.* New Delhi: Academic Foundation.

4) Misra, S.K. & Puri, V.K. (2018). *Indian Economy.* New Delhi: Himalya Publishing House.

২.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ আমি সকলোৱে জানোঁ যে এই পৃথিৱীত মানুহেই হ'ল আটাইতকৈ বুধিয়ক জীৱ। মানুহে নিজৰ বুদ্ধিমত্তাৰ সহায়ত নতুন নতুন কৌশল উদ্ভাৱন কৰিব পাৰে আৰু বিভিন্ন প্রকাৰৰ সামগ্রী উৎপাদন কৰিব পাৰে। গতিকে উৎপাদন প্রক্রিয়াত মানুহৰ বিভিন্ন প্রকাৰৰ অৰিহণাৰ কথা লক্ষ্য কৰি মানুহকো অন্যান্য উৎপাদনৰ উপাদনসমূহৰ নিচিনাকৈ একপ্রকাৰৰ মূল্যৱান সম্পদ হিচাপে গণ্য কৰিব পাৰি।

২নং প্রশ্ন উত্তৰ ঃ জনসংখ্যাগত পৰিৱর্তনৰ পর্যায় তিনিটাৰ মূল বৈশিষ্ট্যসমূহ হ'ল ঃ

প্ৰথম পৰ্যায়ত ঃ জন্মহাৰ আৰু মৃত্যুহাৰ উভয়ৰে পৰিমাণ অতি বেছি। ইয়াৰ ফলত জনসংখ্যাৰ প্ৰকৃত বৃদ্ধিৰ হাৰ কম হয়।

দ্বিতীয় পৰ্যায়ত ঃ মৃত্যুৰ হাৰ দ্ৰুতভাৱে কমিবলৈ আৰম্ভ কৰে, কিন্তু জন্মৰ হাৰ প্ৰায় আগৰদৰেই স্থিৰে থাকে। ইয়াৰ ফলস্বৰূপে দুয়োটাৰে মাজত থকা পাৰ্থক্য বৃদ্ধি পায়। পৰিণামস্বৰূপে অতি উচ্চ হাৰত জনসংখ্যা বৃদ্ধি হয়।

তৃতীয় পৰ্যায়ত ঃ জন্মহাৰ আৰু মৃত্যুহাৰ ক্ৰমান্বয়ে নিম্ন স্তৰত স্থিৰ হয় যাৰ ফলস্বৰূপে জনসংখ্যাৰ অতি মন্থৰভাৱে বৃদ্ধি হয়।

৩নং প্ৰশ্ন উত্তৰ ঃ ১৯২১ চনৰ আগতে ভাৰতবৰ্ষ জনসংখ্যাগত পৰিৱৰ্তনৰ প্ৰথম পৰ্যায়ত আছিল। ১৯২১ চনটোক মহান বিভাজন বছৰ বুলিও কোৱা হয়। কাৰণ ১৯২১ চনৰ আগতে জনসংখ্যা বৃদ্ধি অতি মন্থৰ আৰু অনিয়মীয়া আছিল। কিন্তু ১৯২১ চনৰ পিছত জনসংখ্যা অতি সোনকালে আৰু অনিয়ন্ত্ৰিতভাৱে বৃদ্ধি হৈছিল।

৪নং প্ৰশ্ন উত্তৰ ঃ বৰ্তমান ভাৰতবৰ্ষ জনসংখ্যাগত পৰিৱৰ্তনৰ দ্বিতীয় পৰ্যায়ত আছে আৰু ভাৰতবৰ্ষই অতি সোনকালে তৃতীয় পৰ্যায়ত প্ৰৱেশ কৰিব বুলি আশা কৰা হৈছে।

৫নং প্ৰশ্ন উত্তৰ ঃ যৌন অনুপাতে প্ৰতি হাজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা প্ৰকাশ কৰে। ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতবৰ্ষত প্ৰতি হাজাৰ পুৰুষৰ বিপৰীতে ৯৩৩ গৰাকী মহিলা আছে। সেই অনুসৰি ১৯৯১ চনৰ লোকপিয়লত পোৱা ৯২৭গৰাকীৰ তুলনাত সামান্য বৃদ্ধিহে হৈছে।

ভাৰতবৰ্ষত যৌন অনুপাতৰ অসামঞ্জস্যতাৰ আঁৰত বিভিন্ন প্ৰকাৰৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক কাৰক জড়িত হৈ আছে। উল্লেখ কৰিব পৰা প্ৰধান কাৰকসমূহ হ'ল—

- প্ৰথম, আমাৰ সমাজত কন্যা শিশুক সাধাৰণতে অৱহেলা কৰা হয়। ইয়াৰ মাজতে কিছুমান সমাজত কন্যা ভ্ৰূণহত্যা আৰু নৱজাতক হত্যাৰ দৰে কাৰ্যও সংঘটিত হৈ আহিছে।
- দ্বিতীয়তে, দুটি সন্তানৰ মাজত থকা ব্যৱধানো যথেষ্ট কম। ইয়াৰ ফলতে যথেষ্টসংখ্যক মহিলাৰ মৃত্যু ঘটে আৰু
- তৃতীয়তে, যৌন অনুপাত নিৰ্ণয় কৰা পদ্ধতিসমূহত কিছুমান আসোঁৱাহ থাকিব পাৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতবৰ্ষৰ বয়স গাঁথনিলৈ মন কৰিলে দেখা যায়—

- ১৫-৬০ বছৰ বয়সৰ কৰ্মী জনসংখ্যা হ'ল ৫৮.২ শতাংশ। কিন্তু ইয়াৰ বিপৰীতে এক বৃহৎ পৰিমাণৰ জনসংখ্যাই (৩৫.৬ শতাংশ) উৎপাদন কাৰ্যত সহায় কৰিব নোৱাৰে।
- আনহাতে ৬০ বছৰ বস আৰু ৬০ বছৰৰ ওপৰৰ বয়সৰ জনসংখ্যা হ'ল মাত্ৰ ৬ শতাংশ আৰু ইয়াৰ একমাত্ৰ কাৰণ হ'ল নিম্ন প্ৰত্যাশিত আয়ুস (low life expectancy)।

৭নং প্ৰশ্ন উত্তৰ ঃ এটি নৱজাতক কিমান বছৰ জীয়াই থাকিব সেয়া জন্মৰ সময়ত প্ৰত্যাশিত আয়ুসৰ (life expectancy at birth) দ্বাৰা নিৰ্ধাৰণ কৰা হয় যদিহে শিশুটিৰ জন্মৰ সময়ত থকা মৃত্যুহাৰৰ পৰিমাণ শিশুটিৰ গোটেই জীৱনজুৰি একেধৰণে স্থিৰ (Stay) হৈ থাকে।

৮নং প্ৰশ্ন উত্তৰ ঃ ক্ৰয় ক্ষমতাৰ সমতুল্যতা (purchasing power parity) হ'ল একপ্ৰকাৰৰ

বিনিময়ৰ হাৰ যাৰ দ্বাৰা গোটেই দেশৰ দৰ পার্থক্য গণনা কৰা হয়। ইয়াৰ দ্বাৰা প্রকৃত উৎপাদন আৰু আয়ৰ আন্তর্জাতিক তুলনাৰ লগত সংগতি ৰাখি গোটেই দেশৰ দৰ পার্থক্য গণনা কৰা হয়। PPP গণনাৰ ক্ষেত্রত আমেৰিকা যুক্তৰাষ্ট্রৰ অর্থব্যৱস্থাক সহায়ক হিচাপে ধৰা হয়। ইয়াৰ PPP ১০০ বুলি স্থিৰ কৰা হৈছে।

২.১০ আৰ্হি প্রশ্ন

চমু প্রশ্ন (প্রতিটো প্রশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্রশ্ন ঃ জনসংখ্যাগত পৰিৱর্তনৰ পর্যায় তিনিটা আলোচনা কৰক।

২ নং প্রশ্ন ঃ মানৱ উন্নয়ন সূচকাংক প্রস্তুতকৰণৰ ওপৰত এটি চমুটোকা লিখক।

৩ নং প্রশ্ন ঃ জনসংখ্যাৰ বৃত্তিগত বিতৰণ বুলিলে আপুনি কি বুজে? ভাৰতবর্ষত সময়ৰ লগে লগে জনসংখ্যাৰ বৃত্তিগত বিতৰণত কেনেদৰে পৰিৱর্তন হৈছে সেয়া চমুকৈ আলোচনা কৰক।

ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্রশ্ন ঃ মানৱ সম্পদ কি? উন্নয়ন আৰু জনসংখ্যাৰ আকাৰৰ মাজত কিবা সম্পর্ক আছেনে? আলোচনা কৰক।

২ নং প্রশ্ন ঃ জনসংখ্যাগত পৰিৱর্তন তত্ত্বটোৰ আধাৰত ভাৰতবর্ষৰ জনসংখ্যাৰ ধাৰাটো দোষ-গুণসহ আলোচনা কৰক।

৩ নং প্রশ্ন ঃ জনসংখ্যাৰ বিভিন্ন বৈশিষ্ট্যসমূহ কি কি? ভাৰতীয় জনসংখ্যাৰ আধাৰত আলোচনা কৰক।

৪ নং প্রশ্ন ঃ মানৱ উন্নয়নৰ অর্থ কি? মানৱ উন্নয়ন সূচকাংক প্রস্তুকৰণৰ ক্ষেত্রত গণ্য কৰা বিভিন্ন ধৰণৰ উপাদানসমূহ কি কি?

*** ***** ***

অধ্যায় ৩ ঃ ভাৰতীয় অৰ্থনীতিত আন্তঃগাঁথনি

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ শক্তি আৰু ক্ষমতাৰ আন্তঃগাঁথনি

৩.৩.১ কয়লা

৩.৩.২ তেল আৰু প্ৰাকৃতিক গেছ

৩.৩.৩ বায়'মাছ আৰু কয়লা

৩.৩.৪ বতাহ, পাৰমাণৱিক আৰু সৌৰশক্তি

৩.৩.৫ বিদ্যুৎ শক্তি

৩.৪ পৰিবহণ ব্যৱস্থা

৩.৪.১ ৰে'ল পৰিবহণ

৩.৪.২ পথ পৰিৱহণ

৩.৪.৩ বিমান পৰিবহণ

৩.৪.৪ জল পৰিবহণ

৩.৫ যোগাযোগ

৩.৫.১ ডাক সেৱা

৩.৫.২ টেলি যোগাযোগ

৩.৫.৩ ৰেডিঅ' আৰু দূৰদৰ্শন

৩.৫.৪ ইণ্টাৰনেট

৩.৬ ভাৰতত নগৰৰ আন্তঃগাঁথনি

৩.৭ স্মাৰ্ট চিটি

৩.৮ ঔদ্যোগিক কৰিড'ৰ

৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১০ অধিক জানিবলৈ

১৩.১১ অগ্রগতিৰ খতিয়ান

১৩.১২ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শক্তি আৰু ক্ষমতা আৰু পৰিবহণ আৰু যোগাযোগৰ ক্ষেত্ৰত শেহতীয়া আন্তঃগাঁথনিৰ উন্নতিৰ বিষয়ে জানিবলৈ সক্ষম হ'ব।

- চৰকাৰৰ আঁচনিসমূহে ভাৰতৰ নগৰীয়া আন্তগাঁথনি উন্নয়নৰ বিষয়েত কৰা প্ৰগতিৰ বিষয়ে আলোচনা।
- স্মাৰ্ট চিটি আৰু ঔদ্যোগিক কৰিড'ৰৰ দৰে ধাৰণাৰ বিষয়ে জ্ঞান আহৰণ কৰাৰ।
- ভাৰতীয় অৰ্থনীতিৰ শেহতীয়া আন্তঃগাঁথনিৰ উন্নতিৰ বিৱৰণ।

৩.২ পৰিচয়

অৰ্থনীতিৰ উন্নতিৰ ঘাইকৈ সামাজিক অতিৰিক্ত ব্যয়ৰ মূলধন (SOCs)ৰ ওপৰত নিৰ্ভৰশীল, যাক আমি আন্তগাঁথনি বুলি কওঁ। আমি জানো যে আন্তঃগাঁথনি, সামাজিকেই হওক বা অৰ্থনৈতিকেই হওক, ই অৰ্থনীতিৰ সুচলতা বজাই ৰাখে আৰু অৰ্থনৈতিক উন্নতিৰ গতি বৃদ্ধি কৰে। ভাৰতত অৰ্থনীতিৰ মূল অনুঘটক আন্তঃগাঁথনিৰ ক্ষেত্ৰৰ বাহিৰে আন একো নহয়। এই ক্ষেত্ৰত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা লক্ষ্য কৰি ভাৰত চৰকাৰে দেশখনৰ আন্তগাঁথনিৰ উন্ননীতকৰণৰ বাবে বিভিন্ন আঁচনি হাতত হৈছে। যদিও এই ক্ষেত্ৰত ভাৰতে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ পৰা যথেষ্ট পুঁজি পাইছে, তথাপি বৰ্তমান বিশ্বৰ সৈতে ফেৰ মাৰিব পৰাকৈ ভাৰতৰ অৱস্থা সিমান সন্তোষজনক নহয়। উদাহৰণস্বৰূপে, ২০১৮ চনত বিশ্ব বেংকৰ লজিষ্টিক পাৰ্ফমেন্স ইনডেক্স (LPI) ২০১৮-ৰ ১৬৭ খন দেশৰ ভিতৰত ভাৰতৰ স্থান আছিল ৪৪তম। সেয়ে পণ্যৰ বাবে চাহিদা আৰু ভৌগোলিক শ্ৰেণীৰ আন্তঃগাঁথনি ভাৰতত অতি বেছি। তথাপিও যাতায়াত, যোগাযোগ আৰু শক্তি খণ্ডত উল্লেখনীয় প্ৰগতি কৰা হৈছে। ২০১৩-১৪ চনৰ ৯২,৮৫১ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বিপৰীতে ২০১৭-১৮ চনত ১২২,৪৩৪ কিলোমিটাৰ নিৰ্মাণ কৰা হ'ল। শক্তিৰ অপচয় ২০১৩-১৪ চনৰ ৪.২ শতাংশৰ তুলনাত এই পৰিমাণ ২০১৭-১৮ চনত ২০.৭ শতাংশলৈ হ্ৰাস পায়। বিশ্ব বেংকৰ 'Getting Electricity' ব্যৱসায়ৰ অধীনত ২০১৪ চনৰ ভাৰতৰ স্থান ১৩৭ৰ পৰা ২০১৮ চনত ২৪লৈ উন্নীত হয়। ২০১৮ চনত বিমানঘাটিৰ সংখ্যা বাঢ়ি ১০২টা হয়।

প্ৰতিবেদন মতে, শক্তিশালী আন্তঃগাঁথনিক সা-সুবিধাৰে এক সুস্থিৰ প্ৰগতি বৰ্তাই ৰাখিবলৈ হ'লে ভাৰতক ২০২২ চনৰ ভিতৰত ৫০ লক্ষ কোটি আমেৰিকান ডলাৰ বিনিয়োগৰ প্ৰয়োজন। অনাগত দিনত এই ক্ষেত্ৰখন বিনিয়োগ, কৰ্মসংস্থান আৰু উপাৰ্জনৰ উৎস হৈ পৰিব। উদাহৰণস্বৰূপে ভাৰত মাত্ৰ ২৪ শতাংশহে ৰাষ্ট্ৰীয় ঘাইপথৰ যোগাযোগ আছে। ইয়াৰ প্ৰসাৰ ঘটাবৰ বাবে এই ক্ষেত্ৰত যথেষ্ট পৰিমাণৰ বিনিয়োগ আৰু কৰ্মসংস্থানৰ সুযোগ আছে। বৰ্তমানৰ চৰকাৰে নগৰ উন্নয়নৰ ক্ষেত্ৰত স্মাৰ্ট চিটি আৰু আটাইৰে বাবে বাসস্থানৰ আঁচনি ঘোষণা কৰিছে। এনে ধৰণৰ কাৰ্যই বিনিয়োগ, ইতিবাচক আৰু উন্নতিক সমৃদ্ধি যোগাব আৰু বিশ্বমানৰ বিনিয়োগকাৰীক আন্তঃগাঁথনিক ক্ষেত্ৰলৈ আকৰ্ষণ কৰিব।

অনাগত বছৰত ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় ঘাইপথ, পুনৰ ব্যৱহাৰযোগ্য শক্তি আৰু নগৰীয়া যাতায়াত ব্যৱস্থাত যথেষ্ট বিনিয়োগ আশা কৰিছে। উদাহৰণস্বৰূপে ২০১৯-২০ চনৰ কেন্দ্ৰীয় বাজেটৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত দিয়া পৃষ্ঠপোষকতা এনে ধৰণৰ—

- আন্তঃগাঁথনিৰ ক্ষেত্ৰত ভাৰত চৰকাৰে ৪.৫৬ লাখ কোটি ধন মোকোলাই দিছে।
- যোগাযোগ ব্যৱস্থা উন্নীতকৰণৰ বাবে ডাক সেৱা আৰু টেলি যোগাযোগ বিভাগলৈ ৩৮,৬৩৭.৪৬ কোটি টকা আবণ্টন।
- ৰে'ল বিভাগৰ বাবে ৬৬.৭৭ কোটি টকা আবণ্টন। এই আবণ্টন ৬৪.৫৮৭ কোটি টকা বিনিয়োগৰ খৰচ।
- পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ পায় ৮৩,০১৫.৯৭ কোটি টকা।
- টেলিকমৰ আন্তঃগাঁথনিৰ বাবে ৮,৩৫০ কোটি টকা আবণ্টন।
- ৫০০ খন চহৰৰ প্ৰতি ঘৰতে পানী যোগান।
- বতাহ আৰু সৌৰ শক্তিৰ আঁচনিৰ লগতে গ্ৰীণ এনাৰ্জী কৰিড'ৰ প্ৰজেক্টৰ বাবে ৩,৮৯৯.৯ কোটি টকা আবণ্টন।
- জিলা চিকিৎসালয়বোৰ উন্নীতকৰণ কৰি চৰকাৰী চিকিৎসা মহাবিদ্যালয় (স্নাতকোত্তৰ শ্ৰেণী) কৰিবৰ বাবে ৮৮৮.০০ কোটি টকা আৰু চৰকাৰী চিকিৎসা মহাবিদ্যালয় (নিম্ন স্নাতক শ্ৰেণী) কৰিবৰ বাবে ১,৩৬১.০০ কোটি টকা আবণ্টন।



জানো আহক

আন্তঃগাঁথনি কি?

অৰ্থনৈতিক গাঁথনিৰ সহায়ক হোৱাকৈ যোগান ধৰা মূল পাৰ্থিব অৱস্থাকে আন্তঃগাঁথনি বুলি উল্লেখ কৰিব পাৰি। আন্তঃগাঁথনিৰ অন্তৰ্গত যাতায়াত ব্যৱস্থা, টেলি যোগাযোগ আৰু পানী যোগান ব্যৱস্থাক সামৰি লোৱা হৈছে। সাধাৰণতে চৰকাৰ বা একচেটীয়া প্ৰচাৰে বৃহৎ হাৰৰ বুনিয়াদৰ যোগান ধৰে।

এই গোটত ভাৰতৰ বিভিন্ন আন্তঃগাঁথনিৰ স্থিতিৰ বিষয়ে আলোচনা কৰা হৈছে।

৩.৩ শক্তি আৰু ক্ষমতাৰ আন্তঃগাঁথনি

শক্তি আন্তঃগাঁথনিয়ে বিদ্যুৎ শক্তিকে ধৰি উৎপাদন উপভোগ আৰু শক্তিৰ আমদানি সামৰে। কয়লা, তেল আৰু প্ৰাকৃতিক গেছ, ৰন্ধন গেছ, বায়'মাছ আৰু কয়লা, বায়'গেছ আদিৰ উৎপাদন আৰু বিতৰণ শক্তি আৰু ক্ষমতাৰ বুনিয়াদৰ ক্ষেত্ৰৰ অন্তৰ্গত। ভাৰতৰ শক্তি আঁচনিৰ পৰা জনা যায় দেশৰ শক্তি বৰ্ধিতকৰণত ঘাটি পৰিছে আৰু সেয়ে বিকল্প উৎস হিচাপে বিশেষকৈ সৌৰশক্তি, জোৱাৰ-ভাটা জনিত আৰু পাৰমাণৱিক শক্তি উন্নীতকৰণৰ লক্ষ্য আগত ৰখা হৈছে। ২০১৪ চনৰ জৰীপ মতে শক্তি আত্ম-নিৰ্ভৰতাৰ ক্ষেত্ৰত ভাৰতৰ স্থান ৮১ আৰু ভাৰতৰ শক্তি সঞ্চয় ৬৬ শতাংশ। ২০১৬ চনৰ হিচাপ মতে ২০৮.৭ নিযুত টন পুনৰ ব্যৱহাৰযোগ্য সামগ্ৰীৰে ভাৰতে চীনৰ পিছতে দ্বিতীয় স্থান পাইছে। ২০১৮ চনত ভাৰতে শক্তি ক্ষেত্ৰত মুঠ গোলকীয় বিনিয়োগৰ ৪.১ শতাংশ বিনিয়োগ কৰিছে। ভাৰতত ২০১৮ চনত প্ৰাথমিক শক্তি উপভোগ হিচাপে কয়লা, তেল আদি উপভোগ কৰা হৈছিল আৰু ভাৰতে

২০৫.৩ নিযুত টন খাৰুৱা তেল আৰু উয়াৰ দ্বাৰা উৎপৰাদিত সামগ্ৰী, ২৬.৩ নিযুত টন পনীয়া প্ৰাকৃতিক গেছ আৰু ১৪১.৭ নিযুত টন কয়লা ৰপ্তানি কৰে, যিখিনি প্ৰাথমিক শক্তি উপভোগৰ ৩৭৩.৩ নিযুত টনৰ সমান বা মুঠ প্ৰাথমিক শক্তি উপভোগৰ ৪৬.১৩ শতাংশ। দেখা যায় শক্তিৰ চাহিদা পূৰণৰ বাবে ভাৰতে বৃহতভাৱে জীৱাশ্ম শক্তি আমদানিৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। আশা কৰা হৈছে ২০৩০ চনত ভাৰতৰ শক্তি আমদানি, দেশৰ মুঠ শক্তি উপভোগতকৈ ৫৩ শতাংশৰ অধিক হ'ব। ৩.১ তালিকাখন ২০১৮ চনত ভাৰতৰ প্ৰাথমিক শক্তি উপভোগ হিচাপে দেখুওৱা হৈছে। দেখা গৈছে সৰ্বোচ্চ উপভোগৰ স্থানত আছে কয়লা আৰু তাৰ পাছতে খাৰুৱা তেল। সৰ্ব নিম্ন উপভোগৰ স্থানত আছে পাৰমাণৱিক শক্তি।

তালিকা ৩.১ ঃ ২০১৮ চনত ভাৰতৰ প্ৰাথমিক শক্তি উপভোগ

প্ৰাথমিক শক্তি	প্ৰাথমিক শক্তি	শতকৰা (%) উপভোগ (নিযুত টন)
খাৰুৱা তেল	২৩৯.১	২৯.৫৫
প্ৰাকৃতিক গেছ	৪৯.৯	৬.১৭
কয়লা	৪৫২.২	৫৫.৮৮
পাৰমাণৱিক শক্তি	৮.৮	১.০৯
জল বিদ্যুৎ	৩১.৬	৩.৯১
পুনৰ ব্যৱহাৰযোগ্য শক্তি	২৭.৫	৩.৪
মুঠ	৮০৯.২	১০০

বিদুৎ উৎপাদনৰ ক্ষেত্ৰত ভাৰত এক লাভজনক অৱস্থাত আছে। ই অতিৰিক্ত বিদ্যুৎ উৎপাদন কৰিছে আৰু আনকি বিদ্যুতৰ সামান্য পৰিমাণ ৰপ্তানিও কৰিছে।

২০১৭-১৮ বৰ্ষত পাৰম্পৰিক জীৱ পৰিমাণৰ বাহিৰে গড় হিচাপত জনে প্ৰতি শক্তি উপভোগ আছিল ৫৫ লাখ কিলো কেলৰি। ভাৰতৰ শক্তি ঘনত্ব হৈছে ৫৬ কিলো কেলৰি। নানান আঁচনিৰ দ্ৰুত সম্প্ৰসাৰণৰ বাবে ভাৰতৰ বিভিন্ন দিশত শক্তিৰ চাহিদা বৃদ্ধি পাইছে। সেয়ে শেহতীয়াকৈ শক্তিৰ বজাৰৰো দ্ৰুত সম্প্ৰসাৰণ হৈছে। আশা কৰা হৈছে ২০৩৫ চনলৈ শক্তিৰ ভাৰতীয় বজাৰখন বিশ্বৰ শক্তিৰ চাহিদাৰ দ্বিতীয় বৃহৎ বজাৰলৈ হৈ উঠিব আৰু বিশ্বৰ শক্তি উপভোগৰ ১৮ শতাংশ উপভোগ কৰিব। বৰ্তমান ভাৰতৰ বৰ্ধিত শক্তিৰ চাহিদা আৰু পুনৰ ব্যৱহাৰ কৰিব নোৱৰা ঘৰুৱা তেল আৰু গেছৰ দৰে শক্তিবোৰৰ মজুতকৰণ সীমিত হোৱাৰ বাবে দেশে অসীম যোগান থকা অপাৰম্পৰিক আৰু বিকল্প উৎসৰ পুনৰ ব্যৱহাৰযোগ্য শক্তি ব্যৱহাৰ কৰিবলগা হৈছে। সেয়ে পুনৰ ব্যৱহাৰযোগ্য শক্তি যেনে, পাৰমাণৱিক শক্তি, সৌৰশক্তি, বায়ু শক্তি বা জোৱাৰ-ভাটা জনিত শক্তিৰ দৰে শক্তিৰ অধিক ব্যৱহাৰত গুৰুত্ব দিয়া হৈছে। শক্তিৰ বিভিন্ন উৎসসমূহ এনেধৰণৰ—

৩.৩.১ কয়লা

চতুৰ্থ বৃহৎ কয়লা উৎপাদনকাৰী দেশ হিচাপে ২০১৭ চনত ভাৰতে ২৯৪.২ নিযুত টন (বিশ্বৰ ৭.৮ শতাংশ) কয়লা উৎপাদন কৰে। আপুনি জানি আচৰিত হ'ব যে, ভাৰতৰ প্ৰায় ৮০ শতাংশ বিদ্যুৎ কয়লাৰ পৰাই উৎপন্ন হয়। গ্ৰীণপিচ নামৰ এক আন্তৰ্জাতিক সংগঠনৰ মতে, ভাৰতৰ বৃহৎ কয়লা উৎপাদনকাৰী এলেকা হৈছে ঝাৰখণ্ডৰ ঝাৰিয়া; য'ত ১৯.৪ হাজাৰ নিযুত টন কয়লা উৎপাদন হয়। কয়লা উৎপাদনৰ আগতে ঝাৰিয়াত জনজাতিসকলৰ বনাঞ্চল আছিল। ১৯৭১ চনত কয়লা খনিবোৰ ৰাষ্ট্ৰীয়কৰণৰ কৰা পিছত ঝাৰিয়া কয়লা খনি ভাৰত কুকিং ক'ল লিমিটেড (BCCL)ৰ হাতলৈ যায়। ভাৰতে কয়লাক ইন্ধন হিচাপে আটাইতকৈ বেছি গুৰুত্ব দিয়া দেখা গৈছে। সেয়ে কয়লা খনিৰ চুবুৰীয়া এলেকাবোৰত বায়ু, মাটি আৰু পানীৰ প্ৰদূষণ হোৱা দেখা যায়। ঝাৰখণ্ডতে সৰ্বাধিক কয়লা মজুত আছে।

তালিকা ৩.২ ৰাজ্য ভিত্তিত ভাৰতৰ কয়লা

ৰাজ্য	মজুত কয়লা	ৰাজ্য	মজুত কয়লা
ঝাৰখণ্ড	৮৩.১৫	বিহাৰ	১.৩৭
ওড়িশা	৭৯.৩০	উত্তৰ প্ৰদেশ	১.০৬
ছত্তিশগড়	৫৭.২১	মেঘালয়	০.৫৮
পশ্চিম বংগ	৩১.৬৭	অসম	০.৫৩
মধ্য প্ৰদেশ	২৭.৯৯	নাগালেণ্ড	০.৪১
টেলেংগানা	২১.৭০	চিকিম	০.১০
মহাৰাষ্ট্ৰ	১২.৩০	অৰুণাচল প্ৰদেশ	০.৯০
অন্ধ্ৰ প্ৰদেশ	১.৫৮	ভাৰত	৩১৯.০

উৎস ঃ কয়লা মন্ত্ৰণালয়

৩.৩.২ তেল আৰু প্ৰাকৃতিক গেছ

কয়লাৰ পিছতে বিদ্যুতৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰতত তেল আৰু প্ৰাকৃতিক গেছ দ্বিতীয় আৰু তৃতীয় উৎপাদনকাৰী। ই বিলাকে যথাক্ৰমে ভাৰতৰ বিদ্যুৎ উৎপাদনৰ ১০.৩৪ শতাংশ আৰু ৮.৭ শতাংশ। ২০১৮ চনৰ ৩১ মাৰ্চৰ তথ্য অনুসৰি ভাৰতত মজুত থকা খাৰুৱা তেলৰ পৰিমাণ হৈছে ৫৯৪.৪৯ নিযুতি টন (MT) আৰু প্ৰাকৃতিক গেছৰ পৰিমাণ হৈছে ১৩৩৯.৫৭ হাজাৰ নিযুত কিউবিক মিটাৰ (BCM)। বিশ্বৰ তালিকাত খাৰুৱা তেলৰ উপভোক্তা হিচাপে ভাৰতৰ স্থান প্ৰথম তিনিটা স্থানত আছে। বিশ্বৰ উপভোগৰ ৪.৮ শতাংশ খাৰুৱা তেল ভাৰতত উপভোগ কৰা হয়, যি

পৰিমাণ ২২১ নিযুত টনৰ সমান। সেই বছৰতে খাৰুৱা তেল (খাৰুৱা তেলজাত সামগ্ৰীৰে সৈতে) ৰপ্তানিৰ পৰিমাণ ২২১ নিযুত টন, যাৰ ফলত ভাৰতে তেল ৰপ্তানিৰ দেশৰ ভিতৰত তৃতীয় স্থান পাইছে। ভাৰতত তেলৰ যথেষ্ট চাহিদা আছে আৰু ই প্ৰয়োজনত ৮২ শতাংশ তেল ৰপ্তনি কৰে। কিন্তু ২০২২ চনৰ ভিতৰত ভাৰতৰ লক্ষ্য হৈছে তেলৰ ৰপ্তানি ৬৭ শতাংশ কমাই দিয়া আৰু পুনৰ ব্যৱহাৰযোগ্য আৰু শক্তিৰ বিকল্প উৎসৰ সন্ধান কৰা। সাধাৰণতে অসম, গুজৰাট আৰু দেশৰ পূব আৰু পশ্চিমাঞ্চলত তেল আৰু প্ৰাকৃতিক গেছ পোৱা যায়। সমত ১৫৯.৯৬ নিযুত টন খাৰুৱা তেল আৰু ১৫৮.৫৭ হাজাৰ নিযুত কিউবিক মিটাৰ প্ৰাকৃতিক গেছ মজুত আছে। এই পৰিমাণ দেশৰ বাকী আটাইকেইখন ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ। তথাপিও ভাৰতৰ পশ্চিমমাঞ্চলত পোৱা তেল আৰু প্ৰাকৃতিক গেছৰ পৰিমাণ সৰ্বাধিক। পনীয়া পেট্ৰ'লিয়াম গেছ ২০১৮ চনৰ এপ্ৰিল মাহৰ পৰা ছেপ্টেম্বৰ মাহৰ ভিতৰত (ছমাহ) ঘৰুৱা ব্যৱহাৰত বিশেষকৈ ৰন্ধা-বঢ়াত প্ৰায় ১০.৫২ মিলিয়ন টন পনীয়া পেট্ৰ'লিয়াম গেছ (LPG) ব্যৱহাৰ কৰা হয়। ঘৰুৱা পনীয়া পেট্ৰ'লিয়াম গেছৰ সংযোগ ২৪৭ মিলিয়ন (এটা সংযোগ ৫ জন ব্যক্তিৰ বাবে)। বিশ্বৰ তালিকাত পনীয়া পেট্ৰ'লিয়াম গেছৰ গ্ৰাহকৰ তালিকাত ভাৰতৰ স্থান দ্বিতীয় বৃহৎ। বেছিভাগ পনীয়া পেট্ৰ'লিয়াম গেছ ৰপ্তানি কৰা হয়। ভাৰতৰ বেছিভাগ চহৰতে পাইপ গেছৰ যোগান বৃহৎ হাৰত উন্নত হোৱা নাই।

৩.৩.৩ বায়'মাছ আৰু কয়লা

বায়'মাছ হৈছে পুনৰ ব্যৱহাৰযোগ্য এক শক্তিৰ উৎস আৰু ইয়াৰ ব্যৱহাৰৰ দ্বাৰা কাৰ্বন নিউট্ৰেট ইন্ধন উৎপন্ন হয়। ই কাৰ্বন নিউট্ৰেট কাৰণ ই অ-ব্যৱহৃতভাৱে থকা অৱস্থাত মিথেন আৰু কাৰ্বন-ডাই-অক্সাইডৰ দৰে সেউজ গৃহ গেছ নিৰ্গমন কৰে। ভাৰতত বছৰি ৪৫০-৫০০ মিলিয়ন টন বায়'টন প্ৰস্তুত কৰা হয়। দেশত ব্যৱহাৰ কৰা সকলো প্ৰাথমিক শক্তিৰ উৎস হৈছে বায়'মাছ। জেট্ৰ'ফা, নিম, মহুৱা আদিৰ দৰে সম্ভাৱনা থকা বনৰীয়া গছবোৰৰ পৰা ভাৰতত বায়'ডিজেল প্ৰস্তুত কৰা হয়। বৰ্তমান ভাৰতৰ ২০ শতাংশ ঘৰত ৰন্ধনৰ বায়ে বায়'মাছ আৰু কয়লা ব্যৱহাৰ কৰা হয়। তদুপৰি ওপৰঞ্চিভাৱে ব্যৱসায়িক ৰন্ধন, বিদ্যুত উৎপাদন আদিতো বায়'মাছ ব্যৱহাৰ কৰা হয়। ২০১৩ চনত ভাৰতত উৎপন্ন হোৱা বায়'মাছৰ পৰিমাণ আছিল প্ৰায় ১৭৭ মিলিয়ন টন। বছৰি ভাৰতত প্ৰায় ৭৫০ মিলিয়ন টন অখাদ্যজাত (পশুধনৰ দ্বাৰা) বায়'মাছ উপলব্ধ হয়।

৩.৩.৪ বতাহ, পাৰমাণৰিক আৰু সৌৰশক্তি

বতাহ শক্তিৰ ক্ষেত্ৰত ভাৰতৰ স্থান পৃথিৱীৰ ভিতৰত চতুৰ্থ বৃহৎ। ২০২০ চনত

ভিতৰত চৰকাৰৰ ১০০,০০০ মেগাৱাট সৌৰশক্তি সংযোগৰ লক্ষ্য আছে।

অনাগত ২৫ বছৰৰ ভিতৰত ভাৰতে নিউক্লিয়াৰ শক্তি ৪.২ শতাংশৰ পৰা ৯ শতাংশ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে। দেশত বৰ্তমান ৫টা পাৰমাণৱিক বিকাৰক আছে আৰু ২০২৫ চনৰ ভিতৰত অতিৰিক্ত ১৮টা এনে বিকাৰক (বিশ্বৰ ভিতৰত দ্বিতীয় বৃহৎ) গঠন কৰাৰ লক্ষ্য আছে।

সৌৰশক্তিও হৈছে এক প্ৰকাৰ নৱীকৰণযোগ্য শক্তিৰ উৎস যাক অতি প্ৰায়োগিকভাৱে ব্যৱহাৰ কৰিব পৰা যায়। সূৰ্যৰ শক্তি হ'ল অসীম আৰু উপযুক্ত প্ৰযুক্তিৰ ব্যৱহাৰেৰে বিদ্যুৎ শক্তিলৈ ৰূপান্তৰ কৰিব পাৰি। ভাৰততে অন্য প্ৰকাৰৰ শক্তি উৎপাদনৰ ব্যয়তকৈ সৌৰ শক্তি উৎপাদন ব্যয় কম। লগতে জীৱাশ্ম ইন্ধন উৎপাদন গোটতকৈ সৌৰ বিদ্যুৎ শক্তি প্ৰকল্প গোটৰ ব্যয়ও কম। সংক্ষিপ্তভাৱে ক'বলৈ গ'লে, সৌৰ বিদ্যুৎ শক্তিৰ মূল্য অন্য প্ৰকাৰৰ ইন্ধন মূল্যৰ তুলনাত ইয়াৰ ব্যৱহাৰ আৰু সুবিধাৰ ফালৰ পৰা অদ্বিতীয় মূল্য হ'বলৈ গৈ আছে।

৩.৩.৫ বিদ্যুৎ শক্তি

ভাৰতৰ প্ৰায় ৮০ শতাংশ জনসংখ্যাই বিদ্যুৎ লাভ কৰিছে। ২০১৩ চনৰ মতে ৪.৮ শতাংশ গোলকীয় অংশীদাৰিত্বৰে জাপান আৰু ৰাছিয়াৰ পিছতে বিশ্বৰ তৃতীয় বৃহৎ বিদ্যুৎ শক্তি উৎপাদক হৈ পৰিছে। ২০১৫ চনত জলবিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত বিশ্বজুৰি ভাৰতৰ স্থান হৈছে সপ্তম।

ভাৰতৰ ১১১ গিগাৱাটছ (GW, 32%) নৱীকৰণযোগ্য শক্তি ইনষ্টল কৰিব পৰা সক্ষমতা আছে। ২০২২ চনত ১৭৫ গিগাৱাটছ কৰিবৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ ভিতৰত থাকিব ১০০ গিগাৱাটছ সক্ষমতাৰ সৌৰ শক্তিৰ উৎসৰ পৰা, ৬০ গিগাৱাটছ বতাহ শক্তিৰ পৰা, ১০ গিগাৱাটছ জৈৱ শক্তিৰ পৰা আৰু ৫ গিগাৱাটছ ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পৰ পৰা। নৱীকৰণযোগ্য শক্তি বিনিয়োগ আৰু ইনষ্টলেছনৰ ক্ষেত্ৰত ভাৰত হ'ল বিশ্ব নেতৃত্বসমূহৰ ভিতৰত এটা। ২০১৮ চনত কেন্দ্ৰীয় চৰকাৰে ৩৫০ মিলিয়ন মাৰ্কিন ডলাৰ এক পুঁজি সৌৰ প্ৰকল্প স্থাপনৰ বাবে নিৰ্ধাৰণ কৰিছে।

৩.৪ পৰিবহণ ব্যৱস্থা

আমি জানো যে ভাৰতৰ পৰিবহণ ব্যৱস্থাসমূহৰ ভিতৰত আছে। ৰে'ল পৰিবহণ, পথ পৰিবহণ, আকাশী পৰিবহণ, জল পৰিবহণ আৰু পোৰ্টেল যোগাযোগ। বিশ্বৰ ভিতৰত ভাৰতৰ এক সৰ্ববৃহৎ পথ নেটৱৰ্ক, এছিয়াৰ ভিতৰত সৰ্ববৃহৎ আৰু পৃথিৱীৰ ভিতৰত দ্বিতীয় সৰ্ববৃহৎ ৰে'লৱে ব্যৱস্থা।

৩.৪.১ ৰেল পৰিবহণ

ভাৰতীয় ৰেলৱে হ'ল ৰাষ্ট্ৰীয় ৰেলৱে নেটৱৰ্ক যিটো ৰেলৱে মন্ত্ৰণালয়ৰ দ্বাৰা পৰিচালনা কৰা হয়। ৰাইজৰ বাবে ভাৰততে প্ৰথম ৰেলৱে লাইটো প্ৰৱৰ্তন কৰা হৈছিল ১৮৫৩ চনত, ব'ম্বে (বৰ্তমান মুম্বাই)ৰ পৰা থানেলৈ প্ৰায় ৩৪ কিলোমিটাৰ দূৰত্বৰ আৰু ইয়াক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল ১৯৫০ চনত। আমেৰিকা আৰু চীনৰ পিছত ভাৰতীয় ৰেলৱে হ'ল বিশ্বৰ তৃতীয় বৃহত্তম ৰেল নেটৱৰ্ক। এইটো হ'ল এটা বহু লাইনযুক্ত বহু ট্ৰেকছন ব্যৱস্থা যাৰ ভিতৰত আছে ব্ৰডগজ (১৬৭৬ মিমি), মিটাৰ গজ (১০০০ মিমি) আৰু নেৰ' গজ (৭৬২/৬১০ মিমি) মুঠ পথ দৈর্ঘ্য ৬৭,৩৬৮ কিলোমিটাৰ (৪১৮৬১ মাইল)ৰ সৈতে আৰু মুঠ ট্ৰেক দৈর্ঘ্য ১,২১,৪০৭ কিলোমিটাৰ (৭৫৪৩৯ মাইল) ২০১৭ চনৰ মাৰ্চ মাহৰ তথ্য মতে। ভাৰতীয় ৰেলৱেৰ দ্ৰুত বেগী ৰেল কেইখন হৈছে ৰাজধানী এক্সপ্ৰেছ, শতাব্দী এক্সপ্ৰেছ আৰু গতিমান এক্সপ্ৰেছ। ভাৰতীয় ৰেলৱেত ছেমি-হাই স্পীড, বন্দে ভাৰত এক্সপ্ৰেছ (ট্ৰেইন-১৮ নামেও জনা যায়) দিল্লী-বাৰাণসী আৰু লক্ষ্ণৌ-দিল্লীৰ মাজত সৰ্বাধিক ট্ৰেক গতি ১০০ কিলোমিটাৰ প্ৰতি ঘণ্টাৰে নতুনকৈ সংযোজন কৰা হৈছে। ট্ৰেইন-১৮ হ'ল বৰ্তমানলৈকে ভাৰতৰ আটাইতকৈ দ্ৰুত বেগীৰ ৰেল। বিবেক এক্সপ্ৰেছ— ডিব্ৰুগড়ৰৰ পৰা কন্যাকুমাৰীলৈ— মুঠ যাত্ৰা দৈর্ঘ্য ৪২৭৩ কিলোমিটাৰ, মুঠ সময় আৰু দূৰত্বৰ হিচাপত দীর্ঘ দূৰত্ব অতিক্ৰম কৰা ৰেল। কংকন ৰেলৱেই ভাৰতৰ তিনিখন ৰাজ্য ক্ৰমে গোৱা, কর্ণাটক আৰু মহাৰাষ্ট্ৰৰ মাজেৰে গৈছে। এই ৰেল লাইনটো ভাৰতীয় পশ্চিম উপকূলৰ সৈতে আৰৱ সাগৰ আৰু পশ্চিম ঘাটৰ সমান্তৰালভাৱে গৈছে। মহাৰাষ্ট্ৰৰ পৰা কর্ণাটকলৈকে (১১২ এম পি এইচ) এই ৰেল পথটো অতি সুন্দৰ আৰু মনোমোহা ৰেল পথ। ইউনেস্ক'ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ৰেলৱে কেইটা হৈছে দার্জিলিং, হিমালয়ান ৰেলৱে, নীলগিৰি পাহাৰ ৰেলৱে, ছত্ৰপতি শিৱাজী টার্মিনাছ আৰু কালকা-ছিমলা ৰেলৱে। ভাৰতীয় ৰেলৱে প্ৰতি দিনে ৯২০০তকৈও অধিক ৰেল চলাচল কৰে। ভাৰতীয় ৰেলৱেৰ ১৭টা মণ্ডল আছে। উৎপাদন গোট কেইটা হৈছে চিত্তৰঞ্জনত অৱস্থিত চিত্তৰঞ্জন ল'ক'মটিভ, বাৰাণসীত অৱস্থিত ডিজেল ল'ক'মটিভ, পাটিয়ালাত অৱস্থিত ডিজেল ল'ক' মডাৰনাইজেচন, চেন্নাইত অৱস্থিত ইণ্টিগ্ৰেল কোচ্চ ফেক্টৰী, কাপুৰথালাত অৱস্থিত ৰেল কোচ্চ ফেক্টৰী, বাংগালুৰুত অৱস্থিত ৰেল হুইল ফেক্টৰী। ভাৰতীয় ৰেলৱে হৈ পৰিছে বিশ্বৰ অষ্টম বৃহৎ কর্মচাৰী থকা বিভাগ, ২০১৭ৰ মাৰ্চ মাহৰ তথ্যমতে, ইয়াৰ কর্মচাৰীৰ সংখ্যা আছিল ১,৩০৮ মিলিয়ন। ২০১৮ চনত ভাৰতীয় ৰেলৱেই ৮.২৬ বিলিয়ন যাত্ৰী কঢ়িয়াইছিল আৰু ১.১৬ বিলিয়ন টন সামগ্ৰী পৰিবহণ কৰিছিল। ২০১৭-১৮ বিত্তীয় বর্ষত ভাৰতীয় ৰেলৱেই ১.৮৭৪ ট্ৰিলিয়ন টকা (২৭ বিলিয়ন মার্কিন ডলাৰ), য'ত ১.১৭ ট্ৰিলিয়ন টকা (১৭ বিলিয়ন

মাৰ্কিন ডলাৰ)ৰ সামগ্ৰী আৰু ৫০১.২৫ বিলিয়ন টকা (৭.৩ বিলিয়ন মাৰ্কিন ডলাৰ)ৰ ৰাজহ নিৰ্ধাৰণ কৰিছিল।



জানি থোৱা ভাল

The Dedicated Freight Corridor Corporation of India (DFCCIL) হ'ল ভাৰতীয় ৰে'লৱে মন্ত্ৰণালয়ৰ দ্বাৰা পৰিচালিত এটা কৰ্পোৰেচন যিয়ে পৰিকল্পনা আৰু উন্নয়ন, বিত্তীয় সম্পদসমূহ আৰু নিৰ্মাণৰ ত্বৰান্বিতকৰণ, বিভিন্ন সমৰ্পিত মালবস্তু কৰিড'ৰ চোৱাচিতা আৰু পৰিচালনা কৰাৰ লগত জড়িত। এইটো ভাৰত চৰকাৰৰ অন্যান্য গুৰুত্বপূৰ্ণ আঁচনিসমূহৰ ভিতৰত সক্ৰিয়কৰণ আৰু উপভোক্তা দুয়োটা যেনে, উদ্যোগিক কৰিড'ৰ, মে'ক-ইন ইণ্ডিয়া, ষ্টাৰ্ট-আপ ইণ্ডিয়া, ষ্টেণ্ড-আপ ইণ্ডিয়া, ভাৰত মালা, উড়ান আৰচিএছ, ডিজিটেল ইণ্ডিয়া, ভাৰত নেট আৰু উমংগ।

শেহতীয়াভাৱে নিতি আয়োগে ১৫০ খন ৰে'ল আৰু ৫০টা ৰে'লৱে ষ্টেচন যিকেইটাৰ ব্যক্তিগত বিনিয়োগক আকৰ্ষণ কৰিব পৰা প্ৰৱল সম্ভাৱনীয়তা আছে তাৰ উন্নয়নৰ বাবে পৰিকল্পনা হাতত লৈছে। ভাৰতৰ মহানগৰসমূহৰ ৰে'লৱে ষ্টেচনসমূহৰ উন্নয়ন ব্যয় প্ৰায় ১০,০০০ কোটি টকা নিৰ্ধাৰণ কৰিছে, যাৰ ভিতৰত ২-টায়াৰ নগৰসমূহৰ উন্নয়ন ব্যয়ৰ বাবত ৩,০০০ কোটি আৰু ৪,০০০ কোটিৰ ভিতৰত নিৰ্ধাৰণ কৰা হৈছে।

৩.৪.২ পথ পৰিবহণ

পথসমূহে দূৰণিবটীয়া গাঁওসমূহক সংযোগ কৰাত সহায় কৰে, দেশৰ ভিতৰুৱা অঞ্চলসমূহ আৰু যিসমূহ পাহাৰীয়া অঞ্চল ৰে'ল সেৱাৰ দ্বাৰা সংযোগ হোৱা নাই সেইবোৰৰ সৈতে যোগাযোগত সহায় কৰে। এইটো হ'ল ৰে'লৱেৰ পৰিপূৰক। ই সামগ্ৰী আৰু যাত্ৰাসকলক ৰে'লৱে ষ্টেচনসমূহত উপনীত কৰোৱাত সংযোগকাৰীৰ ভূমিকা পালন কৰে আৰু শেষ মাইল যোগাযোগত সদায় সুবিধা প্ৰদান কৰে। বিশ্বৰ ভিতৰত ভাৰতত এটা সৰ্ববৃহত্তম পথ নেটৱৰ্ক আছে। সৰ্বমুঠ ৫.৫ মিলিয়নতকৈও অধিক দৈৰ্ঘৰে ভাৰতৰ পথ নেটৱৰ্ক হ'ল বিশ্বৰ তৃতীয় বৃহত্তম। এই পথ নেটৱৰ্কে ভাৰতবৰ্ষৰ সৰ্বমুঠ সামগ্ৰী ৬৪.৫ শতাংশ সামগ্ৰী পৰিবহণ কৰে আৰু ভাৰতবৰ্ষৰ সৰ্বমুঠ যাত্ৰীৰ ভিতৰত ৯০ শতাংশই পথ নেটৱৰ্ক ব্যৱহাৰ কৰে। ১৯৪৩ চনৰ নাগপুৰ পৰিকল্পনাই ভাৰতৰ পথসমূহক চাৰিটা বিভাগত ভাগ কৰিছে— ৰাষ্ট্ৰীয় ঘাইপথ, ঘাইপথ, ৰাজ্যিক ঘাইপথ, জিলা পথ আৰু গ্ৰাম্যপথ। ৰাষ্ট্ৰীয় ঘাইপথসমূহ ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (এনএইছএআই)ৰ কৰ্তৃত্বাধীন। ৪৪ নং ৰাষ্ট্ৰীয় ঘাইপথে এনএইছডিপিৰ উত্তৰ-দক্ষিণ কৰিড'ৰ সামৰি লয় আৰু চৰকাৰী তথ্য মতে প্ৰায়

৩৭৪৫ কিলোমিটাৰ (২৩২৭ মাইল) সামৰি শ্ৰীনগৰৰ পৰা কন্যাকুমাৰীলৈকে বিস্তৃত এই পথচোৱাক ভাৰতৰ দীৰ্ঘতম ঘাইপথ হিচাপে বিবেচনা কৰা হয়। ৪৭ (ক) ৰাষ্ট্ৰীয় ঘাইপথটোৰ দৈৰ্ঘ হ'ল ৬ কিলোমিটাৰ যিটোৱে ৪৭নং ৰাষ্ট্ৰীয় ঘাইপথত কুণ্ডানুৰত সংযোগ ঘটিছে কোচিনৰ উইলিংটন নদী দ্বীপৰ চহৰৰ পৰা আৰু এই ঘাইপথটোক আটাইতকৈ চুটি ঘাইপথ হিচাপে বিবেচনা কৰা হয়।



জানি থোৱা ভাল

- ভাৰতৰ সৰ্বোত্তম এক্সপ্ৰেছৱে ঃ আহমেদাবাদ-ভদোদৰা এক্সপ্ৰেছৱেক ভাৰতৰ এটা সৰ্বোত্তম এক্সপ্ৰেছৱে হিচাপে জনা যায় আৰু এই পথটোক ৰাষ্ট্ৰীয় এক্সপ্ৰেছৱে ১ হিচাপে নামাকৰণ কৰা হৈছে।
- সৰ্বাধিক দৈৰ্ঘ্যৰ এলিভেটেড ফ্ৰিৱে ঃ চেন্নাই পোৰ্ট মাডুৰাভয়াল এলিভেটেড এক্সপ্ৰেছৱে হ'ব ভাৰতৰ সৰ্বাধিক দৈৰ্ঘ্যৰ এলিভেটেড এক্সপ্ৰেছৱে।
- গ'ল্ডেন কোৱাড্ৰিলেটাৰেল (জিকিউ) ষ্ট্ৰেটচ যিটোৱে ভাৰতৰ ৪ খন মহানগৰক সংযোগ ঘটাইছে (দিল্লী, মুম্বাই, কলকাতা আৰু চেন্নাই)।
- ৰাষ্ট্ৰীয় ঘাইপথসমূহক হালধীয়া আৰু বগা ৰঙৰ মাইলৰ খুঁটিৰে বিশেষীকৰণ কৰা হৈছে। ৰাজ্যিক ঘাইপথসমূহ বিশেষীকৰণ কৰা হৈছে সেউজীয়া আৰু বগা ৰঙৰ মাইলৰ খুঁটিৰে। নগৰীয়া পথসমূহক ক'লা আৰু বগা ৰঙৰ মাইলৰ খুঁটিৰে বিশেষীকৰণ কৰা হৈছে।

৩.৪.৩ বিমান পৰিবহণ

বিমান পৰিবহণ হ'ল পৰিবহণ ব্যৱস্থাৰ দ্ৰুত আৰু ব্যয়বহুল সংযোজন। ভাৰততে এইটো আৰম্ভ কৰা হৈছিল ১৯১১ চনত এলাহাবাদ আৰু নাইনিটালৰ মাজত। ১৯৫৫ চনত ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ প্ৰাধিকৰণ আৰু ৰাষ্ট্ৰীয় বিমানবন্দৰ প্ৰাধিকৰণক একেলগে সংযোজিত কৰা হৈছিল ভাৰতৰ বিমানবন্দৰ প্ৰাধিকৰণৰ পৰা। কৰ্তৃপক্ষই এলাহাবাদত চিভিল এভিয়েচন ট্ৰেইনিং কলেজ আৰু দিল্লীত নেচনেল ইনষ্টিটিউট অব এভিয়েচন মেনেজমেণ্ট এণ্ড ৰিছার্চ পৰিচালনা কৰে। ভাৰতত বিমান সেৱা সামৰিক বিমান সেৱা আৰু অসামৰিক বিমান সেৱা হিচাপে দুটা ভাগত বিভক্ত কৰা হৈছে, বিশ্বৰ দ্ৰুত উন্নয়নশীল বিমান সেৱা বজাৰ। ২০১৬ চনৰ এক তথ্য মতে ভাৰতত কাৰ্যক্ষম ৭৫টা বিমানবন্দৰ আছে, শতাধিক নিৰ্মাণৰত অৱস্থাত আছে। তেতিয়াৰে পৰা ডেৰ বছৰমান পিছত এই সংখ্যাটো ১০০লৈ বৃদ্ধি পাইছে। যোগাযোগৰ ক্ষেত্ৰখনৰ এই উন্নয়নৰ কৃতিত্ব যায় উড়ান, ২০১৬ চনৰ অক্টোবৰত আৰম্ভ কৰা এক চৰকাৰী আঁচনি, যিটোৱে আকাশী পথেৰে ২৫খন সৰু চহৰ আৰু নগৰক সংযোগ

কৰিছে। পৱন হংস হেলিকপ্টাৰ লিমিটেডে পেট্ৰ'লিয়াম খণ্ড যেনে, অ'এনজিচি, অ'ডিএলৰ দৰে সেৱাসমূহক সহায় কৰিবৰ বাবে হেলিকপ্টাৰ যোগান ধৰি আহিছে, লগতে নির্দিষ্ট কেইখন ৰাজ্যিক চৰকাৰ, পিএছইউ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহকো হেলিকপ্টাৰ যোগান ধৰি আহিছে।

৩.৪.৪ জল পৰিবহণ

ভাৰতৰ পৰিবহণ ক্ষেত্ৰখনত জল পৰিবহণ হ'ল আটাইতকৈ মিতব্যয়ী পৰিবহণ ব্যৱস্থা। ৰে'লৰেৰ ১ টকা আৰু পথ পৰিবহণৰ প্ৰতি কিলোমিটাৰৰ পৰিবহণ ব্যয় ১.৫০ টকাৰ তুলনাত জল পৰিবহণৰ ব্যয় প্ৰতি কিলোমিটাৰত মাত্ৰ ৫০ পইচা। ভাৰতৰ আন্তঃদেশীয় জল পৰিবহণৰ এক বিস্তৃত নেটৱৰ্ক নদী, খন্দা জান, নৈ বা সাগৰৰ ঘোপ আদিত আছে। মুঠ জল পথৰ দৈর্ঘ্য ১৪,৫০০ কিলোমিটাৰ (৯,০০০ মাইল), ইয়াৰে ভিতৰত প্ৰায় ৫,২০০ কিলোমিটাৰ (৩,২০০ মাইল) নদী পথ, ৪,০০০ কিলোমিটাৰ (২৫০০ মাইল) খন্দা জানৰ পথ হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। প্ৰায় ৪৪ মিলিয়ন টন (৪৯,০০০,০০০ ছৰ্ট টন) কাৰ্গো বছৰী এই পথসমূহেৰে দেশীয় নাও আৰু ফেৰীৰে সৰবৰাহ কৰা হয়। আমেৰিকা, চীন আৰু ইউৰোপীয় সংঘৰ দৰে বৃহৎ দেশ আৰু ভৌগোলিক অঞ্চলসমূহৰ তুলনাত ভাৰতত জল পথেৰে সর্বাধিক মাত্ৰাত মালবস্তু পৰিবহণ কৰা হয়। মুঠ আন্তঃদেশীয় জল পৰিবহণৰ ০.১ শতাংশ কাৰ্গো ভাৰতত জল পথেৰে পৰিবহণ কৰা হয়, আমেৰিকা যুক্তৰাষ্ট্ৰৰ তুলনাত ই ২১ শতাংশ। ৬টা ৰাষ্ট্ৰীয় জল পথেৰে ১৯৮৬ চনত ভাৰতীয় আন্তঃদেশীয় জল পথ প্ৰাধিকৰণ গঠন কৰা হৈছিল। ভাৰতত ১৩টা মুখ্য আৰু ১৮৭টা সৰু বন্দৰ আছে।



জানি থোৱা ভাল

৬টা ৰাষ্ট্ৰীয় জল পথ

NW1 - গংগা নদীৰ সৈতে এলাহাবাদ

NW2 - ব্ৰহ্মপুত্ৰ নদীত শদিয়া-ধুবুৰী

NW3 - কোট্টাপুৰাম-কোল্লাম

NW4 - ভদ্ৰাচলামৰ পৰা ৰাজামুণ্ড্ৰি আৰু ৰাজিৰাবাদৰ পৰা গোদাবৰী আৰু কৃষ্ণা নদীৰে

NW5 - মংগলগাঢ়িৰ পৰা পাৰাদ্বীপ আৰু তেলচাৰৰ পৰা ধাৰমাৰা মহানদী আৰু ব্ৰাহ্মণী নদীৰে

NW6 - লক্ষীপুৰৰ পৰা ভাঙ্গা বৰাক নদীৰে



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ গ'ল্ডেন কোৱাড্ৰিলেটাৰেলেৰে সংযোজিত হোৱা চাৰিখন মহানগৰৰ নাম লিখক।

.....

.....

প্ৰশ্ন ২ ঃ ব্ৰহ্মপুত্ৰৰ ধুবুৰী-শদিয়া জল পথক কোনটো ৰাষ্ট্ৰীয় জল পথে সামৰি লৈছে?

.....

প্ৰশ্ন ৩ ঃ ভাৰতৰ কোনখন ৰে'লৰ গতি সৰ্বাধিক?

.....

৩.৫ যোগাযোগ

আমি সকলোৱে জানো যে যিকোনো এখন দেশৰ যোগাযোগ ব্যৱস্থাত অন্তৰ্ভুক্ত হৈ থাকে ডাক আৰু টেলিগ্ৰাফ সেৱা, টেলি কমিউনিকেচন ব্যৱস্থা, দূৰদৰ্শন আৰু সম্প্ৰচাৰন আৰু তথ্য সেৱা আদিৰ দৰেও। ভাৰতত যোগাযোগ ব্যৱস্থাৰ বিভিন্ন প্ৰকাৰসমূহ তলত দিয়া ধৰণৰ।

৩.৫.১ ডাক সেৱা

বিশ্বৰ ভিতৰতে ভাৰতৰ ডাক সেৱা সৰ্ববৃহৎ। ভাৰতত ডাক ব্যৱস্থা প্ৰৱৰ্তন হৈছিল ১৮৫৪ চনত। সেই সময়ত ডাক বিভাগ গঠন কৰা হৈছিল প্ৰায় ৭০০ ডাকঘৰেৰে বৰ্তমান সময়ত সমগ্ৰ দেশজুৰি ১.৫ লাখতকৈও অধিক ডাকঘৰ আছে। শেহতীয়া বছৰসমূহত চৰকাৰে জনজাতীয়, পাহাৰীয়া আৰু গ্ৰামাঞ্চলসমূহত অধিক গুৰুত্ব প্ৰদান কৰিছে আৰু সেয়েহে দেশৰ ডাক নেটৱৰ্ক অধিক ত্বৰান্বিত হৈছে। বৰ্তমানৰ ভাৰতৰ ডাক নেটৱৰ্কত বেংক জমা, উপগ্ৰহীয় মনি অৰ্ডাৰ, হাইব্ৰীড মেইল সেৱা বৈদ্যুতিন ডিভাইচৰ সৈতে আৰু মহানগৰসমূহত মেট্ৰ' চেনেল সেৱা আদিৰ দৰে কেতবোৰ অত্যাধুনিক সেৱা আৰম্ভ কৰা হৈছে।

৩.৫.২ টেলি কমিউনিকেচন

১৮৫১ চনত ভাৰতত প্ৰথম টেলি কমিউনিকেচন সেৱা আৰম্ভ কৰা হৈছিল আৰু প্ৰথটো টেলিগ্ৰাফ বাৰ্তা প্ৰেৰণ কৰা হৈছিল কলকাতা (তেতিয়াৰ কলিকতা) আৰু ডাইমণ্ড হাৰ্বৰৰ মাজত অৱশ্যে টেলিগ্ৰাফ সেৱা স্থায়ীভাৱে বন্ধ কৰা হয় ২০১৩ চনত। ১৮৮১-৮২ চনত টেলিফোন সেৱা প্ৰৱৰ্তন কৰা হৈছিল আৰু তেতিয়াৰে পৰাই টেলি কমিউনিকেচন সেৱা যথেষ্টখিনি বিকাশ আৰু পৰিৱৰ্তন হৈ আহিছে। ১৯৯৪ চনৰ ৰাষ্ট্ৰীয় টেলি কমিউনিকেচন পৰিচিয়ে দেশখনক বুনিয়াদী টেলিফোনৰ

ওপৰত ভিত্তি কৰি ২০টা চক্ৰ আৰু ম'বাইল সম্পৰ্কীয় সেৱাৰ ওপৰত ভিত্তি কৰি ১৮টা চক্ৰত ভাগ কৰে। মহানগৰ টেলিফোন নিগম লিমিটেড (এমটিএনএল) আৰু ভাৰত সঞ্চাৰ নিগম লিমিটেড (বিএছএনএল) হ'ল ভাৰতৰ দুটা ৰাজহুৱা খণ্ডৰ টেলিকম কোম্পানী।

৩.৫.৩ ৰেডিঅ' আৰু দূৰদৰ্শন

ভাৰতত ৰেডিঅ' সেৱা কুৰি শতিকাতহে মাথোঁ আৰম্ভ হয়। ৰেডিঅ' সম্প্ৰচাৰত আৰম্ভ হৈছিল ১৯২৭ চনত আৰু বাণিজ্যিক সম্প্ৰচাৰণ আৰম্ভ হৈছিল ১৯৬৭ চনত। অন্যহাতে, দূৰদৰ্শন সেৱা নিয়মিতভাৱে আৰম্ভ হৈছিল ১৯৬৫ চনৰ পৰা। ১৯৬৫ চনত ইয়াক অল ইণ্ডিয়া ৰেডিঅ'ৰ পৰা পৃথক কৰা হয় আৰু দূৰদৰ্শন গঠন কৰা হৈছিল। বৰ্তমান দূৰদৰ্শন উদ্যোগ ৰাজহ প্ৰদান আৰু নিয়োগৰ সুবিধা সৃষ্টিৰে এক সৰ্ববৃহৎ উদ্যোগ।

৩.৫.৪ ইণ্টাৰনেট

দেশৰ যোগাযোগ খণ্ডটোত ইণ্টাৰনেটে এক বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰে। প্ৰথম জনগণৰ বাবে উপলব্ধ ইণ্টাৰনেট সেৱা ভাৰতত প্ৰদান কৰিছিল ১৯৯৫ চনৰ ১৫ আগষ্টত বিদেশ সঞ্চাৰ নিগম লিমিটেড (ভিএছএনএল)-এ। ২০১৮ চনত ভাৰতৰ মুঠ জনসংখ্যা হৈছিল ১৩০ কোটি (১.৩ বিলিয়ন) যাৰ ভিতৰত ৫৬ কোটি ভাৰতীয় ইণ্টাৰনেট সেৱা ব্যৱহাৰ কৰিছিল যিটো দেশৰ মুঠ জনসংখ্যাৰ ৪১ শতাংশ। ইণ্টাৰনেট আৰু স্মাৰ্ট ফোনৰ সৈতে দেশৰ মুঠ ই-কমাৰ্চ ব্যৱসায়ে ৫১ শতাংশৰ বিকাশ প্ৰদৰ্শন কৰে।

৩.৬ ভাৰতত নগৰৰ আন্তঃগাঁথনি

ভাৰতৰ নগৰ অঞ্চল দ্ৰুতগতিত বৃদ্ধি পাই আহিছে। ভাৰতৰ বৰ্তমানৰ জনসংখ্যাৰ প্ৰায় ৩১ শতাংশ নগৰ অঞ্চলত বাস কৰে যিসকলে ভাৰতৰ মুঠ জিডিপিৰ ৬৩ শতাংশ বৰঙণি আগবঢ়ায় (২০১১ চনৰ লোকপিয়ল)। ভাৰতৰ নগৰ বিকাশ সৰ্বাধিকভাৱে ডাঙৰ চহৰসমূহৰ ওপৰত ভিত্তি কৰি য'ত জনসংখ্যা হ'ল ১০ লাখ বা ততোধিক, ২০১১ চনত ১ মিলিয়নতকৈ অধিক লোকে বাস কৰা নগৰৰ সংখ্যা ২০০১ চনৰ ৩৫ খনৰ পৰা বৃদ্ধি পাই ৫৩ খন হৈছেগৈ, ভাৰতৰ ৪৩ শতাংশ নগৰীয়া জনসংখ্যা, ২০৩০ চনৰ ভিতৰত এইটো ৮৭ হ'ব বুলি আশা কৰা হৈছে। নগৰীকৰণ বৃদ্ধিৰ সৈতে নগৰ অঞ্চলে ২০৩০ চনত ভাৰতৰ জনসংখ্যাৰ ৪০ শতাংশক সামৰি ল'ব আৰু ভাৰতৰ জিডিপিলৈ ৭৫ শতাংশ বৰঙণি আগবঢ়াব বুলি আশা কৰা হৈছে।

ভাৰত চৰকাৰে শেহতীয়া বছৰসমূহত নগৰীয়া জীৱনৰ মানদণ্ড উন্নত কৰাৰ বাবে আৰু নগৰ অঞ্চলসমূহত বিনিয়োগ আকৰ্ষণৰ লক্ষ্যেৰে বিভিন্ন নগৰ উন্নয়ন আঁচনি গ্ৰহণ কৰিছে। আৰু এইবোৰৰ ভিতৰত এখন আঁচনি হৈছে স্মাৰ্ট চিটি অভিযান যাৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

নগৰীয়া আন্তঃগাঁথনি নিৰ্মাণ আৰু বিনিয়োগৰ বাবে বিভিন্ন ধৰণৰ প্ৰচেষ্টাও চলোৱা হৈছে। সেইসমূহৰ ভিতৰত অন্যতম হ'ল বহনক্ষম আবাসন উপলব্ধ কৰোৱাৰ বাবে বিভিন্ন ভাড়া আৰু ৰেহাইৰে ৰাষ্ট্ৰীয় বিনিয়োগ আৰু আন্তঃগাঁথনিমূলক পুঁজি।

৩.৭ স্মাৰ্ট চিটি

ভাৰত চৰকাৰে ১০০খন নগৰক উন্নীত কৰাৰ লক্ষ্যৰে স্মাৰ্ট চিটি অভিযান ঘোষণা কৰিছিল যাতে মূল আন্তঃগাঁথনি প্ৰদান কৰিব পৰা যায় আৰু তাত বাস কৰা নাগৰিকসকলৰ জীৱন-ধাৰণৰ মানদণ্ড উন্নত কৰিব পৰা যায় এটা পৰিষ্কাৰ আৰু নিৰ্বাক্ষম পৰিৱেশ প্ৰদান কৰিব পৰা যায় আৰু লগতে 'স্মাৰ্ট' শব্দটো প্ৰকৃতাৰ্থত সেইসমূহ নগৰত ব্যৱহাৰ কৰিব পৰা যায়। প্ৰকৃততে এইটো হ'ল এটা নগৰ পুনৰ নিৰ্মাণ অভিযান। মুখ্য উদ্দেশ্যটো হৈছে নিৰ্বাহক্ষম আৰু সাৰ্বিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব দিয়া আৰু ঠেক অঞ্চলসমূহত দৃষ্টিপাত কৰাৰ ধাৰণা, এক অনুকৰণীয় মডেল গঢ়ি তোলা যাতে অন্য চহৰসমূহৰ বাবে ই এক উদাহৰণ হ'ব পাৰে। স্মাৰ্ট চিটি অভিযানৰ মুখ্য উদ্দেশ্যসমূহ বহুস্তৰীয়। এখন স্মাৰ্ট চিটিত পৰ্যাপ্ত পানী যোগান ব্যৱস্থা থাকিবই লাগিব, বিদ্যুৎ যোগান নিশ্চিত হ'ব লাগিব, সঠিক অনাময় ব্যৱস্থা, লগত থাকিব লাগিব উপযুক্ত জাবৰ নিষ্কাশন, দক্ষ নগৰ যোগাযোগ আৰু প্ৰতি ঘৰৰ বহনক্ষম হ'ব পৰাকৈ ৰাজহুৱা পৰিবহণ ব্যৱস্থা, বিশেষকৈ দুখীয়াসকলৰ বাবে, তথ্য প্ৰযুক্তিবিদ্যাৰ যথোচিত সংযোগ আৰু ডিজিটাইলেজেচন, সুপ্ৰশাসন, বিশেষকৈ ই-প্ৰশাসন আৰু নাগৰিকৰ অংশগ্ৰহণ, নাগৰিকসকলৰ সুৰক্ষা আৰু নিৰাপত্তাৰ উপযুক্ত পৰিৱেশ, বিশেষভাৱে মহিলাসকল, শিশু আৰু বৃদ্ধ ব্যক্তিসকলৰ বাবে আৰু স্বাস্থ্য আৰু শিক্ষা। কেন্দ্ৰীয় চৰকাৰে এই অভিযানটোত সহায় কৰিবৰ বাবে পৰৱৰ্তী পাঁচ বছৰৰ বাবে (বিত্তীয় বৰ্ষ ২০১৫-১৬ৰ পৰা ২০১৯-২০লৈ) ৭.৭৭ মিলিয়ন মাৰ্কিন ডলাৰ পুঁজি নিৰ্ধাৰণ কৰিছে। প্ৰথম বছৰত প্ৰতিখন নিৰ্বাচিত স্মাট চিটি ৩০.৭৭ মিলিয়ন মাৰ্কিন ডলাৰ প্ৰদান কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছে যাতে প্ৰাৰম্ভিক কৰ্পাছ বৃদ্ধি সৃষ্টিৰ বাবে ইয়াৰ পিছত পৰৱৰ্তী তিনি বছৰত প্ৰতি বছৰে ১৫.৩৮ মিলিয়ন মাৰ্কিন ডলাৰকৈ আগবঢ়াব। স্মাৰ্ট চিটি অভিযান অন্তৰ্ভুক্ত হৈ আছে নগৰ উন্নয়ন, নগৰ পুনৰ নিৰ্মাণ আৰু নগৰ সম্প্ৰসাৰণ। স্মাৰ্ট চিটিৰ মুখ্য বৈশিষ্ট্যসমূহ হ'ব নগৰ উন্নয়ন আৰু আবাসন সুবিধা সম্প্ৰসাৰণ বিভিন্ন আঁচনিৰ অধীনত যেনে, 'অটল মিছন ফৰ ৰিজুভেনেচন এণ্ড আৰ্বান ট্ৰেন্সফৰ্মেচন' (এএমআৰইউটি), প্ৰধান মন্ত্ৰী আবাস যোজনা আৰু স্বচ্ছ ভাৰত অভিযান।



চিন্তা-চৰ্চা কৰক

অটল অমৃত, প্ৰধান মন্ত্ৰী আবাস যোজনা আৰু স্বচ্ছ ভাৰত অভিযানৰ মুখ্য উদ্দেশ্যসমূহ সংগ্ৰহ আৰু অধ্যয়ন কৰক।

.....

.....

৩.৮ ঔদ্যোগিক কৰিড'ৰ

এক ঔদ্যোগিক কৰিড'ৰ হ'ল ঔদ্যোগিকৰণক বিস্তাৰ কৰাৰ এক লক্ষ্যৰে এটা বিশেষ অঞ্চলত আন্তঃগাঁথনিৰ পেকেজ প্ৰদান কৰাটো। আমি জানো যে, বিনিয়োগকাৰীসকলে এটা অঞ্চল বিনিয়োগ কৰিবলৈ পচন্দ কৰে য'ত সকলো ধৰণৰ সা-সৰঞ্জাম বৈদ্যুতিকৰণৰ সৈতে ভাল দৰে উপলব্ধ, পানী যোগান, পৰিবহণ যোগাযোগ আদি সুচল। এক ঔদ্যোগিক কৰিড'ৰে সেইবোৰ সকলো বুনিয়াদী আন্তঃগাঁথনিক সুবিধা বিনিয়োগকাৰীসকলক প্ৰদান কৰিব যাতে তাৰ দ্বাৰা অঞ্চলসমূহত অধিক বিনিয়োগৰ বাবে তেওঁলোকক আকৰ্ষিত কৰিব পৰা যায়। এক ঔদ্যোগিক কৰিড'ৰে উৎপাদনৰ ক্লাষ্টাৰ বা অন্য উদ্যোগ এটা অঞ্চলত সৃষ্টি কৰিবৰ বাবে লক্ষ্য বান্ধি লয়। তেনেকুৱা কৰিড'ৰসমূহ প্ৰায়ে তেনেকুৱা অঞ্চলসমূহত সৃষ্টি কৰা হয় য'ত আন্তঃগাঁথনি পূৰ্বৰ পৰাই থাকে, যেনে, বন্দৰ, ঘাইপথ আৰু ৰে'ল পথ। এই মডেলিটিসমূহত অন্তৰ্ভুক্ত হৈ আছে পৰ্যাপ্ত বনুৱাৰ মডেলিটি, ঘাইপথ বা ৰে'ল পথ, সামগ্ৰীসমূহ লাভ কৰিবৰ বাবে 'ফিডাৰ' পথ বা ৰে'লৰে। এই কৰিড'ৰসমূহ সৃষ্টিৰ পূৰ্বে চাহিদা আৰু বহনক্ষমতাৰ সঠিক ক্ষেত্ৰ অধ্যয়ন কৰিবই লাগিব। ইয়াৰ উপৰি কৰ্মী আৰু সামগ্ৰীৰ বাবে পৰিবহণ ব্যৱস্থা, কোম্পানীৰ বাবে ভূমি মূল্য আৰু অৰ্থনৈতিক সুচলতা সাৱধানতাৰে গ্ৰহণ কৰিব লাগিব।

ভাৰতৰ অৰ্থনৈতিক কৰিড'ৰ বা ভাৰতৰ ঔদ্যোগিক কৰিড'ৰত অন্তৰ্ভুক্ত আছে ঃ দিল্লী-মুম্বাই ঔদ্যোগিক কৰিড'ৰ প্ৰকল্প, চেণ্ড্ৰা-বিড়কিন ঔদ্যোগিক পাৰ্ক, চেন্নাই-বাংগালোৰ ঔদ্যোগিক কৰিড'ৰ, মুম্বাই-বাংগালোৰ অৰ্থনৈতিক কৰিড'ৰ, অমৃতসৰ-দিল্লী-কলকাতা ঔদ্যোগিক কৰিড'ৰ, উধানা-পালচানা ঔদ্যোগিক কৰিড'ৰ, পূব উপকূলীয় অৰ্থনৈতিক কৰিড'ৰ, কোচি-বাংগালোৰ ঔদ্যোগিক কৰিড'ৰ।



জানি থোৱা ভাল

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল ৰাজ্যসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ভাৰত আৰু জাপানে যুটীয়াভাৱে প্ৰকল্প হাতত লৈছে আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি প্ৰকল্পৰ কৌশল নিৰ্ধাৰণৰ বাবে 'ইণ্ডিয়া-জাপান কো-অৰ্ডিনেচন ফ'ৰাম ফৰ ডেভেলপমেণ্ট অব নৰ্থ-ইষ্ট' গঠন কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ ভাৰতত নগৰীকৰণৰ শেহতীয়া গতিবিধি চমুকৈ আলোচনা কৰক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্ৰশ্ন ৫ ঃ ভাৰতত স্মাৰ্ট চিটি অভিযানে গ্ৰহণ কৰা মুখ্য লক্ষ্যসমূহ উল্লেখ কৰক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন ৬ ঃ ভাৰতৰ অৰ্থনৈতিক কৰিড'ৰসমূহ উল্লেখ কৰক।

.....

.....



৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দ্ৰুত অৰ্থনৈতিক উন্নয়নৰ বাবে আন্তঃগাঁথনিক উন্নয়ন অতি গুৰুত্বপূৰ্ণ।
- আন্তঃগাঁথনিৰ ভিতৰত আছে শক্তি আৰু ক্ষমতা, পৰিবহণ আৰু যোগাযোগ ইত্যাদি।
- ভাৰতত শেহতীয়াভাৱে গুৰুত্ব দিয়া ক্ষেত্ৰসমূহৰ ভিতৰত শক্তি আন্তঃগাঁথনিক শক্তিৰ বিকল্প উৎস যেনে, সৌৰ, বায়ু আৰু পাৰমাণৱিক শক্তি।
- ভাৰতত আমি চাৰি প্ৰকাৰৰ পৰিবহণ লাভ কৰো যেনে, ৰে'ল, পথ, আকাশী আৰু জল।
- জল পৰিবহণ হ'ল পৰিবহণৰ ক্ষেত্ৰত আটাইতকৈ সস্তীয়া ব্যৱস্থা কিন্তু সীমাবদ্ধতাৰ ভিতৰত ই পৰিচালিত হয়। যোগাযোগ ক্ষেত্ৰখনত ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাই আহিছে।
- শেহতীয়া বছৰসমূহত ভাৰতৰ নগৰীয়া আন্তঃগাঁথনিত উন্নত হৈছে আৰু আগন্তুক বছৰসমূহত ইয়াৰ অধিক প্ৰসাৰ হ'ব বুলি আশা কৰা হৈছে।
- স্মাৰ্ট চিটিৰ দৰে প্ৰকল্পসমূহে বিনিয়োগকাৰীক আকৰ্ষিত কৰিছে আৰু নগৰীয়া আন্তঃগাঁথনি উন্নয়ন অধিক গতিশীল কৰিছে। অৰ্থনৈতিক কৰিড'ৰসমূহ ঔদ্যোগিকৰণ আৰু অৰ্থনৈতিক উন্নয়নক অধিক ত্বৰান্বিত কৰাৰ বাবে গঠন কৰা হৈছে।

৩.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অৰ্থনীতি— ইয়াৰ পৰিৱৰ্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছার্চ, ২০০৮।

২) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অৰ্থনীতি (উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিসহ)*, বনলতা, ২০০৪।

ইংৰাজী গ্ৰন্থ ঃ

1) Datt, G and Mahajan, A. (2016). *Datt & Sundharam's Indian Economy.* New Delhi: S. Chand & Co.

2) Dhar, P.K. (2015). *Indian Economy - Its Growing Dimension.* New Delhi: Kalyani Publishers.

3) Dash, L.N. (2008). *Infrastructure Development and Indian Economy.* New Delhi: Regal Publications.

১৩.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ গ'ল্ডেন কোৱাড্ৰিলেটাৰেল (জিকিউ)ৰ দ্বাৰা সংযোজিত ভাৰতৰ চাৰিখন মহানগৰ হৈছে দিল্লী, মুম্বাই, কলকাতা আৰু চেন্নাই।

২ নং প্ৰশ্ন উত্তৰ ঃ ৰাষ্ট্ৰীয় জলপথ ২

৩ নং প্ৰশ্ন উত্তৰ ঃ বন্দে ভাৰত এক্সপ্ৰেছৰে

৪ নং প্ৰশ্ন উত্তৰ ঃ ভাৰতৰ নগৰ অঞ্চল দ্ৰুতগতিত বৃদ্ধি পাই আহিছে। ভাৰতৰ বৰ্তমানৰ জনসংখ্যাৰ প্ৰায় ৩১ শতাংশ নগৰ অঞ্চলত বাস কৰে যিসকলে ভাৰতৰ মুঠ জিডিপিৰ ৬৩ শতাংশ বৰঙণি আগবঢ়ায় (২০১১ চনৰ লোকপিয়ল)। ভাৰতৰ নগৰ বিকাশ সৰ্বাধিকভাৱে ডাঙৰ চহৰসমূহৰ ওপৰত ভিত্তি কৰি য'ত জনসংখ্যা হ'ল ১০ লাখ বা ততোধিক, ২০১১ চনত ১ মিলিয়নতকৈ অধিক লোকে বাস কৰা নগৰৰ সংখ্যা ২০০১ চনৰ ৩৫ খনৰ পৰা বৃদ্ধি পাই ৫৩ খন হৈছেগৈ, ভাৰতৰ ৪৩ শতাংশ নগৰীয়া জনসংখ্যা, ২০৩০ চনৰ ভিতৰত এইটো ৮৭ হ'ব বুলি আশা কৰা হৈছে।

৫ নং প্ৰশ্ন উত্তৰ ঃ স্মাৰ্ট চিটিৰ মুখ্য উদ্দেশ্যটো হৈছে নিৰ্বাহক্ষম আৰু সাৰ্বিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব দিয়া আৰু ঠেক অঞ্চলসমূহত দৃষ্টিপাত কৰাৰ ধাৰণা, এক অনুকৰণীয় মডেল গঢ়ি তোলা যাতে অন্য চহৰসমূহৰ বাবে ই এক উদাহৰণ হ'ব পাৰে।

৬ নং প্ৰশ্ন উত্তৰ ঃ ভাৰতৰ অৰ্থনৈতিক কৰিড'ৰ বা ভাৰতৰ ঔদ্যোগিক কৰিড'ৰত অন্তৰ্ভুক্ত আছে ঃ দিল্লী-মুম্বাই ঔদ্যোগিক কৰিড'ৰ প্ৰকল্প, চেণ্ড্ৰা-বিড়কিন ঔদ্যোগিক পাৰ্ক, চেন্নাই-বাংগালোৰ ঔদ্যোগিক কৰিড'ৰ, মুম্বাই-বাংগালোৰ অৰ্থনৈতিক কৰিড'ৰ, অমৃতসৰ-দিল্লী-কলকাতা ঔদ্যোগিক কৰিড'ৰ, উধানা-পালচানা ঔদ্যোগিক কৰিড'ৰ, পূব উপকূলীয়

অৰ্থনৈতিক কৰিড'ৰ, কোচি-বাংগালোৰ ঔদ্যোগিক কৰিড'ৰ।

১৩.১২ আৰ্হি প্ৰশ্ন

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ ভাৰতত শক্তি অৰ্থনীতি ব্যাখ্যা কৰক।

২ নং প্ৰশ্ন ঃ ভাৰতত পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা ব্যাখ্যা কৰক।

৩ নং প্ৰশ্ন ঃ ভাৰতত বিকল্প শক্তিৰ উৎসসমূহৰৰ বিষয়ে আলোচনা কৰক।

৪ নং প্ৰশ্ন ঃ ভাৰতত নগৰীয়া আন্তঃগাঁথনিৰ এক অংশ হিচাপে স্মাৰ্ট চিটি অভিযান ব্যাখ্যা কৰক।

৫ নং প্ৰশ্ন ঃ ঔদ্যোগিক কৰিড'ৰ মানে কি বুজা যায়? ঔদ্যোগিক কৰিড'ৰে ঔদ্যোগিক বিকাশ অধিক গতিশীল কৰাত সহায় কৰিছে বুলি আপুনি ভাবে নেকি?

*** ***** ***

অধ্যায় ৪ ঃ ভাৰতীয় কৃষি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ভাৰতীয় অর্থনীতিত কৃষিৰ ভূমিকা
৪.৪ কৃষিজাত সামগ্রীৰ উৎপাদন আৰু উৎপাদনশীলতাৰ ধাৰা
৪.৪.১ ১৯৫১ চনৰ পৰা কৃষিৰ বিকাশ
৪.৪.২ ভাৰতীয় কৃষি উৎপাদনশীলতাৰ সাম্প্রতিক স্থিতি
৪.৫ উৎপাদনশীলতাক প্রভাৱান্বিত কৰা কাৰকসমূহ
৪.৬ ভাৰতত নতুন কৃষিভিত্তিক কর্ম আঁচনি ঃ সেউজ বিপ্লৱ
৪.৭ সেউজ বিপ্লৱৰ প্রভাৱ
৪.৭.১ নতুন কৃষিভিত্তিক কর্ম আঁচনিৰ সফলতা
৪.৭.২ নতুন কৃষিভিত্তিক কর্ম আঁচনিৰ দুর্বলতা
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্রগতিৰ খতিয়ান
৪.১১ সম্ভাব্য প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় অর্থনীতিত কৃষিৰ স্থান সম্পর্কে জানিব পাৰিব,
- ভাৰতীয় কৃষিৰ প্রকৃতি বুজিব পাৰিব,
- ভাৰতীয় পৰিকল্পনাসমূহত অন্তর্ভুক্ত কৃষিখণ্ডৰ প্রধান উদ্দেশ্যবিলাক চিনাক্ত কৰিব পাৰিব,
- ভাৰতীয় অর্থনীতিত কৃষিৰ সাম্প্রতিক স্থিতিৰ বর্ণনা কৰিব পাৰিব, কৃষিজাত উৎপাদন আৰু উৎপাদনশীলতাক প্রভাৱান্বিত কৰা কাৰকবিলাক বিচাৰি উলিয়াব পাৰিব,
- কৃষিভিত্তিক নতুন কর্ম আঁচনি অর্থাৎ 'সেউজ বিপ্লৱ' আৰু দেশৰ কৃষিখণ্ডত ইয়াৰ প্রভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

ভাৰতীয় কৃষিৰ দহ হাজাৰ বছৰীয়া এক সুদীর্ঘ ইতিহাস আছে। কৃষিজাত সামগ্রীৰ ৰপ্তানিৰ ক্ষেত্রত সমগ্র পৃথিৱীতে ভাৰতে আজি এক সুকীয়া স্থান দখল কৰিছে। ২০০৭ চনত কৃষি আৰু

বন বিভাগৰ দৰে প্ৰধান খণ্ডসমূহৰ পৰা দেশখনৰ মুঠ ঘৰুৱা উৎপাদনৰ ১৬.৬% উৎপন্ন হৈছিল আৰু এই খণ্ডত দেশৰ সৰ্বমুঠ কৰ্ম শক্তিৰ প্ৰায় ৬০% লোক নিয়োজিত হৈছিল। দেশৰ মুঠ ঘৰুৱা উৎপাদন (GDP)লৈ এই খণ্ডটোৰ বৰঙণি ক্ৰমাৎ কমি অহা সত্বেও কৃষি খণ্ডটো এতিয়াও সৰ্ববৃহৎ অৰ্থনৈতিক খণ্ড হিচাপে পৰিগণিত হৈ আছে। ভাৰতৰ আৰ্থ-সামাজিক বিকাশৰ দিশত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

দৰিদ্ৰতা দূৰীকৰণৰ ক্ষেত্ৰত কৃষিখণ্ডৰ বিকাশৰ এক প্ৰত্যক্ষ প্ৰভাৱ আছে। তদুপৰি মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ, কৃষিভিত্তিক মজুৰি বৃদ্ধি আৰু নিয়োগ সৃষ্টি কৰাৰ ক্ষেত্ৰতো কৃষিখণ্ডৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে।

গাখীৰ, কাজু বাদাম, নাৰিকল, চাহ, আদা, হালধি আৰু জালুকৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰত পৃথিৱীৰ ভিতৰতে সৰ্বাধিক উৎপাদনকাৰী দেশ। দেশখনৰ গৰুৰ সংখ্যাও পৃথিৱীৰ ভিতৰতে সৰ্বাধিক (২৮১ নিযুত)। ঘেঁহু, চাউল, চেনী, চিনাবাদাম আৰু থলুৱা মাছৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰত দ্বিতীয় বৃহত্তম দেশ। ধঁপাত উৎপাদনৰ ক্ষেত্ৰত ভাৰত পৃথিৱীৰ ভিতৰত তৃতীয় স্থানত আছে। বিশ্বৰ সৰ্বমুঠ ফলমূল উৎপাদনৰ ১০% ভাৰতত উৎপন্ন হয় আৰু কল উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ স্থান প্ৰথম।

উপৰ্যুক্ত আলোচনাৰ পৰা এটা কথা স্পষ্ট হ'ল যে কৃষি হৈছে ভাৰতীয় অৰ্থনীতিৰ ৰাজহাঁড়, বিশেষকৈ গ্ৰামীণ অঞ্চলবিলাকত। গ্ৰামীণ অঞ্চলবিলাক হৈছে কম আৰু মজলীয়া দামৰ উপভোক্তা সামগ্ৰীৰ একবৃহৎ বজাৰ। তদুপৰি গ্ৰামীণ ঘৰুৱা সঞ্চয়খিনি হৈছে সম্পদ সৃষ্টিৰ এক গুৰুত্বপূৰ্ণ উৎস। ভাৰতীয় কৃষি আৰু এই খণ্ডটোৰ বিভিন্ন বিষয় সম্পৰ্কে এক সামগ্ৰিক ধাৰণা আহৰণ কৰাৰ ক্ষেত্ৰত এই অধ্যায়টো আপোনাৰ বাবে সহায়ক হ'ব।

৪.৩ ভাৰতীয় অৰ্থনীতিত কৃষিৰ ভূমিকা

ভাৰতীয় অৰ্থনীতিত কৃষিৰ গুৰুত্ব তলৰ শিৰোনামবিলাকৰ অধীনত আলোচনা কৰিব পাৰি ঃ

- ৰাষ্ট্ৰীয় আয়ত কৃষিৰ অংশ,
- নিয়োগ সৃষ্টিত কৃষিৰ ভূমিকা,
- ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত কৃষি খণ্ডৰ প্ৰভাৱ,
- বিদেশী ৰাজহ অৰ্জন কৰাত কৃষিৰ ভূমিকা,
- দেশৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত কৃষিৰ ভূমিকা, আৰু
- কৃষিখণ্ডৰ অন্যান্য গুৰুত্বপূৰ্ণ ভূমিকা।
- **ৰাষ্ট্ৰীয় আয়ত কৃষিৰ অংশ ঃ** স্বাধীনতাৰ পিছৰে পৰা ৰাষ্ট্ৰীয় আয়ত কৃষিৰ অংশ ধাৰাবাহিকভাৱে অৱনমিত হৈছে। তালিকা ৪.১ত এই কথা দেখুওৱা হৈছে ঃ

তালিকা ৪.১ ঃ ৰাষ্ট্ৰীয় আয়ত কৃষিৰ অংশ

সময়	ৰাষ্ট্ৰীয় আয়ত কৃষিৰ অংশ
১৯৫০—৫১	৫৫%
১৯৭০—৭১	৪৪%
১৯৯০—৯১	৩১%
২০০০—২০০১	২৬%
২০০৫—০৬	২০%

উৎস ঃ অর্থনৈতিক সমীক্ষা, ২০০৬-০৭; তালিকা ১.৩, ভাৰতীয় ৰিজার্ভ বেংকৰ বার্ষিক প্ৰতিবেদন, ২০০৬-০৭।

তালিকা ৪.১ত আমি দেখা পালোঁ যে ১৯৫০-৫১ বর্ষত মুঠ ঘৰুৱা উৎপাদনত কৃষিৰ অংশ আছিল প্ৰায় ৫৫%। ঔদ্যোগীকৰণৰ প্ৰক্ৰিয়া আৰু অর্থনৈতিক বিকাশ ত্বৰান্বিত হোৱাৰ লগে লগে পঞ্চবার্ষিক পৰিকল্পনাৰ অধীনত উদ্যোগজাত সামগ্ৰীৰ উৎপাদন আৰু সেৱা খণ্ডৰ বিকাশ দ্ৰুত গতিত হ'বলৈ ল'লে, মুঠ ঘৰুৱা উৎপাদনত কৃষিৰ অংশ অৱনমিত হ'ল আৰু ২০০৫-০৬ বর্ষত মাত্ৰ ২০% আৰু ২০০৭ বর্ষত ১৮% লৈ নামিল। ২০০৭-০৮ বর্ষত মুঠ ঘৰুৱা উৎপাদনত কৃষিৰ অংশ ১৭.৮% লৈ অৱনমিত হ'ল।

- **নিয়োগ সৃষ্টিত কৃষিৰ ভূমিকা ঃ** ৰাষ্ট্ৰীয় আয়ত কৃষিৰ অংশ যদিও চকুত লগাকৈ অৱনমিত হ'ল তথাপি ভাৰতৰ কর্মৰত জনসংখ্যাৰ এটা বৃহৎ অংশ এতিয়াও কৃষিখণ্ডত নিয়োজিত হৈ আছে। দেশৰ লোকপিয়লৰ তথ্যত প্ৰকাশ পাইছে যে ১৯৫১ চনত ৯৮ নিযুত লোকক এই খণ্ডটোৱে কর্মসংস্থান দিছিল। কৃষিখণ্ডত কর্মৰত লোক (কৃষক আৰু কৃষি শ্ৰমিক)ৰ সংখ্যা ২০০১ চনত ২৩৫ নিযুতলৈ বৃদ্ধি পায়। অৱশ্যে, ১৯৫১ আৰু ২০০১-ৰ মাজৰ পাঁচটা দশকত কৃষিখণ্ডত কাম কৰা লোকৰ সংখ্যা (মুঠ কর্মৰত লোকৰ ভিতৰত) ৭০% ৰ পৰা ৫৯% লৈ হ্ৰাস পায়।

  দশম পঞ্চবার্ষিক পৰিকল্পনাৰ (২০০২-২০০৭) প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে কৃষিখণ্ডই দেশৰ মুঠ কর্মশক্তিৰ ৫৭%ক কর্মসংস্থান দিছে আৰু কৃষি হৈছে একক বৃহৎ বে-চৰকাৰী খণ্ডৰ বৃত্তি। এইখিনিতে যথেষ্ট বিৰক্তিদায়ক কথাটো হ'ল যে ১৯৫১ আৰু ২০০১-ৰ মাজৰ সময়ছোৱাত কৃষি শ্ৰমিকৰ পৰিমাণ ২০%-ৰ পৰা ২৭%-লৈ বৃদ্ধি পালে, যদিও কৃষকৰ পৰিমাণ ৫০%-ৰ পৰা ৩২%-লৈ হ্ৰাস পালে। ইয়াৰ পৰা এই কথা স্পষ্ট হৈছে যে গ্ৰামীণ কৃষকসকল দিনে দিনে অধিক দৰিদ্ৰতাৰ ফালে গতি কৰিছে।
- **ঔদ্যোগিক বিকাশত কৃষিখণ্ডৰ প্ৰভাৱ ঃ** ভাৰতীয় কৃষিখণ্ড হৈছে দেশখনৰ বিকাশশীল উদ্যোগবিলাকক কেঁচামাল যোগান ধৰাৰ এক প্ৰধান উৎস। বস্ত্ৰ উদ্যোগ, বনজ সম্পদ ভিত্তিক উদ্যোগ, চেনী-আটাৰ মিল, কৃষিজাত তেলৰ উদ্যোগ আদিয়ে পোনপটীয়াকৈ কৃষিৰ ওপৰত নির্ভৰ কৰে। অন্যান্য ক্ষুদ্ৰ আৰু কুটীৰ শিল্প যেনে হস্ততাঁত, তেল পেৰা, ধান বনা ইত্যাদি উদ্যোগেও কেঁচামালৰ বাবে কৃষিৰ ওপৰতে বহু পৰিমামণে নির্ভৰ কৰে। এইবিলাক

উদ্যোগে একত্রিতভাৱে দেশৰ ঔদ্যোগিক খণ্ডৰ সৰ্বমুঠ উৎপাদনৰ ৫০% উৎপাদন কৰে।

অৱশ্যে শেহতীয়া বছৰ বিলাকত কৃষিৰ ওপৰত নিৰ্ভৰ নকৰা বহুতো নতুন উদ্যোগৰ আগমন ঘটাত উদ্যোগখণ্ডত কৃষিৰ গুৰুত্ব ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰিছে। অৱশ্যে এই সময়ছোৱাত খাদ্য প্ৰস্তুতকৰণৰ উদ্যোগবিলাকৰ আগমন ঘটিল, যাৰ ফলত উপাৰ্জন আৰু নিয়োগ সৃষ্টি— উভয় ক্ষেত্ৰতে এক নতুন দিশৰ উন্মোচন হৈছে।

- **বিদেশী ৰাজহ অৰ্জনত কৃষিৰ ভূমিকা ঃ** ভাৰতৰ প্ৰধান ৰপ্তানিকৃত কৃষিজাত সামগ্ৰীবিলাকৰ ভিতৰত আছে চাহ, চেনী, তৈল শস্য, ধঁপাত, মছলা ইত্যাদি। বহল অৰ্থত ক'বলৈ গ'লে আমাৰ দেশৰ সৰ্বমুঠ ৰপ্তানিৰ (মূল্য হিচাপত) ৫০%-ই হৈছে কৃষিজাত সামগ্ৰী। আকৌ কৃষিখণ্ডৰ কেঁচামাল ব্যৱহাৰ কৰা কিছুমান নিৰ্দিষ্ট উদ্যোগজাত সামগ্ৰী যেনে— মৰাপাট, কাপোৰ আৰু চেনীয়ে দেশৰ সৰ্বমুঠ ৰপ্তানিৰ আন ২০% পূৰ্ণ কৰে। এনেকৈ, দেশৰ ৰপ্তানিৰ সৰ্বমুঠ পৰিমাণৰ ৭০% কৃষিখণ্ডৰ পৰা হয়। দশম পৰিকল্পনাত দেখা গৈছিল যে ৰাজহৰ ক্ষেত্ৰত ৰপ্তানিৰ পৰা হোৱা সৰ্বমুঠ উপাৰ্জনৰ ১৫% কৃষিৰ পৰা আহে। অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত ইয়াৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। বৰ্দ্ধিত ৰপ্তানিয়ে যন্ত্ৰ-পাতি আৰু কেঁচামালৰ বৰ্দ্ধিত আমদানিৰ বাবে পৰিশোধ কৰিবলগীয়া ধনৰ জো�ৰা মৰাত দেশক সহায় কৰে।
- **দেশৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশত কৃষিৰ ভূমিকা ঃ** ভাৰতীয় অৰ্থনীতি বিকাশৰ ক্ষেত্ৰত কৃষি হৈছে প্ৰধান কাৰকসমূহৰ অন্যতম। কৃষি হ'ল ভাৰতৰ সৰ্বাতোকৈ গুৰুত্বপূৰ্ণ খণ্ড। ভাৰতীয় অৰ্থনীতি মূলতঃ যিহেতু কৃষিৰ ওপৰতে নিৰ্ভৰশীল, সেয়েহে কৃষি খণ্ডৰ পৰা হোৱা বাৰ্ষিক উৎপাদন হৈছে দেশখনৰ অৰ্থনীতিৰ এক প্ৰধান উৎস। দেশৰ ৰপ্তানিৰ ক্ষেত্ৰখনতো কৃষিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভাৰতৰ বহুতো উদ্যোগে কেঁচামালৰ বাবে কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে কৃষি আৰু কৃষিভিত্তিক সামগ্ৰীৰ অবিহনে ভাৰতীয় অৰ্থনীতিয়ে ইয়াৰ বিকাশৰ হাৰ উৰ্দ্ধমুখী কৰিব নোৱাৰে।
- **কৃষিখণ্ডৰ অন্যান্য গুৰুত্বপূৰ্ণ ভূমিকা ঃ** ওপৰত উল্লেখ কৰা কথাকেইটাৰ উপৰিও কৃষিখণ্ডই তলত দিয়া ভূমিকাবিলাকো পালন কৰে ঃ
  - ভাৰতৰ পৰিবহণ ব্যৱস্থাটোৱে কৃষিজাত সামগ্ৰীবিলাকৰ অনা-নিয়া কৰি নিজস্ব ব্যৱসায়ৰ এক বুজন অংশ লাভ কৰে। দেশৰ আভ্যন্তৰীণ বাণিজ্য কৃষিজাত সামগ্ৰীক কেন্দ্ৰ কৰিয়েই সৰ্বাধিক পৰিচালিত হয়।
  - কৃষকসকলৰ সমৃদ্ধিয়ে উদ্যোগবিলাককো সমৃদ্ধিশালী কৰে। সমৃদ্ধিশালী কৃষকসকলে উদ্যোগজাত সামগ্ৰীৰ বৰ্দ্ধিত চাহিদাৰ সৃষ্টি কৰে। একেদৰে, শস্যৰ উৎপাদন ভাল নহ'লে ব্যৱসায়ত মন্দাৱস্থাৰ সৃষ্টি হয়। সাধাৰণতে কৃষিখণ্ডৰ ব্যৰ্থতাই অৰ্থনৈতিক পৰিকল্পনাৰ ব্যৰ্থতাও মাতি আনে।
  - একাদশ পৰিকল্পনাত গুৰুত্ব প্ৰদান কৰা এক উল্লেখযোগ্য দেশৰ কৃষি খণ্ডটোৱে হৈছে যে খাদ্যৰ নিৰাপত্তা বজাই ৰখাৰ দৰে ৰাষ্ট্ৰীয় নিৰাপত্তা অটুট ৰখাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা উচিত।

- উদ্যান শস্য, পশুপালন, দুগ্ধ উৎপাদন আৰু মীন পালনৰ দৰে প্ৰধান খণ্ডসমূহতো গ্ৰামীণ জনসাধাৰণৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধনত কৃষিখণ্ডৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে।
- পাৰিপাৰ্শ্বিক ভাৰসাম্য বজাই ৰাখিবলৈ কৃষি আৰু ইয়াৰ সৈতে জড়িত খণ্ডসমূহৰ উভয়ৰে দীৰ্ঘস্থায়ী আৰু সন্তুলিত বিকাশৰ আৱশ্যক। একাদশ পৰিকল্পনাত এই কথাৰ ওপৰত আলোকপাত কৰা হৈছে আৰু কৃষিখণ্ড বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

ক) ১৯৫০-৫১ চনত মুঠ ঘৰুৱা উৎপাদনত কৃষিৰ অংশ আছিল প্ৰায় ৫৫%। (শুদ্ধ/অশুদ্ধ)

খ) ২০০৭-০৮ বৰ্ষত মুঠ ঘৰুৱা উৎপাদনত কৃষিৰ অংশ ১৭.৮% লৈ নামে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ বিগত বছৰবিলাকত ভাৰতৰ গ্ৰামীণ কৃষকসকলৰ অৱস্থা বেয়াৰ ফালে গতি কৰা বুলি আপুনি ভাবেনে? যুক্তি দৰ্শাওক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৪.৪ কৃষিজাত উৎপাদন আৰু উৎপাদনশীলতাৰ ধাৰা

৪.৪.১ ১৯৫১ চনৰ পৰা কৃষিৰ বিকাশ

স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত কৃষি আৰু কৃষি প্ৰধান খণ্ডবিলাকৰ বিকাশৰ হাৰ আৰু একেছোৱা সময়ত মুঠ ঘৰুৱা উৎপাদন (GDP)ৰ এখন তুলনামূলক ছবি তলৰ তালিকা ৪.২ত দেখুওৱা হৈছে ঃ

তালিকা ৪.২ — ১৯৫০-৫১-ৰ পৰা কৃষি খণ্ডৰ বিকাশ (শতাংশত)

সময়	কৃষি আৰু প্ৰধান খণ্ডবিলাকৰ মিশ্ৰিত বাৰ্ষিক বিকাশৰ হাৰ	GDPৰ বিকাশৰ হাৰ
১৯৫১—১৯৬১	৩.৩	৩.৮
১৯৬১—১৯৭১	২.২	৩.৭
১৯৭১—১৯৮১	১.৭	৩.৩

১৯৮১—১৯৯১	৩.৯	৫.৭
১৯৯১—২০০১	২.৮	৬.৭
২০০২—২০০৭	২.১	৭.৫
২০০৭—২০১২	৩.৬	৮.১

উৎস ঃ Centre for Monitoring Indian Economy; Basic Statistics of the Indian Economy Vol I, August 1992, August 1994, Economic Survey 2006-2007 Datt & Sundharam, Indian Economy (2016).

তালিকাখনত দেখা গৈছে যে, ইয়াত দেখুওৱা পৰিকল্পনাৰ আটাইকেইটা দশকতে কৃষিৰ বিকাশৰ হাৰ মুঠ ঘৰুৱা উৎপাদনতকৈ কম। ১৯৫১-৬১-ৰ সময়ছোৱাত কৃষিৰ বার্ষিক বিকাশৰ হাৰ আছিল ৩.৩%, যি সময়ত GDP-ৰ বিকাশৰ হাৰ আছিল ৩.৮%। পৰৱৰ্তী দশকবিলাকতো কৃষি বিকাশৰ হাৰতকৈ GDPৰ বিকাশৰ হাৰতকৈ কম। এই সময়ছোৱাত সমন্বিত এলেকা উন্নয়ন আঁচনি (Integrated Area Development Project -IADP) আৰু উচ্চ উৎপাদনক্ষম বীজ আঁচনি (High Yielding Variety Project -HYVP)-ৰ ভিত্তিত নতুন অর্থনৈতিক নীতিৰ আধাৰত কৃষিখণ্ডৰ কেতবোৰ অগ্রগতি সাধন হৈছিল যদিও কৃষিৰ সামগ্রিক বিকাশ আছিল পুতৌলগা। ২০০১-২০০৭-ৰ সময়ছোৱাত কৃষি বিকাশৰ বার্ষিক হাৰ ২.২%-লৈ নামে। ইয়াৰ প্রধান কাৰণ আছিল বতৰৰ প্রতিকূল অৱস্থা। তথাপি সেই সময়ছোৱাত GDP-ৰ বিকাশৰ হাৰ ৭.২%-লৈ বৃদ্ধি পায়।

কিন্তু এই কথা উল্লেখ কৰিব পাৰি যে সেউজ বিপ্লৱৰ জৰিয়তে ভাৰতে খাদ্য শস্য উৎপাদনৰক্ষেত্রত কেৱল আত্মনির্ভৰশীল হোৱাই নহয় দেশখনে খাদ্যৰ এক বৃহৎ উদ্বৃত্তও সৃষ্টি কৰে। ২০০২ চনৰ জানুৱাৰী মাহত তেনে উদ্ধৃত্তৰ পৰিমাণ আছিল ৫৮ নিযুত টন। উন্নত পদ্ধতি আৰু কৃষি কার্য পৰিচালনাৰ ক্ষেত্রত উন্নত ব্যৱস্থা গ্রহণ কৰাৰ পৰিণতিত ১৯৫০-৫১ সময়ছোৱাৰ ৫০.৮ নিযুত টন কৃষি উৎপাদন ২০০৬-০৭ বর্ষত ২১২ নিযুত টনলৈ বৃদ্ধি পায়। পৰিকল্পনাৰ চতুর্থ দশকৰ সময়ছোৱা (১৯৮১-১৯৯১)-ত কৃষিৰ অৱস্থাৰ উন্নতি ঘটে। ১৯৮০ দশকবিলাকত বিকাশৰ হাৰ ৩.৯% লৈ বৃদ্ধি পায়। কিন্তু ১৯৯১-২০০১ৰ সময়ছোৱাত কৃষিৰ বার্ষিক বিকাশৰ হাৰ ২.৮% লৈ নামি আহে। তেতিয়াৰ পৰা, বিশেষকৈ ২০০২-২০০৩-ৰ সময়ছোৱাত কৃষিজাত সামগ্রীৰ উৎপাদন ধাৰাবাহিকভাৱে হ্রাস পাবলৈ লয়। কৃষি বিকাশৰ ক্ষেত্রত যদিও কেতবোৰ অগ্রগতি সাধিত হয়, তথাপি এই হাৰ বার্ষিক ৪%ৰ লক্ষ্যতকৈ বহু কম আছিল। দশম পৰিকল্পনাত কৃষি খণ্ডৰ বার্ষিক বিকাশৰ হাৰ ৪% স্থিৰ কৰা হৈছিল, যাতে GDP-ৰ বার্ষিক বিকাশৰ হাৰ ৮%ত উপনীত হ'ব পাৰি। অৱশ্যে দশম পৰিকল্পনাৰ সময়ছোৱাত কৃষিৰ বিকাশ আছিল মাত্র ১.৭%। অৱশ্যে, ২০০৭-২০১২ ৰ শেহতীয়া সময়চোৱাত কৃষি খণ্ডৰ বিকাশ সন্তোষজনক আছিল।

৪.৪.২ ভাৰতীয় কৃষি উৎপাদনশীলতাৰ সাম্প্ৰতিক স্থিতি

পৰিকল্পনাৰ বিগত ৫৭টা বছৰত ভাৰতৰ কৃষিখণ্ডৰ বিকাশ, যাক সাধাৰণতে 'সেউজ বিপ্লৱ' বুলি কোৱা হয়, বিশ্বৰ ভিতৰতে উল্লেখযোগ্য হৈ পৰিছে আৰু বহু উন্নয়নশীল দেশে ভাৰতক তেওঁলোকক আদৰ্শ হিচাপে গণ্য কৰিবলৈ আৰম্ভ কৰিছে। স্বাধীনতাৰ পিছৰে পৰা প্ৰায় দুটা দশক ধৰি আৰম্ভণিতে ভাৰত আছিল খাদ্যৰ উৎপাদনৰ ক্ষেত্ৰত ঘাটিৰ সন্মুখীন হোৱা এখন দেশ। কিন্তু সেউজ বিপ্লৱৰ লগে লগে ভাৰতে খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত কেৱল আত্মনিৰ্ভৰশীল হোৱাই নহয়, খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত এক বৃহৎ পৰিমাণৰ ৰাহি কৰিবলৈও সক্ষম হৈছে— ২০০২ চনৰ জানুৱাৰীত ৫৮ নিযুত টন খাদ্য শস্য ৰাহি হয়। উন্নত কৃষি পদ্ধতি আৰু উন্নত পৰিচালনাৰ জৰিয়তে ১৯৫০-৫১-ৰ সময়ছোৱাত ৫০.৮ নিযুত টন খাদ্য শস্য উৎপাদন ২০০৬-০৭-ত ২১২ নিযুত টনলৈ বৃদ্ধি পায় আৰু উৎপাদনশীলতা হেক্টৰে প্ৰতি ৫২২ কিল'গ্ৰামৰ পৰা ১৭০৭ কিল'গ্ৰামলৈ বৃদ্ধি পায়। এই সময়ছোৱাত অন্য শস্যৰ তুলনাত ঘেঁহু, ধান আৰু তৈলশস্য উৎপাদন অধিক পৰিমাণে বৃদ্ধি পায়। উন্নত মানৰ বীজ, উচ্চ মানৰ সাৰ আৰু কীটনাশক, সময় মতে কৰা জলসিঞ্চনৰ বাবেই খাদ্য শস্যৰ উৎপাদন বৃদ্ধি কৰাটো সম্ভৱপৰ হ'ল। ইয়াৰ পৰিণতিত খাদ্য শস্যৰ ক্ষেত্ৰত ভাৰতে আত্মনিৰ্ভৰশীলতা অৰ্জন কৰাৰ উপৰিও ৰপ্তানি কৰিবলৈ যথেষ্ট পৰিমাণৰ খাদ্যশস্য উৎপাদন কৰিব পৰা হ'ল।

দেশৰ কৃষিখণ্ডটো বৰ্তমান আলিদোমোজাত আছে। কৃষকসকলে প্ৰামাণিক/মানসম্পন্ন বীজ ব্যৱহাৰ কৰাৰ ফলত খাদ্য শস্যৰ উৎপাদন ৭০০,০০০ টনলৈ বৃদ্ধি পালে। ২০০৬-০৭ বৰ্ষত সাৰৰ প্ৰয়োগ হৈছিল ২১.৬৫ নিযুত টন (প্ৰতি হেক্টৰত ১১২.৬৯ কিল'গ্ৰামতকৈ অধিক)। ১৯৬০-৬১-ৰ সময়ছোৱাত এই পৰিমাণ আছিল মাত্ৰ ০.২৯ নিযুত টন। ১৯৬০-৬১-ৰ সময়ছোৱাত শস্য ক্ষেত্ৰৰ সুৰক্ষাৰ বাবে ব্যৱহাৰ কৰা ৰাসায়নিক কীটনাশকৰ পৰিমাণ আছিল ৮.৬২ হাজাৰ টন আৰু এই পৰিমাণ ২০০৬-০৭ বৰ্ষত বৃদ্ধি পাই হৈ গৈ ৫৬.১ হাজাৰ টন।

কৃষিভূমি আৰু শস্য অনুসৰি বিশেষভাৱে প্ৰস্তুত কৰা কৃষি প্ৰযুক্তি আৰু পৰম্পৰাগত তথা উন্নত শক্তিৰ উৎস ব্যৱহাৰ কৰি গ্ৰাম্য খণ্ডত গঢ় লৈ উঠা কৃষি ভিত্তিক ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগবিলাকে কৃষি খণ্ডৰ উৎপাদনশীলতা আৰু মুনাফা বৃদ্ধি কৰিলে। আৰু ইয়াৰ পৰিণতিত কৃষকৰ উপাৰ্জন বৃদ্ধি পোৱাৰ লগতে তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ডও উন্নত হ'ল। কৃষিখণ্ডৰ এনে সফলতাৰ প্ৰধান কাৰকবিলাক হৈছে ঃ শস্য ভূমিৰ পৰিমাণ বৃদ্ধি, জলসিঞ্চন (Irrigation) ব্যৱস্থাৰ সম্প্ৰসাৰণ, ভূমি সংস্কাৰ (Land reforms), কৃষি ক্ষেত্ৰৰ বিশেষ একত্ৰীকৰণ (Consolidation o land glodings)।

অৱশ্যে এই বিশেষ সফলতা স্বত্বেও কৃষিখণ্ডৰ প্ৰত্যাশিত বিকাশ আহৰণ

কৰাৰ ক্ষেত্ৰত কিছুমান বাধা আহি পৰাৰ লগতে আগৰেপৰা থকা জটিলতা কিছুমান আজিও আঁতৰ নহ'ল। তলত দিয়া কাৰকবিলাকৰ কাৰণে এইবিলাক থাকি গ'ল, যথা—

- ভাৰতৰ কৃষিয়ে এতিয়াও বতৰৰ ওপৰতে নিৰ্ভৰ কৰি থাকিবলগীয়া হৈছে।
- নতুন কৃষি প্ৰযুক্তিৰ ব্যৱহাৰ অতি সীমিত। নতুন প্ৰযুক্তিবিলাকে কেৱল ঘেঁহু আৰু কিছু পৰিমাণে ধান খেতিত সফলতা লাভ কৰিলে। অন্যান্য খাদ্য শস্য আৰু অনা খাদ্য (non-food) শস্যৰ উৎপাদনৰ ক্ষেত্ৰত আশা কৰা মতে উন্নতি সাধিত নহ'ল।
- কৃষি খণ্ডত বিনিয়োগৰ পৰিমাণ হ্ৰাস। (৬নং অধ্যায়ত এই বিষয়ে বহলাই আলোচনা কৰা হৈছে)
- ভূমি সংস্কাৰৰ সীমিত সফলতা আৰু কৃষকৰ ওপৰত শোষণৰ মাত্ৰা বৃদ্ধি। (৫নং অধ্যায়ত এই বিষয়ে বহলাই আলোচনা কৰা হৈছে)
- গ্ৰাম্য জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণত ব্যৰ্থতা।
- কৃষিখণ্ডৰ আঞ্চলিক বিকাশৰ ক্ষেত্ৰত ভাৰহাম্যহীনতা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ ভাৰতৰ কৃষিখণ্ডৰ সফলতাত কোনবিলাক কাৰকৰ অৱদান আছে? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন ৪ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

ক) ভাৰতৰ সেউজ বিপ্লৱ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। (শুদ্ধ/অশুদ্ধ)

খ) বিগত বছৰবিলাকত ভাৰতত কৃষিখণ্ডত কৰা বিনিয়োগৰ পৰিমাণ অভিলেখ সংখ্যক বৃদ্ধি পাইছে। (শুদ্ধ/অশুদ্ধ)

৪.৫ কৃষি উৎপাদনশীলতাক প্ৰভাৱান্বিত কৰা কাৰকসমূহ

ভাৰতে ইয়াৰ কৰ্মবৰ্দ্ধমান জনসংখ্যাৰ চাহিদা পূৰণৰ জোখাৰে পৰ্যাপ্ত খাদ্যৰ উৎপাদন কৰিবলৈ যথেষ্ট চেষ্টা চলাই আছে। এহাতে দেশখনে ক্ৰমহ্ৰাসমান উৎপাদনশীলতাৰ সন্মুখীন হৈছে আৰু আনহাতে অৰ্থনৈতিক উদাৰীকৰণেও বহু প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। কৃষি ক্ষেত্ৰৰ পৰিমাণ কম হোৱা বাবে আৰু আৰ্থসামাজিক বিকাশৰ গতি লেহেমীয়া হোৱা বাবে, ভাৰতৰ কৃষিখণ্ডই মানুহ (২০০০-০১-ৰ সময়ছোৱাত কৃষি কৰ্মীৰ সংখ্যা আছিল ২৩৪.১০ নিযুত) আৰু পশুশক্তি (২৭ নিযুত হাল)-ৰ ওপৰত নিৰ্ভৰ কৰি থাকিবলগীয়া হৈছে। কৃষিখণ্ডত হস্তচালিত আৰু পশুধনৰ দ্বাৰা চালিত আহিলা-পাতিৰ প্ৰয়োগৰ লগতে মানুহৰ শ্ৰমো নিয়োজিত হৈ আহিছে।

কৃষি উৎপাদনশীলতাক প্ৰভাৱান্বিত কৰা উপাদানবিলাকৰ ভিতৰত আছে মানুহ-পশু আৰু যন্ত্ৰশক্তিৰ প্ৰয়োগ, সাৰ প্ৰয়োগ, জলসিঞ্চন, শস্য-প্ৰযুক্তি, বিদ্যুৎ, কৃষি সম্পৰ্কীয় গৱেষণা আৰু আন্তঃগাঁথনি। তলত এইবিলাকৰ বিষয়ে কিছু বহলাই আলোচনা কৰা হৈছে ঃ

- **সাৰ** (Fertilizers) ঃ স্বাধীনতাৰ পাছৰ যোৱা পঞ্চাছটা বছৰত ভাৰততে সাৰৰ প্ৰয়োগ প্ৰায় ১৭০ গুণ বৃদ্ধি পাইছে। ১৯৫০ চনত ভাৰততে প্ৰতি হেক্টৰ কৃষিভূমিত সাৰ প্ৰয়োগৰ পৰিমাণ আছিল ০.৫৫ কিল'গ্ৰাম; কিন্তু ২০০১-০২ বৰ্ষত এই পৰিমাণ প্ৰতি হেক্টৰত ৯০.১২ কিল'গ্ৰামলৈ বৃদ্ধি পায়, যিটো ২০১৩-১৪ চনত ১২৫.৪ কিল'গ্ৰামলৈ বৃদ্ধি পায়। ১৯৬০ৰ সময়ছোৱাত সেউজ বিপ্লৱ আৰু কৃষিখণ্ডৰ অন্যান্য তৎপৰতাৰ বাবে কৃষিৰ উৎপাদনশীলতা বৃদ্ধি পায়।

  ভাৰতৰ কৃষিখণ্ডত বীজ আৰু শ্ৰমৰ লগতে সাৰ আৰু কীটনাশকৰ বাবেও বহুল পৰিমাণৰ ব্যয় বহন কৰিবলগীয়া হ'ল।

- **জলসিঞ্চন** (Irrigation) ঃ পানী হৈছে প্ৰাণীক জীয়াই থাকিবৰ বাবে আৱশ্যক হোৱা এবিধ প্ৰাকৃতিক সম্পদ। উদ্ভিদৰ বিকাশৰ বাবে প্ৰয়োজনীয় হোৱাৰ লগতে পাৰিপাৰ্শ্বিকতা বজাই ৰাখিবলৈও পানী অতি প্ৰয়োজন। পানী যদিও এবিধ সহজলভ্য উৎস, ই অত্যন্ত গতিশীল আৰু দুৰ্লভো। পানীৰ সকলো উৎস কিছুমান কাৰকৰ দ্বাৰা প্ৰভাৱান্বিত হয়। সেয়ে, ভাৰতৰ বিভিন্ন অঞ্চলত বৰষুণৰ পৰিমাণ আৰু বিতৰণ বেলেগ, বেলেগ ধৰণৰ, অনিয়মীয়া আৰু অনিৰ্ভৰশীল। ভাৰতত বছৰি হোৱা সৰ্বাধিক আৰু সৰ্বনিম্ন বৃষ্টিপাতৰ গড় হৈছে ১০,০০০ মিলিমিটাৰ (খাচী-জয়ন্তীয়া পাহাৰ, মেঘালয়) আৰু ১০০ মিলিমিটাৰ (ৰাজস্থান)। পানীৰ বিতৰণ ব্যৱস্থা অত্যন্ত তাৰতম্যযুক্ত। হিমালয়ৰ পৰা ওলোৱা আৰু দেশৰ অন্যান্য অংশৰ নদীসমূহৰ মাজত সংযোগ স্থাপনৰ জৰিয়তে আভ্যন্তৰীণ জলাধাৰাৰ বিতৰণ অধিক সমানুপাতিক কৰিবলৈ কাৰিকৰীভাৱে পদক্ষেপ গ্ৰহণ কৰিব পৰা যায় নেকি সেই সম্পৰ্কে পৰীক্ষা-নিৰীক্ষা কৰা হৈছে তথা এই সম্পৰ্কীয় প্ৰস্তাৱ ভাৰত চৰকাৰৰ বিবেচনাধীন হৈ আছে।

- **কৃষিৰ যান্ত্ৰিকীকৰণ** (Farm Machanisation) ঃ কৃষিখণ্ডত কৃষি পদ্ধতিৰ যান্ত্ৰিককৰণৰ পৰিণতিবিলাক এনেধৰণৰ ঃ
  - যান্ত্ৰিকীকৰণৰ জৰিয়তে খেতিপথাৰৰ কাম-কাজ সময়মতে কৰিব পৰা যায়। ইয়াৰ ফলত উৎপাদনশীলতা বৃদ্ধি পায়, শস্যৰ হানি হ্ৰাস পায় আৰু উৎপাদিত শস্যৰ মান উন্নত হয়।
  - কৃষি কৰ্মত ব্যৱহৃত ক্ষেত্ৰ বৃদ্ধি পায় আৰু ইয়াত নিয়োজিত উপাদানবিলাকৰ সৎ ব্যৱহাৰ হয়।
  - যন্ত্ৰ-পাতি প্ৰয়োগৰ জৰিয়তে শ্ৰম শক্তিৰ উৎপাদনশীলতা বৃদ্ধি পায়। শ্ৰম ৰাহি কৰা যন্ত্ৰপাতি প্ৰয়োগৰ ফলত ব্যয় হ্ৰাস হয় আৰু ই প্ৰাকৃতিক পৰিৱেশৰো অনুকূল।

    বৰ্তমানলৈকে টেক্ট্ৰৰৰ ব্যৱহাৰ বৃদ্ধি পাই আছে। ২০০৫-০৬-ত ২,৯২,০০০ খন টেক্ট্ৰৰ বিক্ৰী হৈছিল। কৃষিখণ্ডত যন্ত্ৰপাতিৰ প্ৰয়োগে একোখন দেশৰ কৃষিৰ আধুনিকীকৰণৰ সংকেত বহন কৰে ।

- **কৃষি শক্তিৰ পৰ্যাপ্ততা** (Farm Power Availability) ঃ কৃষিৰ যান্ত্রিকীকৰণ প্রযুক্তিৰ ক্ষেত্রত ভাৰতে উল্লেখযোগ্য অগ্রগতি আহৰণ কৰিছে। পশু শক্তি আৰু যন্ত্রশক্তিৰ সংমিশ্রণৰ জৰিয়তে এক নির্বাচিত কাৰিকৰী কৌশল উদ্ভাৱনৰ জৰিয়তে ভাৰতে এক বিশেষ অগ্রগতি লাভ কৰিছে। কৃষিখণ্ডত জড়িত শক্তিবিলাক হৈছে মানুহ, পশু, পাৱাৰ টিলাৰ, টেক্ট্রৰ, যন্ত্র-পাতি আৰু বিদ্যুৎচালিত মটৰ। ইলেক্ট্রিক মটৰ আৰু ডিজেল ইঞ্জিনে চলোৱা, টেক্টৰ আৰু জলসিঞ্চন পাম্পৰ ব্যৱহাৰ বৃদ্ধি পোৱাটোৱে এই কথা সংকেত বহন কৰিছে যে যোৱা দুটা দশকত ভাৰতৰ কৃষিখণ্ডত যান্ত্রিক শক্তিৰ প্রয়োগে দ্রুত গতিত প্রসাৰতা লাভ কৰিছে।
- **কৃষি ক্ষেত্রত নলা নির্মাণ** (Agricultural Drainage) ঃ নলা নির্মাণ সমন্বিত জল নিয়ন্ত্রণৰ এটা অংশ। এই পদ্ধতিৰ জৰিয়তে অতিৰিক্ত পানীভাগ কৃষিক্ষেত্রৰ পৰা ওলোৱাই পঠিওৱা হয় বা প্রয়োজনীয় পানী সাঁচি ৰখা হয়। তদুপৰি, পানীৰ মানদণ্ড আৰু ইয়াৰ পাৰিপার্শ্বিক মূল্যৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। কৃষিৰ উৎপাদনশীলতা বর্তাই ৰখাৰ ক্ষেত্রত নলা নির্মাণ আৰু জলসিঞ্চন— এই দুই ব্যৱস্থা পৰস্পৰে পৰস্পৰৰ পৰিপূৰক হিচাপে কাম কৰে। অতিৰিক্তভাৱে পানী জমা হৈ থকা বাবে আৰু পানীৰ নিমখীয়া গুণ থকা বাবে বিশেষকৈ উত্তৰ-পশ্চিম ভাৰতৰ (হাৰিয়ানা, পঞ্জাৱ, গুজৰাট ইত্যাদি) পলসুৱা কৃষি ক্ষেত্রসমূহৰ বহু বিস্তৃর্ণ অঞ্চলত কৃষিৰ উৎপাদন হ্রাস পাইছে।
- **কৃষিত মহিলাৰ বাবে সুবিধাজনক উন্নত আহিলা-পাতি** ঃ গ্রামীণ ভাৰততে মহিলাসকলে কৃষি ক্ষেত্রত তেওঁলোকৰ সক্রিয় অংশ গ্রহণৰে জৰিয়তে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সম্প্রতি, কৃষি খণ্ডত কর্মশক্তি হিচাপে নিয়োজিত মহিলাৰ সংখ্যা হৈছে ৬১ নিযুত। এই পৰিমাণ হৈছে দেশৰ গ্রাম্যাঞ্চলৰ সর্বমুঠ কর্মীৰ প্রায় ৩০ শতাংশ। বিভিন্ন অধ্যয়নৰ পৰা দেখা গৈছে যে কৃষি ক্ষেত্র আৰু ঘৰৰ বিভিন্ন কাম-কাজত ভাৰতীয় মহিলাসকলে প্রতিদিনে প্রায় ১৪-১৬ ঘণ্টা কাম কৰে। দেশৰ বিভিন্ন গৱেষণা সংস্থাই নির্মাণ কৰি উলিওৱা ৫০ বিধৰো অধিক উন্নত হস্তচালিত আহিলা-পাতি আছে। এইবিলাকৰ মাজৰ পৰা মহিলা কর্মীসকলৰ বাবে সুবিধাজনক বুলি ৩০ বিধ হস্তচালিত আহিলা চিনাক্ত কৰা হৈছে।
- **কৃষি গৱেষণা আৰু বিকাশ** ঃ কৃষি ক্ষেত্রৰ শিক্ষা, গৱেষণা আৰু শিক্ষাৰ সম্প্রসাৰণৰ বাবে ১৯২৯ চনত এক শীর্ষ সংস্থা হিচাপে সমিতি ভাৰতীয় কৃষি গৱেষণা পৰিষদ (Indian Council of Agricultural Research - ICAR) প্রতিষ্ঠা কৰা হয়। ICAR-এ নিৰৱচ্ছিন্নভাৱে কৃষি প্রযুক্তিক গৱেষণাগাৰৰ পৰা কৃষি ক্ষেত্রলৈ স্থানান্তৰিত কৰা বাবেই খাদ্যৰ ক্ষেত্রত এসময়ত নাটনিত ভোগ কৰা দেশখনে খাদ্যৰ উদ্বৃত্ত উৎপাদনকাৰী দেশ হিচাপে পৰিচিত হ'ব পাৰিছে।

  কৃষি সম্পর্কীয় গৱেষণাৰ পৰিণাম স্বৰূপে অধিক উৎপাদনক্ষম বিভিন্ন জাতৰ শস্য, অধিক উৎপাদনক্ষম পশুধন, অধিক কার্যকৰী সাৰ আৰু কীটনাশক আৰু উন্নত কৃষি পদ্ধতি পাবলৈ কৃষকসকল সক্ষম হৈছে। কেৱল কৃষি উৎপাদনশীলতা বৃদ্ধি কৰিবৰ বাবেই নহয়, বৰঞ্চ উৎপাদনশীলতাৰ অৱনতি ৰোধ কৰিবৰ বাবেও কৃষি সম্পর্কীয় গৱেষণা আৱশ্যক।

- **কৃষিৰ আন্তঃগাঁথনি ঃ** আন্তঃগাঁথনি আৰু কৃষিৰ উৎপাদনশীলতাৰ মাজত এক ইতিবাচক সম্পৰ্ক আছে। আন্তঃগাঁথনিৰ ক্ষেত্ৰত ৰাজহুৱা বিনিয়োগে কৃষিৰ উৎপাদনশীলতাক কেনেদৰে প্ৰভাৱান্বিত কৰে সেই কথা ৰাজহুৱা পৰিবহণত হোৱা বিনিয়োগৰ জৰিয়তে প্ৰতিফলিত হৈছে। ঘাইপথৰ উন্নতি সাধনৰ লগে লগে কৃষি ক্ষেত্ৰত ব্যৱহৃত সঁজুলি আদি আহৰণ কৰাত কৃষকৰ ব্যয় হ্ৰাস পাইছে আৰু কৃষি সামগ্ৰী বজাৰলৈ কম খৰচতে উলিয়াই দিয়া সহজ হৈ পৰিছে।

  বীজ, সাৰ, জলসিঞ্চনৰ উৎস আদিৰ দৰে কৃষিৰ আন্তঃগাঁথনি সংগঠিত হ'লেহে বিকাশ ত্বৰান্বিত হয়। মাটিৰ অধিক উৎপাদনক্ষম গুণ, শস্যৰ বাবে আৱশ্যকীয় সাৰৰ সন্তুলিত যোগান, পানীৰ সঠিক ব্যৱস্থা, উন্নত শস্য, শস্যৰ উন্নত সুৰক্ষা, মানদণ্ড বজাই ৰাখিবলৈ আৰু বিপণনৰ বাবে উৎপাদনৰ পৰৱৰ্তী পৰ্যায়ত ব্যৱস্থাপনা— আদিৰ দৰে কাৰকবিলাকে ভাৰতীয় কৃষিখণ্ডৰ ক্ৰমোন্নতিত অৰিহণা যোগাইছে। নিৰ্দ্ধাৰিত লক্ষ্যসমূহত উপনীত হ'বৰ বাবে দেশৰ কৃষিখণ্ডৰ আন্তঃগাঁথনিৰ বিকাশ সাধন কৰিবলৈ চৰকাৰে কেতবোৰ নিৰ্দিষ্ট পদক্ষেপ গ্ৰহণ কৰিছে। সাম্প্ৰতিক কালত DNA সাংকেতিক চিত্ৰণ (DNA Finger printing)-অৰ দৰে আধুনিক জৈৱ প্ৰযুক্তিৰ প্ৰয়োগ, কলা কৰ্ষণ Tissue culture, Terminator Gene Technology আৰু Genetic Cloning আদি কৃষিৰ উৎপাদনশীলতা বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।
- **কৃষিৰ ওপৰত জলবায়ু আৰু বতৰৰ প্ৰভাৱ ঃ** ঔদ্যোগীকৰণ (industrialisation), বনাঞ্চল ধ্বংস (deforestation), কৃষি ভূমিৰ সংকোচন (lencroachment of grasslands), বন্যভূমিৰ সংকোচন (eneroachment of wetlands) ইত্যাদিয়ে বাৰ্ষিক বৃষ্টিপাত আৰু পানীৰ পৰ্যাপ্ততাৰ ওপৰত প্ৰভাৱ পেলাইছে। ইয়াৰ লগে লগে ভূমিৰ প্ৰয়োগ পদ্ধতিও প্ৰভাৱান্বিত হৈছে। বৰষুণৰ পানী আৰু পৃথিৱীৰ উপৰিভাগৰ পানীৰ পুনৰ বিতৰণেও জৈৱ বৈচিত্ৰ্য (bio-diversity) তথা জলজ আৰু স্থলজ উভয় ক্ষেত্ৰৰে প্ৰাকৃতিক উৎপাদনশীলতাক বেয়াকৈ প্ৰভাৱান্বিত কৰিব। এই কু-প্ৰভাৱবিলাক হ্ৰাস কৰিবলৈ বা জলবায়ুৰ পৰিবৰ্তন নিয়ন্ত্ৰণ কৰিবলৈ সাম্প্ৰতিক তথা ভৱিষ্যৎ গৱেষণাৰ প্ৰকল্পসমূহত বৃহৎ হাৰত বিনিয়োগ কৰাটো নিতান্তই প্ৰয়োজন। তেতিয়াহে, ভাৰতৰ দৰে কৃষি ভিত্তিক অৰ্থনীতিৰ দেশে বৰ্ধিত জনসংখ্যাৰ প্ৰয়োজনীয়তা পূৰ কৰিব পাৰিব।
- **চৰকাৰী কাৰ্যক্ৰম ঃ** কৃষিখণ্ডত চৰকাৰৰ ভূমিকা ব্যাপক। চৰকাৰী কাৰ্যসূচীয়ে সম্পদৰ আৱণ্টন আৰু উৎপাদনৰ জৰিয়তে কৃষিৰ উৎপাদনশীলতাক প্ৰভাৱান্বিত কৰে। কৃষিখণ্ডত চৰকাৰ জড়িত হোৱাৰ সবাতোকৈ সাধাৰণ উদাহৰণটো হৈছে চৰকাৰী কৃষি কাৰ্যক্ৰমসমূহ। কিন্তু অন্য উদাহৰণো বহুতো আছে, যথা— কৃষি সম্প্ৰসাৰণৰ কাম-কাজ কৰিবলৈ বে-চৰকাৰী প্ৰতিষ্ঠানবিলাকক উৎসাহিত কৰা উদ্দেশ্যে বিভিন্ন কৰ নীতি প্ৰয়োগ কৰা হয়। কৃষি সম্প্ৰসাৰণৰ কাৰ্যসূচী হাতত ল'বলৈ ৰাজ্য চৰকাৰসমূহেও বহুতো বেচৰকাৰী সংগঠনক উৎসাহিত কৰি আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ জলবায়ু পৰিবর্তনে কৃষিখণ্ডক কেনেদৰে প্রভাৱান্বিত কৰে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৬ ঃ ভাৰতৰ কোনটো সংগঠনক কৃষি সম্পর্কীয় অধ্যয়নৰ শিক্ষা আৰু গৱেষণা শীর্ষ সমিতি বুলি কোৱা হয়? ইয়াৰ ভূমিকা কি? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৭ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ।

ক) ভাৰতৰ পুৰুষ আৰু মহিলাই কৃষিখণ্ডত ব্যৱহৃত সকলো আহিলা-পাতিকে সমান দক্ষতাৰে চলাব পাৰে। (শুদ্ধ/অশুদ্ধ)

খ) আন্তঃগাঁথনি আৰু কৃষিৰ উৎপাদনশীলতাৰ মাজত এক ইতিবাচক সম্পর্ক আছে। (শুদ্ধ/অশুদ্ধ)

৪.৬ নতুন কৃষি নীতি ঃ সেউজ বিপ্লৱ

১৯৪৭ আৰু ১৯৬৭ চনৰ মাজৰ সময়ছোৱাত কৃষি ক্ষেত্রত আত্মনির্ভৰশীল হ'বলৈ চলোৱা প্রচেষ্টা সম্পূর্ণৰূপে সফল হোৱা নাছিল। ১৯৬৭ চনলৈকে চলোৱা প্রচেষ্টাসমূহ কৃষি ক্ষেত্র সম্প্রসাৰণৰ ওপৰতে অধিক কেন্দ্রীভূত আছিল। কিন্তু তৎস্বত্বেও বাতৰি কাকতবিলাকত অনাহাৰত মানুহৰ মৃত্যু হোৱা খবৰ ওলায়েই আছিল। খাদ্যৰ উৎপাদনতকৈ ভাৰতত জনসংখ্যা বৃদ্ধি অধিক দ্রুত হাৰত হৈছিল। ১৯৬১ চনত ভাৰতৰ বাবে দুর্ভিক্ষ এক প্রত্যাহ্বান হৈ পৰিছিল। খাদ্য শস্য উৎপাদনৰ ক্ষেত্রত এক নাটকীয় উন্নতি সাধন কৰাৰ প্রয়োজনীয়তা চৰকাৰে উপলব্ধি কৰিছিল। খাদ্য শস্য উৎপাদন বৃদ্ধি কৰিবৰ বাবে চৰকাৰে সেউজ বিপ্লৱৰ জৰিয়তে এলানি পদক্ষেপ গ্রহণ কৰে। 'সেউজ বিপ্লৱ' হৈছে পৃথিৱীৰ উন্নয়নশীল দেশবিলাকে সফলতাৰে কৃষি সম্পর্কীয় পৰীক্ষা-নিৰীক্ষা চলাবৰ বাবে গ্রহণ কৰা কার্যক্রম। মন কৰিবলগীয়া যে, এই ধাৰণাটো ভাৰতৰ ক্ষেত্রত একক বা বিশেষ নহয়। কিন্তু ভাৰতত এই ধাৰণাটিয়ে আটাইতকৈ বেছি সফলতা কঢ়িয়াই

আনিছে। ১৯৬৭ চনৰ পৰা ১৯৭৮ চনলৈ এই সময়ছোৱাত ভাৰততে সেউজ বিপ্লৱ কার্যকৰী কৰা হৈছিল। পানী যোগানৰ সুবিধাজনক ব্যৱস্থা তথা কৃষি ক্ষেত্ৰত সফলতাৰ এক ইতিহাস থকা বাবে পঞ্জাৱক ভাৰত চৰকাৰে নতুন শস্য কৃষি কর্মৰ বাবে প্ৰথমতে বাছনি কৰিছিল।

ভাৰতত সেউজ বিপ্লৱৰ নীতি ঃ সেউজ বিপ্লৱৰ পদ্ধতিত তিনিটা মূল উপাদান আছে ঃ

- কৃষি ক্ষেত্ৰৰ ধাৰাবাহিক সম্প্ৰসাৰণ,
- চলিত কৃষিভূমিত দুবাৰ খেতি কৰা আৰু
- উন্নত জাতৰ বীজ ব্যৱহাৰ কৰা।

এই নীতিবিলাকৰ বিষয়ে তলত কিছু বহলাই আলোচনা কৰা হ'ল ঃ

- **কৃষি ক্ষেত্ৰৰ ধাৰাবাহিক সম্প্ৰসাৰণ ঃ** ওপৰত উল্লেখ কৰি অহা হৈছে যে ১৯৪৭ চনৰ পাছৰে পৰা কৃষি কার্যত ব্যৱহৃত মাটিৰ পৰিমাণ বৃদ্ধি পাইছে। কিন্তু বর্ধিত জনসংখ্যাৰ চাহিদা পূৰণ কৰিবলৈ এয়া যথেষ্ট নাছিল। ইয়াৰ লগতে অন্যান্য পদ্ধতিবিলাকৰো প্ৰয়োজন আছিল। তথাপি খেতি কৰিব পৰা মাটিত কৃষিকর্মৰ ধাৰাবাহিকতা অব্যাহত ৰাখিবলগীয়া হৈছিল। সেয়ে কৃষিক্ষেত্ৰৰ সম্প্ৰসাৰণ সেউজ বিপ্লৱৰ ক্ষেত্ৰতো অব্যাহত ৰখা হৈছিল।
- **চলিত কৃষিক্ষেত্ৰত দুবাৰ খেতি কৰা ঃ** দুবাৰ শস্য চপোৱাটো সেউজ বিপ্লৱৰ এটা প্ৰাথমিক পদক্ষেপ। বহুৰি এটা খেতিৰ বাবেহে বতৰ অনুকূল হৈ থকা স্বত্বেও বছৰত দুবাৰকৈ খেতি কৰা সিদ্ধান্ত লোৱা হৈছিল। পৰম্পৰাগতভাৱে, প্ৰতি বছৰে কেৱল এবাৰেই খেতি কৰা হৈছিল, কাৰণ বছৰত প্ৰাকৃতিকভাৱে বর্ষাকাল মাথোঁ এবাৰহে হয়। নতুন পদ্ধতিত ব্যাপক জলসিঞ্চন ব্যৱস্থাৰ জৰিয়তে কৃত্ৰিম বাৰিষা সৃষ্টি কৰা পদক্ষেপ গ্ৰহণ কৰা হ'ল। বাৰিষা কালত প্ৰাকৃতিকভাৱে হোৱা বৰষুণৰ বৃহৎ পৰিমাণ আবদ্ধ কৰি ৰাখিবলৈ জলাধাৰ নির্মাণ কৰা হ'ল। ইয়াৰ ফলস্বৰূপে যিখিনি পানী আগতে নষ্ট হৈ আছিল সেইখিনিও ব্যৱহাৰ কৰিব পৰা গ'ল। ইয়াৰ লগতে জলসিঞ্চনৰ আন সহজ কৌশলবিলাকো অৱলম্বন কৰা হ'ল।
- **উন্নত জাতৰ বীজ প্ৰয়োগ ঃ** ই হৈছে সেউজ বিপ্লৱৰ বিজ্ঞান সম্মত দিশ। ১৯২৯ চনত বৃটিছে প্ৰতিষ্ঠা কৰা ভাৰতীয় কৃষি গৱেষণা পৰিষদ (Indian Council for Agricultural Research-ICAR)-ক ১৯৬৫ চনত আৰু তাৰ পাছত আকৌ ১৯৭৩ চনত পুনৰ সংগঠিত কৰা হয়। এই সংস্থাই বিভিন্ন শস্য, বিশেষকৈ ঘেঁহু, ধান আৰু মাহ জাতীয় শস্যৰ অধিক উৎপাদনক্ষম জাত (High Yielding Variety-HYV) উদ্ভাৱন কৰে।

  আগতেই উল্লেখ কৰি অহা হৈছে যে ১৯৬৫ চনৰ পাছত উন্নত জাতৰ বিভিন্ন বীজ প্ৰয়োগ আৰু সাৰ তথা জলসিঞ্চনৰ বর্ধিত প্ৰয়োগ হৈছে সেউজ বিপ্লৱৰ প্ৰধান পদক্ষেপ। ই ভাৰতক খাদ্য শস্যৰ উৎপাদনত আত্মনির্ভৰশীল কৰি তুলিলে। এনেকৈ, দেশখনৰ কৃষি ব্যৱস্থাৰ ব্যাপক উন্নতি সাধন হ'ল। এসময়ত প্ৰত্যাহ্বান হৈ দেখা দিয়া দুর্ভিক্ষ সেউজ বিপ্লৱৰ পাছত সমূলি নোহোৱা হৈ পৰিছে।

১৯৮০-ৰ দশকবিলাকত তিনি বছৰ ধৰি অনিয়মীয়া বৰষুণ আৰু দশকটোৰ মাজভাগত প্ৰচণ্ড খৰাং হোৱাৰ স্বত্বেও ভাৰতে বৃহৎ পৰিমাণৰ খাদ্য আমদানি নকৰাকৈ চলিব পাৰিছিল। এয়া সম্ভৱ হৈছিল দেশখনৰ খাদ্য শস্যৰ উৎপাদন বৃদ্ধি আৰু সংকটকালৰ বাবে কৰি থোৱা অতিৰিক্ত সঞ্চয়ৰ ফলত। ১৯৯০ দশকত খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত ভাৰতে আত্মনিৰ্ভৰশীলতা অৰ্জন কৰে, কিয়নো জনসংখ্যা বৃদ্ধিৰ সৈতে ফেৰ মাৰি খাদ্য শস্যৰ উৎপাদন বৃদ্ধি কৰিবলৈ দেশখন সক্ষম হৈছিল। এয়াই হৈছে সেউজ বিপ্লৱ, উন্নত বীজ আৰু সাৰ, উন্নত জলসিঞ্চন আৰু কৃষকৰ মাজত সজাগতা বৃদ্ধিৰ প্ৰত্যক্ষ পৰিণাম।

গতিকে, ইমানপৰে আমি আলোচনা কৰিলোঁ যে, খাদ্য শস্যৰ উৎপাদন বৃদ্ধি হৈছে সেউজ বিপ্লৱত অন্তৰ্ভুক্ত বিভিন্ন উপাদানৰ সমন্বিত প্ৰচেষ্টাৰ পৰিণতিস্বৰূপ। সেউজ বিপ্লৱৰ এই উপাদানবিলাক হৈছে ঃ উন্নত বীজ, সাৰৰ ব্যাপক প্ৰয়োগ, উন্নত জলসিঞ্চন আৰু কৃষকৰ শিক্ষা। বৰষুণৰ অনিশ্চয়তাৰ ফলত কৃষি উৎপাদনৰ ক্ষেত্ৰত প্ৰতি বছৰে হৈ থকা হ্ৰাস-বৃদ্ধি বৰ্ধিত জলসিঞ্চনৰ ব্যৱস্থাই কিছু পৰিমাণে হ'লেও কম কৰাত সহায় কৰিলে, যদিও ইয়াক সমুলধেঁ নোহোৱা কৰিব পৰা নগ'ল। তলৰ অনুচ্ছেদত দেশত সেউজ বিপ্লৱৰ প্ৰভাৱ সম্পৰ্কে এক সমালোচনামূলক বিশ্লেষণ কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৮ ঃ ভাৰতৰ সেউজ বিপ্লৱৰ তিনিটা মূল উপাদানৰ বিষয়ে উল্লেখ কৰক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন ৯ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

ক) সেউজ বিপ্লৱৰ ধাৰণাটো কেৱল ভাৰততহে প্ৰয়োগ কৰা হৈছে। (শুদ্ধ/অশুদ্ধ)

খ) সেউজ বিপ্লৱ প্ৰয়োগ কৰা স্বত্বেও খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত ভাৰতে আত্মনিৰ্ভৰশীলতা অৰ্জন কৰিব পৰা নাই। (শুদ্ধ/অশুদ্ধ)

৪.৭ সেউজ বিপ্লৱৰ প্ৰভাৱ

৪.৭.১ নতুন কৃষি নীতিৰ সফলতা

তলত দিয়া সফলতাসমূহ গুৰুত্বপূৰ্ণ ঃ

- **শস্যৰ উৎপাদন বৃদ্ধি ঃ** এই নতুন নীতিৰ প্ৰধান সফলতাটো হৈছে ঘেঁহু আৰু ধানৰ দৰে প্ৰধান শস্যৰ উৎপাদন বৃদ্ধি।

- **বাণিজ্যিক শস্যৰ উৎপাদন বৃদ্ধি ঃ** সেউজ বিপ্লৱৰ মূল উদ্দেশ্য আছিল খাদ্য শস্যৰ উৎপাদন বৃদ্ধি কৰা। ই বিভিন্ন ধৰণৰ বাণিজ্যিক শস্য বা নগদী শস্য (commercial or cash crops) যেনে— কুঁহিয়াৰ, কপাহ, মৰাপাট, তেল শস্য আৰু বিলাহী উৎপাদনত প্ৰভাৱ পেলোৱা নাছিল। অৱশ্যে ১৯৭৩-৭৪ চনৰ পাছত কুঁহিয়াৰৰ উৎপাদন উল্লেখনীয়ভাৱে বৃদ্ধি পায়। একেদৰে অন্যান্য নগদী শস্য যেনে— তেল শস্য, বিলাহী ইত্যাদিৰ ক্ষেত্ৰতো উল্লেখযোগ্য উন্নতি হয়।
- **শস্যৰ আৰ্হিৰ উল্লেখযোগ্য পৰিৱৰ্তন ঃ** সেউজ বিপ্লৱৰ পৰিণাম স্বৰূপে ভাৰতৰ শস্যৰ আৰ্হি (crpppping pattern)ৰ তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন হয়। শস্যৰ উৎপাদন বছৰি ৩% পৰা ৪% হাৰত বৃদ্ধি পায়। কিন্তু মাহ জাতীয় শস্যৰ উৎপাদন একে থাকে অথবা হ্ৰাসহে হয়। ইয়াৰ পৰিণামস্বৰূপে খাদ্যশস্য হিচাপে মাহ জাতীয় শস্যৰ গুৰুত্ব হ্ৰাস পায় আৰু ১৯৬০-৬১ বৰ্ষত ইয়াৰ উৎপাদন ১৬%ৰ পৰা ২০০৬-০৭ বৰ্ষত ৬% লৈ হ্ৰাস পায়।
- **কৃষি উৎপাদন আৰু নিয়োগ বৃদ্ধি ঃ** নতুন কৃষি প্ৰযুক্তিৰ সফল ৰূপায়ণৰ ফলত শস্য ক্ষেত্ৰৰ সম্প্ৰসাৰণ হ'ল, মুঠ উৎপাদন বৃদ্ধি পালে আৰু কৃষিখণ্ডৰ উৎপাদনশীলতা বৃদ্ধি হ'ল। ঘেঁহু, ধান, মাকৈ, আলু ইত্যাদি উৎপাদনৰ ক্ষেত্ৰত উল্লেখযোগ্য উন্নতি হ'ল। নতুন কৃষি প্ৰযুক্তি ৰূপায়ণে কৃষি খণ্ডত নিয়োগ বৃদ্ধি কৰিলে; কিয়নো, একাধিকবাৰ খেতি কৰাৰ ফলত কৰ্ম সংস্থানৰ সুযোগ বৃদ্ধি পালে।
- **অগ্ৰৱৰ্ত্তী আৰু পশ্চাদৱৰ্ত্তী পৰিণামসমূহৰ সমন্বয় শক্তিশালী হ'ল** (Forward and Backward Linkages Strengthened) ঃ নতুন প্ৰযুক্তি আৰু কৃষিৰ আধুনিকী-কৰণে উদ্যোগ আৰু কৃষিৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰিলে। কৃষিখণ্ডৰ বিকাশৰ ফলত দেশৰ বিভিন্ন অঞ্চলত বিভিন্ন খাদ্য সংসাধন গোট (Food processing unit) স্থাপন হ'ল।

৪.৭.২সেউজ বিপ্লৱৰ সীমাৱদ্ধতা

- এতিয়াও দেশৰ কৃষি উৎপাদন মাজে সময়ে চাহিদাৰ তুলনাত কম হয়। সেউজ বিপ্লৱে যদিও ব্যাপক প্ৰভাৱ পেলালে তথাপি খাদ্যৰ ক্ষেত্ৰত ভাৰতক সম্পূৰ্ণৰূপে আৰু স্থায়ীভাৱে আত্মনিৰ্ভৰশীল কৰি তোলাত ই সফল নহ'ল। ১৯৭৯ আৰু ১৯৮৭ চনত বৰষুণ কম হোৱা বাবে ভাৰতত বেয়াকৈ খৰাং হৈছিল, এই পৰিস্থিতিয়ে কেতবোৰ প্ৰশ্নৰ উদ্ৰেক ঘটাইছিল— সেউজ বিপ্লৱ প্ৰকৃতাৰ্থত এক দীৰ্ঘস্থায়ী সফলতা হয় নে নহয়। ১৯৯৮ চনত ভাৰতে পিয়াঁজ আমদানি কৰিবলগীয়া হয়। আকৌ শেহতীয়াকৈ দেশখনে চেনী আমদানি কৰিবলগীয়া হৈছে। ভাৰতত সংঘটিত ***বংগ দুৰ্ভিক্ষ*** (Bengal Famine)ৰ অভিজ্ঞতা অতিশয় ভয়াৱহ যদিও তাৰ পুনৰাবৃত্তি



বংগ দুৰ্ভিক্ষ ঃ ১৯৪৩ চনত বংগত হোৱা দুৰ্ভিক্ষ। এই দুৰ্ভিক্ষৰ ফলত বহু লোকৰ প্ৰাণহানি ঘটিছিল।

হোৱাৰ কোনো সম্ভাৱনা নাই। তথাপি আজিও কালাহান্দি (উৰিষ্যা ৰাজ্যৰ এখন ঠাই)ৰ দৰে কিছুমান ঠাই আছে য'ত কেইবাবছৰ ধৰি দুর্ভিক্ষ সদৃশ পৰিস্থিতি বিৰাজমান আৰু অনাহাৰত বহু মানুহৰ মৃত্যু ঘটে।

- ২০ একৰ বা অধিক ভুমি থকা কৃষকসকলে তেওঁলোকৰ কৃষি পদ্ধতিৰ যান্ত্রিকীকৰণ কৰি আৰু একাধিকবাৰ খেতি কৰি অধিক উপার্জন কৰিবলৈ সক্ষম হ'ল। আকৌ কৃষি পদ্ধতিৰ যান্ত্রিকীকৰণৰ জৰিয়তে বহু কৃষি শ্রমিক কর্মসংস্থানহীন হৈও পৰিল।
- ধান খেতিত জড়িত ৭৫%-ৰ পৰা ৯০% কৃষকৰ অর্থনৈতিক অৱস্থা ক্রমান্বয়ে অৱনতি ঘটিল।
- অধিক উৎপাদনক্ষম বিভিন্ন বীজ (HYV) নামটো শুদ্ধ নহয়; কিয়নো, ইয়াৰ অর্থ হৈছে নতুন বীজ বিলাকে নিজেই অধিক উৎপাদন কৰিব পাৰে। কিন্তু প্রকৃততে এই বীজবিলাকৰ উৎপাদন নির্ভৰ কৰে কিছুমান প্রধান উপাদান— যেনে সাৰ আৰু পানীৰ ওপৰত। দৰাচলতে থলুৱা সঁচ বিলাকতকৈ এই নতুন বীজবিলাকৰ উৎপাদন ভাল নহয়। কৃত্রিম সাৰ প্রয়োগ কৰাৰ ফলত উদ্ভিদৰ নাইট্র'জেন নির্গমন কৰাৰ ক্ষমতা বৃদ্ধি পায় আৰু তাৰ ফলত কার্বন-নাইট্র'জেনৰ সন্তুলন ৰক্ষা কৰাৰ ক্ষেত্রত অন্য এক সমস্যাৰ সৃষ্টি কৰে; যাৰ বাবে সিহঁতে অতিৰিক্ত পানী গ্রহণ কৰে।
- HYV বীজবিলাকৰ বংশানুক্রমিক ভিত্তি সংকীর্ণ হোৱা বাবে সিহঁত গুৰুতৰ ৰোগত সহজে আক্রান্ত হয়। কটকৰ কেন্দ্রীয় ধান গৱেষণা প্রতিষ্ঠান (Central Rise Research Institute)-এ পৰীক্ষা কৰি পাইছে যে HYV বীজবিলাক ৰোগৰ দ্বাৰা সহজেই আক্রান্ত হয় আৰু ই ৩০% পৰা ১০০% লোকচান ভৰায়। সেয়ে ভাৰতৰ সেউজ বিপ্লৱক ১০০% ই সফল বুলিব নোৱাৰি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১০ ঃ অধিক উৎপাদনক্ষম বীজবিলাকক ভাৰতৰ বাবে সুবিধাজনক বুলি আপুনি ভাবেনে, কাৰণ দর্শক। (৫০ টা শব্দৰ ভিতৰত).....

.....

.....

.....

প্রশ্ন ১১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

ক) ভাৰতত সেউজ বিপ্লৱ ১০০% সফল হৈছে। (শুদ্ধ/অশুদ্ধ)

খ) সেউজ বিপ্লৱ স্বত্বেও খাদ্য শস্য উৎপাদনৰ ক্ষেত্রত ভাৰত আত্মনির্ভৰশীল হ'ব নোৱাৰিলে। (শুদ্ধ/অশুদ্ধ)



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কৃষি হৈছে ভাৰতীয় অৰ্থনীতিৰ ৰাজহাড়। ভাৰতীয় কৃষিৰ ১০ হাজাৰ বছৰ পুৰণি এক ইতিহাস আছে। কৃষিজাত সামগ্ৰীৰ উৎপাদনৰ ক্ষেত্ৰত বৰ্তমান ভাৰতৰ স্থান বিশ্বৰ ভিতৰত দ্বিতীয়।
- ভাৰতত কৃষি আৰু বন বিভাগৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডৰ মুঠ উপাৰ্জন ২০০৭ চনৰ মুঠ ঘৰুৱা উপাৰ্জনৰ ১৬.৬%।
- ২০০৭ চনত সৰ্বমুঠ কৰ্মশক্তিৰ ৬০% কৃষি খণ্ডত নিয়োজিত আছিল।
- ভাৰত হৈছে গাখীৰ, কাজু বাদাম, নাৰিকল, চাহ, আদা, হালধি আৰু জালুক উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰত প্ৰথম।
- উপাৰ্জন সৃষ্টি আৰু নিয়োগৰ ক্ষেত্ৰত খাদ্য সংসাধন উদ্যোগবিলাক প্ৰতিষ্ঠা হৈ আছে।
- কৃষিভিত্তিক মুঠ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত ভাৰতৰ কৃষি পৰিকল্পনাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।
- ভাৰতৰ কৃষি খণ্ডৰ বিকাশৰ ভিত্তি হৈছে প্ৰাকৃতিক সম্পদসমূহৰ সঠিক ব্যৱহাৰ আৰু সংৰক্ষণ।
- তৃতীয় পৰিকল্পনা সময়ৰ পৰা সেউজ বিপ্লৱৰ পৰিণাম স্বৰূপে জলসিঞ্চন, সাৰ আৰু বীজ প্ৰযুক্তিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে।
- একাদশ পৰিকল্পনাৰ সময়ছোৱাত কৃষিখণ্ডৰ ৪% বিকাশৰ হাৰ আহৰণ কৰিবলৈ পৰিকল্পনা আয়োগে লক্ষ্য নিৰ্ধাৰণ কৰিছে।
- ১৯৬৬ চনৰ পৰা আধুনিক কৃষি পদ্ধতিৰ প্ৰয়োগৰ ফলস্বৰূপে বছৰি ১০% হাৰত কৃষিৰ আধুনিক সজুলিৰ ব্যৱহাৰ বৃদ্ধি পায়।
- নতুন প্ৰযুক্তি আৰু কৃষিৰ আধুনিকীকৰণে উদ্যোগ আৰু কৃষিখণ্ডৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰিলে। নতুন কৃষি প্ৰযুক্তিৰে কৃষকসকলক বজাৰমুখী কৰি তুলিলে।
- 'সেউজ বিপ্লৱ' হৈছে তৃতীয় বিশ্বৰ দেশবিলাকে কৃষি সম্পৰ্কীয় সফল পৰীক্ষা-নিৰীক্ষাৰ বাবে ব্যৱহাৰ কৰা এক পদ্ধতি।
- বৰ্তমানৰ গোলকীয় অৰ্থনীতিৰ পেক্ষাপটত ১০০% আত্মনিৰ্ভৰশীলতাক এক প্ৰধান লক্ষ্য হিচাপে বিবেচনা কৰা নহয়। অৱশ্যে শীতল যুদ্ধৰ সময়ছোৱাত (অৰ্থাৎ, যি সময়ত বিশ্বৰ ৰাজনৈতিক পৰিস্থিতি অতিশয় বিপদজনক আছিল) আত্মনিৰ্ভৰশীলতা অৰ্জন কৰাটো দেশসমূহৰ এক প্ৰধান লক্ষ্য আছিল।



৪.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অৰ্থনীতি— ইয়াৰ পৰিৱৰ্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছাৰ্চ, ২০০৮।

২) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অৰ্থনীতি (উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিসহ)*, বনলতা, ২০০৪।

ইংৰাজী গ্ৰন্থ ঃ

1) Agrawal, A. N. (2019). *Indian Economy: Developmental Problems and Policies.* New Delhi: New Age International Publishers.
2) Datt, G and Mahajan, A. (2016). *Datt & Sundharam's Indian Economy.* New Delhi: S. Chand & Co.
3) Kapila, U. (2003). *Indian Economy since Independence.* New Delhi: Academic Foundation.
4) Misra, S.K. & Puri, V.K. (2018). *Indian Economy.* New Delhi: Himalya Publishing House.

৪.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

২ নং প্ৰশ্ন উত্তৰ ঃ এই কথা সঁচা যে বিগত বছৰবিলাকত ভাৰতৰ গাঁৱলীয়া কৃষকসকলৰ অৱস্থা দিনে দিনে বেয়াৰ ফালে গতি কৰিছে। ইয়াৰ মূল কাৰণটো হৈছে ১৯৫১ আৰু ২০০১ চনৰ মাজৰ সময়ছোৱাত কৃষি শ্ৰমিকৰ পৰিমাণ ২০% ৰ পৰা ২৭% লৈ বৃদ্ধি পালে যদিও কৃষকৰ সংখ্যা ৫০%-ৰ পৰা ৩২%লৈ হ্ৰাস পালে। ইয়াৰ দ্বাৰা এই কথা স্পষ্টভাৱে প্ৰতিপন্ন হৈছে যে দেশৰ গ্ৰামীণ খেতিয়কসকলৰ দৰিদ্ৰতা বৃদ্ধি পাইছে।

৩ নং প্ৰশ্ন উত্তৰ ঃ কৃষি সফল হোৱাৰ প্ৰধান কাৰকবিলাক হৈছে ঃ কৃষি ক্ষেত্ৰৰ মুঠ পৰিমাণ বৃদ্ধি, জলসিঞ্চন ব্যৱস্থাৰ সম্প্ৰসাৰণ, ভূমি সংস্কাৰ বিশেষকৈ ভূমিৰ ক্ষুদ্ৰ ক্ষুদ্ৰ গোটবিলাকৰ একত্ৰীকৰণ।

৪ নং প্ৰশ্ন উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৫ নং প্ৰশ্ন উত্তৰ ঃ ঔদ্যোগিকীকৰণ, বনাঞ্চল ধ্বংস, কৃষিভূমি, বনভূমিৰ সংকোচনে বাৰ্ষিক বৃষ্টিপাত আৰু পানীৰ পৰ্যাপ্ততাক প্ৰভাৱিত কৰিছে। ইয়াৰ লগে লগে ভূমিৰ প্ৰয়োগ পদ্ধতিত প্ৰভাৱান্বিত হৈছে। বৃষ্টিপাত আৰু পৃথিৱীৰ উপৰিভাগৰ পানী পুনৰ বিতৰণে জৈৰ বৈচিত্ৰ্য, স্থলজ আৰু জলজ উভয় প্ৰাকৃতিক উৎপাদনক বেয়াকৈ প্ৰভাৱিত কৰিছে।

৬ নং প্ৰশ্ন উত্তৰ ঃ কৃষি ক্ষেত্ৰৰ শিক্ষা, গৱেষণা আৰু শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে থকা শীৰ্ষ সংস্থাটো হৈছে ভাৰতীয় কৃষি গৱেষণা পৰিষদ Indian Council of Agricultural Research (ICAR)। ICAR-এ নিৰৱচ্ছিন্নভাৱে কৃষি প্ৰযুক্তিক গৱেষণাগাৰৰ পৰা কৃষি ক্ষেত্ৰলৈ স্থানান্তৰিত কৰাত খাদ্যৰ ক্ষেত্ৰত এসময়ত নাটনিত ভোগা হোৱা দেশখনে ভাৰতে নিজকে খাদ্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব পাৰিছে।

৭ নং প্ৰশ্ন উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৮ নং প্ৰশ্ন উত্তৰ ঃ ভাৰতৰ সেউজ বিপ্লৱৰ তিনিটা প্ৰধান উপাদান হৈছে ঃ

- কৃষি ক্ষেত্ৰৰ ধাৰাবাহিক সম্প্ৰসাৰণ,

- বছৰত কৃষি ক্ষেত্ৰত দুবাৰ শস্য চপোৱা আৰু
- উন্নত জাতৰ বীজ প্ৰয়োগ।

৯ নং প্ৰশ্ন উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

১০ নং প্ৰশ্ন উত্তৰ ঃ অধিক উৎপাদনক্ষম বীজবিলাক (HYV) সংকীৰ্ণ বংশানুক্ৰমিক ভিত্তিৰ হোৱা বাবে সহজে গুৰুতৰ ৰোগত আক্ৰান্ত হ'ব পাৰে। কটকৰ কেন্দ্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠান (Central RiseResearch Institute)ৰ গৱেষণাত দেখা গৈছিল যে (HYV) বীজবিলাক ৰোগৰ দ্বাৰা সহজে আক্ৰান্ত হয় আৰু ৩০% পৰা ১০০% পৰ্যন্ত শস্যৰ হানি হয়।

১১ নং প্ৰশ্ন উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৪.১১ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ স্বাধীনতাৰ পিছৰে পৰা ভাৰতৰ কৃষি বিকাশ সম্পৰ্কে এক চমুটোকা লিখক।

২ নং প্ৰশ্ন ঃ ভাৰতীয় কৃষি উৎপাদনশীলতা বৰ্তমানৰ স্থিতি সম্পৰ্কে চমুকৈ আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ ভাৰতৰ নতুন কৃষি নীতিৰ প্ৰধান সফলতাবিলাক উল্লেখ কৰক।

৪ নং প্ৰশ্ন ঃ ভাৰতৰ নতুন কৃষি নীতিৰ দুৰ্বলতাবিলাক উল্লেখ কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ ভাৰতীয় অৰ্থনীতিত কৃষিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ কৃষি উৎপাদন আৰু কৃষিৰ উৎপাদনশীলতাৰ ধাৰা সম্পৰ্কে এখন ৰচনা লিখক।

৩ নং প্ৰশ্ন ঃ ভাৰতীয় কৃষিৰ প্ৰধান প্ৰতিবন্ধকতাবিলাক ব্যাখ্যা কৰক।

৪ নং প্ৰশ্ন ঃ ভাৰতৰ নতুন কৃষিনীতি বুলিলে আপুনি কি বুজে? ভাৰতীয় কৃষিত নতুন কৃষিনীতি আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ভূমি সংস্কাৰ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ স্বাধীনতাৰ সময়ত মাটিৰ পট্টাৰ ব্যৱস্থা

৫.৪ ভাৰতত ভূমি সংস্কাৰৰ পদক্ষেপ ঃ উদ্দেশ্য আৰু কৰ্মনীতি

৫.৫ ভাৰতত ভূমি সংস্কাৰ পদক্ষেপৰ সমালোচনাত্মক মূল্যায়ন

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্রগতিৰ খতিয়ান

৫.৯ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মাটিৰ পট্টাৰ অর্থ সম্পর্কে আলোচনা কৰিব পাৰিব,
- স্বাধীনতা লাভৰ সময়ৰ মাটিৰ পট্টা পদ্ধতিৰ বিষয়ে জানিব পাৰিব,
- ভূমি সংস্কাৰৰ উদ্দেশ্য আৰু কৰ্মনীতিৰ সম্পর্কে আলোচনা কৰিব পাৰিব, আৰু
- ভাৰতৰ ভূমি সংস্কাৰৰ পদক্ষেপবিলাকৰ সমালোচনাত্মক মূল্যায়ন কৰিব পাৰিব।

৫.২ পৰিচয়

মাটিৰ পট্টাৰ অর্থ হৈছে একোজন লোকে চৰকাৰৰ পৰা মাটি নিজৰ কৰি লোৱা পদ্ধতি। ই মাটিৰ অধিগ্রহণকাৰী আৰু চৰকাৰৰ মাজৰ সম্পর্ক দেখুৱায়। মাটিৰ প্রকৃত মালিকীস্বত্ব চৰকাৰৰ হাতত থাকে। কোনো ব্যক্তি বা ব্যক্তিসমষ্টিক চৰকাৰে মালিকীস্বত্ব প্রদান কৰে। মাটিৰ মালিকজন হৈছে সেই নির্দিষ্ট মাটিৰ গৰাকী আৰু তেওঁ তাৰ বাবে চৰকাৰক ভূমি ৰাজহ পৰিশোধ কৰিব লাগে।

দেশৰ পট্টা পদ্ধতিয়ে ভূমিৰ মালিকীস্বত্ব, কৃষক আৰু চৰকাৰৰ সৈতে থকা ভূমিৰ গৰাকীৰ সম্পর্ক চিনাক্ত কৰে। ই কৃষক আৰু চৰকাৰৰ সৈতে জড়িত। ভূমিৰ পট্টাৰ লগত প্রচলিত বিধি-বিধান আৰু কৃষকে যিবিলাক চর্তৰ অধীনত নির্দিষ্ট মাটিত খেতি কৰে সেই চর্তৰ সৈতে জড়িত। স্বাধীনতাৰ পৰৱর্তী কালত মাটিৰ পট্টা পদ্ধতিত থকা প্রতিবন্ধকতাবিলাক আঁতৰ কৰিবলৈ ভূমি সংস্কাৰৰ পদক্ষেপ গ্রহণ কৰা হয়। এই অধ্যায়টিত এনে বিভিন্ন বিষয় সম্পর্কে আলোচনা কৰা হৈছে।

৫.৩ স্বাধীনতাৰ সময়ত ভূমিৰ পট্টাৰ পদ্ধতি

স্বাধীনতা লাভৰ সময়ছোৱাত দেশত তিনি প্ৰকাৰৰ ভূমিৰ পট্টাৰ ব্যৱস্থা আছিল। এই পদ্ধতিবিলাক আছিল জমিদাৰী পদ্ধতি, মহলৱাৰী পদ্ধতি আৰু ৰায়তৱাৰী পদ্ধতি।

জমিদাৰী পদ্ধতি (Zamidari System) ঃ জমিদাৰী পদ্ধতিত, কৃষকৰ পৰা ভূমিৰ ৰাজহ জমিদাৰসকলে সংগ্ৰহ কৰিছিল। ১৭৯১ চনত কোম্পানীৰ ৰাজহ বৃদ্ধি কৰাৰ উদ্দেশ্যে ভূ-স্বামীসকলৰ সৈতে লৰ্ড কৰ্ণৱালিচে স্থায়ী বন্দোৱস্তি কৰাৰ সময়ত এই পদ্ধতি ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সৃষ্টি কৰিছিল। এই বন্দোৱস্তিৰ অধীনত ভূ-স্বামীসকলক জমিদাৰ বুলি কোৱা হৈছিল আৰু তেওঁলোকক বৃহৎ পৰিমাণৰ মাটিৰ মালিক বুলি ঘোষণা কৰা হৈছিল। ইয়াৰ প্ৰতিদান স্বৰূপে কৃষকসকলৰ পৰা ৰাজহ সংগ্ৰহ কৰা কামটো তেওঁলোকৰ ওপৰত ন্যস্ত কৰা হৈছিল। এনেদৰে জমিদাৰসকলে কৃষক আৰু ৰাষ্ট্ৰৰ মাজৰ মধ্যস্থতাকাৰী হিচাপে কাম কৰিছিল। জমিদাৰসকলে সংগ্ৰহ কৰা সৰ্বমুঠ ৰাজহৰ ১০/১১ ভাগ (অৰ্থাৎ ১১ ভাগৰ ১০ ভাগ) চৰকাৰে লাভ কৰিছিল আৰু বাকীখিনি জমিদাৰসকলে মাননী হিচাপে পাইছিল। স্বাধীনতাৰ সময়ত পশ্চিমবংগ, বিহাৰ, উৰিষ্যা, উত্তৰ প্ৰদেশ, অন্ধ্ৰপ্ৰদেশ আৰু মেঘালয়ত এই পদ্ধতি ব্যাপক হাৰত প্ৰচলিত আছিল।

জমিদাৰী পদ্ধতিত কিছুমান আসোঁৱাহ আছিল। ই এনে এটা কৃষি গাঁথনি গঢ়ি তুলিছিল যাৰ জৰিয়তে এক শ্ৰেণী লোকে উৎপাদন প্ৰক্ৰিয়াত নিজে অংশগ্ৰহণ নকৰাকৈয়ে ভূমিৰ পৰা হোৱা উৎপাদনৰ এটা বৃহৎ অংশ লাভ কৰিছিল। জমিদাৰসকলে নিজ ইচ্ছা অনুসৰি কৃষকৰ পৰা ৰাজহ সংগ্ৰহ কৰিব পাৰিছিল, সেয়ে এই পদ্ধতিটোৰ জৰিয়তে ব্যাপক হাৰত শোষণ হৈছিল। ভূমিৰ পৰা হোৱা উপাৰ্জনৰ এটা বৃহৎ অংশ এচাম লোকে কোনোধৰণৰ শ্ৰম নকৰাকৈয়ে হস্তগত কৰিব পৰাটো কেৱল সামাজিকভাৱেই যে অনৈতিক আছিল তেনে নহয়, বৰঞ্চ ই পুঁজি গঠনৰ ক্ষেত্ৰতো বৈষম্য সৃষ্টি কৰিছিল আৰু অৰ্থনৈতিক বিকাশ বাধাগ্ৰস্ত কৰিছিল। প্ৰকৃত কৃষকে কৃষি কাৰ্যৰ উন্নতি সাধনত, উন্নত বীজ আৰু সাৰ আহৰণত বিনিয়োগ কৰিব পৰাকৈ কোনোধৰণৰ উদ্বৃত্ত লাভ কৰা নাছিল আৰু কৃষিৰ উৎপাদনশীলতা বৃদ্ধি কৰিবৰ বাবেও কৃষকে কোনোধৰণৰ উদগনি পোৱা নাছিল।

আকৌ ভূমিৰ ওপৰত থকা অধিকাৰৰ তথ্য-পাতিসমূহ বহু অঞ্চলৰ জমিদাৰে প্ৰণালীবদ্ধভাৱে ৰখা নাছিল। ইয়াৰ পৰিণতিত কৃষকসকলে ঋণ ল'বৰ কাৰণে তেওঁলোকৰ মাটি বন্ধকত ৰখাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈছিল। ফলস্বৰূপে, জমিদাৰী অঞ্চলবিলাকত, ঋণদাতা প্ৰতিষ্ঠানবিলাকৰ বিকাশৰ গতি লেহেমীয়া হৈ পৰিছিল। এই অঞ্চলবিলাকত, বিশেষকৈ কৃষিখণ্ডত, ৰাজহুৱা বিনিয়োগৰ পৰিমাণ খুব কম আছিল। গৰু-ম'হ চৰণীয়া ঠাই, বনাঞ্চল ইত্যাদিৰ ওপৰত সমূহীয়া অধিকাৰ সীমিত হৈ পৰিছিল আৰু এইবিলাক ব্যৱহাৰ কৰিবলৈও কৃষকে মূল্য পৰিশোধ কৰিবলগীয়া হৈছিল।

মহলৱাৰী পদ্ধতি (Mahalwari System) ঃ এই পদ্ধতিটো উইলিয়াম বেণ্টিংকে

আগ্রা আৰু অন্ধ্রপ্রদেশত প্রচলন কৰিছিল। পৰৱৰ্তীকালত ই মধ্যপ্রদেশ আৰু পঞ্জাৱলৈও প্রসাৰিত হৈছিল। এই পদ্ধতিত ভূমিৰ ৰাজহ জড়িত হৈ থকা সমগ্র গাঁওখনকে এটা শাখা হিচাপে গণ্য কৰা হৈছিল। ভূমিৰ ৰাজহ সংগ্রহ কৰা আৰু কোষাগাৰত জমা কৰাৰ দায়িত্ব গাঁৱৰ মুখিয়ালজনৰ ওপৰত বা এই উদ্দেশ্যে নিযুক্তি দিয়া সহযোগী অংশীদাৰ এজনৰ ওপৰত ন্যস্ত কৰা হৈছিল। এই পদ্ধতিত মাটিৰ মালিকীস্বত্ব সমূহীয়া আছিল।

মাটিৰ পট্টাৰ এই পদ্ধতিটোত কিছুমান আসোঁৱাহ আছিল, বন্দোৱস্তিৰ সময়, ভূমিৰ ৰাজহ নির্ধাৰণ ইত্যাদি বেলেগ বেলেগ মহলৰাৰী পদ্ধতিত বেলেগ বেলেগ ধৰণৰ আছিল।

ৰায়তৰাৰী পদ্ধতি (Ryotwari System) ঃ এই পদ্ধতিৰ অধীনত চৰকাৰক ভূমিৰ ৰাজহ আদায় দিয়াৰ দায়িত্ব কৃষক বা ব্যক্তিগত ৰায়তজনৰ নিজৰ। ইয়াত ৰায়ত আৰু ৰাষ্ট্রৰ মাজত কোনো ধৰণৰ মধ্যস্থতাকাৰী নাথাকে। মাটিৰ বিক্রী, হস্তান্তৰ আৰু ভাৰাত দিয়াৰ সম্পূর্ণ অধিকাৰ ৰায়তৰ থাকে আৰু যেতিয়ালৈকে তেওঁ ভূমিৰ ৰাজহ পৰিশোধ কৰি থাকে, তেতিয়ালৈকে তেওঁক উচ্ছেদ কৰিব নোৱাৰে। জমিদাৰী পদ্ধতিত এই অধিকাৰবিলাক নাছিল।

ৰায়তৰাৰী পদ্ধতিত ভূমি ৰাজহৰ বন্দোৱস্তি সাময়িক ভিত্তিত কৰা হৈছিল। মধ্য প্রদেশত এনেধৰণৰ সাময়িক বন্দোৱস্তি প্রতি ২০ বছৰৰ মূৰে মূৰে, মহাৰাষ্ট্র বা বোম্বেত ৩০ বছৰৰ মূৰে মূৰে আৰু মাদ্রাজ বা তামিলনাড়ুত আৰু উত্তৰ প্রদেশত প্রতি ৪০ বছৰৰ মূৰে মূৰে কৰা হৈছিল।

ৰায়তৰাৰী পদ্ধতিটোৱে কৃষকৰ মাজত জনপ্রিয়তা অর্জন কৰিছিল যদিও ইয়াতো কিছুমান আসোঁৱাহ থাকি গৈছিল। এই অঞ্চলবিলাকত কৃষকৰ অজ্ঞতা আৰু দৰিদ্রতাৰ সুযোগ গ্রহণ কৰি ঋণদাতা অথবা মহাজনসকলে শোষণ কৰিব পাৰিছিল। তেওঁলোকে কৃষকৰ মাটি বন্ধকত ৰাখি কৃষকক ঋণ দিছিল। এনেকৈ ভূমিৰ এটা অংশ কৃষকৰ মালিকীস্বত্বৰ পৰা ওলাই গৈ ঋণদাতা আৰু মহাজনসকলৰ সম্পত্তিত পৰিণত হৈছিল। মহাজনসকলে এনেকুৱা মাটি খেতি কৰিবলৈ ভাৰাত দিছিল আৰু এনেদৰেই এক শ্রেণী শোষণকাৰী নতুন জমিদাৰৰ উদ্ভৱ হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ভাৰতত জমিদাৰী প্রথা কেতিয়া প্রচলন কৰা হৈছিল আৰু এই প্রথাটো কি আছিল? (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্রশ্ন ২ ঃ স্বাধীনতাৰ সময়ত জমিদাৰী প্রথাৰ ব্যাপক প্রচলন থকা ৰাজ্যকেইখনৰ নাম

উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ মহলৱাৰী প্ৰথা কি আৰু এই প্ৰথা কোনে প্ৰচলন কৰিছিল? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৫.৪ ভাৰতত ভূমি সংস্কাৰ ঃ উদ্দেশ্য আৰু কৰ্মনীতি

জমিদাৰী পদ্ধতিত জমিদাৰসকল এক পৰাশ্ৰয়ী জীৱৰ নিচিনা আছিল। এই শ্ৰেণীটোৱে নিজে খেতিপথাৰত কাম কৰা নাছিল যদিও কৃষকসকলে উৎপাদন কৰা শস্যৰ এটা ন্যূনতম অংশ ওপৰতে হস্তগত কৰিছিল। মহলৱাৰী আৰু ৰায়তৱাৰী পদ্ধতিৰ অধীনত কৃষকসকলৰ কৃষিকাৰ্য ব্যাপক হাৰত হোৱা লগে লগে এই কৃষকসকলৰ ওপৰত বিভিন্ন দিশৰ পৰা শোষণৰ মাত্ৰাও বৃদ্ধি পাইছিল। জমিদাৰসকলক আমি পৰাশ্ৰয়ী জীৱ বুলি কৈছোঁ কিয়নো তেওঁলোকে কৃষকসকলৰ উৎপাদিত শস্য ওপৰতে ভোগ কৰি আছিল।

ভাৰতত স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত প্ৰকৃত কৃষকৰ ওপৰত চলা শোষণ বন্ধ কৰিবলৈ আৰু তেওঁলোকক মাটিৰ মালিকীস্বত্ব প্ৰদান কৰিবলৈ ভূমি সংস্কাৰৰ পদক্ষেপ লোৱা হয়। ভূমি সংস্কাৰৰ উদ্দেশ্য আছিল পৰাশ্ৰয়ী জীৱ শ্ৰেণীটোৰ হাতৰ মুঠিৰ পৰা মাটিৰ প্ৰকৃত কৃষকসকলক মুক্ত কৰা আৰু প্ৰকৃত কৃষকক মাটিৰ মালিকীস্বত্ব প্ৰদান কৰা। ভূমি সংস্কাৰৰ অন্য উদ্দেশ্যবিলাকৰ ভিতৰত আছিল কৃষিৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতাবিলাক আঁতৰ কৰা, কৃষকক সুৰক্ষা দিয়া আৰু গাঁৱৰ সকলো স্তৰৰ জনসাধাৰণৰ সমমৰ্যাদা আৰু সমান সুযোগ নিশ্চিত কৰা।

ভূমি সংস্কাৰৰ উদ্দেশ্য (Objectives of Land Reforms) ঃ ভাৰতৰ প্ৰচলন কৰা ভূমি সংস্কাৰৰ পদক্ষেপসমূহৰ প্ৰধান উদ্দেশ্যবিলাক আছিল ঃ

- অতীতৰ পৰা কৃষি গাঁথনিটোত থকা প্ৰতিবন্ধকতাবিলাক আঁতৰ কৰি কৃষিৰ উৎপাদন বৃদ্ধি কৰা।
- কৃষি ব্যৱস্থাটোৰ ভিতৰত থকা সকলো ধৰণৰ শোষণ আৰু সামাজিক অন্যায় বন্ধ কৰা।
- কৃষকক সুৰক্ষা দিয়া আৰু গাঁৱৰ সকলো স্তৰৰ জনসাধাৰণৰ সমমৰ্যাদা আৰু সমান সুযোগ নিশ্চিত কৰা।

ভূমি সংস্কাৰৰ কৰ্মনীতি (Strategies of Land Reforms) ঃ উল্লিখিত উদ্দেশ্যবিলাকত সফল হ'বলৈ গ্ৰহণ কৰা কৰ্মনীতিসমূহ আছিল ঃ

- মধ্যস্থতাকাৰীৰ বিলোপ সাধন,
- ৰায়তীস্বত্বৰ সংস্কাৰ সাধন, আৰু

- কৃষি খণ্ডক পুনৰ সংগঠিত কৰা।

এই কৰ্মনীতিবিলাকৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

- **মধ্যস্থতাকাৰীৰ বিলোপ সাধন** (Abolition of Intermediaries) ঃ স্বাধীনতাৰ প্ৰাক্‌কালত দেশৰ প্ৰায় ৫৭ শতাংশ ভূমি জমিদাৰী পদ্ধতিৰ অধীনত আছিল আৰু জমিদাৰসকলে ৰাষ্ট্ৰ আৰু কৃষকৰ মাজত মধ্যস্থতাকাৰী হিচাপে কাম কৰিছিল। এই কৃষি সম্পৰ্কত কৃষকৰ ওপৰত শোষণ অব্যাহত আছিল আৰু সেইটোৱে আছিল অৰ্থনৈতিক অনগ্ৰসৰতাৰ এক প্ৰধান কাৰণ। সেয়ে, দেশৰ কৃষিখণ্ড বিকাশৰ বাবে এই মধ্যস্থতাকাৰীসকলক উৎখাত কৰাটো প্ৰয়োজনীয় হৈ পৰিছিল। দেশে স্বাধীনতা লাভ কৰাৰ পাছত বিশেষকৈ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত এই মধ্যস্থতাকাৰীসকলৰ অবলুপ্তিৰ বাবে প্ৰণয়ন কৰা আইনখনত অনুমোদন জনোৱা হয়। এইটো আছিল অত্যন্ত কঠিন কাম। কাৰণ, বিহাৰ, উৰিষ্যা, পশ্চিমবংগৰ দৰে স্থায়ীভাৱে ভূমিৰ বন্দোবস্তি থকা অঞ্চলবিলাকত আৰু সৌৰাষ্ট্ৰৰ দৰে ***জাগীৰদাৰী বন্দোৱস্তিৰ*** অধীনস্থ অঞ্চলবিলাকত ভূমিৰ অভিলেখ আৰু প্ৰশাসনীয় যন্ত্ৰ প্ৰায় নিশ্চিহ্ন হৈ গৈছিল। প্ৰথম পৰিকল্পনাৰ শেষৰ ফালে দেশৰ কিছুমান অঞ্চলৰ কেইটামান ক্ষুদ্ৰ ক্ষুদ্ৰ ঠাইৰ বাহিৰে, মধ্যস্থতাকাৰীসকলৰ পৰা ১৭৩ নিযুত অঞ্চল আহৰণ কৰা হয় আৰু ইয়াৰ পৰিণতিত প্ৰায় ২ কোটি কৃষকক ৰাষ্ট্ৰৰ সৈতে পোনপটীয়া সম্পৰ্কলৈ অনা হয়।
- **ৰায়তীস্বত্বৰ সংস্কাৰ** (Tenancy Reforms) ঃ কৃষকসকলক (১) দখলী কৃষক, (২) চুক্তিবদ্ধ কৃষক আৰু (৩) উপ-কৃষক— এইকেইটা শ্ৰেণীত ভাগ কৰিব পাৰি। দখলী কৃষকে মাটিৰ গৰাকীৰ দৰে স্থায়ী অধিকাৰবিলাক ভোগ কৰে আৰু তেওঁলোকে খাজনা দি থকা পৰ্যন্ত উচ্ছেদৰ সন্মুখীন হোৱাৰ ভয় নাথাকে। কিন্তু চুক্তিবদ্ধ কৃষক আৰু উপ-কৃষকসকলে যথেষ্ট সমস্যাৰ সন্মুখীন হয়। ভূ-স্বামীসকলৰ কৰুণাৰ ওপৰতে তেওঁলোকৰ স্থিতি নিৰ্ভৰশীল আৰু সেয়ে ভূ-স্বামীসকলে গ্ৰহণ কৰা বিভিন্ন শোষণমূলক কাৰ্যকলাপৰ তেওঁলোক সহজেই বলি হয়। সেয়ে, এই কৃষকসকলক সুৰক্ষা দিবলৈ বিশেষ আইন প্ৰস্তুত কৰি বলবৎ কৰিবলগীয়া হয়।



জাগীৰদাৰী বন্দোৱস্তিৰ ঃ জাগীৰদাৰী বন্দোৱস্তি সৌৰাষ্ট্ৰ তথা পঞ্জাৱৰ আন কিছুমান অঞ্চলত প্ৰচলিত কৃষিকাৰ্যৰ এক মধ্যস্থতাকাৰী ব্যৱস্থা।

কৃষি সংস্কাৰৰ জৰিয়তে গ্ৰহণ কৰা পদক্ষেপবিলাক হৈছে ঃ

(ক) খাজনা নিয়ন্ত্ৰণ

(খ) মাটিৰ পট্টাৰ নিৰাপত্তা আৰু

(গ) কৃষিভূমিৰ ওপৰত কৃষকৰ মালিকীস্বত্ব নিশ্চিতকৰণ।

ক) খাজনা নিয়ন্ত্ৰণ (Regulation of Rent) ঃ প্ৰাক্‌-স্বাধীনতা কালত জমিদাৰসকলে কৃষকৰ পৰা আদায় কৰা খাজনা অত্যন্ত বেছি আছিল। বৃটিছ চৰকাৰে খাজনাৰ পৰা পোৱা নিজৰ অংশক লৈ যথেষ্ট আগ্ৰহী আছিল আৰু সেয়ে কৃষকৰ পৰা ডকা-হকা দি খাজনা আদায় কৰিবলৈ জমিদাৰসকলক অসীম ক্ষমতা প্ৰদান কৰিছিল। সেয়ে সামগ্ৰিকভাৱে দেশত প্ৰচলিত খাজনাৰ হাৰ উৎপাদনৰ ৩৪%ৰ পৰা ৭৫% পৰ্যন্ত আছিল। এই অত্যন্ত উচ্চ হাৰৰ খাজনা আদায় দিবলগীয়া হোৱা বাবে কৃষকসকলে জীৱনধাৰণৰ ন্যূনতম মানদণ্ডখিনি বজাই

ৰাখিবলৈও কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল। ইয়াৰ পৰিণতিত, খাজনাৰ সীমা নিৰ্ধাৰণ কৰিবলৈ আৰু কৃষকৰ ওপৰত থকা বোজা পাতলাবলৈ ১৯৪৭ চনৰ পাছত কিছুমান আইন প্ৰস্তুত কৰা হয়। প্ৰথম পৰিকল্পনাত সৰ্বমুঠ ৰাজহৰ পৰিমাণ মুঠ উৎপাদনৰ এক চতুৰ্থাংশ বা এক পঞ্চমাংশ স্থিৰ কৰিব লাগে বুলি সিদ্ধান্ত লোৱা হয়।

খ) **পট্টাৰ নিৰাপত্তা** (Security of Tenure) ঃ কৃষকসকলক তেওঁলোকৰ ভূমিৰ পৰা উচ্ছেদিত হোৱাত বাধা দিবলৈ আৰু ভূমিৰ ওপৰত তেওঁলোকক স্থায়ী অধিকাৰ দিবৰ বাবে অধিকাংশ ৰাজ্যতে ৰাজ্য চৰকাৰসমূহে আইন প্ৰণয়ন কৰি আইনত অনুমোদন জনায়। পট্টাৰ নিৰাপত্তা নিশ্চিত কৰিবৰ বাবে প্ৰস্তুত কৰা এই আইন-কানুনৰ উদ্দেশ্য আছিল ঃ (১) আইনৰ বিধিৰ বাহিৰে অন্য কাৰণত কৃষকক উচ্ছেদ কৰাটো বন্ধ কৰা, (২) কেৱল গৰাকীয়েহে ব্যক্তিগত কৃষিকাৰ্যৰ বাবে ভূমি বাজেয়াপ্ত কৰিব পাৰিব আৰু (৩) ভূমি বাজেয়াপ্ত কৰাৰ ক্ষেত্ৰত কৃষকজনক নিৰ্ধাৰিত ন্যূনতম অংশৰ আশ্বাস দিয়া হ'ব।

অৱশ্যে একোটা নিৰ্দিষ্ট এলেকাত আইনে কৃষকক দিয়া সুৰক্ষাৰ মাত্ৰা তলত উল্লেখ কৰা গুৰুত্বপূৰ্ণ কাৰককেইটাৰ ওপৰত নিৰ্ভৰ কৰে ঃ

- কৃষকৰ সংজ্ঞা,
- কৃষিকাৰ্যৰ বাবে ব্যৱহৃত ভূমি বাজেয়াপ্ত কৰিবলৈ ভূ-স্বামীসকলক অনুমতি দিয়া পৰিস্থিতি,
- ব্যক্তিগত কৃষিকাৰ্য— এই বাক্যাংশৰ সংজ্ঞা, আৰু
- ভূমি অভিলেখৰ অৱস্থা।

গ) **কৃষকৰ মালিকীস্বত্ব** (Ownership Right for Tenants) ঃ ছাৰ আৰ্থাৰ য়ঙে কৈছিল, 'এজন মানুহক সুৰক্ষিতভাৱে কাম-কাজ কৰিবলৈ এটা উদং পাহাৰ দিয়া; তেওঁ ইয়াক এখন বাগিচাত পৰিণত কৰিব। আকৌ, এখন বাগিচা তেওঁক ন-বছৰলৈ ভাৰাত দিয়া, তেওঁ ইয়াক এখন মৰুভূমিত পৰিণত কৰিব।' এই বাক্য কেইশাৰীতেই মাটিৰ মালিকীস্বত্বৰ গুৰুত্ব সোমাই আছে। দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ নথি-পত্ৰত এই কথাৰ ওপৰত আলোকপাত কৰা হৈছিল যে কৃষকক মাটিৰ মালিকীস্বত্ব দিব লাগে। ইয়াৰ অৰ্থ হৈছে, কৃষকে খেতি কৰা মাটিখিনিৰ গৰাকী কৃষকেই হ'ব লাগে। কাজেই, কৃষকক মালিকীস্বত্ব প্ৰদান কৰিবলৈ বহুতো ৰাজ্যই আইন প্ৰণয়ন কৰি তাত অনুমোদন জনায়।

এই কথা দেখা গ'ল যে বিভিন্ন ৰাজ্যত কৃষকক মাটিৰ মালিকীস্বত্ব প্ৰদান কৰাৰ পৰিণতিত ৬.৩২ নিযুত হেক্টৰ মাটিৰ ওপৰত প্ৰায় ১২.৪২ নিযুত কৃষকে মালিকীস্বত্ব লাভ কৰিলে। বিভিন্ন আৰ্থ-সামাজিক কাৰণ, যেনে— ক্ৰয় ক্ষমতাৰ অভাৱ বা ভূ-স্বামীসকলৰ পৰা অহা অহৰহ হেঁচাৰ বাবে যিসকল কৃষকে মাটি ক্ৰয় কৰিব পৰা নাছিল তেওঁলোককো মালিকীস্বত্ব প্ৰদান কৰিবলৈ আইনগত ব্যৱস্থা কৰা হ'ল।

এই কথা মন কৰিবলগীয়া যে দেশৰ কৃষি সম্পৰ্কীয় সকলো আইনতে হাজিৰা লৈ বা উৎপাদনৰ অংশৰ বিনিময়ত আনৰ মাটিত খেতি কৰা লোকসকলকো কৃষক হিচাপেই গণ্য

কৰা হয়। অৱশ্যে কিছুমান ৰাজ্যত উৎপাদিত শস্যৰ অংশ লৈ খাজনা পৰিশোধ কৰা লোকসকলক কৃষক হিচাপে গণ্য কৰা নহয়। এনেদৰে, কৃষকসকলক সুৰক্ষিত কৰিবৰ বাবে প্ৰস্তুত কৰা সকলো আইনে দৰাচলতে তেওঁলোকক সহায় কৰা নাছিল। উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগৰ বাহিৰে বাকী সকলো ৰাজ্যতে ব্যক্তিগত কৃষি কাৰ্যৰ বাবে মাটিৰ গৰাকীসকলক মাটি বাজেয়াপ্ত (Resumption) কৰাৰ এক সীমিত অধিকাৰ প্ৰদান কৰা হৈছিল। কিছুমান ৰাজ্যত উৰ্দ্ধতম সীমা পৰ্যন্ত মাটি বাজেয়াপ্ত কৰিবলৈ মাটিৰ মালিকক অনুমতি দিয়া হৈছিল। ইয়াৰ বিপৰীতে, আন কিছুমান ৰাজ্যত অনুমোদিত সীমা বাজেয়াপ্তকৰণৰ সীমাতকৈ কম আছিল। কেইবাখনো ৰাজ্যই এনে ধৰণৰ আইন প্ৰণয়ন কৰিছিল যাৰ দ্বাৰা মাটিৰ মালিকে ব্যক্তিগতভাৱে খেতি কৰিবলৈ মাটি বাজেয়াপ্ত কৰিলে তেওঁ এটা ন্যুনতম অংশ কৃষকক এৰি দিব লাগিছিল।

মাটি বাজেয়াপ্ত কৰাৰ ক্ষেত্ৰত ব্যক্তিগত কৃষিকাৰ্য (Personal Cultivation)ৰ সংজ্ঞাটোক লৈ থকা জটিলতাই কৃষকসকলক বিপদতো পেলাইছিল। এই ব্যক্তিগত কৃষি কাৰ্যৰ অচিলা লৈ ভূ-স্বামীসকলে যিকোনো কৃষককে উচ্ছেদ কৰিব পাৰিছিল। এনেধৰণৰ ঘটনাৰ বাবে চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাত পৰামৰ্শ দিয়া হৈছিল যে সকলো কৃষি ভূমিকে বাজেয়াপ্ত কৰিব নোৱাৰিব আৰু কৃষি ভূমিৰ ওপৰত কৃষকৰ অধিকাৰৰ স্থায়িত্ব ঘোষণা কৰিব লাগে। এই প্ৰক্ৰিয়াৰ পৰা প্ৰতিৰক্ষা বাহিনীত কাম কৰা আৰু কেতবোৰ বিশেষ শাৰীৰিক অক্ষমতাত ভোগা ব্যক্তিসকলক ৰেহাই দিয়া হৈছিল। অন্যথা, অনৈতিক উচ্ছেদৰ বাবে শাস্তিৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিয়া হয়।

বহু ভূ-স্বামীয়ে তেওঁলোকৰ নিজা চুক্তিৰ আধাৰত কৃষকক কৃষি ভূমি এৰি দিবলৈ বাধ্য কৰাইছিল। এইক্ষেত্ৰত কৃষি আইনৰ পৰা হাত সাৰিবলৈও ভূ-স্বামীসকল সফল হৈছিল। কিয়নো কৃষকসকলে যদি তেওঁলোকৰ অধিকাৰ স্বেচ্ছাই ত্যাগ কৰে তেন্তে তেওঁলোকক আইনে সহায় কৰিব নোৱাৰে। ভূ-স্বামীসকলে কৃষকসকলক মাটি এৰি দিবৰ বাবে বিভিন্ন ধৰণৰ ভাবুকি আৰু হেঁচা প্ৰদান কৰিছিল। কৃষকসকলে তেওঁলোকৰ দুৰ্বল আৰ্থ-সামাজিক অৱস্থা আৰু দৰিদ্ৰতাৰ বাবে এই হেঁচাৰ ওচৰত সহজেই হাৰ মানিবলগীয়া হৈছিল। এনেবোৰ কাৰণতে চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাত পৰামৰ্শ দিয়া হৈছিল যে কৃষকে এৰি দিয়া ভূমিত নিজাববীয়াকৈ কৃষিকাৰ্য কৰা ক্ষেত্ৰত ভূ-স্বামীসকলক বাধা দিব লাগে আৰু চৰকাৰে বাচি দিয়া অন্য খেতিয়কক সেই মাটিত খেতি কৰাৰ ব্যৱস্থা কৰি দিব লাগে। অৱশ্যে মাত্ৰ কেইখনমান ৰাজ্যতহে এই ব্যৱস্থা কাৰ্যকৰী কৰা হৈছিল।

কেৱল শুদ্ধ আৰু সম্পূৰ্ণৰূপে ভূমিৰ অভিলেখ (Land records) উপলব্ধ হ'লেহে মাটিৰ মালিকীস্বত্ব সম্পৰ্কীয় আইনক ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰিব পৰা যায়। ভূমিৰ অভিলেখ নাথাকিলে এজন লোকে নিজকে কৃষক বুলি দাবী কৰিব নোৱাৰে। দেশৰ বহুতো ৰাজ্যত ভূমিৰ অভিলেখ ৰখা হোৱা নাছিল বা এইবিলাক অসম্পূৰ্ণ আৰু আওপুৰণি আছিল। সেয়ে ভূমিৰ অভিলেখ সাম্প্ৰতিক কৰি ৰখাৰ লগতে এই অভিলেখ বিলাক পুনৰীক্ষণৰ

ব্যৱস্থা কৰাটোও দৰকাৰী হৈ পৰিল, যাতে কৃষকে সময়মতে নিৰাপত্তা পাব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ মাটিৰ পট্টা বুলিলে আপুনি কি বুজে? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৫ ঃ ভূমি সংস্কাৰ বুলিলে আপুনি কি বুজে? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৬ ঃ ভূমি সংস্কাৰৰ প্রধান কৰ্মনীতিবিলাক উল্লেখ কৰক। (৬০ টা শব্দৰ ভিতৰত)



.....

.....

.....

.....

.....

.....

৫.৫ ভাৰতত ভূমি সংস্কাৰ পদক্ষেপৰ সমালোচনাত্মক মূল্যায়ন

ভাৰতত গ্রহণ কৰা ভূমি সংস্কাৰৰ পদক্ষেপবিলাক আছিল সামগ্রিক। ই দেশৰ কৃষিখণ্ডৰ অগ্রগতিৰ পথ সূচনা কৰিছিল। কোনোধৰণৰ বিলম্ব নকৰাকৈ সকলো ৰাজ্যই এই সংস্কাৰবিলাক সাধন কৰা হ'লে ভূমি সংস্কাৰৰ পদক্ষেপ অধিক সফল হ'লহেঁতেন। বহু ক্ষেত্রত, সংস্কাৰ আইন প্রস্তুত কৰা আৰু প্রকৃত ৰূপায়ণৰ মাজত সময়ৰ ব্যৱধান আছিল। এনেক্ষেত্রত মাটিৰ উৰ্দ্ধতম নিৰিখ আইন কার্যকৰী কৰাৰ আগতেই বৃহৎ পৰিমাণৰ মাটি হস্তান্তৰিত হৈছিল।

আমি ইতিমধ্যে আলোচনা কৰিলোঁ যে ভূমি সংস্কাৰৰ প্রধান লক্ষ্যবিলাক আছিল ৰাষ্ট্রীয় ভূমি সংস্কাৰ নীতি (National Land Reforme Policy)ৰ পাঁচটা লক্ষ্য পূৰণ কৰা। এই লক্ষ্যবিলাক আছিল ঃ মধ্যস্থতাকাৰীৰ বিলোপ সাধন, প্রকৃত খেতিয়কক নিৰাপত্তা প্রদানৰ লগতে কৃষিৰ সংস্কাৰ সাধন, উৰ্দ্ধতম নিৰিখৰ অতিৰিক্ত মাটিৰ পুনৰ বিতৰণ, সিঁচৰতি ভূমিৰ একত্রীকৰণ

আৰু ভূমিৰ অভিলেখৰ পুনৰীক্ষণ। এই কথা সকলোৱে জানে যে গ্ৰাম্য দৰিদ্ৰতাৰ এক অন্যতম কাৰণ হৈছে ভূমিহীনতা। এখন কৃষি প্ৰধান দেশত জীৱন নিৰ্বাহৰ এক প্ৰধান অৱলম্বন হৈছে ভূমি। ই হৈছে নিয়োগ আৰু উপাৰ্জনৰ এক প্ৰধান উৎস। নিয়োগ আৰু উপাৰ্জন দুটা উপায়েৰে আহৰণ কৰিব পাৰি ঃ ভূমিৰ অধিক সমতাপূৰ্ণ পুনৰ বিতৰণৰ জৰিয়তে আৰু দ্বিতীয়তে, কৃষক আৰু শস্য চপোৱা লোকক মালিকীস্বত্বৰ নিৰাপত্তা প্ৰদানৰ জৰিয়তে। এই দুটা পদ্ধতিৰ ক্ষেত্ৰত দেখা যায় যে পুনৰ বিতৰণৰ ক্ষেত্ৰত থকা সুযোগবিলাক সীমিত। ইয়াৰ কাৰণ হৈছে অধিগৃহীত মাটিৰ সামগ্ৰিক আকাৰ হ্ৰাস পাই অহাৰ লগে লগে নতুনকৈ উৰ্দ্ধতম সীমা নিৰ্ধাৰণ কৰাৰ কোনো সম্ভাৱনীয়তা নাছিল। কাজেই, অতিৰিক্ত ভূমি চিনাক্ত কৰাৰ প্ৰচেষ্টা চলোৱা হয় আৰু সেই অতিৰিক্ত ভূমি খৰতকীয়াকৈ বিতৰণ কৰিব লাগে। লগতে কৃষকসকলে যাতে খেতি কৰাৰ সুযোগ পায় সেই কথাও নিশ্চিত কৰিব লাগে।

আকৌ, আশা কৰা হৈছিল যে, ভূমি সংস্কাৰৰ পদক্ষেপবিলাকে দেশত সমবায় ভিত্তিক কৃষিকাৰ্যত উদগনি যোগাব। কিন্তু দেশৰ বহু অংশতে, বহু চৰ্চিত ভূ-দান আন্দোলন আৰু গ্ৰামদান আন্দোলন চলি থকা স্বত্ত্বেও সমবায়ভিত্তিক কৃষি আন্দোলন ফলৱতী হ'ব পৰা নাছিল। বৃটিছ চৰকাৰৰ ভুলবিলাক শুধৰোৱাৰ পাছত দেশৰ কৃষি অৰ্থনীতিত অনগ্ৰসৰতা আঁতৰোৱাৰ ক্ষেত্ৰত ভূ-সংস্কাৰৰ পদক্ষেপে অৱশ্যে সফলতা লাভ কৰিছিল।

মুঠৰ ওপৰত ভূমি সংস্কাৰৰ পদক্ষেপবিলাকে অত্যন্ত সীমিত সফলতা লাভ কৰিছিল। এই সীমিত সফলতাৰ বাবে দায়বদ্ধ কৰিকবিলাক হৈছে ঃ

- **বিধি-বিধানত থকা সুৰুঙা** (Loopholese in legislation) ঃ বিধি-বিধানৰ ক্ষেত্ৰত থকা উল্লেখযোগ্য সুৰুঙাবিলাক হৈছে ঃ
  - "ব্যক্তিগত কৃষিকাৰ্য" শব্দকেইটাৰ কোনো সংজ্ঞা স্পষ্ট নাছিল।
  - মধ্যস্থতাকাৰীসকলে ব্যক্তিগত কৃষিকাৰ্যৰ বাবে বাজেয়াপ্ত কৰিব পৰা কৃষিভূমিৰ উচ্চসীমা নিৰ্ধাৰিত নাছিল।
  - ভূমিৰ উৰ্দ্ধতম সীমা সকলোতে একে নাছিল। দেখা গৈছিল যে, কিছুমান ক্ষেত্ৰত সমগ্ৰ দেশতে ভূমিৰ উৰ্দ্ধতম স্তৰ একে নাছিল। ইয়াৰ ফলত যথেষ্ট বিভ্ৰান্তি আৰু বিবাদৰ সৃষ্টি হৈছিল।
  - "কৃষক"ৰ সংজ্ঞা যথাৰ্থ নাছিল। বহু ৰাজ্যতে অংশদাৰী শস্য চপাওঁতাসকলক মাটিৰ এটা পৰিপূৰক অংশত খেতি কৰা স্বত্ত্বেও কৃষক হিচাপে গণ্য কৰা নহৈছিল। সেয়ে কৃষি সংস্কাৰ সম্পৰ্কীয় আইন বিলাকে কৃষকৰ অধিকাৰ সুৰক্ষিত কৰিব পৰা নাছিল। দেশৰ এক বুজন পৰিমাণৰ কৃষিকৰ্ম মৌখিক আৰু অনানুষ্ঠানিক চুক্তিৰ আধাৰত চলিছিল। এনেধৰণৰ মাটিত খেতি কৰা কৃষকসকলে তেওঁলোক যে মাটিৰ প্ৰকৃত খেতিয়ক সেই কথা প্ৰমাণ কৰিব পৰা অৱস্থাত নাছিল। কাৰণ, ভূমি অভিলেখত তেওঁলোকৰ নাম উল্লেখ নাছিল।
  - স্বেচ্ছামূলক আত্মসমৰ্পণৰ সমস্যা ঃ কৃষকসকলে খেতি কৰি থকা মাটি স্বেচ্ছাই এৰি

দিবলৈ তেওঁলোকক ভাবুকি দিয়া হৈছিল বা অন্য উপায়েৰে ভূ-স্বামীসকলে বাধ্য কৰিছিল।

- **ৰাজনৈতিক ইচ্ছাৰ অভাৱ** (Lack of political will) ঃ ভূমি সংস্কাৰৰ প্ৰগতিশীল পদক্ষেপবিলাকৰ প্ৰস্তুতি তথা যথোচিত ৰূপায়ণৰ বাবে দায়িত্বশীল ৰাজনৈতিক সিদ্ধান্ত আৰু ফলপ্ৰসূ ৰাজনৈতিক সহযোগিতা, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণৰ প্ৰয়োজন আছিল। দেশৰ গ্ৰাম্যাঞ্চলত এনে গুৰুত্বপূৰ্ণ কাৰকবিলাকৰ অভাব আছিল। নীতি আৰু বিধি-বিধানৰ মাজত আৰু আইন আৰু ইয়াৰ ৰূপায়ণৰ মাজত ব্যাপক ব্যৱধান ৰৈ গৈছিল। স্বাধীনতাৰ পিছৰে পৰা চৰকাৰী কাম-কাজৰ ক্ষেত্ৰত কৃষিখণ্ডৰ আঁচনি আৰু কাৰ্য পদ্ধতিৰ মাজত, বিধি-বিধান ৰচনা আৰু ৰূপায়ণৰ মাজত পৰিলক্ষিত হোৱা ব্যাপক ব্যৱধানে ভূমি সংস্কাৰৰ পদক্ষেপ বিলাকৰ সন্মুখত বাধা হৈ দেখা দিছিল।
- **আমোলাতন্ত্ৰৰ উদাসীনতা** (Apathy of Bureaucracy) ঃ ৰাজনৈতিক সদিচ্ছাৰ অভাৱৰ লগে লগে ভূমি সংস্কাৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আমোলাতন্ত্ৰৰ উদাসীনতাও সমানে দায়ী। এই দুয়োটাই এৰাব নোৱাৰাকৈ পৰস্পৰ সংলগ্ন। সংস্কাৰ কাৰ্যসূচী কঠোৰতাৰে কাৰ্যকৰা কৰাৰ ক্ষেত্ৰত আমোলাতন্ত্ৰৰ উদাসীনতা উদ্ভৱ হৈছে ৰাজনৈতিক সদিচ্ছাৰ অভাৱৰ পৰা। ই ভূমি সংস্কাৰৰ পদক্ষেপসমূহক নিৰুৎসাহহে কৰিছিল। লগতে সমগ্ৰ প্ৰক্ৰিয়াটোৰ ওপৰতে এক বিৰূপ প্ৰভাৱ পেলাইছিল। ভূমি সংস্কাৰ কাৰ্যকৰী কৰাৰ অত্যন্ত প্ৰয়োজনীয় আহিলাবিলাকক ভূমি-সংস্কাৰ বিঘ্নিত কৰাৰ আহিলাত পৰিণত কৰা হ'ল। ৰাজনীতিক প্ৰশাসক আৰু বৃহৎ ভূ-স্বামীসকলৰ মাজত থকা সু-সম্পৰ্কই ভূ-স্বামীসকলৰ স্বাৰ্থত কাম কৰিছিল। ধনী কৃষকৰ শ্ৰেণীটোৱে ৰাজ্য চৰকাৰ মাণ্ডলিক আৰু আঞ্চলিক প্ৰশাসনক প্ৰভাৱান্বিত কৰিছিল আৰু ভূমি হস্তগত কৰাৰ স্বাৰ্থত প্ৰশাসন যন্ত্ৰটোক প্ৰধান আহিলা হিচাপে কামত লগাইছিল। এইবোৰৰ ফলত ভূমি সংস্কাৰৰ যথাযথ ৰূপায়ণত যথেষ্ট বাধা আহি পৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ কোৱা হয় যে ভূমি সংস্কাৰৰ পদক্ষেপবিলাকৰ সীমিত সফলতাৰ অন্যতম কাৰণ হৈছে ৰাজনৈতিক ইচ্ছাৰ অভাৱ। আপুনি একমত নে? আপোনাৰ দৃষ্টিভংগীৰ সপক্ষে যুক্তি দৰ্শাওক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ৮ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

ক) কৃষকসকলে তেওঁলোকৰ মাটি স্বেচ্ছাই ভূ-স্বামীসকলক গটাই দিছিল; কিয়নো, তেওঁলোক ভূ-স্বামীসকলৰ কাৰ্যত অত্যন্ত সুখী আছিল। (শুদ্ধ/অশুদ্ধ)

খ) অতিৰিক্ত মাটি সদায় ভূমিহীন খেতিয়কৰ মাজত বিতৰণ কৰা হৈছিল। (শুদ্ধ/অশুদ্ধ)



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মাটিৰ পট্টাৰ অর্থ হৈছে কৃষক আৰু চৰকাৰৰ সৈতে মাটি মালিকৰ সম্পর্ক। ই বিধি-বিধান আৰু চর্তাৱলীৰ সৈতে জড়িত, যাৰ আলমত কৃষকে কৃষিভূমিত খেতি কৰে।
- স্বাধীনতাৰ সময়ত দেশত তিনি প্ৰকাৰৰ ভূমিৰ পট্টাৰ ব্যৱস্থা আছিল ঃ জমিদাৰী, মহলৱাৰী আৰু ৰায়তৱাৰী।
- ভূমি সংস্কাৰৰ উদ্দেশ্য হৈছে প্ৰকৃত কৃষকৰ ওপৰত চলা শোষণ বন্ধ কৰা আৰু তেঁওলোকক মাটিৰ মালিকীস্বত্ব প্ৰদান কৰা। ভূমি সংস্কাৰৰ প্ৰধান উদ্দেশ্য আছিল কৃষিৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতাবিলাক আঁতৰ কৰা, কৃষকক সুৰক্ষা দিয়া আৰু গাঁৱৰ সকলো স্তৰৰ জনসাধাৰণৰ সমমর্যদা আৰু সমান সুযোগ নিশ্চিত কৰা। সকলোধৰণৰ শোষণ আৰু সামাজিক অন্যায় আঁতৰাই কৃষকক নিৰাপত্তা প্ৰদান কৰা।
- ভূমি সংস্কাৰৰ কর্মনীতিবিলাক হৈছে—
  - মধ্যস্থতাকাৰীৰ বিলোপ সাধন,
  - ৰায়তীস্বত্বৰ সংস্কাৰ সাধন, আৰু
  - কৃষি খণ্ডক পুনৰ সংগঠিত কৰা।
- কৃষি আৰু কৃষিৰ উৎপাদনশীলতাৰ বিকাশ ঘটোৱা, মাটিৰ মালিকীস্বত্ব প্ৰক্ৰিয়াৰ উন্নতিসাধন কৰা, দেশৰ গ্ৰাম্য জনসাধৰণৰ উপার্জন আৰু নিয়োগ সৃষ্টিৰ উৎসবিলাকৰ বিকাশ ঘটোৱাৰ ক্ষেত্ৰত ভূমি সংস্কাৰে উল্লেখযোগ্য বৰঙণি আগবঢ়ালে।
- ভূমি সংস্কাৰৰ পদক্ষেপবিলাকৰ জৰিয়তে আহৰণ কৰা সফলতা প্ৰকৃত সম্ভাৱনীয়তাতকৈ বহু কম। এই প্ৰক্ৰিয়াত বহুতো সমস্যা আছিল— বিধি-বিধান ৰচনা কৰা আৰু ৰূপায়ণ কৰাৰ ক্ষেত্ৰত থকা ৰাজনৈতিক সদিচ্ছাৰ অভাৱ আৰু আমোলাতন্ত্ৰৰ উদাসীনতাই ভূমি সংস্কাৰৰ নীতি আৰু ইয়াৰ প্ৰয়োগত অন্তৰায় হৈ দেখা দিয়ে।



৫.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অর্থনীতি— ইয়াৰ পৰিৱর্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছার্চ, ২০০৮।

২) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অর্থনীতি (উত্তৰ-পূর্বাঞ্চলৰ অর্থনীতিসহ)*, বনলতা, ২০০৪।

ইংৰাজী গ্ৰন্থ ঃ

1) Agrawal, A. N. (2019). Indian Economy: Developmental Problems and Policies. New Delhi: New Age International Publishers.
2) Datt, G and Mahajan, A. (2016). Datt & Sundharam's Indian Economy. New Delhi: S. Chand & Co.
3) Misra, S.K. & Puri, V.K. (2018). Indian Economy. New Delhi: Himalya Publishing House.

৫.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ কৃষকৰ পৰা কোম্পানীৰ ৰাজহ বৃদ্ধি কৰাৰ উদ্দেশ্যে ভূ-স্বামীসকলৰ সৈতে ১৭৯১ চনত লৰ্ড কৰ্ণৱালিচে স্থায়ী বন্দোবস্তি কৰাৰ সময়ত জমিদাৰী পদ্ধতি ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সৃষ্টি কৰিছিল। এই বন্দোবস্তিৰ অধীনত ভূস্বামীসকলক জমিদাৰ বুলি কোৱা হৈছিল আৰু তেওঁলোকক বৃহৎ পৰিমাণৰ মাটিৰ মালিক বুলি ঘোষণা কৰা হৈছিল। ইয়াৰ প্ৰতিদান স্বৰূপে কৃষকসকলৰ পৰা ৰাজহ সংগ্ৰহৰ দায়িত্ব তেওঁলোকৰ ওপৰত ন্যস্ত কৰা হৈছিল।

২ নং প্ৰশ্ন উত্তৰ ঃ স্বাধীনতাৰ সময়ত এই পদ্ধতি পশ্চিমবংগ, বিহাৰ, উৰিষ্যা, উত্তৰ প্ৰদেশ, অন্ধ্ৰ প্ৰদেশ আৰু মেঘালয়ত ব্যাপক হাৰত প্ৰচলিত আছিল।

৩ নং প্ৰশ্ন উত্তৰ ঃ মহলৰাৰী পদ্ধতি উইলিয়াম বেণ্টিঙ্কে আগ্ৰা আৰু অন্ধ্ৰপ্ৰদেশত প্ৰচলন কৰিছিল। পাছত মধ্য প্ৰদেশ আৰু পঞ্জাবলৈ ইয়াক প্ৰসাৰিত কৰা হৈছিল। এই পদ্ধতিত, ভূমিৰ ৰাজহৰ ক্ষেত্ৰত সমগ্ৰ গাঁওখনকে এটা শাখা হিচাপে গণ্য কৰা হৈছিল। এই পদ্ধতিত মাটিৰ মালিকীস্বত্ব সমূহীয়া আছিল।

৪ নং প্ৰশ্ন উত্তৰ ঃ মাটিৰ পট্টাৰ অৰ্থ হৈছে চৰকাৰৰ পৰা একোজন লোকে মাটি আহৰণ কৰাৰ পদ্ধতি। ই মাটিৰ অধিগ্ৰহণকাৰী আৰু ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কটোক দেখুৱায়। ৰাষ্ট্ৰক ভূমিৰ ৰাজহ পৰিশোধ কৰি থকা পৰ্যন্ত অধিগ্ৰহণকাৰীজন মাটিৰ মালিক হৈ থাকে।

৫ নং প্ৰশ্ন উত্তৰ ঃ ভাৰতত স্বাধীনতাৰ পৰৱৰ্তী সময়ত প্ৰকৃত কৃষকৰ ওপৰত চলা শোষণ বন্ধ কৰিবলৈ আৰু তেওঁলোকক মাটিৰ মালিকীস্বত্ব প্ৰদান কৰিবলৈ ভূমি সংস্কাৰৰ পদক্ষেপ গ্ৰহণ কৰা হয়। ভূমি সংস্কাৰৰ উদ্দেশ্য আছিল পৰাশ্ৰয়ীজীৱী শ্ৰেণীটোৰ হাতৰ মুঠিৰ পৰা মাটিৰ প্ৰকৃত কৃষকক মুক্ত কৰা আৰু তেওঁলোকক মাটিৰ মালিকীস্বত্ব প্ৰদান কৰা। ভূমি সংস্কাৰৰ অন্য উদ্দেশ্যবিলাকৰ ভিতৰত আছিল কৃষিৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতাবিলাক আঁতৰ কৰা, কৃষকক সুৰক্ষা দিয়া আৰু গাঁৱৰ সকলো স্তৰত জনসাধাৰণৰ সমমৰ্যদা আৰু সমান সুযোগ নিশ্চিত কৰা।

৬ নং প্ৰশ্ন উত্তৰ ঃ ভূমি সংস্কাৰৰ প্ৰধান কৰ্মনীতিবিলাক হৈছে—

ক) কৃষক আৰু ৰাষ্ট্ৰৰ মাজত থকা মধ্যস্থতাকাৰী, যেনে— জমিদাৰৰ বিলোপ সাধন।

খ) ৰায়তীস্বত্বৰ সংস্কাৰ সাধন। এইবিলাকৰ ভিতৰত আছে ঃ খাজনা নিয়ন্ত্রণ, মাটিৰ পট্টাৰ নিৰাপত্তা, কেৱল ব্যক্তিগত কৃষিকর্মৰ বাবে মাটি বাজেয়াপ্ত কৰা আৰু বাজেয়াপ্ত কৰাৰ ক্ষেত্রত কৃষকক ন্যূনতম অংশ প্রদান কৰা আৰু

গ) কৃষকৰ মালিকীস্বত্ব নিশ্চিত কৰা।

৭ নং প্রশ্ন উত্তৰ ঃ এই মন্তব্য সঠিক ভাবেই কৰা হৈছে। এইটো সকলোৱে জনা কথা যে ভূমি সংস্কাৰৰ প্রগতিশীল পদক্ষেপবিলাকৰ প্রস্তুতি আৰু যথোচিত প্রয়োগৰ বাবে দায়িত্বশীল ৰাজনৈতিক সিদ্ধান্ত আৰু ফলপ্রসূ ৰাজনৈতিক সহযোগিতা, নির্দেশনা আৰু নিয়ন্ত্রণৰ প্রয়োজন। দেশৰ গ্রামাঞ্চলত এই গুৰুত্বপূর্ণ কাৰক বিলাকৰ অভাৱ আছিল। নীতি আৰু বিধি-বিধানৰ মাজত তথা আইন আৰু ইয়াৰ ৰূপায়ণৰ মাজত ব্যাপক ব্যৱধান ৰৈ গৈছিল।

৮ নং প্রশ্ন উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৫.৯ আৰ্হি প্রশ্ন

চমু প্রশ্ন (প্রতিটো প্রশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্রশ্ন ঃ ভাৰতৰ মাটিৰ মালিকীস্বত্বৰ প্রক্রিয়াত মধ্যস্থতাকাৰীৰ বিলোপ সাধনৰ প্রধান উদ্দেশ্যবিলাকৰ বিষয়ে আলোচনা কৰক।

২ নং প্রশ্ন ঃ ভাৰতত প্রাক্-স্বাধীনতাৰ কালত প্রচলিত মাটিৰ মালিকীস্বত্বৰ প্রক্রিয়া সম্পর্কে চমুকৈ আলোচনা কৰক।

ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্রশ্ন ঃ ভাৰতৰ ভূমি সংস্কাৰ কার্যক্রমৰ সফলতা আৰু বিফলতাবিলাক আলোচনা কৰক।

২ নং প্রশ্ন ঃ ভূমিৰ মালিকীস্বত্বৰ প্রক্রিয়াত কৃষকক কি পদ্ধতিৰে পট্টাৰ বা মালিকীস্বত্বৰ নিৰাপত্তা প্রদান কৰা হৈছিল?

৩ নং প্রশ্ন ঃ ভাৰতত গ্রহণ কৰা ভূমি সংস্কাৰৰ পদক্ষেপ বিলাকৰ উদ্দেশ্য আৰু কর্মনীতি ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ কৃষি বিত্ত আৰু কৃষি বিপণন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ কৃষি বিত্তৰ প্ৰয়োজন
৬.৪ কৃষি বিত্তৰ উৎস
৬.৪.১ সমবায় আৰু বাণিজ্যিক বেংকসমূহৰ ভূমিকা
৬.৪.২ মাণ্ডলিক গ্ৰামীণ বেংক আৰু নাবার্ডৰ ভূমিকা
৬.৫ কৃষি বিপণন ঃ ধাৰণা আৰু সীমাবদ্ধতা
৬.৬ কৃষি বিপণনক উৎসাহিত কৰাত চৰকাৰৰ ভূমিকা
৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৮ অধিক জানিবলৈ
৬.৯ অগ্ৰগতিৰ খতিয়ান
৬.১০ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কৃষি বিত্তৰ অর্থ সম্পর্কে জ্ঞাত হ'ব,
- কৃষি বিত্তৰ প্ৰয়োজনবিলাক বর্ণনা কৰিব পাৰিব,
- কৃষিবিত্তৰ উৎসবিলাক চিনাক্ত কৰিব পাৰিব,
- নাবার্ডকে ধৰি বিভিন্ন সমবায়, বাণিজ্যিক আৰু মাণ্ডলিক গ্ৰামীণ বেংকসমূহৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব,
- কৃষি বিপণনৰ অর্থ ব্যাখ্যা কৰিব পাৰিব,
- কৃষি বিপণনৰ প্ৰাথমিক আৱশ্যকতাবিলাকৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- কৃষি বিপণনৰ সীমাৱদ্ধতাবিলাক চিনাক্ত কৰিব পাৰিব, আৰু
- কৃষি বিপণনক উৎসাহিত কৰাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰিবলগীয়া ভূমিকা বর্ণনা কৰিব পাৰিব।

৬.২ পৰিচয়

কৃষি হৈছে এটা অসংগঠিত খণ্ড আৰু ইয়াৰ সফলতা-বিফলতা অধিক পৰিমাণে নির্ভৰ কৰে জলবায়ুৰ ওপৰত। এই খণ্ডটোৰ আধুনিকীকৰণৰ বাবে (কৃষকে যাতে জলবায়ুৰ ওপৰত

অধিক নির্ভৰ কৰিব লগীয়া নহয়) বিত্তীয় সহযোগিতাৰ প্ৰয়োজন। সাধাৰণতে, এই খণ্ডত কৰা বিনিয়োগৰ প্ৰতিদান ঔদ্যোগিক খণ্ডত কৰা বিনিয়োগৰ প্ৰতিদানতকৈ কম। আকৌ, উৎপাদনশীল আৰু উৎপাদানহীন কৃষি ঋণৰ মাজৰ পাৰ্থক্য উলিওৱাটো জটিল। কাজেই, কৃষিখণ্ডত দীৰ্ঘকালৰ বাবে ঋণ দিয়াৰ ক্ষেত্ৰত বেংক অথবা বিত্তীয় প্ৰতিষ্ঠানবিলাকে বিশেষ আগ্ৰহ নেদেখুৱায়। সেয়ে কৃষকসকলে ঋণদাতা আৰু মহাজনসকলৰ ওপৰতে নির্ভৰ কৰিবলৈ বাধ্য হয়। এনে কাৰ্যৰ পৰিণতিত কৃষকসকল ঋণৰ পাকচক্ৰত সোমাই পৰে আৰু ইয়াৰ পৰা তেওঁলোকে সহজে ওলাই আহিব নোৱাৰে। অৱশেষত তেওঁলোকে ঋণদাতাৰ হাতত তেওঁলোকৰ মাটি হেৰুৱাবলগীয়া হয়। এনে এক পৰিস্থিতিৰ পৰা কৃষকসকলক উদ্ধাৰ কৰিবলৈ বিভিন্ন ধৰণৰ প্ৰতিষ্ঠানিক উৎস, যেনে— ঋণদাতা সংস্থা, বাণিজ্যিক আৰু গ্ৰামীণ বেংকসমূহৰ জৰিয়তে কৃষকসকলক ঋণ দিয়াৰ জৰুৰী প্ৰয়োজন আহি পৰে। এই খণ্ডত প্ৰতিষ্ঠানিক পুঁজি পৰ্যাপ্ত কৰিব বাবে চৰকাৰসমূহে এলানি পদক্ষেপ গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে, এই উদ্দেশ্যে কিছুসংখ্যক মাণ্ডলিক গ্ৰামীণ বেংক (Regional Rural Banks) প্ৰতিষ্ঠা কৰা হৈছে। একেদৰে, কৃষিখণ্ড আৰু দেশৰ গ্ৰামাঞ্চলৰ কৃষিভিত্তিক কাৰ্য-কলাপৰ সহায় কৰিবলৈ ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামীণ বিকাশ বেংক (National Bank for Agricultural and Rural Development – NABARD) (নাবার্ড) প্ৰতিষ্ঠা কৰে।

পুঁজিৰ অপৰ্যাপ্ততাৰ উপৰি উচিত দামত কৃষিজাত পণ্যৰ বিপণন আন এক সমস্যা। গাঁৱলীয়া কৃষকসকলে তেওঁলোকৰ উৎপাদিত শস্য প্ৰায়ে মধ্যভোগী দালালক প্ৰকৃত দামতকৈ বহু কম দামত বিক্ৰী কৰিবলগীয়া হয়। গতিকে, কৃষক আৰু বজাৰৰ মাজত সম্পৰ্ক স্থাপন কৰাটোও আন এক গুৰুত্বপূৰ্ণ বিষয়। এই অধ্যায়ত কৃষি বিত্ত আৰু কৃষি বিপণনৰ বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হৈছে। কৃষি বিত্তৰ প্ৰয়োজনীয়তা, কৃষি বিত্তৰ বিভিন্ন উৎস, বিভিন্ন সমবায়, বাণিজ্যিক আৰু মাণ্ডলিক গ্ৰামীণ বেংকসমূহে বিশেষকৈ, নাবার্ডে পালন কৰা ভূমিকা সম্পৰ্কে এই অধ্যায়ত আলোচনা কৰা হৈছে। তদুপৰি, কৃষি বিপণনৰ অৰ্থ, ইয়াৰ প্ৰাথমিক প্ৰয়োজন, কৃষি বিপণনৰ প্ৰধান সীমাৱদ্ধতাবিলাক আৰু কৃষিবিপণনক উৎসাহিত কৰাত চৰকাৰে পালন কৰা ভূমিকা সম্পৰ্কেও এই অধ্যায়ত আলোচনা কৰা হৈছে। পোনপ্ৰথমে, কৃষি বিত্ত সম্পৰ্কে আলোচনা কৰোঁ আহক।

৬.৩ কৃষি বিত্তৰ প্ৰয়োজন

কৃষি বিত্ত প্ৰধানতঃ দুটা শাখাত আলোচনা কৰিব পাৰি—

- **সময়ৰ আধাৰত** কৃষি বিত্ত হ্ৰস্বকালীন, মধ্যকালীন আৰু দীৰ্ঘকালীন হ'ব পাৰে।
  - **হ্ৰস্বকালীন ঋণ** (Short Term Loans)-ৰ আৱশ্যক হয় বীজ, সাৰ, কীটনাশক, পশু ধনৰ খাদ্য, ইত্যাদি ক্ৰয় কৰাত আকৌ, কৃষিজাত পণ্যৰ বিপণনত, ভাৰা কৰি অনা শ্ৰমিকক মজুৰি দিয়াত আৰু বিভিন্ন ধৰণৰ উপভোগ্য সামগ্ৰী ক্ৰয় কৰাত, অন্যান্য উৎপাদন বহির্ভূত উদ্দেশ্যত ব্যয় কৰিবলৈও হ্ৰস্বকালীন ঋণৰ আৱশ্যক হয়। এনেধৰণৰ

ঋণৰ ম্যাদ ১৫ মাহতকৈ কম।

- **মধ্যকালীন ঋণ** (Medium Term Loans)-ৰ সাধাৰণতে প্ৰয়োজন হয় গৰু, ম'হ ক্ৰয় কৰিবলৈ, কৃষি সম্পৰ্কীয় ক্ষুদ্ৰ আঁচনি ৰূপায়ণ কৰিবলৈ, নলা-নৰ্দমাৰ নিৰ্মাণ আৰু মেৰামতি কৰিবলৈ। এনে ধৰণৰ ঋণৰ ম্যাদ ১৫ মাহৰ পৰা ৫ বছৰ পৰ্যন্ত হয়।
- **দীৰ্ঘকালীন ঋণ** (Long Term Loans)-ৰ আৱশ্যক হয় মাটিৰ স্থায়ী উন্নতি সাধনৰ বাবে, নলীনাদ খান্দিবলৈ, কৃষি সম্পৰ্কীয় বৃহৎ আঁচনি ৰূপায়ণ কৰিবলৈ আৰু টেক্ট্ৰৰ, হাৰ্ভেষ্টণ, ইত্যাদিৰ দৰে যন্ত্ৰ ক্ৰয় তথা পুৰণা ঋণ পৰিশোধ কৰিবলৈ। এনেধৰণৰ ঋণৰ ম্যাদ ৫ বছৰতকৈও অধিক।

- **উদ্দেশ্যৰ আধাৰত,** কৃষি সম্পৰ্কীয় বিত্তৰ প্ৰয়োজনীয়তাক উৎপাদনশীল প্ৰয়োজনীয়তাত লোৱা ঋণ, উপভোগৰ প্ৰয়োজনীয়তাত লোৱা ঋণ আৰু উৎপাদন বহিৰ্ভূত প্ৰয়োজনীয়তাত লোৱা ঋণ হিচাপেও শ্ৰেণী বিভক্ত কৰিব পাৰি।
  - **উৎপাদনশীল প্ৰয়োজনীয়তাত লোৱা ঋণ** (Productive Needs) ঃ কৃষিৰ উৎপাদনশীলতাক প্ৰত্যক্ষভাৱে প্ৰভাৱান্বিত কৰা সকলোধৰণৰ প্ৰয়োজনীয় ঋণকে উৎপাদনশীল প্ৰয়োজনীয়তাত লোৱা ঋণ বুলি ক'ব পাৰি। কৃষিৰ উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ কৃষকক বীজ, সাৰ, কীটনাশক, কৃষি সঁজুলি, পশু খাদ্য, নলা-নৰ্দমা নিৰ্মাণ আৰু মেৰামতি, নলীনাদ নিৰ্মাণ, মজুৰি আদায়, ভূমিৰ স্থায়ী উন্নতি সাধন, কৃষিজাত পণ্য বিপণন, ইত্যাদি বিভিন্ন কাৰণত ঋণৰ আৱশ্যক হয়।
  - **উপভোগৰ প্ৰয়োজনীয়তাত লোৱা ঋণ** (Consumption Needs) ঃ কৃষকক কেতিয়াবা উপভোগৰ উদ্দেশ্যেও ঋণৰ প্ৰয়োজন হয়। কৃষিজাত পণ্যৰ বিপণন আৰু পৰৱৰ্তী শস্যৰ খেতি কৰাৰ মাজৰ সময়ছোৱাত এক দীঘলীয়া বিৰতিৰ সৃষ্টি হয়। বেছিভাগ খেতিয়কৰে এই সময়ছোৱাত দৈনন্দিন প্ৰয়োজনীয়তাখিনি পূৰণ কৰিবলৈ যথোপযুক্ত উপাৰ্জন নাথাকে। এনেকুৱা পৰিস্থিতিত কৃষকে উপভোগৰ বাবেও ঋণ ল'বলগীয়াত পৰে। আকৌ, প্ৰাকৃতিক দুৰ্যোগ যেনে— খৰাং, বানপানী, ইত্যাদিৰ ফলত হয়, শস্যৰ হানি হ'লেও নিজে উপভোগ কৰিবৰ বাবে কৃষকে ঋণ ল'বলগীয়া হয়।
  - **উৎপাদন বহিৰ্ভূত উদ্দেশ্যত লোৱা ঋণ** (Unproductive Purposes) ঃ কিছুমান উৎপাদনহীন কামৰ বাবেও কৃষকক ঋণৰ আৱশ্যক হয়। এনেধৰণৰ উদ্দেশ্যবিলাকৰ ভিতৰত আছে মোকৰ্দমা তৰা, বিয়া বাৰু পতা, সামাজিক উৎসৱ-পাৰ্বণ পালন, পৰিয়ালৰ কোনো সদস্যৰ জন্ম বা মৃত্যু হ'লে ধৰ্মীয় কাম-কাজ অনুষ্ঠিত কৰা, ইত্যাদি। এনেধৰণৰ উৎপাদনহীন উদ্দেশ্যৰ বাবে প্ৰতিষ্ঠানিক সংস্থাবিলাকে যিহেতু ঋণ নিদিয়ে, সেয়ে কৃষকে ঋণদাতা আৰু মহাজনসকলৰ পৰা সহায় বিচাৰিবলগীয়া হয়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন ১ ঃ লক্ষীমপুৰৰ এজন কৃষক শ্রীযুত মজুমদাৰে কেইবিধমান ক্ষুদ্র কৃষি-সঁজুলি ক্রয় কৰিবলৈ নাবার্ডৰ পৰা ৫০,০০০ টকা ঋণ ল'লে। ৪ বছৰৰ ভিতৰত সুতসহ তেওঁ ঋণ পৰিশোধ কৰিব লাগে। এই ঋণক আপুনি দীর্ঘকালীন ঋণ হিচাপে গণ্য কৰিবনে? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দর্শাওক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্রশ্ন ২ ঃ খেতিয়ক এজনে কেতিয়া আৰু কিয় উপভোগৰ উদ্দেশ্যত ঋণ ল'বলগীয়া হয়? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৬.৪ কৃষি বিত্তৰ উৎস

কৃষি বিত্তৰ উৎসবিলাকক দুটা প্রধান শাখাত বিভক্ত কৰিব পাৰি ঃ অ-প্রতিষ্ঠানিক আৰু প্রতিষ্ঠানিক উৎস।

- **অ-প্রতিষ্ঠানিক উৎস** (Non-Institutional Sources)ঃ অ-প্রতিষ্ঠানিক উৎসবিলাক হৈছে ঃ (ক) ঋণদাতা, (খ) সম্পর্কীয় লোক, (গ) ব্যৱসায়ী, (ঘ) কমিচন এজেণ্ট আৰু (ঙ) ভূস্বামী।

স্বাধীনতাৰ সময়ত কৃষি ঋণৰ আটাইতকৈ গুৰুত্বপূর্ণ উৎস আছিল ঋণদাতা বা ধন ধাৰলৈ দিওতা লোকসকল। ১৯৫১ চনত এনেধৰণৰ ঋণদাতাসকলে দিয়া ঋণৰ পৰিমাণ আছিল মুঠ গ্রাম্য ঋণৰ ৭১.৬%। ইয়াৰ কাৰণ আছিল সেই সময়ত ঋণ লাভ কৰাৰ বাবে আন কোনো উৎস নাছিল আৰু ঋণদাতাসকলৰ পৰাই ধাৰে ল'বলৈ কৃষকসকল বাধ্য হৈছিল। ঋণদাতাসকলৰ ওপৰত কৃষকৰ এই পূর্ণ নির্ভৰশীলতাৰ ফলত ঋণদাতাসকলে নিজৰ সুবিধামতে চর্ত আৰোপ কৰি কৃষকক বিভিন্ন ধৰণে শোষণ কৰাৰ সুযোগ পাইছিল। সেয়ে, ঋণদাতাসকলৰ কার্যকলাপ নিয়ন্ত্রিত কৰিবলৈ চৰকাৰে বিভিন্ন পদক্ষেপ গ্রহণ কৰিছিল। এই

উদ্দেশ্যে বিভিন্ন ধৰণৰ আইন-কানুন ৰচনা কৰা হৈছিল। এই আইন-কানুনৰ মূল লক্ষ্য আছিলঃ

- কৃষকৰ বাবে বে-চৰকাৰী ঋণ পর্যাপ্ত কৰি তুলিবলৈ আৰু বেচৰকাৰী ঋণদাতাসকলৰ অযুক্তিকৰ শোষণৰ প্রক্রিয়াক আইনগতভাৱে বাধা দিবলৈ প্রচলিত চর্তবিলাকৰ উন্নতি সাধন কৰা।
- ঋণদাতা আৰু ঋণী কৃষক উভয়ৰে বাবে ন্যায়সংগত বিচাৰ কৰিবলৈ অসামৰিক আদালতসমূহক অধিক কার্যক্ষম কৰি তোলা। এইক্ষেত্রত দুই ধৰণৰ ব্যৱস্থাৱলী প্রস্তুত কৰা হয়। প্রথম লানি ব্যৱস্থাৱলীত অন্তর্ভুক্ত আছিলঃ (ক) ঋণদাতাসকলক অনুজ্ঞাপত্র দিয়া বা পঞ্জীয়নভুক্ত কৰা (খ) সর্বাধিক সুদৰ হাৰ নির্ধাৰণ আৰু (গ) ঋণদাতাৰ দ্বাৰা হিচাপ-নিকাচ চোৱা-চিতা কৰা, ইত্যাদি। দ্বিতীয়লানি ব্যৱস্থাৱলীত অন্তর্ভুক্ত আছিল ঃ হুকুমজাৰি কৰি আদালতৰ ক্ষমতা সাব্যস্ত কৰা বা কিস্তি হিচাপত ঋণ পৰিশোধ কৰিবলৈ নির্দেশ দিয়া।

- **কৃষি বিত্তৰ প্রতিষ্ঠানিক উৎস** (Institutional Sources of Agricultural Finance) ঃ আমাৰ দেশৰ কৃষি বিত্তৰ প্রধান প্রতিষ্ঠানিক উৎসবিলাক হৈছে ঃ সমবায়, বাণিজ্যিক বেংক, মাওলিক গ্রামীণ বেংক আৰু নাবার্ড। পৰৱর্তী অনুচ্ছেদত আমি মাওলিক গ্রামীণ বেংক আৰু নাবার্ডৰ ভূমিকা সম্পর্কে আলোচনা কৰিম। এই অনুচ্ছেদত সমবায় আৰু বাণিজ্যিক বেংকসমূহৰ ভূমিকা সম্পর্কে আলোচনা কৰিম।

৬.৪.১ সমবায় আৰু বাণিজ্যিক বেংকৰ ভূমিকা

সমবায়ৰ ভূমিকা (Role of Co-operatives) ঃ কৃষি ঋণ দিবৰ বাবে প্রতিষ্ঠা আৰু উন্নীত কৰা প্রথম প্রতিষ্ঠান আছিল সমবায় ঋণদাতা সমিতিবিলাক। দেশত সমবায় আন্দোলন ১৯০৪ চনতে আৰম্ভ হৈছিল যদিও ইয়াৰ বিকাশ আছিল অত্যন্ত লেহেমীয়া। ১৯৫১ চনত সমবায় বিলাকে সর্বমুঠ গ্রামীণ ঋণৰ মাত্র ৩.১% দিছিল। কাজেই, কৃষি ঋণৰ ক্ষেত্রত সুদখোৰ মহাজনসকলৰ আধিপত্যৰ অব্যাহত আছিল। অৱশ্যে পৰৱর্তী সময়ত সমবায়বিলাকৰ কাম-কাজৰ ব্যাপক সম্প্রসাৰণ হয়। ১৯৬১-৬২ চনত সমবায়বিলাকে মুঠ গ্রামীণ ঋণৰ ১৫.৫% আগবঢ়োৱাৰ বিপৰীতে ১৯৭০-৭১ চনত ইয়াৰ পৰিমাণ হয় গৈ ২২.৭%। ১৯৯২-৯৩-ত সমবায়বিলাকে আগবঢ়োৱা ঋণৰ পৰিমাণ আছিল মুঠ গ্রামীণ ঋণৰ ৫৩.৪%। অৱশ্যে ইয়াৰ পাছত সমবায়বিলাকে প্রদান কৰা গ্রামীণ ঋণৰ পৰিমাণ বৃদ্ধি পালে যদিও সর্বমুঠ প্রতিষ্ঠানিক ঋণত সমবায়ৰ অংশৰ শতাংশ হ্রাসহে পালে। ২০০৬-০৭ত সমবায়বিলাকে মুঠ প্রতিষ্ঠানিক ঋণৰ মাত্র ২০%হে প্রদান কৰিছিল।

এনেদৰে স্বাধীনতাৰ পৰৱর্তী সময়ছোৱাত এই সমবায়বিলাকৰ কাম-কাজৰ পৰিসৰ আৰু ঋণদানৰ পৰিমাণ দুয়োটাই বৃদ্ধি পাইছিল। ঋণদানৰ ক্ষেত্রত এই সমবায়বিলাকৰ কার্যকলাপ উল্লেখযোগ্য। আনকি গ্রামীণ ঋণদানৰ পদ্ধতিটোত

বাণিজ্যিক বেংকসমূহ জড়িত হ'ব লাগে বুলি পৰামৰ্শ দিয়াৰ সময়তো এই কথা স্পষ্টভাৱে উল্লেখ কৰা হৈছিল যে বাণিজ্যিক বেংকসমূহৰ প্ৰৱেশ সমবায়ৰ ঋণৰ গাঁথনিৰ পৰিপূৰকহে হ'ব লাগে আৰু কোনো প্ৰকাৰেই সমবায়সমূহক আঁতৰাই দিব নালাগে। অৱশ্যে এই সমবায়বিলাকৰ ক্ষেত্ৰত বৃহৎ পৰিমাণৰ লোকচান, কামত নহা সম্পদৰ ৰক্ষণা-বেক্ষণ, ঋণ পৰিশোধৰ নিম্নস্তৰ আৰু বিভিন্ন ধৰণৰ প্ৰতিষ্ঠানিক দুৰ্বলতাই গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিছিল। দৰাচলতে, বহু সমবায় প্ৰতিষ্ঠানে বছৰৰ পাছত বছৰ ধৰি লোকচান ভৰিছিল।

বাণিজ্যিক বেংকৰ ভূমিকা (Role of Commercial Banks) ঃ আগতে গ্ৰামীণ ঋণদানৰ প্ৰক্ৰিয়াত বাণিজ্যিক বেংকৰ অংশ অত্যন্ত কম আছিল। ১৯৫১-৫২ চনত ইয়াৰ পৰিমাণ আছিল ০.৯% আৰু ১৯৬১-৬২ চনত আছিল মাত্ৰ ০.৭%। ইয়াৰ কাৰণ আছিল— সেই সময়ৰ কৃষিৰ প্ৰকৃতি বাণিজ্যিকমুখী নাছিল। জীৱিকা নিৰ্বাহেই আছিল ইয়াৰ একমাত্ৰ উদ্দেশ্য। সুসংগঠিত ঔদ্যোগিক খণ্ডটোৰ বিপৰীতে কৃষিখণ্ডটোত অনিশ্চয়তা অধিক; কিয়নো, ই প্ৰাকৃতিক কাৰকবিলাকৰ ওপৰত নিৰ্ভৰশীল। সেয়ে, কৃষি খণ্ডতকৈ ঔদ্যোগিক খণ্ডকহে বাণিজ্যিক বেংকসমূহে অধিক পৰিমাণৰ ঋণ দিয়াৰ ব্যৱস্থা কৰিছিল।

অৱশ্যে, ১৯৬৯ চনত ২০টা বাণিজ্যিক বেংকক ৰাষ্ট্ৰীয়কৃত কৰাৰ পাছত এইবিলাকৰ কাম-কাজৰ ক্ষেত্ৰত বহু উন্নতি সাধন হয়। গাঁৱলীয়া অঞ্চলবিলাকত বেংকসমূহে নিজৰ শাখা বৃদ্ধি কৰিলে আৰু তাৰ ফলত এই অঞ্চলবিলাকত ঋণদানৰ পৰিমাণো লাহে লাহে বৃদ্ধি কৰিবলৈ ল'লে। ১৯৬৯ চনত বাণিজ্যিক বেংকসমূহৰ সৰ্বমুঠ শাখাৰ মাত্ৰ ২২.২% গাঁও অঞ্চলত আছিল। ২০০৭ চনত এই পৰিমাণ ৪২.৪% লৈ বৃদ্ধি পায়। ইয়াৰ পৰা দেখা গ'ল যে বাণিজ্যিক বেংকসমূহৰ শাখাৰ সৰ্বমুঠ সংখ্যা উল্লেখযোগ্যভাৱে বৃদ্ধি পালে। একেদৰে, ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ পৰা প্ৰদান কৰা কৃষি ঋণৰ পৰিমাণো বৃদ্ধি পালে। ১৯৬৯ চনত কৃষি খণ্ডত আগবঢ়োৱা সৰ্বমুঠ ঋণৰ পৰিমাণ আছিল মাত্ৰ ১৬৪ কোটি টকা। কিন্তু ২০০৮-০৯ ত এই পৰিমাণ ২,২৮,৯৫১ কোটি টকালৈ বৃদ্ধি পায়। এই পৰিমাণটো আছিল কৃষি খণ্ডলৈ প্ৰতিষ্ঠানিক বিত্তীয় অনুষ্ঠানসমূহে প্ৰদান কৰা সৰ্বমুঠ ঋণৰ ৭৮%। ২০১৩-১৪ বৰ্ষত কৃষি খণৰ পৰিমাণ ৫,০৯,০০৫ কৌটি টকালৈ বৃদ্ধি পায়, যিটো কৃষি খণ্ডলৈ প্ৰতিষ্ঠানিক বিত্তীয় অনুষ্ঠানসমূহে প্ৰদান কৰা সৰ্বমুঠ ঋণৰ ৭১%।

এতিয়া আমি ক'ব পাৰোঁ যে ৰাষ্ট্ৰীয়কৃত কৰাৰ পাছত বাণিজিক বেংকসমূহে গ্ৰামীণ ঋণ প্ৰদান কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ইয়াৰ ফলত কৃষকসকলে কৃষি কাৰ্যত জড়িত বিভিন্ন খৰচ-পাতিৰ জোৰা মাৰিব পাৰিছিল আৰু এক বৰ্ধিত হাৰত নতুন কৃষি প্ৰযুক্তি গ্ৰহণ কৰিব পাৰিছিল। ইয়াৰ ফলত গ্ৰামাঞ্চলত কৃষি বহিৰ্ভূত খণ্ড (Non-farm Sector)ৰ কাৰ্যকলাপো সম্প্ৰসাৰিত হ'ল আৰু এনেকৈয়ে

কৃষি খণ্ডত বে-চৰকাৰী বিনিয়োগো বৃদ্ধি পালে। ঋণৰ আদান-প্রদানৰ ব্যৱস্থা প্রসাৰিত হোৱাৰ লগে লগে ভাৰতৰ কৃষিৰ বিকাশ সম্ভৱ হৈ উঠিল আৰু কৃষি খণ্ডৰ আধুনিকীকৰণো সম্ভৱ হৈ উঠিল। ইয়াৰ লগতে বৃহৎসংখ্যক গাঁৱলীয়া কৃষক সুদখোৰ মহাজনৰ হাতৰ মুঠিৰ পৰা মুক্ত হ'বলৈ সক্ষম হৈছিল।

দুৰ্বলতা (Weaknesses) ঃ গ্রামীণ ঋণৰ ক্ষেত্রখনত বাণিজ্যিক বেংকসমূহৰ উল্লেখযোগ্য সফলতা স্বত্বেও কিছুমান সীমাৱদ্ধতাও আছে। এইবিলাক হৈছে ঃ

- বেংকৰ শাখাসমূহৰ দ্রুত প্রসাৰে আঁচনি প্রস্তুতিৰ মানদণ্ড, বিশেষকৈ, দুৰ্ভিক্ষৰ বিৰুদ্ধে কৰা আঁচনিবিলাকৰ মানদণ্ড হ্রাস কৰে।
- কৰ্মচাৰীৰ সংখ্যা কম হোৱা বাবে তেওঁলোকৰ ওপৰত কামৰ বোজা অধিক হয় আৰু সেয়ে কামৰ মানদণ্ড হ্রাস পায়। বাণিজ্যিক বেংকৰ গ্রামীণ শাখাবিলাকত থকা কৰ্মচাৰীসকলৰ কামৰ প্রতি মনোযোগ বিভিন্ন কাৰণত কম হয়। গ্রামীণ অঞ্চলত ঋণদানৰ প্রক্রিয়া চোৱা-চিতা কৰাৰ ক্ষেত্রত অৱহেলা কৰা দেখা যায়।
- ব্যৱসায়ৰ বাবে উপযুক্ত সা-সুবিধা নথকা গ্রাম্যাঞ্চলবিলাকত এক বৃহৎ সংখ্যক শাখা খোলাৰ পৰিণতিত বেংকসমূহৰ ব্যয় বৃদ্ধি হৈছে আৰু ঋণদানৰ পৰিৱর্তে অন্য কামত হোৱা খৰচৰ পৰিমাণো বাঢ়িছে। ইয়াৰ ফলত, বেংকবিলাকৰ মুনাফা অর্জনত বেয়া প্রভাৱ পৰিছে।
- বাণিজ্যিক বেংকবিলাকৰ ঋণ পৰিশোধৰ অৱস্থা অত্যন্ত বেয়া।
- জমা আৰু ঋণদান (credit deposit) অনুপাতটোৱে এটা বেংকে অঞ্চলটোৰ উন্নয়নত কিমান অৰিহণা যোগায়, তাকে সূচায়। অৱশ্যে গ্রামীণ ঋণৰ ক্ষেত্রত অনুপাতটো হ্রাস যে হৈছে, সেই কথা এই উদাহৰণকেইটাই প্রতিপন্ন কৰে ঃ ১৯৯১ চনত এই অনুপাত আছিল ১.৫৭% আৰু ২০০১--ত ইয়াৰ পৰিমাণ ০.৭৩% লৈ হ্রাস পায়। ইয়াৰ পৰা এই কথা প্রতিপন্ন হৈছে যে গ্রামীণ ভাৰতৰ পৰা সংগৃহীত জমা ধন অন্য ক'ৰবাত খটুওৱা হৈছে। আনকথাত ক'বলৈ গ'লে, গ্রামীণ ভাৰতে অর্থনীতিৰ অন্য খণ্ডৰ বিকাশতহে বিত্তৰ যোগান ধৰি আহিছে।
- সমবায়বিলাকে সামৰি নোলোৱা ঋণৰ পর্যাপ্ততাৰ ক্ষেত্রত থাকি যোৱা ভৌগলিক ব্যৱধানবিলাক পূৰ কৰা ক্ষেত্রত বাণিজ্যিক বেংকবিলাক ব্যর্থ হৈছে।
- এটা বাণিজ্যিক বেংক আৰু আন এটাৰ মাজত সমন্বয়ৰ অভাৱ দেখা যায়। ঠিক সেইদৰে বাণিজ্যিক বেংক আৰু সমবায়ৰ ঋণৰ গাঁথনি, চৰকাৰী বিভাগৰ মাজতো সমন্বয়ৰ অভাৱ আছিল। আনকি প্রতিখন জিলাৰ বাবে প্রস্তুত কৰা মুখ্য বেংক আঁচনি (Lead bank scheme)-এও সমগ্র প্রণালীটোক সামৰি ল'বলৈ সক্ষম নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ কৃষি বিত্তৰ প্রধান উৎসবিলাক কি কি? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৪ ঃ কৃষি ঋণ প্রদান কৰাৰ ক্ষেত্রত সমবায়বিলাকৰ ভূমিকা উল্লেখ কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৫ ঃ গ্রামীণ ভাৰতে অর্থনীতিৰ অন্য খণ্ডবিলাকৰ বিকাশতহে বিত্তৰ যোগান ধৰি আছে। এই কথাৰ সৈতে আপুনি একমত নে? আপোনাৰ দৃষ্টিভংগীৰ সপক্ষে যুক্তি আগবঢ়াওক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

৬.৪.২ মাওঁলিক গ্রামীণ বেংক আৰু নাবার্ডৰ ভূমিকা

মাওঁলিক গ্রামীণ বেংকসমূহৰ ভূমিকা ঃ বাণিজ্যিক বেংক আৰু সমবায়বিলাকৰ প্রচেষ্টাৰ পৰিপূৰক হিচাপে গ্রাম্য বেংক কর্ম গোট (Working Group on Rural Banks) (১৯৭৫)ৰ পৰামর্শ অনুসৰি ১৯৭৫ চনৰ পৰা মাওঁলিক গ্রামীণ বেংক (Regional Rural Banks -RRBs) বিলাকে কাম-কাজ আৰম্ভ কৰে। আৰম্ভণিতে ১৯৭৫ চনত ৫টা মাওঁলিক গ্রামীণ বেংক গঠন কৰা হয়। কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰ যুটীয়া প্রচেষ্টাত এই বেংকবিলাক প্রতিষ্ঠা কৰা হৈছিল। যিখন ৰাজ্যত এই বেংকে কাম-কাজ কৰিছিল, সেই ৰাজ্যৰ ৰাজ্য চৰকাৰ আৰু সংশ্লিষ্ট বাণিজ্যিক বেংকে এই মাওঁলিক

গ্ৰামীণ বেংকৰ পৃষ্ঠপোষকতা কৰিছিল। মুঠ মূলধনৰ ৫০% দিছিল কেন্দ্ৰীয় চৰকাৰে, সংশ্লিষ্ট ৰাজ্য চৰকাৰে দিছিল ১৫% আৰু বাকী ৩৫% পৃষ্ঠপোষক বেংকটোৱে দিছিল।

মাণ্ডলিক গ্ৰামীণ বেংক প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্য ঃ

- গাঁৱলীয়া জনসাধাৰণৰ দুৰ্বল শ্ৰেণী, ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষক, ভূমিহীন শ্ৰমিক, মিস্ত্ৰি আৰু অন্যান্য ক্ষুদ্ৰ উদ্যোগীসকলক ঋণ দিয়া।
- গাঁৱৰ দুখীয়া লোকসকলক সামৰি লোৱাৰ উদ্দেশ্যে আধুনিক দৃষ্টিভংগীৰে সমবায় আৰু বাণিজ্যিক বেংকসমূহৰ পৰিপূৰক হিচাপে কাম কৰা।
- গাঁৱলীয়া দুখীয়া লোকসকলে যাতে সহজে ঋণৰ সুবিধা গ্ৰহণ কৰিব পাৰে তাৰ বাবে কম খৰচত, জটিলতা নোহোৱাকৈ ঋণৰ ব্যৱস্থা কৰা।
- মাণ্ডলিক গ্ৰামীণ বেংকৰ কৰ্মচাৰীসকলক ইয়াৰ কাষৰীয়া অঞ্চলসমূহৰ পৰা নিযুক্ত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল, যাতে সেই বিশেষ অঞ্চলটো আৰু ইয়াৰ জনসাধাৰণৰ অভাৱ সম্পৰ্কে তেওঁলোকে ভালদৰে বুজিব পাৰে।

মাণ্ডলিক গ্ৰামীণ বেংকৰ বিকাশ ঃ ১৯৭৫ চনত আৰম্ভণিতে ৫টা মাণ্ডলিক গ্ৰামীণ বেংক প্ৰতিষ্ঠা হোৱাৰ বিপৰীতে ১৯৯০ চনত সমগ্ৰ ভাৰতত ইয়াৰ সংখ্যা হয়গৈ ১৯৬টা। ২০০৫-০৬-ত মাণ্ডলিক গ্ৰামীণ বেংকবিলাকে ১৫,২২৩ কোটি টকাৰ ঋণ আগবঢ়াইছিল। ই মুঠ প্ৰতিষ্ঠানিক ঋণৰ ৮.৫% আছিল। এই বেংকসমূহৰ সীমিত সফলতাৰ প্ৰতি লক্ষ্য ৰাখি ২০০৫ চনৰ ভাৰত চৰকাৰে ছেপ্টেম্বৰ মাহত মাণ্ডলিক গ্ৰামীণ বেংকবিলাকৰ একত্ৰীকৰণ (Amalgamation) আৰম্ভ কৰে। ইয়াৰ প্ৰধান যুক্তি হিচাপে এই কথা কোৱা হৈছে যে, একত্ৰীকৰণে মাণ্ডলিক গ্ৰামীণ বেংকবিলাকৰ শক্তি আৰু কৰ্মদক্ষতা বৃদ্ধি কৰিব। ২০০৬ চনৰ আগষ্টলৈকে এনেধৰণৰ একত্ৰীকৰণৰ ফলত মাণ্ডলিক গ্ৰামীণ বেংকৰ সংখ্যা ১৯৬ৰ পৰা ১০৪ লৈ হ্ৰাস পায়, যিটো ২০০৭ চনত কমি ৯৫ টা হয়।

দুৰ্বলতা (Weaknesses) ঃ বিকাশ হোৱা স্বত্বেও মাণ্ডলিক গ্ৰামীণ বেংকবিলাকে উল্লেখযোগ্য সুফল লাভ কৰা নাছিল। মাণ্ডলিক গ্ৰামীণ বেংকবিলাকে সন্মুখীন হোৱা প্ৰধান সমস্যাসমূহ আছিল ঃ

- মাণ্ডলিক গ্ৰামীণ বেংকবিলাকক একাধিক সংস্থাই নিয়ন্ত্ৰণ কৰিছিল। এইবিলাকৰ কাম-কাজত সাদৃশ্যৰ অভাৱ পৰিলক্ষিত হৈছিল। ইয়াৰ পৰিণতিত ৰাজ্য চৰকাৰসমূহৰ পৰা সহযোগিতা নোহোৱা হৈছিল আৰু পৃষ্ঠপোষক বেংকবিলাকেও সঠিকভাৱে চোৱা-চিতা নকৰা হৈছিল।
- মাণ্ডলিক গ্ৰামীণ বেংকবিলাকৰ ঋণ আদায় কৰাৰ স্থিতি অত্যন্ত বেয়া। ঋণ লওঁতাই পৰিশোধৰ সীমা অতিক্ৰম কৰি যোৱাৰ পৰিমাণ অত্যন্ত বেছি। ঋণ পৰিশোধৰ ম্যাদি উকলি যোৱাৰ ক্ষেত্ৰত বিভিন্ন আভ্যন্তৰীণ আৰু বাহ্যিক কাৰকে অৰিহণা যোগাইছিল। আভ্যন্তৰীণ কাৰকবিলাকৰ ভিতৰত আছে ঃ আসোঁৱাহপূণ ঋণ নীতি,

দুর্বল পৰিচালনা আৰু পুনৰীক্ষণ, ঋণৰ সৈতে উন্নয়নৰ সম্পর্ক স্থাপনত ব্যর্থতা আৰু ঋণৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰা ব্যর্থতা। বাহ্যিক কাৰকবিলাকৰ ভিতৰত আছে ঃ ৰাজনৈতিক হস্তক্ষেপ, ইচ্ছাকৃতভাৱে কৰা বিভ্রান্তি, কৃষিৰ ওপৰত খৰাং আৰু বানপানীৰ কুপ্রভাৱ, ঋণ আদায়ৰ ক্ষেত্রত ৰাজ্য চৰকাৰৰ পৰা আইনগত আৰু প্রশাসনীয় সহযোগিতাৰ অভাৱ, ইত্যাদি।

- সমাজৰ দুর্বল শ্রেণীবিলাকক ঋণ দিয়াৰ উদ্দেশ্যে মাওলিক গ্রামীণ বেংকবিলাক প্রতিষ্ঠা কৰা হৈছিল। ঋণৰ পৰা আহৰণ কৰা সুদৰ পৰিমাণ আছিল অত্যন্ত কম। ঋণৰ পৰা হোৱা উপার্জনৰ বিপৰীতে বৃহৎসংখ্যক ক্ষুদ্র ক্ষুদ্র হিচাপ চলাওঁতে হোৱা খৰচ অধিক হোৱাত লোকচানৰ পৰিমাণ বৃদ্ধি পায়। আকৌ, বছৰৰ পাছত বছৰ ধৰি মাওলিক গ্রামীণ বেংকৰ শাখা খুলি থকাৰ ফলত যি ব্যয় বৃদ্ধি পাইছিল, তাৰ অনুপাতে উপার্জন বৃদ্ধি হোৱা নাছিল। এই সকলোবিলাক কাৰক লগ লাগি মাওলিক গ্রামীণ বেংকবিলাকৰ সফলতা তথা ইয়াৰ কাম-কাজত অনগ্রসৰতা আহি পৰে।
- মাওলিক গ্রামীণ বেংকবিলাক যিহেতু জিলা পর্যায়ৰ ক্ষুদ্র প্রতিষ্ঠানহে আছিল, সেয়ে এইবিলাকক পৰিচালনা কৰিবলৈ পৃষ্ঠপোষক বেংকবিলাকে কেৱল মধ্যমীয়া স্তৰৰ কর্মচাৰীহে নিযুক্ত কৰে। এনেধৰণৰ কর্মচাৰীয়ে একোটা নতুন বাতাবৰণত স্বাধীনভাৱে সিদ্ধান্ত লোৱাত জটিলতা অনুভৱ কৰে।

কৃষি আৰু গ্রামীণ বিকাশ বেংক (নাবার্ড)ৰ ভূমিকা (Role of National Bank for Agriculture and Rural Development – NABARD) ঃ গ্রামীণ কৃষি ঋণৰ ক্ষেত্রখনত হোৱা আটাইতকৈ গুৰুত্বপূর্ণ বিকাশটো হৈছে ১৯৮২ চনৰ জুলাই মাহত ৰাষ্ট্রীয় কৃষি আৰু গ্রামীণ বিকাশ বেংক (নাবার্ড)ৰ প্রতিষ্ঠা। গ্রামীণ আৰু কৃষি ঋণৰ ক্ষেত্রখনত সম্পাদন কৰিবলগীয়া সকলো কাম-কাজৰ দায়িত্ব ভাৰতীয় ৰিজার্ভ বেংকে এই বেংকক অর্পণ কৰিছে।

৫০০ কোটি টকাৰ অনুমোদিত কর্তৃত্বপ্রাপ্ত মূলধন (Authorized Capital), ১০০ কোটি টকাৰ পৰিশোধিত মূলধন (Paid up Captal) লৈ নাবার্ড প্রতিষ্ঠা কৰা হৈছিল। ভাৰত চৰকাৰ আৰু ভাৰতীয় ৰিজার্ভ বেংকৰ অংশ আছিল সমান সমান, অর্থাৎ ৫০ ঃ ৫০। ১৯৯৯-২০০০ চন পৰিশোধিত মূলধন ২০০০ কোটি টকালৈ বৃদ্ধি হয়। বিশ্ব বেংক (World Bank) আৰু আন্তঃৰাষ্ট্রীয় উন্নয়ন সংস্থা (International Development)-ৰ পৰাও নাবার্ডে পুঁজি লাভ কৰে।

নাবার্ডৰ কাম কাজ ঃ নিম্নোল্লিখিত কাম-কাজবিলাক কৰিবলৈ এটা বিকাশ সাধনকাৰী বেংক হিচাপে নাবার্ডক প্রতিষ্ঠা কৰা হৈছিল। যথা—

- গ্রামীণ অঞ্চলবিলাকত বিভিন্ন ধৰণৰ উন্নয়নমূলক কাম-কাজ তৰান্বিত কৰিবলৈ বিনিয়োগ আৰু উৎপাদনৰ বাবে ঋণসমূহ বিভিন্ন প্রতিষ্ঠানসমূহৰ শীর্ষ বিত্তীয় সংস্থা

হিচাপে ইয়াক প্ৰতিষ্ঠা কৰা হৈছিল।

- ক্ষেত্ৰভিত্তিক বিভিন্ন ধৰণৰ উন্নয়নমূলক কাম-কাজত জড়িত সকলো প্ৰতিষ্ঠানৰ গ্ৰামীণ বিত্তীয় কাৰ্যকলাপৰ সমন্বয় সাধন তথা ভাৰত চৰকাৰ, ৰাজ্য চৰকাৰ, ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু অন্যান্য ৰাষ্ট্ৰীয় স্তৰৰ প্ৰতিষ্ঠানবিলাকৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত সমন্বয়ৰক্ষীৰ ভূমিকা পালন কৰিবলৈও ইয়াক স্থাপন কৰা হৈছিল।
- যিবোৰ প্ৰকল্পত ই পুনৰ নতুনকৈ বিত্তৰ যোগান ধৰে, সেইবোৰ প্ৰকল্পৰ নিৰীক্ষণ তথা মূল্যয়ন কৰাটোও ইয়াৰ আন এক দায়িত্ব।
- ঋণ আদায় দিয়াৰ সক্ষমতা বৃদ্ধি কৰিবৰ বাবে প্ৰতিষ্ঠানসমূহৰ কাম-কাজৰ নিৰীক্ষণ তথা নিয়ন্ত্ৰণ কৰাৰ লগতে এনে ঋণদাতা প্ৰতিষ্ঠানবিলাকৰ কৰ্মচাৰীৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

কৃষিখণ্ডত নাবার্ডৰ ভূমিকা ঃ কৃষিখণ্ডত নাবার্ডে পালন কৰা ভূমিকাবিলাক এনেধৰণৰ ঃ

- ঋতুকালীন কৃষি কৰ্মৰ লগতে গ্ৰাম্য অৰ্থনীতিৰ লগত জড়িত আন আন কাম-কাজ, যথা— মীন পালন, সমবায়ৰ শিপিনীসকলৰ কাম-কাজ আদিক বিত্তৰ যোগান ধৰা। ৰাজ্যিক সমবায় বেংকসমূহক নাবার্ডে হ্ৰস্বকালীন ঋণ প্ৰদান কৰে। আকৌ, এনেধৰণৰ কাম-কাজৰ লগত জড়িত আন কিছুমান সংস্থা আছে, যিয়ে কৃষকসকলক সুলভ মূল্যত বীজ, সাৰ আদি যোগান ধৰাৰ লগতে উৎপাদিত শস্যৰ বিপণনতো সহায় কৰে। ঠিক সেইদৰে, গাঁৱৰ মহিলা সমবায় সমূহকো সুলভ মূল্যত এড়ী, সুতা যোগান ধৰাৰ লগতে উৎপাদিত সামগ্ৰীৰ বিপণনত সহায় কৰা সংস্থা কিছুমান আছে। ৰাজ্যিক সমবায় বেংকসমূহে যাতে এনেবোৰ সংস্থাক হ্ৰস্বকালীন বিত্তৰ যোগান ধৰিব পাৰে, সেই উদ্দেশ্যে নাবার্ডে এই বেংকসমূহক বিত্তৰ যোগান ধৰে।
- ঋতুকালীন কৃষি কৰ্মৰ বাবে প্ৰদান কৰা হ্ৰস্বকালীন ঋণক প্ৰয়োজন সাপেক্ষে মধ্যমীয়া সময়ৰ ঋণলৈ পৰিৱৰ্তিত কৰিবৰ বাবে ৰাজ্যিক সমবায় বেংক আৰু মাণ্ডলিক গ্ৰামীণ বেংকসমূহক মধ্যমীয়া সময়ৰ বাবে নাবার্ডে ঋণ দিয়ে।
- সমবায় ঋণদাতা প্ৰতিষ্ঠানবিলাকত মূলধনৰ অংশ বৃদ্ধি কৰিবৰ বাবেও ৰাজ্য চৰকাৰবিলাকক ই দীৰ্ঘকালীন ঋণ আগবঢ়ায়।
- নাবার্ডে ৰাজ্যিক সমবায় কৃষি আৰু গ্ৰামীণ বিকাশ বেংক, ৰাজ্যিক সমবায় বেংক, মাণ্ডলিক গ্ৰামীণ বেংক, বাণিজ্যিক বেংক আৰু ৰিজাৰ্ভ বেংকৰ দ্বাৰা অনুমোদিত অন্যান্য বিত্তীয় প্ৰতিষ্ঠানবিলাকক বিত্তৰ পুনৰ যোগান ধৰে। ইয়াৰ মূল উদ্দেশ্য হ'ল যাতে ঋণৰ বিনিয়োগৰ জৰিয়তে উমৈহতীয়া অনুষ্ঠান, কোম্পানী, ৰাষ্ট্ৰীয় নিগম বা সমবায় সমিতিসমূহ উপকৃত হয়। উৎপাদনৰ ঋণ সাধাৰণতে ব্যক্তিগত লোকসকলক দিয়া হয়।

- আত্মসহায়ক গোট (Self Help Groups) আৰু অন্যান্য ক্ষুদ্র বিত্তীয় প্রতিষ্ঠানবিলাকৰ বিকাশ আৰু অগ্রগতিৰ ক্ষেত্রত বিশেষ সুদৰ হাৰত বিত্তৰ পুনৰ যোগান ধৰি নাবার্ডে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। আত্মসহায়ক গোট আৰু বেংকৰ মাজৰ সম্পর্ক স্থাপনৰ জৰিয়তে ক্ষুদ্র ক্ষুদ্র বিত্তৰ যোগান ধৰি তথা আর্থ-সামাজিক অগ্রগতি সাধন কৰি কোটি কোটি দৰিদ্রলোকৰ কল্যাণৰ পথ সুগম কৰিছে।
- কৃষকক হ্রস্বকালীন ঋণৰ সুবিধা দিবলৈ ১৯৯৮-৯৯ চনত কিষাণ ক্রেডিট কার্ড (Kishan Credit Card– KCC) মুকলি কৰা হয়। বাণিজ্যিক বেংক, সমবায় বেংক আৰু মাণ্ডলিক গ্রামীণ বেংক বিলাকে এই আঁচনি ৰূপায়ণ কৰি আহিছে। ইয়াৰ জৰিয়তে কৃষকক একোখন কিষাণ ক্রেডিট কার্ড দিয়া হয় আৰু নগদ ঋণৰ সুবিধা লাভ কৰিব পৰাকৈ একোখন পাছবুক দিয়া হয়। এই কিষাণ ক্রেডিট কার্ডবিলাকৰ প্রচলনৰ গতি নাবার্ডে খৰতকীয়া কৰি তুলিছে।
- ৰিজার্ভ বেংকে বাণিজ্যিক বেংকবিলাকক নির্দেশনা দিয়াৰ দৰে নাবার্ডে স্বর্ণজয়ন্তী গ্রাম স্ব-ৰোজগাৰ যোজনাৰ ৰূপায়ণৰ ক্ষেত্রত মাণ্ডলিক গ্রামীণ বেংক আৰু সমবায় বেংকবিলাকৰ কাম-কাজৰ নির্দেশনা দিয়ে। স্বর্ণ জয়ন্তী গ্রাম স্ব-ৰোজগাৰ যোজনাৰ বাবে পুনৰ বিত্তৰ যোগান ধৰাৰ ক্ষেত্রত সকলো বাণিজ্যিক বেংককে ই পৰামর্শ আগবঢ়ায়।
- ১৯৯৩ চনত নাবার্ডে কো-অপাৰেটিভ ডেভেলপমেণ্ট ফাণ্ড (Co-operative Development Fund – CDF) প্রতিষ্ঠা কৰে। ইয়াৰ উদ্দেশ্য আছিল প্রতিষ্ঠানিক গাঁথনি, মানৱ সম্পদৰ বিকাশ, সম্পদৰ সৎ ব্যৱহাৰ, ঋণ পৰিশোধ ইত্যাদি ক্ষেত্রসমূহত সমবায় ঋণ প্রতিষ্ঠানবিলাকক শক্তিশালী কৰি তোলা তথা সহজ ঋণ প্রদান কৰি ৰাজ্যিক সমবায় বেংক, ৰাজ্যিক সমবায় কৃষি আৰু গ্রামীণ বিকাশ বেংকসমূহক সহায় কৰা।
- ৰাজ্যিক সমবায় বেংক আৰু আন কেতবোৰ নির্দিষ্ট ৰাজ্যিক স্তৰৰ সমবায় প্রতিষ্ঠানৰ বাবে নাবার্ড হৈছে তত্ত্বাৱধায়ক কর্তৃপক্ষ। কাজেই, নাবার্ডে এই প্রতিষ্ঠানবিলাকৰ ওপৰত নজৰ ৰাখে আৰু সময়ে সময়ে পৰিদর্শন কৰে।
- নাবার্ডৰ তিনিটা প্রধান কাম হৈছে— বিত্তৰ পুনৰ যোগান ধৰা, প্রতিষ্ঠানিক বিকাশ আৰু ই ঋণ দিয়া বেংকবিলাকক পৰিদর্শন কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ঃ RRB বিলাক কেতিয়া আৰু কিদৰে গঠন কৰা হৈছিল ?
(৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ৭ ঃ RBI আৰু ভাৰত চৰকাৰে নাবার্ড প্ৰতিষ্ঠা কৰিছিল। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৮ ঃ নাবার্ডে কিয় আৰু কাক দীৰ্ঘকালীন ঋণ প্ৰদান কৰে? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

৬.৫ কৃষি বিপণন ঃ ধাৰণা আৰু সীমাবদ্ধতা

কৃষি বিপণনৰ ধাৰণা (The Concept of Agricultural Marketing) ঃ কৃষিজাত পণ্যৰ বিপণন বুলি ক'লে বিভিন্ন ধৰণৰ কার্যকলাপ যথা— কৃষিজাত পণ্যৰ সংগ্ৰহ আৰু মজুতকৰণ, সেইবিলাকৰ শ্ৰেণীবন্ধন (Gradation), মানদণ্ডৰ সৈতে সংগতি ৰাখি সামগ্ৰীসমূহৰ দৰ নির্দ্ধাৰণ ইত্যাদি বিষয়সমূহ অন্তর্ভুক্ত। কৃষিজাত সামগ্ৰীৰ কিনা-বেচা কৰিবলৈ প্ৰস্তুত কৰা এক ফলপ্ৰসূ কৃষি বিপণন পদ্ধতিয়ে একোটা অর্থনীতিৰ প্ৰতি যথেষ্ট পৰিমাণৰ মূল্যৱান সেৱা আগবঢ়ায়। এইবিলাকৰ ভিতৰত উল্লেখযোগ্য কিছুমান হ'ল ঃ

- একোটা অর্থনীতিৰ সঠিক কাম-কাজৰ বাবে এক সঠিক বিপণন পদ্ধতিৰ আৱশ্যক। এটা সঠিক বিপণন পদ্ধতি থাকিলে কৃষকে তেওঁৰ উৎপাদিত শস্য বিক্ৰীৰ বাবে এখন বজাৰ পাব বুলি আশ্বস্ত হ'ব পাৰে। এনেধৰণৰ একোটা পদ্ধতিয়ে কেনেধৰণৰ সামগ্ৰীৰ চাহিদা আছে আৰু কিমান পৰিমাণৰ সামগ্ৰীৰ প্ৰয়োজন হ'ব সেই সম্পর্কে কৃষক এজনক আগতীয়াকৈ ধাৰণা কৰি লোৱাত সহায় কৰে। ফলস্বৰূপে, কৃষকে ভূমিৰ সদ ব্যৱহাৰ কৰিব পাৰে।
- সঠিকভাৱে প্ৰস্তুত কৰা একোটা বিপণন পদ্ধতিয়ে কৃষকসকলক তেওঁলোকৰ উৎপাদিত পণ্যৰ সম্ভাব্য সর্বাধিক দাম পোৱাত সহায় কৰে। যিবিলাক সামগ্ৰী উৎপাদন কৰিলে সর্বাধিক আয় অর্জনৰ সম্ভাৱনা থাকে, কৃষকে তেনে সামগ্ৰী যথোচিত পৰিমাণত উৎপন্ন কৰিবলৈ উৎসাহিত হয়।
- একোটা সঠিক বিপণন পদ্ধতিয়ে কৃষি বহির্ভূত সামগ্ৰীৰ দামৰ সৈতে কৃষিজাত সামগ্ৰীৰ দামৰ সংগতি স্থাপন কৰিব পাৰে। ভাৰতীয় অর্থনীতিৰ মুঠ ঘৰুৱা উৎপাদনত প্ৰধান অৰিহণা যোগোৱা কৃষিজাত সামগ্ৰীৰ দামৰ ওপৰত অন্য সামগ্ৰীৰ দাম নির্ভৰশীল। এক সঠিক বিপণন ব্যৱস্থাপনাই কৃষিখণ্ডৰ উদ্বৃত্ত (Surplus)খিনি কৃষি বহির্ভূত অন্যান্য খণ্ড, যেনে উদ্যোগ আদিত ব্যৱহাৰৰ বাবে প্ৰৱাহিত কৰিব পৰাটো খুব প্ৰয়োজনীয়। বিশেষকৈ, শ্ৰমিকৰ আৰু

নগৰীয়া জনসাধাৰণক খাদ্যৰ যোগান ধৰাৰ ক্ষেত্ৰত ই বিশেষ ভূমিকা পালন কৰে। ই উদ্যোগবিলাকক কেচামাল যোগান ধৰাৰ লগতে ৰপ্তানিৰ বাবেও সামগ্ৰীৰ যোগান ধৰিব পাৰে।

- কৃষি বিপণন পদ্ধতি এনে ধৰণে গঢ়ি তোলা উচিত যাতে ই কৃষিখণ্ডৰ বিকাশৰ হাৰ বৃদ্ধি কৰে। ই বিভিন্ন ধৰণৰ সামগ্ৰী উৎপন্ন কৰাৰ বাবে আৰ্কষণীয় আৰু লাভজনক সুযোগৰ সৃষ্টি কৰিব পাৰে।

কৃষি বিপণনৰ সীমাৱদ্ধতা ঃ কৃষি বিপণনৰ প্ৰয়োজনীয়তাৰ লগতে ইয়াৰ বিভিন্ন ধৰণৰ সুবিধা থাকিলেও কেতবোৰ সীমাৱদ্ধতাও আছে। গুৰুত্বপূৰ্ণ সীমাৱদ্ধতাবিলাক তলত দিয়া হ'ল ঃ

- ভাৰতবৰ্ষৰ বেছিভাগ অঞ্চলতে বিজ্ঞানসন্মত সঞ্চয় ভাণ্ডাৰৰ সুবিধা নথকা হেতুকে সামগ্ৰী নষ্ট হোৱাৰ আশংকা থাকে। সেয়ে দীৰ্ঘ সময়ৰ বাবে অপেক্ষা কৰাটো কৃষকৰ বাবে কঠিন কাম। সোনকালে নষ্ট হোৱা সামগ্ৰী মজুত কৰি ৰাখিব নোৱৰাৰ বাবে কৃষকে উচিত দাম নাপায় আৰু বজাৰৰ সৰ্বোত্তম সুযোগটো গ্ৰহণ কৰিবলৈ অসমৰ্থ হয়। যোগানৰ সীমাৱদ্ধতাৰ বাবে দেশৰো ক্ষতি হয়।
- পৰিবহন ব্যৱস্থাৰ বিভিন্ন আসোঁৱাহ, যেনে— স্থলপথ, ৰেলপথ আৰু জলপথৰ পুতৌ লগা অৱস্থাৰ বাবে কৃষকে তেওঁলোকৰ উৎপাদিত শস্য খেতি পথাৰৰ পৰা ঘৰলৈ আৰু গাঁৱৰ পৰা বজাৰলৈ কঢ়িয়াই নিয়াৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হয়। অপৰ্যাপ্ত পৰিবহন ব্যৱস্থাৰ উপৰিও দ্ৰুতগামী যান-বাহনৰ অভাৱৰ বাবে দেশে লোকচান ভৰিবলগীয়া হয়। যাৰ ফলত এক বৃহৎ পৰিমাণৰ উৎপাদিত শস্য আৰু সোনকালে নষ্ট হোৱা সামগ্ৰীসমূহ খৰখেদাকৈ বজাৰলৈ উলিয়াই দিয়াত অসুবিধা হয়। ইয়াৰ পৰিণাম স্বৰূপে সামগ্ৰীৰ পৰিবহণ ব্যয় বৃদ্ধি পায় আৰু সামগ্ৰীসমূহৰ এটা অংশ অনা-নিয়া কৰোঁতে বাটতেই নষ্ট হয়। এনেবোৰ কাৰণতে কৃষকে তেওঁলোকৰ উৎপাদিত শস্যৰ উচিত দাম লাভ কৰিবলৈও ব্যৰ্থ হয়।
- ঋণৰ যথোচিত ব্যৱস্থাৰ অভাৱ, বিশেষকৈ খেতি কৰা আৰু উৎপাদিত শস্য চপোৱা আৰু বজাৰলৈ উলিয়াই দিয়াৰ মাজৰ সময়ছোৱাত উদ্ভৱ হোৱা বিত্তৰ অভাৱ পূ�ৰও কৰিব নোৱাৰাটো কৃষি বিপণন আৰু বিত্ত ব্যৱস্থাপনাটোৰ এক উল্লেখযোগ্য সীমাৱদ্ধতা। ইয়াৰ ফলত কৃষকসকলে কৃষিভূমি ধৰি ৰখাত অসমৰ্থ হয়, বিশেষকৈ ক্ষুদ্ৰ খেতিয়কসকলে। তেনে পৰিস্থিতিত শস্য চপোৱাৰ লগে লগে কৃষকসকলে সেয়া বিক্ৰী কৰি দিবলৈ বাধ্য হয়। সকলো কৃষকে তেওঁলোকৰ উৎপাদিত শস্য একে সময়তে বিক্ৰী কৰিবলৈ আনে। ইয়াৰ ফলত বজাৰত যোগান উৰ্ভেনদী হৈ পৰে আৰু সেয়ে কৃষকে উচিত দাম নাপায়।
- বৰ্তমানৰ বিপণন পদ্ধতিৰ আন এটা আসোঁৱাহ হৈছে বিভিন্ন ধৰণৰ কৃষিজাত সামগ্ৰীৰ সঠিকভাৱে শ্ৰেণীবন্ধন নকৰাটো। সামগ্ৰীৰ শ্ৰেণীবন্ধন আৰু মান উন্নীতকৰণৰ ব্যৱস্থা উপযুক্ত নহয়। সাধাৰণতে, বজাৰত ওলোৱা সামগ্ৰীবিলাকৰ মান আৰু শ্ৰেণী বিভিন্ন ধৰণৰ হয়। কিন্তু, কোনো ধৰণৰ ফলপ্ৰসূ শ্ৰেণীবন্ধন নোহোৱা হেতুকে এই সামগ্ৰীবিলাকৰ মান অনুসৰি

দাম নিৰূপণ কৰাত জটিলতা আহি পৰে। কাজেই, উৎপাদিত শস্যৰ দাম, উৎপাদনৰ পৰিমাণ আৰু মানদণ্ডৰ মাজত পাৰস্পৰিক সম্পৰ্ক নাথাকে। সেয়ে কৃষকে তেওঁলোকৰ উন্নত মানৰ শস্যৰ বাবে অধিক দাম নিশ্চিত কৰাটো জটিল হৈ পৰে। এনেকৈয়ে কৃষকে তেওঁলোকৰ মানদণ্ডপূৰ্ণ সামগ্ৰীৰ বাবে কোনো ধৰণৰ উদগণি লাভ নকৰে। আনহাতে এনেধৰণৰ লেনদেনৰ ক্ষেত্ৰত গ্ৰাহকেও কোনো সন্তুষ্টি লাভ নকৰে।

- বহু সময়ত কৃষকে বজাৰৰ দৰ, বজাৰৰ চাহিদা, আন্তৰ্জাতিক ধাৰা, চৰকাৰী নীতি, ইত্যাদি সম্পৰ্কে সঠিক তথ্য নাপায়। এনে পৰিস্থিতিত ঘটনাক্ৰমেহে বজাৰত প্ৰৱেশ কৰা কৃষক এজনে লাভখোৰ মহাজন, ব্যৱসায়ী আৰু অন্যান্য মধ্যস্থতাকাৰীয়ে দিয়া তথ্যৰ ভিত্তিতেই সিদ্ধান্ত ল'বলগীয়া হয়। কৃষকে লাভ কৰা এনেধৰণৰ তথ্যবিলাক সাধাৰণতে ভুল হয় আৰু স্বাভাৱিকতেই ক্ৰেতাৰ পক্ষত আৰু কৃষকৰ স্বাৰ্থৰ পৰিপন্থী হয়।
- কৃষি বিপণনৰ আন এটা দুৰ্বলতা হৈছে কৃষি বিপণনৰ প্ৰতিষ্ঠানিক ব্যৱস্থাপনা (Institutional arrangements) সামগ্ৰিকভাৱে খুব পুতৌলগা। কৃষকসকলে তেওঁলোকৰ উৎপাদিত শস্য ব্যক্তিগতভাৱে পৃথকে পৃথকে বিক্ৰী কৰে। শক্তিশালী মধ্যস্থতাকাৰীসকলৰ বিৰুদ্ধে এই কৃষকসকলে খুব দুৰ্বল ভাৱেহে দৰ-দাম কৰিব পাৰে, সেয়ে তেওঁলোকে তেওঁলোকৰ সামগ্ৰীৰ বাবে উচিত দাম নাপায়। সমবায় বিপণন সমিতিৰ সংখ্যা কম হোৱা বাবে আৰু কৃষিজাত সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত চৰকাৰী ব্যৱস্থা সঠিক নোহোৱাত মাত্ৰ কেইখনমান নিয়ন্ত্ৰিত বজাৰতহে বিপণন ব্যৱস্থাই সঠিকভাৱে কাম কৰা পৰিলক্ষিত হয়। এনেধৰণৰ অভাৱৰ বাবে কৃষকসকল শোষিত হৈ আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৯ ঃ কৃষি বিপণন কি? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ১০ ঃ কৃষিজাত সামগ্ৰী বিপণনৰ ক্ষেত্ৰত পৰিবহন ব্যৱস্থাই কেনেধৰণৰ প্ৰভাৱ পেলায়? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন ১১ ঃ শস্য চপোৱাৰ পাছতে সকলো কৃষকে তেওঁলোকৰ কৃষিজাত সামগ্ৰী একে সময়তে বজাৰলৈ আনোঁতে কেনে পৰিস্থিতিৰ উদ্ভৱ হয় ? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৬.৬ কৃষি বিপণনক উৎসাহিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা

স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে কৃষি বিপণন পদ্ধতিৰ উন্নতি সাধনৰ বাবে এলানি পদক্ষেপ গ্ৰহণ কৰিছিল। এইবিলাক হৈছে ঃ নিয়ন্ত্ৰিত বজাৰ প্ৰতিষ্ঠা, ৰেৰহাউছ নিৰ্মাণ, শ্ৰেণীবদ্ধকৰণৰ ব্যৱস্থা, কৃষিজাত সামগ্ৰীৰ মান নিৰ্ধাৰণ, ওজন আৰু জোখ-মাপৰ মান নিৰ্ধাৰণ, ৰেডিঅ' যোগে কৃষিজাত শস্যৰ বজাৰ দৰৰ দৈনিক সম্প্ৰচাৰ, পৰিবহন ব্যৱস্থাৰ উন্নতি সাধন, ইত্যাদি। এতিয়া আমি এইবিলাকৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

- বিক্ৰেতা আৰু দালালৰ অশুভ কাৰ্যৰ পৰা কৃষকসকলক সুৰক্ষা দিবলৈ নিয়ন্ত্ৰিত বজাৰবিলাক প্ৰতিষ্ঠা কৰা হৈছিল। এনেধৰণৰ বজাৰবিলাক পৰিচালনা কৰে একোখন বিপণন সমিতিয়ে। এই সমিতিত থাকে ৰাজ্য চৰকাৰৰ প্ৰতিনিধি, স্থানীয় সমিতিৰ প্ৰতিনিধি, দালাল আৰু কৃষকৰ প্ৰতিনিধি। এই সমিতিয়ে কৰা কামবিলাক হৈছে (ক) ওজন তথা দালালি ইত্যাদিৰ মাচুল স্থিৰ কৰা ইত্যাদি, (খ) মধ্যস্থতাকাৰীৰ দ্বাৰা অকৰ্তৃত্বশীল দাম কমোৱাটো বন্ধ কৰা। (গ) নিৰ্ধাৰিত জোখ-মাপ ব্যৱস্থাৰ প্ৰচলন কাৰ্যকৰী কৰা, (ঘ) কৃষকক শেহতীয়া আৰু নিৰ্ভৰযোগ্য বিপণন তথ্যৰ যোগান ধৰা আৰু (ঙ) বিপণন সম্পৰ্কীয় কাৰ্যকলাপৰ পৰা উদ্ভৱ হোৱা বিভিন্ন পক্ষৰ মাজৰ সমস্যা নিষ্পত্তি কৰা।
- কৃষি বিপণনৰ উন্নতিৰ বাবে, শ্ৰেণীবন্ধন ((gradation) আৰু মান নিৰ্ধাৰণ (standardisation) আৱশ্যকীয়। এই বিষয়বিলাক কাৰ্যকৰী কৰিবৰ বাবে চৰকাৰে {Agricultural Produce (Grading and Marketing) Act} -ত অনুমোদন জনায়। এই ব্যৱস্থাটোৰ অধীনত বৰ্তমান ১৮২ বিধ কৃষিজাত পণ্য সামৰি লোৱা হৈছে। আকৌ চৰকাৰে নাগপুৰত মানদণ্ড নিয়ন্ত্ৰণৰ এটা কেন্দ্ৰীয় গৱেষণাগাৰ আৰু ইয়াৰ পৰিপূৰক হিচাপে বিভিন্ন ঠাইত আঞ্চলিক মান নিয়ন্ত্ৰণৰ গৱেষণাগাৰ স্থাপন কৰিছে। নমুনাৰ ভিত্তিত, কৃষিজাত পণ্যবিলাক সংগ্ৰহ কৰা হয় আৰু গৱেষণাত ৰাসায়নিক সম্পদবিলাকৰ পৰীক্ষা কৰা হয়। তাৰ পাছত পণ্যৰ শ্ৰেণী নিৰ্ধাৰণ কৰা হয় আৰু কৰ্তৃত্বপ্ৰাপ্ত এগমাৰ্ক (AGMARK-Agricultural Marketing) থকা পেকেট দিয়া হয়।
- ১৯৫৮ চনত সংসদত এখন আইন গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰে জোখ-মাখৰ মেট্ৰিক পদ্ধতি

(Metric System) গ্ৰহণ কৰে। এই পদ্ধতিয়ে জোখ-মাখৰ আওপু�ৰণি পদ্ধতিক আঁতৰাই সমগ্ৰ দেশতে জোখমাখৰ একেটা পদ্ধতিৰেই প্ৰৱৰ্তন কৰিলে।

- শস্য চপোৱাৰ ঠিক পাছতে কৃষকে তেওঁলোকৰ উৎপাদিত সামগ্ৰী যাতে বিক্ৰী কৰি দিবলৈ বাধ্য নহয় তাৰ বাবে সমগ্ৰ দেশতে গুদাম বা ভঁৰাল ঘৰ ব্যৱস্থাৰ আৱশ্যক হৈ পৰিল। আশা কৰা হৈছিল যে, ই কৃষকৰ দৰ-দাম কৰাৰ শক্তি বৃদ্ধি কৰিব আৰু অসন্তুষ্ট হৈও হতাশজনক দামত পণ্য বিক্ৰী কৰিবলগীয়া হোৱা অৱস্থাৰ পৰা কৃষকসকলক ৰক্ষা কৰিব। এই উদ্দেশ্য পূৰণ কৰিবলৈ ১৯৫৪ চনত গঠিত গ্ৰাম্য ঋণ পৰীক্ষণ কমিটি (Rural Credit Survey Committee)এ ভঁৰাল ঘৰ(Warehouse) স্থাপনৰ ক্ষেত্ৰত তিনি তৰপীয়া পদ্ধতিৰ পৰামৰ্শ দিয়ে— (ক) ৰাষ্ট্ৰীয় পৰ্যায়, (খ) ৰাজ্যিক আৰু জিলা পৰ্যায় আৰু (গ) গাঁও পৰ্যায়। এই পৰামৰ্শাৱলী অনুসৰি, ১৯৫৭ চনত 'চেণ্ট্ৰেল ৱেৰহাউছিং কৰ্পৰেশ্যন' প্ৰতিষ্ঠা কৰা হয় আৰু ইয়াৰ পাছতে কেইখনমান ৰাজ্যত ৰাজ্যিক ৱেৰহাউছিং নিগম প্ৰতিষ্ঠা কৰা হয়। ৰাষ্ট্ৰীয় পৰ্যায়ত খাদ্য সামগ্ৰী সংৰক্ষণৰ বাবে ভাৰতীয় খাদ্য নিগম (Food Corporation of India-FCI) প্ৰতিষ্ঠা কৰা হয়। হতাশজনক বিক্ৰী ৰোধ কৰিবলৈ গ্ৰাম্য গুদাম ঘৰৰ বাবে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰে এখন আঁচনি গাঁও পৰ্যায়ত আৰম্ভ কৰা হয়, যাতে ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলে শস্য চপোৱাৰ পাছতে নষ্ট হোৱাৰ ভয়ত কম দামতে বিক্ৰী কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি নহয়। ২০০১ চনৰ পাছত, গাঁৱলীয়া গুদাম ঘৰবিলাকৰ নিৰ্মাণৰ বাবে চৰকাৰে কেন্দ্ৰীয় খণ্ডৰ এখন আঁচনি কাৰ্যকৰী কৰে।
- কৃষকসকলে যাতে উচিত দাম পায়, সেই কথা নিশ্চিত কৰিবৰ বাবে বিভিন্ন কৃষিজাত পণ্যৰ ন্যূনতম সমৰ্থিত মূল্য (Minimum Support Prices) আৰু সৰবৰাহ মূল্য (Procurement Prices) চৰকাৰে সময়ে সময়ে ঘোষণা কৰে। কৃষি ব্যয় আৰু দৰ আয়োগ (Commission for Agricultural Costs and Prices)ৰ পৰামৰ্শ অনুসৰি এই দামবিলাক স্থিৰ কৰা হয়। ভাৰতীয় খাদ্য নিগম (FCI)ৰ দৰে চৰকাৰী সংস্থাসমূহে কৃষকৰ পৰা সমুচিত দামত কৃষিজাত পণ্য ক্ৰয় কৰে। এই ক্ৰয় কৰা পণ্যবিলাক ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System) ৰ জৰিয়তে চৰকাৰে এক যুক্তিসংগত দামত সৰ্বশেষ উপভোক্তাক, বিশেষকৈ দৰিদ্ৰ সীমাৰেখৰাৰ তলৰ (Below Poverty Line) পৰিয়ালবিলাকক বিক্ৰী কৰে।
- বিভিন্ন বজাৰত চলি থকা দামবিলাকৰ বিষয়ে ৰেডিঅ', টেলিভিছন, বাতৰি কাকত, ইত্যাদিৰ জৰিয়তে কৃষকক অৱগত কৰিবলৈ চৰকাৰে এলানি পদক্ষেপ গ্ৰহণ কৰিছে। খাদ্যসামগ্ৰীৰ চলিত মজুত, চলিত বজাৰ দৰ, ইত্যাদি সম্পৰ্কীয় বজাৰৰ বিভিন্ন অপ্ৰকাশিত তথ্যও সময়ে সময়ে প্ৰকাশ কৰা হয়। এখন কেন্দ্ৰীয় আঁচনিৰ অধীনত বজাৰ সম্পৰ্কে গৱেষণা কৰিবলৈ আৰু বিভিন্ন তথ্য আহৰণ কৰিবলৈ এটা ব্যৱস্থাপনা প্ৰস্তুত কৰা হৈছে আৰু ইয়াৰ জৰিয়তে কৃষকক বজাৰ সম্পৰ্কীয় তথ্য ক্ষিপ্ৰতাৰে প্ৰদান কৰা হৈছে।
- ১৯৮৮ চনত ৰাষ্ট্ৰীয় কৃষি বিপণন প্ৰতিষ্ঠান (National Institute of Agricultural Marketing) প্ৰতিষ্ঠা কৰা হয়। এই প্ৰতিষ্ঠান স্থাপন কৰাৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্যবিলাক

হৈছে ঃ (ক) কৰ্মচাৰী আৰু প্ৰতিষ্ঠানৰ বিশেষ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ প্ৰশিক্ষণ পাঠ্যক্ৰম প্ৰস্তুত আৰু পৰিচালনা কৰা, (খ) কৃষি বিপণনৰ ক্ষেত্ৰত উন্নত পৰিচালনা সম্পৰ্কীয় পৰামৰ্শ দিবৰ বাবে গৱেষণা আৰু অধ্যয়ন কৰা, (গ) প্ৰচলিত সা-সুবিধাবিলাকৰ পৰিপূৰক হিচাপে কৃষি বিপণনত শিক্ষামূলক কাৰ্যক্ৰম প্ৰস্তুত কৰা, (ঘ) বিনিয়োগ প্ৰকল্পসমূহ প্ৰস্তুত কৰিবলৈ আৰু সমস্যা সমাধানৰ পৰামৰ্শ দিবলৈ পৰামৰ্শদান সেৱাবিলাক অব্যাহত ৰখা, আৰু (ঙ) শিক্ষা, গৱেষণা আৰু পৰামৰ্শমূলক সেৱাৰ বিভিন্ন কাৰ্যক্ৰমৰ জৰিয়তে দেশৰ কৃষি বিপণনৰ আন্তঃগাঁথনি দৃঢ় আৰু সম্প্ৰসাৰণ কৰা।

- বিভিন্ন সংস্থাৰ কৃষি বিপণন কাৰ্যকলাপৰ মাজত সমন্বয় সাধন কৰিবলৈ আৰু কৃষি বিপণনৰ বিভিন্ন সমস্যা সন্দৰ্ভত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহক পৰামৰ্শ দিবলৈ চৰকাৰে বিপণন আৰু পৰিদৰ্শন সঞ্চালকালয় (Directorate of Marketing and Inspections) প্ৰতিষ্ঠা কৰে। এই সঞ্চালকালয়ৰ কাম-কাজবিলাক হৈছে ঃ (ক) কৃষিজাত আৰু আনুষংগিক পণ্যবিলাকৰ শ্ৰেণীবন্ধন আৰু মান নিৰ্ধাৰণ উন্নীত কৰা, (খ) বিভিন্ন বজাৰসমূহৰ কাৰ্যকলাপৰ নীতি নিৰ্ধাৰণ, (ঘ) বজাৰ সম্প্ৰসাৰণ, আৰু (ঙ) বজাৰ গৱেষণা, জৰীপ আৰু পৰিকল্পনা।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ১২ ঃতলৰ কোনে ৰেৰহাউছিঙৰ এক তিনি তৰপীয়া পদ্ধতিৰ পৰামৰ্শ দিছিল?

ক) কৃষিজাত উৎপন্ন (শ্ৰেণীবন্ধন আৰু বিপণন) আইন

খ) ভাৰতীয় খাদ্য নিগম

গ) ৰুৰেল ক্ৰেডিট ছাৰ্ভে কমিটি

ঘ) বিপণন আৰু পৰিদৰ্শন সঞ্চালকালয়

প্ৰশ্ন ১৩ ঃভাৰত চৰকাৰে বিপণন আৰু পৰিদৰ্শন সঞ্চালকালয় কিয় স্থাপন কৰিছিল? ইয়াৰ যিকোনো দুটা কাৰ্য উল্লেখ কৰক। (৬০টা মান শব্দৰত উত্তৰ লিখক)

প্ৰশ্ন ১৪ ঃতলৰ শব্দবিলাক বহলাই লিখক ঃ

(ক) এগমার্ক.....

(খ) পি ডি এছ.....

(গ) এফ চি আই.....

(ঘ) বি পি এল.....



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কৃষকসকলক সহায় কৰিবলৈ আৰু দেশৰ কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ বিভিন্ন সমবায়, বাণিজ্যিক বেংক, মাওলিক গ্ৰামীণ বেংক, নাবার্ড ইত্যাদিয়ে প্ৰতিষ্ঠানিক ঋণ দিয়ে। ইয়াক

কৃষিবিত্ত হিচাপে গণ্য কৰা হয়।

- কৃষি বিত্তৰ আৱশ্যকতা বিভিন্ন ধৰণৰ। উদাহৰণ স্বৰূপে উৎপাদন, উপভোগ আৰু আনকি উৎপাদন বহির্ভূত বিভিন্ন কাম-কাজৰ বাবেও কৃষি বিত্তৰ আৱশ্যক হয়।
- কৃষি বিত্তৰ উৎস দুই প্ৰকাৰৰ ঃ (ক) প্ৰতিষ্ঠানিক আৰু (খ) অ-প্ৰতিষ্ঠানিক। অ-প্ৰতিষ্ঠানিক উৎসবিলাক হৈছে সুদখোৰ মহাজন, সম্পৰ্কীয় লোক, ব্যৱসায়ী, কমিচন এজেণ্ট আৰু ভূ-স্বামী। প্ৰতিষ্ঠানিক উৎসবিলাক হৈছে ঃ সমবায় বেংক, বাণিজ্যিক বেংক, মাণ্ডলিক গ্ৰামীণ বেংক আৰু নাবার্ড। এইবিলাকৰ ভিতৰত নাবার্ড হৈছে শীৰ্ষ প্ৰতিষ্ঠান।
- গ্ৰামীণ কৃষি ঋণ দিয়াৰ ক্ষেত্ৰত সমবায়, বাণিজ্যিক বেংক আৰু মাণ্ডলিক গ্ৰামীণ বেংকসমূহৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ যদিও এইবিলাকৰ প্ৰত্যেকৰে কিছুমান সীমাৱদ্ধতা আছে।
- শীৰ্ষ প্ৰতিষ্ঠান হিচাপে নাবার্ডে গ্ৰামীণ আৰু কৃষি ঋণৰ ক্ষেত্ৰত বিত্তৰ পুনৰ যোগানৰ কাৰ্যকলাপৰ বিকাশ সাধনত তত্ত্বাৱধায়কৰ ভূমিকা পালন কৰে।
- কৃষি বিপণন হৈছে কৃষিজাত পণ্যৰ বিপণন। ই কৃষিজাত সামগ্ৰীৰ সংগ্ৰহ আৰু সঞ্চায়, সিহঁতৰ শ্ৰেণীবন্ধন, দৰ-দামৰ নিষ্পত্তি ,ইত্যাদি বিষয়সমূহ সৈতে জড়িত।
- কৃষি বিপণনৰ আৱশ্যকতা বিভিন্ন ধৰণৰ। ই সামগ্ৰীৰ দাম, ভূমিৰ সঠিক ব্যৱহাৰ, বজাৰত সামগ্ৰীৰ চাহিদা, কৃষিজাত সামগ্ৰীৰ দাম, কৃষি বহির্ভূত পণ্যৰ দাম অনুসৰি কৃষিজাত সামগ্ৰীৰ দাম নিৰ্ধাৰণ কৰা, বজাৰ প্ৰতিষ্ঠা, কৃষিখণ্ডৰ বিকাশ ইত্যাদি বিষয় সামৰি লয়।
- আমাৰ দেশৰ কৃষি বিপণন ব্যৱস্থাটোৰ বহুতো সীমাৱদ্ধতা আৰু দুৰ্বলতা আছে। এইবিলাকৰ ভিতৰত আছে ঃ অপৰ্যাপ্ত পৰিবহন ব্যৱস্থা, সংৰক্ষণৰ অসুবিধা, কৃষিজাত সামগ্ৰীৰ শ্ৰেণীবন্ধন নকৰা, পৰ্যাপ্ত ঋণৰ অভাৱ, বিপণন সম্পৰ্কীয় তথ্যৰ অপৰ্যাপ্ততা, প্ৰতিষ্ঠানিক বিপণনৰ অভাৱ, কৃষিজাত সামগ্ৰীৰ বিপণনত হোৱা অনিয়ম আদি।
- দেশৰ কৃষি বিপণন উন্নত কৰিবলৈ চৰকাৰে এলানি পদক্ষেপ গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে, নিয়ন্ত্ৰিত বজাৰ প্ৰতিষ্ঠা কৰা, গুদাম ঘৰ নিৰ্মাণ, কৃষিজাত পণ্যৰ শ্ৰেণীবন্ধন আৰু মান নিৰ্ধাৰণৰ ব্যৱস্থা কৰা, জোখ-মাখৰ মান উন্নত কৰা, ছপা আৰু বৈদ্যুতিক মাধ্যমৰ জৰিয়তে বিপণন সম্পৰ্কীয় তথ্যৰ প্ৰচাৰ কৰা, ইত্যাদি।

৬.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অৰ্থনীতি— ইয়াৰ পৰিৱৰ্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছার্চ, ২০০৮।

২) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অৰ্থনীতি (উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিসহ)*, বনলতা, ২০০৪।

ইংৰাজী গ্ৰন্থ ঃ

1) Agrawal, A. N. (2019). Indian Economy: Developmental Problems and Policies. New Delhi: New Age International Publishers.

2) Datt, G and Mahajan, A. (2016). Datt & Sundharam's Indian Economy. New Delhi: S. Chand & Co.
3) Misra, S.K. & Puri, V.K. (2018). Indian Economy. New Delhi: Himalya Publishing House.

৬.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ ক্ষুদ্র কৃষি সঁজুলি ক্রয় কৰিবৰ বাবে মজুমদাৰে লোৱা ঋণ দীর্ঘকালীন ঋণ হিচাপে গণ্য কৰা নহয়। কিয়নো, দীর্ঘকালীন ঋণ ৫ বছৰ বা তাতকৈ অধিক কালৰ বাবে দিয়া হয়। আকৌ এনেধৰণৰ ঋণ প্রদান কৰা হয় মাটিৰ স্থায়ী উন্নতি সাধন, নলী-নাদ খন্দা, বৃহৎ কৃষি সঁজুলি ক্রয় আৰু টেক্টৰ, হাৰভেষ্টাৰ ইত্যাদিৰ দৰে যন্ত্রপাতি ক্রয় কৰা আৰু পুৰণা ঋণ পৰিশোধ কৰা ইত্যাদিৰ বাবে।

২ নং প্রশ্ন উত্তৰ ঃ কৃষিজাত পণ্যৰ বিপণন আৰু পৰৱর্তী শস্য চপোৱাৰ মাজৰ সময় ছোৱাত উদ্ভৱ হোৱা বিভিন্ন সমস্যা পূৰণ কৰিবলৈ উপভোগৰ উদ্দেশ্যে ঋণ লোৱাৰ প্রয়োজনীয়তা আহি পৰে। আকৌ বিভিন্ন ধৰণৰ প্রাকৃতিক দুর্যোগ যেনে খৰাং, বানপানী ইত্যাদিত হোৱাৰ শস্য নষ্ট হোৱাৰ ফলতো উপভোগৰ উদ্দেশ্যে কৃষকে ঋণ ল'বলগীয়া হয়।

৩ নং প্রশ্ন উত্তৰ ঃ কৃষি বিত্তৰ উৎসবিলাকক দুটা ভাগত বিভক্ত কৰিব পাৰি ঃ অ-প্রতিষ্ঠানিক আৰু প্রতিষ্ঠানিক উৎস। অ-প্রতিষ্ঠানিক উৎসবিলাক হৈছে ঃ (ক) ঋণদাতা লোক, (খ) সম্পর্কীয় লোক (গ) ব্যৱসায়ী (ঘ) কমিচন এজেণ্ট আৰু (ঙ) ভূ-স্বামী। আনহাতে কৃষি বিত্তৰ প্রতিষ্ঠানিক উৎসবিলাক হৈছে ঃ সমবায়, বাণিজ্যিক বেংক, মাণ্ডলিক গ্রামীণ বেংক আৰু নাবার্ড।

৪ নং প্রশ্ন উত্তৰ ঃ স্বাধীনতাৰ পাছত কৃষিঋণ প্রদান কৰিবৰ বাবে প্রথমতে প্রতিষ্ঠা কৰা প্রতিষ্ঠানবিলাক হৈছে— সমবায় কৃষি প্রতিষ্ঠানবোৰ। ১৯৫১ চনত সমবায়ে সর্বমুঠ গ্রামীণ ঋণৰ মাত্র ৩.১% প্রদান কৰিছিল। ১৯৯২-৯৩ ত সমবায়ে প্রদান কৰা গ্রামীণ ঋণৰ পৰিমাণ আছিল ৫৩.৪%। অৱশ্যে তাৰ পাছত সমবায়সমূহে প্রদান কৰা ঋণৰ পৰিমাণ যদিও বৃদ্ধি পাইছিল, তথাপি সর্বমুঠ প্রতিষ্ঠানিক ঋণৰ শতাংশ হিচাপে সমবায়ৰ ঋণ হ্রাস পাইছিল।

৫ নং প্রশ্ন উত্তৰ ঃ এই কথা সঠিকভাৱেই কোৱা হৈছে যে গ্রামীণ ভাৰতে অর্থনীতিৰ অন্য খণ্ডবিলাকক বিত্তৰ যোগান ধৰি আছে। বিগত বছৰ বোৰত গ্রামীণ ঋণ জমাৰ অনুপাত হ্রাস পোৱাটোৱে এই কথা সত্যতা প্রতিপন্ন কৰিছে। ১৯৯১ চনত এই অনুপাত আছিল১.৫৮% , ২০০১ চনত সেয়া ০.৭৩ লৈ অৱনমিত হয়। ইয়াৰ পৰা এইটো স্পষ্ট হৈছে যে গ্রামীণ ভাৰতৰ পৰা সংগৃহীত পুঁজি অন্য ক'ৰবাত ব্যৱহৃত হৈছে।

৬ নং প্রশ্ন উত্তৰ ঃ ১৯৭৫ চনত মাণ্ডলিক গ্রামীণ বেংকসমূহ প্রতিষ্ঠা কৰা হয়। কেন্দ্রীয় চৰকাৰ, ৰাজ্য চৰকাৰৰ যুটীয়া প্রচেষ্টাত এই বেংকবিলাক প্রতিষ্ঠা কৰা হয়। যি ৰাজ্যত বেংকে কাম কৰে সেই ৰাজ্যৰ চৰকাৰ, কেন্দ্রীয় চৰকাৰ আৰু সংশ্লিষ্ট বাণিজ্যিক বেংকে ইয়াৰ পৃষ্ঠপোষকতা

কৰে। সৰ্বমুঠ মূলধনৰ ৫০% দিয়ে কেন্দ্রীয় চৰকাৰে, সংশ্লিষ্ট ৰাজ্য চৰকাৰে দিয়ে ১৫% আৰু বাকী থকা ৩৫% দিয়ে পৃষ্ঠপোষক বেংকে।

৭ নং প্রশ্ন উত্তৰ ঃ অশুদ্ধ।

৮ নং প্রশ্ন উত্তৰ ঃ নাবার্ডে ৰাজ্যিক চৰকাৰসমূহক দীর্ঘকালীন ঋণ দিয়ে। এনেধৰণৰ ঋণৰ প্রাথমিক উদ্দেশ্য হৈছে ৰাজ্যৰ সমবায় ঋণ প্রতিষ্ঠানবিলাকৰ অংশীদাৰী মূলধনত ৰাজ্য চৰকাৰসমূহক বৰঙণি দিয়াত সক্ষম কৰি তোলা।

৯ নং প্রশ্ন উত্তৰ ঃ কৃষি বিপণনত বিভিন্ন কার্যকলাপ জড়িত হৈ থাকে, যেনে কৃষিজাত সামগ্রীৰ সংগ্রহ আৰু সংৰক্ষণ, সিহঁতৰ শ্রেণীবন্ধন, দৰদাম নির্ধাৰণ আৰু পৰিমাণ ইত্যাদিৰ ক্ষেত্রত উদ্ভৱ হোৱা সমস্যাৰ সমাধান। কৃষিজাত পণ্যৰ বেচা-কিনা কৰোঁতে একোটা ফলপ্রসূ কৃষি বিপণন পদ্ধতিয়ে একোটা অর্থনীতিৰ প্রতি মূল্যৱান সেৱা আগবঢ়াব পাৰে।

১০ নং প্রশ্ন উত্তৰ ঃ স্থল পৰিবহন, ৰে'ল পৰিবহন আৰু জল পৰিবহনৰ সু-ব্যৱস্থাৰ অভাবত খেতি পথাৰৰ পৰা ঘৰলৈ আৰু গাঁৱৰ পৰা বজাৰলৈ কৃষি সামগ্রী কঢ়িয়াই নিয়াৰ ক্ষেত্রত কৃষকসকল অসুবিধাৰ সন্মুখীন হয়। ইয়াৰ পৰিণতিত সামগ্রী কঢ়িওৱা খৰছ বৃদ্ধি পায় আৰু আদবাটতে সামগ্রী নষ্ট হয়। এনে পৰিস্থিতিত কৃষকে তেওঁলোকৰ উৎপাদিত পণ্যৰ উচিত দামো নাপায়।

১১ নং প্রশ্ন উত্তৰ ঃ সংৰক্ষণৰ ব্যৱস্থা নথকাৰ ফলত কৃষকে শস্য চপোৱাৰ পাছতে বিক্রী কৰি দিবলৈ বাধ্য হয়। সকলো কৃষকে বজাৰত একে সময়তে কৃষিজাত পণ্যৰ যোগান ধৰে। ইয়াৰ ফলত বজাৰত অ-নির্ধাৰিত যোগানৰ সৃষ্টি হয় আৰু ইয়াৰ পৰিণতিত কৃষকে তেওঁলোকৰ শস্যৰ উচিত দাম নাপায়।

১২ নং প্রশ্ন উত্তৰ ঃ (গ) ৰুৰেল ক্রেডিট ছার্ভে কমিটি

১৩ নং প্রশ্ন উত্তৰ ঃ বিভিন্ন সংস্থাৰ কৃষি বিপণন সম্পর্কীয় কার্যকলাপ সমন্বিত কৰিবলৈ আৰু কৃষি বিপণনৰ সমস্যাৰ সন্দর্ভত কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰসমূহক পৰামর্শ দিবলৈ ভাৰত চৰকাৰে বিপণন আৰু পৰিদর্শন সঞ্চালকালয় স্থাপন কৰিছিল। এই সঞ্চালকালয়ে সম্পাদন কৰা দুটা গুৰুত্বপূর্ণ কার্য হৈছে ঃ (ক) কৃষিজাত আৰু আনুষংগিক পণ্যৰ শ্রেণীবন্ধন আৰু মান নির্ধাৰণ উন্নত কৰা, আৰু (খ) বজাৰ গৱেষণা, জৰিপ আৰু পৰিকল্পনা কৰা।

১৪ নং প্রশ্ন উত্তৰ ঃ (ক) AGMARK : (এগমার্ক) ঃ Agricultural Marketing (খ) PDS : Public Distribution System (গ) FCI : Food Corporation of India (ঘ) BPL: Below Proverty Line.

৬.১০ আৰ্হি প্রশ্ন

চমু প্রশ্ন (প্রতিটো প্রশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্রশ্ন ঃ গ্রামীণ কৃষিঋণ দিয়াৰ ক্ষেত্রত নাবার্ডৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰক।

২ নং প্রশ্ন ঃ নাবার্ডৰ প্রধান কার্যবিলাকৰ বিষয়ে আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ গ্ৰামীণ কৃষিঋণ দিয়াৰ ক্ষেত্ৰত মাণ্ডলিক গ্ৰামীণ বেংক (RRB)-ৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰক।

৪ নং প্ৰশ্ন ঃ কৃষি বিপণন সম্পৰ্কে চমুকৈ আলোচনা কৰক। কৃষি বিপণনৰ সৈতে জড়িত হৈ থকা সমস্যাবিলাক কি কি?

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ কৃষি বিত্তৰ উৎসবিলাকৰ বিষয়ে আলোচনা কৰক। গ্ৰামীণ কৃষিঋণ আগবঢ়োৱা ক্ষেত্ৰত নাবার্ডৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ গ্ৰামীণ কৃষিঋণ আগবঢ়োৱাৰ ক্ষেত্ৰত নাবার্ড আৰু মাণ্ডলিক গ্ৰামীণ বেংকসমূহৰ ভূমিকা বিষয়ে এখন ৰচনা লিখক।

৩ নং প্ৰশ্ন ঃ কৃষি বিপণন কি? ইয়াৰ প্ৰধান সমস্যাবিলাক কি কি? কৃষি বিপণনৰ সমস্যাবিলাক সমাধান কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ খাদ্য সুৰক্ষা আৰু ভাৰতত ৰাজহুৱা বিতৰণ ব্যৱস্থা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ খাদ্য সুৰক্ষাৰ অর্থ

৭.৩.১ পুষ্টিহীনতা আৰু ক্ষুধাৰ অৱস্থিতি

৭.৩.২ খাদ্য সুৰক্ষাৰ পৰিমাপ

৭.৪ ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS)

৭.৫ খাদ্য সুৰক্ষাৰ আইন ২০১৩

৭.৬ দৰিদ্রতাৰ ওপৰত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ প্রভাৱ

৭.৬.১ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত খাদ্যৰ ৰাজসাহার্য্য

৭.৬.২ MSP ৰ জৰিয়তে কৃষক সকললৈ উদ্‌গনি

৭.৭ PDS ৰ সীমাবদ্ধতা

৭.৮ সমাধানৰ উপায়

৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১০ অধিক জানিবলৈ

৭.১১ অগ্রগতিৰ খতিয়ান

৭.১২ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- খাদ্য সুৰক্ষাৰ অর্থ আৰু ধাৰণা সম্পর্কে জানিব পাৰিব
- ভাৰতত খাদ্য নিৰাপত্তাহীনতাৰ পর্যায়, গভীৰতা, পুষ্টিহীনতা আৰু ক্ষুধা সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- সর্ববৃহৎ খাদ্য সুৰক্ষা শৃংখল আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS)ৰ কার্য্য প্রণালী জানিব পাৰিব
- PDS ৰ আসোঁবাহ আৰু বিফলতা বুজিব পাৰিব আৰু PDS কার্যকৰী কৰণৰ ব্যাপক প্রসাৰণ আৰু প্রগতিশীল কৌশল সম্পর্কে বুজিব পাৰিব।
- অলপতে ঘোষণা কৰা বৃহৎ PDS সংস্কাৰ NFSA, 2013 আৰু ইয়াৰ বৈশিষ্ট্য সমূহ জানিব পাৰিব যিয়ে দৰিদ্রতা আৰু ক্ষুধা হ্রাস কৰণৰ লক্ষ্য আগত ৰাখিছে আৰু এক সুস্থিৰ জীৱন-যাপনৰ কাৰণে সকলোৰে বাবে খাদ্য মৌলিক অধিকাৰ হিচাপে নিশ্চিত কৰিছে।

৭.২ পৰিচয়

ভাৰতীয় অৰ্থনীতিক উন্নয়নশীল অৰ্থনীতি বুলি চিহ্নিত কৰা হৈছে। জনসাধৰাণৰ দৰিদ্রতা এই অৰ্থনীতিৰ এক মৌলিক বৈশিষ্ট্য, চৰম দৰিদ্রতা আৰু ক্ষুধা দূৰীকৰণ ভাৰতীয় অৰ্থনীতি তথ্য গোলকীয় অৰ্থনীতিয়ে সন্মুখীন হোৱাৰ এক প্রত্যাহ্বান। ২০১৬ চনৰ গোলকীয় অৰ্থনীতিয়ে সন্মুখীন হোৱাৰ এক প্রত্যাহ্বান । ২০১৬ চনৰ গোলকীয় খাদ্য সুৰক্ষা সূচক (GFSI, 2016)অনুসৰি সমগ্র বিশ্বত ৮০০ নিযুত মানুহ ক্ষিক প্রতি ন গৰাকী মানুহ ভিতৰত এজন ক্ষুধাতুৰ হৈ থাকে। পৃথিৱীৰ এক-তৃতীয়াংশ ক্ষুধাতুৰ ভাৰতত বাস কৰে আৰু প্রতিবছৰে ভাৰতীয় মানুহ ভোকত মৃত্যুবৰণ কৰে। দৰিদ্র আৰু প্রভাৱিত মানুহবোৰে প্রয়োজনীয় পুষ্টিকৰ আহাৰ উপভোগ কৰিব নোৱাৰে আৰু উৎপাদনশীল জীৱন- যাপন কৰিব নোৱাৰে, যিটো জীয়াই থকাৰ বাবে এক মৌলিক প্রয়োজন।এই সকল মানুহ খাদ্য নিৰাপত্তাহীনতাত থাকে আৰু কৰ্ম জীৱন জীয়াই থাকিবলৈ অপৰাগ। এই অধ্যায়ত আমি খাদ্য সুৰক্ষাৰ বহুমাত্রিক আৰু জটিল সমস্যা আৰু জনসাধৰণৰ বাবে খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ অৰ্থে গ্রহণ কৰা ব্যৱস্থা (অৰ্থাৎ ৰাজহুৱা বিতৰণ ব্যৱস্থা) ৰ বিষয়ে আলোচনা কৰে।

৭.৩ খাদ্য সুৰক্ষাৰ অৰ্থ

পৰ্যাপ্ত পৰিমাণে স্বাস্থ্যকৰ খাদ্য উপভোগ কৰিব পৰাটো এক মৌলিক মানবাধিকাৰ। যেতিয়া এজন ব্যক্তি বা ব্যক্তি সমূহে এক স্বাস্থ্যকৰ আৰু উৎপাদনশীল জীৱন-যাপনৰ বাবে শক্তি আৰু পুষ্টিৰ বাবে মৌলিক খাদ্যখিনিও উপভোগ কৰিব নোৱাৰে তেতিয়া তেওঁলোকক খাদ্য নিৰাপত্তাহীন বুলি কোৱঙ্গ হয়। ১৯৯৬ চনত অনুষ্ঠিত বিশ্ব খাদ্য সন্মিলন আৰু খাদ্য আৰু কৃষি সংস্থাৰ (FAO)ৰ দ্বাৰা খাদ্য সুৰক্ষাৰ আটাইতকৈ গ্রহণযোগ্য সংজ্ঞাটো দিয়া হৈছিল। FAO এ কৈছে যে "যেতিয়া সকলো মানুহে সকলো সময়তে পৰ্যাপ্ত পৰিমাণে শাৰীৰিক আৰু অৰ্থনৈতিক ভাৱে সুৰক্ষিত আৰু পুষ্টিকৰ খাদ্য তেওঁলোকৰ এক কৰ্মঠ জীৱন- যাপনৰ বাবে প্রয়োজনীয় খাদ্য আৰু খাদ্য পচন্দ কৰিব পাৰিব তেতিয়াই খাদ্য সুৰক্ষা থাকিব।"খাদ্য অসুৰক্ষিত মানুহবোৰৰ ভিতৰত পৰে সেইসকল মানুহ যি সকল কম মজুৰী বৃত্তিত নিয়োজিত হয়, দিন হাজিৰা কৰা শ্রমিক, ভূমিহীন লোক, কম আয়ৰ স্ব-নিয়োজিত লোক, লক্ষ্যহীন ভিক্ষাৰীয়ে ধৰি শ্রমিক সকল, প্রাকৃতিক দুৰ্যোগৰ দ্বাৰা আক্রান্ত লোকসকল আৰু আটাইতকৈ গুৰুত্বপূৰ্ণভাৱে মহিলা আৰু শিশুসকল।

৭.৩.১ পুষ্টিহীনতা আৰু ক্ষুধাৰ অৱস্থিতি

প্রয়োজনীয় পুষ্টিকৰ দ্রব্য যেনে প্র'টিন, ভিটামিন আদি খাদ্যৰ অভাৱৰ পৰা পুষ্টিহীনতাৰ সৃষ্টি হয়।

অৱপুষ্টিৰ লোকসকল হ'ল সেই সকল লোক যিয়ে সুস্বাস্থ্য আৰু বৃদ্ধিৰ বাবে প্রয়োজনীয় নিম্নতম খাদ্যতকৈ (২৫০ কেলৰি / প্রতিনি) কম খাদ্য লাভ কৰে।

ক্ষুধা আৰু খাদ্য অসুৰক্ষাই মানুহৰ দৈনিক আৰু মানসিক স্বাস্থ্য ধ্বংস কৰি তেওঁলোকৰ জীৱন ধাৰণৰ অৱস্থা প্রভাৱিত কৰে। পুষ্টি সুৰক্ষা অবিহণে খাদ্য সুৰক্ষা আহৰণ কৰিব নোৱাৰি। সাধাৰণভাৱে আটাইতকৈ ব্যাপক ভাৱে ব্যৱহৃত পুষ্টিৰ সূচক হ'ল খাদ্য শক্তি বা প্রতিদিনে প্রতিজন মানুহে গ্রহণ কাৰ কেলৰিৰ পৰিমান। ৰাষ্ট্রীয় নমুনা জৰীপ (National Simple Survey) খাদ্য সুৰক্ষাৰ বাবে প্রতিদিনে প্রতিজন মানুহৰ বাবে ২৭০০ কেলৰি আদর্শ মানৰ হিচাপে ব্যৱহাৰ কৰিছে। NSS ৰ ৬৬ সংখ্যক জৰীপৰ মতে ভাৰতৰ গ্রাম্যাঞ্চলত গড় হিচাপত প্রতিদিনে প্রতিজন মানুহৰ বাবে ২১৪৭ কেলৰি আৰু ভাৰতৰ নগৰ অঞ্চলৰ বাবে ২১২৩ কেলৰি খাদ্য সুৰক্ষাৰ বাবে নির্ধৰণ কৰিছিল।

খাদ্য অসুৰক্ষাৰ বাবে মানুহৰ মাজত অৱপুষ্টি আৰু পুষ্টিহীনতাৰ সৃষ্টি হয়। ভাৰতবর্ষত অৱপুষ্টিত ভোগ লোকৰ সংখ্যা সর্বাধিক।

FAO ৰ নির্ধাৰণ অনুসৰি ২০১৫ চনত বিশ্বত খদ্য অসুৰক্ষা প্রতিবেদন অনুসৰি ভাৰতবর্ষৰ ১৫.২% জনসংখ্যা অৱপুষ্টিত ভোগে আৰু ১৯৪৬ নিযুত মানুহ প্রতিদিনে ক্ষুধাত থাকে। এই সমস্যাটো মহিলা আৰু শিশুৰ ক্ষেত্রত অধিক ভয়াবহ ১৫-৪৯ বছৰ বয়সৰ ভিতৰত ৪৮% মহিলাই এনিমিয়াত ভোগে যাৰ দৈনিক ভৰ সূচক BMI ১৮.৫ % তকৈ কম। মহিলাৰ স্বাস্থ্য নিম্ন অৱস্থাই শিশুৰ স্বাস্থ্যৰ ওপৰত ক্ষতিকাৰক প্রভাৱ পেলাই। ই শিশুৰ জন্মৰ সময়ত ওজন কম কৰে (২.৫ কেজি) জন্মৰ সময়ৰ কম ওজনে শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশৰ লগতে সামগ্রি, বৌদ্ধিক বিকাশত বাধাৰ সৃষ্টি কৰে।

গোলকীয় ক্ষুধা সূচক ২০১৬ (Global Hunger Index) অনুসৰি ভাৰতৰ ক্ষুধা সম্পর্কীয় কেতবোৰ গুৰুত্বপূর্ণ দিশ হ'ল—

- ৫ বছৰ বয়সৰ তলৰ ৩০.৭ শিশু নিম্ন ওজনৰ (Underweight)
- ৫ বছৰ বয়সৰ তলৰ ৩৮.৭ শিশু কম উচ্চতাৰ (বয়স অনুযায়ী)
- প্রতি ৪ টা শিশুৰ ভিতৰত এটা শিশু অপুষ্টিপালিত
- প্রতিদিনে ভাৰতত নিম্ন খাদ্যৰ লগত জড়িত ব্যাধিত ৩০০০ শিশুৰ মৃত্যু হয়।



জানি থোৱা ভাল

দীর্ঘস্থায়ী ক্ষুধা ঃ দীঘলীয়া সময় যুৰি অপর্যাপ্ত খাদ্য

ঋতুগত ক্ষধা ঃ যেতিয়া এজন মানুহে গোটেই বছৰ যুৰি খাদ্যৰ যোগান কৰিব নোৱাৰে

যদি এনেকুৱা দুর্যোগ অতি ব্যাপক এলেকা যুৰি প্রসাৰিত হয় বা অতি দীঘলীয়া সময়ৰ কাৰণে হৈ থাকে তেনেহ'লে ই খ্যাদ্যৰ অভাৱত মৃত্যুৰ পৰিস্থিতি সৃষ্টি কৰিব পাৰে।

ব্যাপক হাৰৰ খাদ্যৰ অভাৱত মৃত্যুৰ পৰিস্থিতিয়ে দুর্ভিক্ষৰ ৰূপ লব পাৰে। উদাহৰণ স্বৰূপে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ১৯৪৩ -৪৪ ৰ বংগৰ দুর্ভিক্ষ আছিল ব্রিটিছ ভাৰতৰ বংগ দেশৰ এক ভয়াৱহ দুর্ভিক্ষ, য'ত কমেও ৩.৪ নিযুত লোক আক্রান্ত হৈছিল।

৭.৩.২ খাদ্য সুৰক্ষাৰ পৰিমাপ

ভাৰতবর্ষৰ প্রচলিত পুষ্টিহীনতা আৰু ক্ষুধাই ইয়াৰ খাদ্য সুৰক্ষা যে এক সাংঘাতিক অৱস্থাত আছে তাকে বুজায়। জনসংখ্যা বৃদ্ধিৰ লগে লগে বর্ধিত চাহিদাই এই সমস্যা অদূৰ ভৱিষ্যতে আৰু অধিক জটিল কৰি তুলিব। সেইবাবে খাদ্য সুৰক্ষাৰ বিভিন্ন দিশ তথা পৰিমাপ সঠিক ভাৱে বিশ্লেষণ কৰিব পৰা যায়। বহলভাবে ক'বলৈ হ'লে খাদ্য সুৰক্ষাৰ ৪ টা পৰিমাপ আছে।

- **খাদ্যৰ পর্যাপ্ততা** ঃ পর্যাপ্ত পৰিমানৰ মানদণ্ড সম্পন্ন খাদ্যৰ উপলব্ধতা খাদ্য সুৰক্ষাৰ মূখ্য উপাদান। ই ঘৰুৱা কৃষিৰ উৎপাদনৰ জৰিয়তে নাইবা আমদানিৰ জৰিয়তে হ'ব পাৰে। ১৯৬০ চনত ভাৰতে সেউজ বিপ্লৱআৰম্ভ কৰিছে যাতে ভাৰতে কৃষি উৎপাদন বৃদ্ধি কৰিব পাৰে আৰু আত্মনির্ভৰশীল হ'ব পাৰে। উচ্চ উৎপাদন ক্ষমতা বীজ (), জলসিঞ্চন, সাৰ প্রয়োগ আৰু আধুনিক প্রযুক্তিয়ে কৃষিৰ বিশেষকৈ ঘেঁহু আৰু ধানৰ উৎপাদন বৃদ্ধি কৰিছে। সেয়া হলেও সেউজ বিপ্লৱে সেউজ বিপ্লৱে পাঞ্জাৱ, হাৰিয়ানা, উত্তৰ প্রদেশৰ পশ্চিমাঞ্চল, তামিলনাড়ু আৰু অন্ধ্র প্রদেশৰ কৃষিৱুৎপাদন বৃদ্ধি কৰিছিল। বিচ্ছুমান ৰাজ্য যেনে বিহাৰ, উৰিষ্যা আৰু উত্তৰ-পূবৰ ৰাজ্যসমূহে সেউজ বিপ্লৱৰ উপকাৰিতা লাভ কৰা নাছিল। ভাৰতবর্ষ হ'ল ১.২১ বিলিয়ন জনসংখ্যাৰে (২০১১ ৰ পিয়ল) চীনৰ পিছতেই পৃথিৱীৰ দ্বিতীয় জনবহুল ৰাষ্ট্র। বর্ধিত চাহিদা পূৰণৰ বাবে সুসংহত কৌশল আৰু কৃষি গৱেষণাৰ প্রয়োজন আছে যাতে বৈচিত্র্যপূর্ণ খাদ্য সামগ্রী পৰিমান আৰু মানদণ্ড বৃদ্ধি কৰিব পাৰি।
- **খাদ্যৰ উপলব্ধতা** ঃ খাদ্য সুৰক্ষাৰ আন এক পৰিমাপ হ'ল খাদ্যৰ উপলব্ধতা, অর্থাৎ বৃদ্ধিৰ হাতত পুষ্টিকৰ খাদ্য ক্রয় কৰিব পৰাকৈ ক্রয় ক্ষমতা। ব্যক্তি বা পৰিয়াল এটাৰ পর্যাপ্ত পৰিমানেপুষ্টিকৰ খাদ্য কিনিবৰ বাবে উপযুক্ত আয় থকাটো উচিত। নিয়োগ আৰু আয়ৰ সৃষ্টিয়ে ব্যক্তিৰক্রয় ক্ষমতা বৃদ্ধি কৰে। মহিলাৰ সামাজিক আৰু অর্থনৈতিক সাৱলীকৰণেও তেওঁলোকৰলগতে তেওঁলোকৰ পৰিয়ালৰ পষ্টি আৰু স্বাস্থ্য নির্মাণত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। মহিলাৰ অর্থনৈতিক সাৱলীকৰণে আয়ৰ সৃষ্টি কৰে আৰু ইয়াৰ দ্বাৰা ক্রয় ক্ষমতা বৃদ্ধি হয় আৰু ই শিশু তথা পৰিয়ালৰ পুষ্টিহীনতা হ্রাস কৰাত সহায় কৰে।
- **ব্যৱহাৰ** ঃ পর্যাপ্ত পৰিমানৰ মানদণ্ড সম্পন্ন খাদ্য সামগ্রীৰ লগতে কিছুমান অনা খাদ্য উপাদান যেনে বিশুদ্ধ খোৱা পানী, উপযুক্ত অনাময় ব্যৱস্থা আৰু স্বস্থ্য সেৱা

সুবিধাও খাদ্য সুৰক্ষা আৰু পুষ্টিৰ বাবে প্ৰয়োজনীয়। বিশুদ্ধ খোৱা পানী আৰু অনাময় ব্যৱস্থাৰ উপযুক্ত ব্যৱহাৰে সাধাৰণৰোগ যেনে ডায়ে�ৰিয়া, বলেৰা, মেলেৰিয়া, ফ্লুৰছিছ, আৰ্ছেনিকোছিছ, ট্ৰেকোমা, পেলু, টাইফয়েজ ইত্যাদিৰ স্বাস্থ্য শংকা হ্ৰাস কৰে। উন্নত চিকিৎসা ব্যৱস্থা যেনে ছমাহ বয়সলৈকে কেৱল মাত্ৰ মাকৰ গাখীৰ খুওৱা, পৰিপূৰক খাদ্যৰ সম উচিত ব্যৱহাৰ, নিম্নতম খাদ্য বৈচিত্ৰতা, আইৰণ সমৃদ্ধ পৰিপূৰক খাদ্য, পৰিপূৰক ভিটামিন Aপূৰ্ণ প্ৰতিষেধক চিটা আৰু শিশুৰ পাইখানা নিৰাপদ নিস্কাশন ইত্যাদি পৰিপুষ্টিৰ উন্নত ব্যৱহাৰৰ বাবে প্ৰয়োজন।

- **স্থিৰতা** ঃ সকলো সময়তে পৰ্যাপ্ত পৰিমাণৰ পুষ্টিকৰ খাদ্যৰ উপলব্ধতা আৰু প্ৰাপ্যতা খাদ্য সুৰক্ষাৰ আন এক অতি গুৰুত্বপূৰ্ণ পৰিমাপ। ইয়াৰ বাৰ্দব ব্যক্তি আৰু পৰিয়ালৰ বাবে খাদ্যৰ যোগান আৰু প্ৰাপ্যতা স্থিৰ হোৱাতো প্ৰয়োজন। প্ৰাকৃতিক দুৰ্যোগ যেনে বানপানী, খৰাং, ভূমিকম্প আৰু দৰ বৃদ্ধিৰ দৰে অৰ্থনৈতিক তথা চক্ৰীয় উত্থান-পতনৰ দ্বাৰা ঋতুগত খাদ্য অসুৰক্ষা হোৱা উচিত নহয়। পুষ্টিকৰ খাদ্যৰ স্থিৰ যোগান আৰু প্ৰাপ্যতাই ঋতুগত ক্ষুধা আৰু পুষ্টিহীনতা নিয়ন্ত্ৰণ কৰে।

৬ বছৰ বয়সৰ তৰ শিশু আৰু তেওঁলোকৰ মাক সকলৰ বাবে খাদ্য প্ৰাক-বিদ্যালয় শিক্ষা আৰু প্ৰাথমিক স্বাস্থ্য সেৱা প্ৰদান কৰাৰ বাবে ১৯৬৫ ত ICDA আৰম্ভ কৰা হৈছিল।

১৯৬২-৬৩ ত MDM আৰম্ভ কৰা হৈছিল। ই হ'ল ভাৰত চৰকাৰে বিদ্যালয় সমূহৰ পৌটিক মান উন্নত কৰাৰ বাবে প্ৰস্তুত কৰাএক বিদ্যালয়ত মধ্যাহ্ন ভোজন প্ৰদান কৰা আঁচনি।

খাদ্য সুৰক্ষাৰ, সমস্যাৰ সাংখ্যিক আৰু গুণগত দুয়োটা দিশেই আছে। পৰ্যাপ্ত পৰিমানৰ পুষ্টিকৰ খাদ্যৰ উপলব্ধতা আৰু প্ৰাপ্যতা এক আকাংখিত পৰ্যায়ৰ খাদ্য সুৰক্ষা বৰ্তাই ৰখাৰ বাবে প্ৰয়োজন। সাংখ্যিক আৰু গুণগত দিশ নিয়ন্ত্ৰণৰ বাবে ভাৰত চৰকাৰে তলত উল্লেখ কৰা তিনিটা খাদ্য ভিত্তিক সুৰক্ষা শৃংখল ওপৰত নিৰ্ভৰ কৰিছে ঃ

- ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS)
- সংহত শিশু বিকাশ সেৱা (ICDS) , আৰু
- মধ্যহ্ন ভোজন আঁচনি (MDM)

(PDS) হ'ল চৰকাৰে গ্ৰহণ কৰা আটাইতকৈ বৃহৎ শৃংখল আৰু দৰিদ্ৰতা দূৰীকৰণত ইয়াৰ উল্লেখযোগ্য প্ৰভাৱ আছে যদিও ই যথেষ্ট বিতৰ্কিত। ইয়াৰ উপৰিও, ভাৰত চৰকাৰে জনসাধাৰণৰ ক্ৰম ক্ষমতা বৃদ্ধি কৰাৰ বাবে নিয়োগ সৃষ্টি আঁচনিও হাতত লৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃশুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) খাদ্য সুৰক্ষা হ'ল এক মৌলিক মানব অধিকাৰ। (শুদ্ধ/অশুদ্ধ)

(খ) পুষ্টি সুৰক্ষাৰ অবিহনেও খাদ্য সুৰক্ষা লাভ কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

(গ) সেউজ বিপ্লৱ হৈছে কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে লোৱা এক পদক্ষেপ। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ২ ঃ প্রধানত ঃ কোনসকল লোকৰ খাদ্য অসুৰক্ষিত। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৩ ঃ ঋতুগত ক্ষুধা আৰু দীর্ঘস্থায়ী ক্ষুধাৰ পার্থক্য উল্লেখ কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৭.৪ ৰাজহুৱা বিতৰণ ব্যৱস্থা


আগতে উল্লেখ কৰাৰ দৰে PDS হ'ল ভাৰত চৰকাৰে গ্রহণ কৰা সর্ব বৃহৎ খাদ্য ভিত্তিক সুৰক্ষা শৃংখল। ভাৰতবর্ষত PDS ৰ প্রাথমিক উদ্দেশ্য হ'ল গ্রাহকসকলক ত্যাৱশ্যকীয় ভোগ্য সামগ্রী সমূহ সুলভ আৰু ৰাজসাহার্য্য যুক্ত দৰত প্রদান কৰা যাতে তেওঁলোকে খাদ্য সুৰক্ষাৰ নিম্নত্তম মানদণ্ড আৰু পুষ্টি সাধন কৰিব পাৰে। ভাৰতত PDS শৃংখলৰ অধীনত বিতৰণ কৰা প্রধান সামগ্রী সমূহ হ'ল চাউল, ঘেঁহু বা আটা, চেণী আৰু কেৰাচিন। PDS শৃংখল পৰিচালিত কৰাৰ বাবে ১৯৬৫ ত প্রতিষ্ঠা কৰা ভাৰতীয় খাদ্য নিগম (FCI) হ'ল প্রধানঃ প্রতিষ্ঠান। FCI) এ কৃষক বা উৎপাদনকাৰী সকলৰ পৰা নিম্নতম সমর্থিত দৰত (MSP) খাদ্য শস্য সংগ্রহ কৰে।

ভৰত চৰকাৰে নির্ধাৰণ কৰা (MSP) হ'ল কৃষকসকলক বা উৎপাদনকাৰীসকলক অত্যাধিক উৎপাদন হোৱা বছৰবোৰত অত্যাধিক দৰ পতনৰ বিপৰীতে প্রদান কৰা সুৰক্ষা। ই হ'ল কৃষক তথা উৎপাদনকাৰী সকলৰ প্রতি এক সমর্থন যাতে তেওঁলোকৰ উৎপাদন কোনো লোকচাৰ নোহোৱাকৈ নিশ্চিতভাৱে বিক্রী হয়। (FCI) এ আহৰণ কৰা খাদ্য সামগ্রীসমূহ তেওঁলোকৰ পন্যাগাৰ সমূহত বাফাৰ মজুত হিচাপে ৰখাৰ ব্যৱস্থা কৰে। (FCI) এ এই খাদ্য সামগ্রীসমূহ ৰাজ্য

হিচাপে ৰখাৰ ব্যৱস্থা কৰে। (FCI) এ এই খাদ্য সামগ্ৰীসমূহ ৰাজ্য চৰকাৰ সমূহক কেন্দ্ৰীয় ইচ্ছ্যু দৰ (CPI) ত যোগান ধৰে। ৰাজ্য চৰকাৰ সমূহে এইবোৰ সুলভ মূল্যৰ দোকান বা নিয়ন্ত্ৰিত দৰৰ দোকানত শৃংখলৰ জৰিয়তে গ্ৰাহকসকললৈ বিতৰণ কৰা দায়িত্ব বহন কৰে। ৰাজ্য চৰকাৰ সমূহ এই ব্যৱস্থাৰ প্ৰায়োগিক দিশৰ বাবেও দায়ৱদ্ধ। আৱণ্টন আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়াল চিনাক্ত কৰণ, ৰেচন কার্ড বিতৰণ, সুলভ মূল্যৰ দোকান সমূহৰ কার্যকাৰীতা পর্যবেক্ষণ আৰু নিয়ন্ত্ৰণৰ দায়িত্বও ৰাজ্য চৰকাৰ সমূহে লব লাগে।

বাফাৰ মজুত (Buffer Stock) হৈছে চৰকাৰে (FCI) ৰ জৰিয়তে আহৰণ কৰি ৰখা খাদ্যশস্য যেনে- ঘেঁহু আৰু চাউলৰ মজুত।

চিত্ৰ ৭.১ ঃ PDS ৰ কার্যপ্ৰণালী



১৯৯২ চনলৈকে PDS আছিল এক সাধাৰণ আঁচনি। পাহাৰত বাস কৰা দুখীয়া শ্ৰেণীৰ লোক দূৰ আৰু দূৰ্গম এলেকাৰ লোক সকলৰ ওপৰত গুৰুত্ব প্ৰদান কৰি PDS ক শক্তিশালী কৰিবলৈ ১৯৯২ চনৰ জুন মাহত পুনৰুজ্জীৱীত ৰাজহুৱা বিতৰণ ব্যৱস্থা (RPDS) আৰম্ভ কৰা হৈছিল। সমাজৰ দুখীয়া শ্ৰেণীৰ ওপৰত ৰাজ্য চৰকাৰৰ সহযোগত বিশেষ গুৰুত্ব দিয়া হৈছিল। এলেকা বিশেষ আঁচনি যেনে- খৰাং প্ৰবল এলেকা আঁচনি (DPAP), সংহত জনজাতি উন্নয়নপ্ৰকল্প (TPDS), মৰুভূমি উন্নয়ন আঁচনি (DDP), আৰু পাহাৰীয়া এলেকাৰ বাবে নির্দিষ্ট আঁচনি (DHA)ৰ পদক্ষেপ লোৱা হৈছিল।

দুখীয়া লোক চিনাক্ত কৰাৰ আৰু খাদ্য সামগ্ৰী সুলভ মূল্যৰ দোকান পর্যায়ত স্বচ্ছ তথা দায়বদ্ধ ৰূপত বিতৰণ কৰাৰ উদ্দেশ্যে RPDS ৰ ৫ বছৰ পিছত ১৯৯৭ ৰ জুন মাহত ভাৰত চৰকাৰে সুনির্দিষ্ট ৰাজহুৱা বিতৰণ ব্যৱস্থা (TPDS) আৰম্ভ কৰিছিল।

হিতাধিকাৰীসকলক এনেদৰে শ্ৰেণী বিভাগ কৰা হৈছিল-

- দৰিদ্ৰ সীমা ৰেখাৰ তলৰ (BPL)
- দৰিদ্ৰ সীমা ৰেখাৰ ওপৰৰ (APL)

গ্ৰাম্যাঞ্চলত গাওঁ পঞ্চায়ত আৰু গাওঁ সভা তথা নগৰ অঞ্চলত নগৰ পালিকাৰ সহায়ত দৰিদ্ৰ হিতাধিকাৰী সকলক চিনাক্ত কৰণ কৰাটো ৰাজ্য চৰকাৰৰ দায়িত্ব।

PDS ৰ সংস্কাৰে দেশত ক্ষুধা আৰু দৰিদ্ৰতাৰ সমস্যা দূৰ কৰিবলৈ সক্ষম হোৱা নাছিল। যিহেতু সমাজৰ আটাইতকৈ দৰিদ্ৰ শ্ৰেণীৰ লোকে দুবেলা-দুমুঠি খাই শোৱ পৰা নাছিল। ITPDS ক সমাজৰ এই শ্ৰেণীৰ প্ৰতি অধিক দৃষ্টিবদ্ধ আৰু লক্ষ্য স্থিৰ কৰাৰ উদ্দেশ্য ২০০০ চনৰ ডিচেম্বৰত

অন্ত্যোদয় অন্ন যোজনা (AAY) আৰম্ভ কৰা হৈছিল। অন্তোদয়ৰ বাবে চিহ্নিত পৰিয়ালবোৰে ২০০২ চনৰ ২ এপ্রিলৰ পৰা প্রতিটো পৰিয়ালৰ প্রতি মাহে ৩৫ কেজি চাউল পাবলৈ সক্ষম হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ FCI কি? ই কেতিয়া প্রতিষ্ঠান হৈছিল? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৫ ঃ MSP আৰু CPI ৰ সংজ্ঞা দিয়ক? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৬ ঃ PDS ৰ অধীনত বিতৰণ কৰা বিভিন্ন ৰেচন কার্ডৰ প্রকাৰ সমূহ কি কি? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৭.৫ খাদ্য সুৰক্ষা আইন, ২০১৩

PDS ৰ সুসংস্কাৰৰ উপায় হিচাপে আৰু খাদ্য আৰু পুষ্টিৰ সুৰক্ষা মৌলিক অধিকাৰ হিচাপে নিশ্চিত কৰিবলৈ ৰাষ্ট্রীয় উপদেষ্টা পৰিষদ (NDC) এ ৰাষ্ট্রীয় খাদ্য সুৰক্ষা বিলৰ খচৰা প্রস্তাৱ ২০১১ ৰ জানুৱাৰী-ফ্রেব্রুৱাৰীত উপস্থাপন কৰে আৰু ইয়াক ২০১৩ ৰ ৰচ চেপ্তেম্বৰত আইন হিচাপে স্বাক্ষৰ কৰা হয়। ৰাষ্ট্রীয় খাদ্য সুৰক্ষা আইন (NFSA), ২০১৩ ৰ লক্ষ্য হ'ল "এক মর্যাদাপূর্ণ জীৱন জীয়াই থকাৰ বাবে পর্যাপ্ত পৰিমানৰ গুনগত মান সম্পন্ন খাদ্য সহজলভ্য দৰত উপলব্ধতা নিশ্চিত কৰি, মানুহৰ জীৱন চক্রত খাদ্য আৰু পুষ্টিৰ সুৰক্ষা প্রদান কৰা।" (NFSA) ২০১৩ ৰ মূল বৈশিষ্ট্য সমূহ তলত দিয়া ধৰণৰ।

- **পৰিসৰ আৰু অধিকাৰ ঃ** এই আইনখনে ৭০% গ্রাম্য জনসংখ্যা আৰু ৫০% নগৰীয়া জনসংখ্যা সামৰি লোৱাৰ লক্ষ্য আগত ৰাখিছে। (TPDS) ৰ অধীনত প্রতিটো পৰিয়ালে ৫ কেজি চাউল, আটা আৰু অপৰিস্কৃত শস্য প্রতিজনে প্রতিমাহে ক্রমে ৩ টকা,২ টকা আৰু

১ টকা দৰত লাভ কৰিব। কিন্তু প্ৰচলিত (AAY) অনুসৰি পৰিয়ালে প্ৰতি প্ৰতিমাহে ৩৫ কেজি কৈ লাভ কৰিব। ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল সমূহে কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া মানদণ্ডৰ ওপৰত ভিত্তি কৰি হিতাধিকাৰী চিনাক্ত কৰিব।

- **ৰাজসাহায্য যুক্ত দৰৰ পুনৰীক্ষন** ঃ আইনখনৰ বলবৎ হোৱাৰ প্ৰথম ৩ বছৰত (TPDS)ৰ অধীনত খাদ্যশস্যৰ দৰ একে থাকিব। তাৰ পিছত নিম্নতম সমৰ্থিত দৰ (MSP) সপক্ষে কেন্দ্ৰীয় চৰকাৰে এই দৰ সমূহ পৰিবৰ্তন কৰিব।
- **মহিলা শিশুলৈ পৌষ্টিক সমৰ্থন** ঃ (NFSA) ২০১৩ ৰ লক্ষ্য হ'ল সংহত শিশু বিকাশ আঁচনি (ICDS) আৰু মধ্যাহ্ন ভোজন আঁচনি (MDM) ৰ উন্নীত কৰণৰ যোগেদি মহিলা আৰু শিশুৰ স্বাস্থ্য তথা পৌটিক অৱস্থা সমৰ্থন কৰা। ৬ মাহৰ পৰা ৬ বছৰ বয়সৰ শিশু সকললৈ বিনামূলীয়া খাদ্য প্ৰদান কৰা দায়িত্ব স্থানীয় অঙ্গনবাডী কেন্দ্ৰই লব। অষ্টম শ্ৰেণী লৈকে ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী স্কুল সমূহত বিনামূলীয়া মধ্যাহ্ন ভোজন লাভ কৰিব। গৰ্ভৱতী আৰু গাখীৰতী মাতৃ সকলক গৰ্ভধাৰণৰ সময় আৰু সন্তান জন্মৰ পিছৰ ছমাহলৈকে স্থানীয় অঙ্গনবাডী কেন্দ্ৰত তেওঁলোকে ৬০০০ টকালৈকে মাতৃত্বৰ সুবিধাও লাভ কৰিব।
- **মহিলাৰ সাৱলীকৰণ** ঃ এই আইনখনে মহিলা সাৱলীকৰণৰ উদ্দেশ্য সফল কৰিবৰ বাবে ৰেচন কার্ড সমূহ পৰিয়ালৰ ১৮ বছৰ বা তাৰ উৰ্ধ্বৰ জ্যেষ্ঠ মহিলাগৰাকী পৰিয়ালৰ মূৰব্বী হিচাপে লৈ ৰেচনকার্ড বিতৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে।
- **অভিযোগ নিষ্পত্তি ব্যৱস্থা** ঃ এই আইনখন বলবৎ কৰাৰ ক্ষেত্ৰত আৰু দুৰ্নীতি বা ভেজাল কৰণৰ ক্ষেত্ৰত দেখা দিয়া যিকোনো অভিযোগ জিলা বা ৰাজ্যিক পযচ্ছ্ৰায়ত অভিযোগ নিষ্পত্তিৰ ব্যৱস্থাপনাৰ দ্বাৰা নিষ্পত্তি কৰিব পাৰি। ৰাজ্য সমূহৰ প্ৰচলিত ব্যৱস্থা ব্যৱহাৰ কৰা বা বেলেগকৈ ব্যৱস্থাপনা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত শিথিলতা উপভোগ কৰিব।
- **ৰাজ্যসমূহলৈ পৰিবহন ব্যয়ৰ সাহায্য** ঃ ৰাজ্যসমূহৰ ভিতৰত খাদ্য শস্যৰ পৰিবহন ইয়াৰ বিতৰণ আৰু সুলক্ষ মূল্যৰ দোকানীসকলৰ প্ৰান্তিক ব্যয় বহন কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে এই উদ্দেশ্যে নিৰ্ধাৰণ কৰা নীতিৰ ভিত্তিত ৰাজ্যসমূহলৈ পৰিবহন ব্যয়ৰ সাহৰ্য্য আগবঢ়াব।
- **খাদ্য সুৰক্ষা ভাট্টা** ঃ যদি প্ৰাপ্য খাদ্যশস্য হিতাধিকাৰীসকললৈ যোগান ধৰিব পৰা নাযায় তেনে ক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্য চৰকাৰে এই হিতাধিকাৰী সকললৈ খাদ্য সুৰক্ষা ভাট্টা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে।
- **ৰাজ্যিক খাদ্য আয়োগৰ ব্যৱস্থা** ঃ ৰাজ্যিক খাদ্য আয়োগে আইনখনৰ কার্যকৰীকৰণ পর্যবেক্ষণ আৰু মূল্যায়ন কৰিব, ৰাজ্য চৰকাৰ আৰু ইয়াৰ অভিক্ৰমণ সমূহক পৰামর্শ দান কৰিব আৰু আইনৰ ধাৰা ভংগ কৰাৰ তদন্ত কৰিব।
- **জৰিমনা** ঃ জিলা অভিযোগ নিষ্পত্তি বিষয়াৰ দ্বাৰা নির্দেশ দিয়া উপায় সমূহ মানি চলিবলৈ ব্যর্থ হোৱা চৰকাৰী বিষয়া বা কর্তৃপক্ষৰ ওপৰত ৰাজ্যিক খাদ্য আয়োগে জৰিমনা বিহিব।

(NFSA), ২০১৩ হ'ল খাদ্যৰ অধিকাৰ আৰু বিধিগতভাৱে প্ৰদান কৰা সা-সুবিধাসমূহ এক কাঠামোৰ আওঁতালৈ অনাৰ ক্ষেত্ৰত এক গুৰুত্বপূর্ণ পদক্ষেপ।

৭.৬ দৰিদ্রতাৰ ওপৰত PDS ৰ প্রভাৱ

PDS ৰ সুসংস্কাৰৰ

৭.৬.১ PDS ৰ অধীনত খাদ্য সাহার্য্য

PDS ৰ মূখ্য উদ্দেশ্য হ'ল অত্যাৱস্যকীয় খাদ্য সামগ্রী সমূহ যেনে- চাউল, ঘেঁহু, চেনী, খোৱাতেল আৰু কেৰাচিন আদি ৰাজসাহার্য্য যুক্ত দৰত প্রদান কৰা আৰু এনেদৰে এক সুৰক্ষিত খাদ্য সুৰক্ষা পর্যায় নিশ্চিত কৰা। ই হ'ল দৰ স্থিৰতাৰ এক আহিলা আৰু ব্যৱসায়ী সফলৰ শোষণৰ বিৰুদ্ধে কাম কৰে বা কৃত্রিম নাটনিৰ জৰিয়তে খুচুৰা ব্যৱসায়ী সকলে অধিক লাভ আহৰণ কৰাৰ বিৰুদ্ধে এক শক্তি।

PDS ত চৰকাৰৰ চৰকাৰী ব্যয় ধাৰাবাহিকভাবে বৃদ্ধি হৈ আছে। ২০১৬-১৭ চনৰ বাজেটত খাদ্য আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাত চৰকাৰৰ মুঠ ব্যয়ৰ ৭.১% খৰচ হৈছে। কেন্দ্রীয় চৰকাৰৰ খাদ্যৰ ওপৰত ৰাজসাহার্য্য ১৯৮০-৮১ ত (চলিত দৰত) ৬৫০ কৌটি টকাৰ পৰা ২০১৬-১৭ ত ১,৩৪,৮৩৪.৬১ কৌটি টকালৈকে বৃদ্ধি পাইছে (তালিকা ১.১)। NFSA ৰ অধীনত খাদ্যৰ ৰাজ-সাহার্য্য আৰু অধিক হ'ব বুলি আশা কৰা হৈছে যিহেতু চৰকাৰে ২০১৬ ৰনবেম্ভৰৰ পৰা ৪০ কৌটি লোকক ৰাজ সাহার্য্য যুক্ত খাদ্য যোগান ধৰাৰলক্ষ্য হাতত লৈছে।

৭.১ ঃ কেন্দ্রীয় চৰকাৰৰ ৰাজসাহার্য্য যুক্তখাদ্যত কৰা ব্যয়

বছৰ	চলিত দৰত ব্যয় (কোটি টকাত)
১৯৮০-৮১	৬৫০
১৯৯০-৯১	২৪৫০
২০০০-০১	১২,০১০
২০০৪-০৫	২৫,৭৪৬
২০০৫-০৬	২৩,০৭১
২০০৬-০৭	২৩,৮২৮
২০০৭-০৮	৩১,২৫৯
২০০৮-২০০৯	৪৩,৬৬৮
২০০৯-২০১০	৫৮,২৪২
২০১০-২০১১	৬৩,৮৪৪
২০১১-২০১২	৭২,৮২২
২০১২-২০১৩	৮৫,০০০
২০১৩-২০১৪	৯২,০০০

২০১৪-২০১৫	১২২,৬৭৫
২০১৫-২০১৬	১২৪,৪১১৯
২০১৬-২০১৭	১২৩৪,৮৩৪
২০১৭-২০১৮	১,৪৫,৩৩৮

উৎস ঃ Datt G & Mahajan. A (2016). Datt and Sundharam's Indian Economy; কেন্দ্রীয় বাজেট ২০১৬-১৭ আৰু ২০১৭ -১৮

৭.৬.২ MSP ৰ জৰিয়তে কৃষকসকললৈ উদ্‌গনি

কৃষি ব্যয় আৰু দৰ আয়োগৰ (CACP) পৰামর্শ অনুসৰি কৃষি ঋতুৰ আৰম্ভনিতে (MSP) প্রদানৰ জৰিয়তে চৰকাৰে দুখীয়া কৃষক সকলৰ উৎপাদিত সামগ্রী সুৰক্ষিত কৰে। ই কৃষক সকলক বিক্রীৰ হতাশাত ভোগাৰ পৰা সমর্থন কৰে আৰু তেওঁলোকৰ খেতিপথাৰৰ উন্নয়নৰ বাবে মূলধন বিনিয়োগ কৰাত উৎসাহ যোগায়। বর্তমান ২৪ বিধ সামগ্রীৰ ওপৰত MSP ঘোষণা কৰা হৈছে। ইয়াৰে ৭ বিধ খাদ্যশস্য (ধান, ঘেহুঁ, বার্লি, জোৱাৰ, বজৰা, মাকৈ আৰু ৰাগি), ৫ বিধ দালি (বুট, ৰহৰ, মগু, মাটিমাহ আৰু মচুৰ), ৮ বিধ তৈল বীজ, শুকান নাৰিকল, কেঁচা মৰাপাট, কেঁচা কপাহ, (VFA) আৰু ধঁপাত। কিন্তু কৃষক সকল, ঘেঁহু াৰু ধানৰ ওপৰত থকা MSP ৰ প্রতিহে সজাগ যিয়ে খেতিৰ ধৰণ এই দুবিধ শস্যলৈ পৰিবর্তন কৰা কাৰক হিচাপে কাম কৰে। খেতিয়ক সকলক অন্যান্য খাদ্যশষ্যৰ ওপৰত থকা MSP ৰ বিষয়েও সজাগ কৰা প্রয়োজন যাতে দুখীয়া লোক সকলৰ পুষ্ঠিৰ সুৰক্ষা বজাই ৰাখিবৰ বাবে অধিক বৈচিত্র্যপূর্ণ কৃষি পদ্ধতিৰ প্রতি উৎসাহিত হয়। ২০০৯-১০ ৰপৰা ২০১৭-১৮ লৈ CACP ৰ পৰামর্শ অনুসৰি কৃষি আৰু সমবায় বিভাগে ঘেঁহু আৰু ধানৰ MSP নির্ধাৰণ কৰে।

তালিকা ৭.২ ঃ ঘেঁহু আৰু ধানৰ MSP

বছৰ	ঘেঁহুৰ MSP	ধান ৰ MSP	
		সাধাৰণ	গ্রেড A
২০০৯-২০১০	১০৮০	১০০০	১০৩০
২০১০-২০১১	১১৭০	১০০০	১০৩০
২০১১-২০১২	১০৭০	১০৮০	১১১০
২০১২-২০১৩	১২৮৫	১২৫০	১২৮০
২০১৩-২০১৪	১৩৫০	১৩১০	১৩৪৫
২০১৪-২০১৫	১৪০০	১৩৬০	১৪০০
২০১৫-২০১৬	১৪৫০	১৪১৬	১৪৫০
২০১৬-২০১৭	১৫২৫	১৪৭০	১৫১০
২০১৭-২০১৮	১৬২৫	১৫৫০	১৫৯০

উৎস ঃ খাদ্য আৰু ৰাজহুৱা বিতৰম বিভাগ, গ্রাহক পৰিক্রমা মন্ত্রালয়, খাদ্য আৰু ৰাজহুৱা বিতৰণ, ভাৰত চৰকাৰ

৭.৭ PDS ৰ সীমাবদ্ধতা

খাদ্য সুৰক্ষাৰ বৃহত্তম শৃংখল হিচাপে PDS তদেশৰ দৰিদ্রতা আৰু ক্ষুধা ডৰীকৰণৰ ক্ষেত্রত ইয়াৰ লক্ষ্যত উপনীত হ'বলৈ সক্ষম হোৱা নাই। ভাৰতৰ বহুতো অঞ্চলত এতিয়াও ক্ষুধাৰ সমস্যা চলি আছে।

- **অবৈজ্ঞানিকসংৰক্ষণ আৰু অপচয়ঃ** তিনিটা সংৰক্ষন অভিকৰণ আছে- FCI , কেন্দ্রীয় পন্যাগাৰ নিগম আৰু ৰাজ্যিক পন্যাগাৰ নিগম সমূহ।সংৰক্ষণ ক্ষমতা এই অভিকৰণ সমূহৰ দ্বাৰা বা ব্যক্তিগত মালিকৰ পৰা ভাড়াত লব পাৰি। শস্য সমূহ হয় আবৃত্ত গুডামত অথবা অনাবৃত্ত গুডামত সংৰক্ষিত কৰা হয় যাক CAP বুলি কোৱা হয়। (Covered and Plenth)। সংৰক্ষণ ক্ষমতা এনেদৰে অভিকৰণে ভাড়াত লোৱ অধিকৃত আৰু আবৃত্ত / CAP এই তিনিওটাৰে মুঠ সংৰক্ষণ ক্ষমতা মিলি হয়। FCI , ৰ সংৰক্ষণ ক্ষমতা আটাইতকৈ সধিক আৰু ই দিনে দিনে বৃদ্ধি পাই আছে। কিন্তু আৱৰম আৰু মজিয়া (CAP) ৰ সক্ষতা আবৃত্ত সংৰক্ষণ ক্ষমতাতকৈ অধিক বৃদ্ধি পাইছে। CAP হ'ল অবৈজ্ঢানিক আৰু ইয়াৰ ফলত খাদ্যৰ গুণাগুণ নষ্ট হয় আৰুচুৰি কার্যৰ সম্ভাৱনাও বৃদ্ধি পায়।
- **অপর্যাপ্ত সংৰক্ষণ ক্ষমতাঃ** PDS ৰ খাদ্যশস্য সংৰক্ষণ ক্ষমতা অপর্যাপ্তও। প্রয়োজনীয় আৰু প্রচলিত সংৰক্ষণ ক্ষমতাৰ মাজত বৃহৎ ব্যৱধান আছে। একাদশ পঞ্চবার্ষিক পৰিকল্পনাত খাদ্যশস্য সংৰক্ষনৰ ক্ষমতা সৃষ্টি কৰাৰ বাবে 1C নিযুত টন ব্যৱধান চিনাক্ত কৰা হৈছে।
- **অত্যাধিক বাফাৰ মজুতঃ** মুকলি ক্রয় ব্যৱস্থাৰ অধীনত চৰকাৰে কিমান পৰিমান ক্রয় কৰিব বিচৰা হৈছে সেইটো ঠিৰাং কৰিব নোৱাৰে। কৃষকে যিমান পৰিমাণৰে শস্য প্রদান কৰে চৰকাৰে সিমানেই ক্রয় কৰিব লাগে। ইয়াৰ ফলত অত্যাধিক বাফাৰ মজুত সৃষ্টি হয় যিটো অনাকাংখিত আৰু অপচয় মূলক। অত্যাধিক খাদ্যৰ মজুত সংৰক্ষণ, উচ্চ পৰিবহন ব্যয়, অপচয় আৰু শস্যৰ গুনাগুণ নষ্টৰ বাবে দায়ী। ই মুকলি বজাৰত খাদ্য শস্যৰ নাটনি আৰু মুদ্রাস্ফীতিৰ সৃষ্টি কৰে।
- **অপর্যাপ্ত সংৰক্ষণ ক্ষমতাঃ** PDS ৰ খাদ্যশস্যৰ ওপৰত ধাৰাবাহিক ভাৱে বৃদ্ধি হৈ অহা ৰাজসাহার্যই চৰকাৰৰ ওপৰত গুৰুতৰ ফিচকেল বোজা জাপি দিছে। ১৯৮০-৮১ ৰ ৬৫০ কৌটিৰ পৰা ২০১৬-১৭ ত খাদ্যৰ ৰাজসাহার্য্য ১,৩৫১৭৩ কৌটিলৈ বৃদ্ধি পাইছিল আৰু ই ২০১৭-১৮ ত ১,৪৫,৩৩৮ কৌটিলৈ অধিক বৃদ্ধি পাইছে। খাদ্যৰ ৰাজসাহার্য হ'ল ইছু দৰ আৰু অর্থনৈতিক ব্যয়ৰ মাজত পার্থক্য। চৰকাৰে দুখীয়া লোক সকলক আটাইতকৈ কম দামত খাদ্যশস্য যোগান ধৰাৰ বাবে ইছু দৰ হ্রাস কৰি আহিছে। আনহাতে বর্ধিত MSP আৰু সংৰক্ষম ব্যয়ৰ বাবে অর্থনৈতিক ব্যয় বৃদ্ধি হৈছে। ইয়াৰ পৰিনতিত খাদ্যৰ ৰাজসাহার্য্য বৃদ্ধি হৈছে আৰু চৰকাৰৰ ওপৰত গুৰুতৰ ফিচকেল বোজা পৰিছে।

- MSP **আৰু শস্যৰ ধৰণ ঃ** এফালে বর্ধিত MSP য়ে চৰকাৰৰ ওপৰত বোজাৰ সৃষ্টি কৰিছে আৰু আন ফালে ই দেশত শস্যৰ ধৰণ বিনষ্ট কৰিছে। কৃষকসকলে বর্ধিতMSP ৰ বাবে ধান আৰু ঘেঁহু উৎপাদন কৰা প্রতি অধিক আগ্রহী। কিন্তু উপভোগৰ ধৰম অনা খাদ্যশস্যৰ পিনেও পৰিবর্তিত হৈছে অথচ ইয়াৰ উৎপাদন কমা নাই। ফলস্বৰূপে চাহিদা আৰু যোগানৰ অসামঞ্জস্য ঘটিছে আৰু বজাৰ দৰ বাঢ়িছে আৰু মানুহৰ জীৱন-ধৰণৰ ব্যয় বাঢ়িছে।
- **নিাক্তকৰণৰ সমস্যা ঃ** অনানুষ্ঠানিক আৰু অসংগঠিত খণ্ডত কাম কৰা মানুহৰ উপার্জনৰ অনিয়মিতাৰ বাবে উপার্জনৰ ওপৰত ভিত্তি কৰি APL আৰ BPL পৰিয়াল চিনাক্ত কৰণ কৰাটো কঠিন। বহুসময়ত পাৰ লগা পৰিয়াল বর্হিভূত হয় আৰু ই উচ্চ বর্হিভুত কৰণ ত্রুটিৰ সৃষ্টি কৰে। য়িাৰ উপৰিও BPL আৰু AAY পৰিয়াল পার্থক্য নিৰূপন কৰাটো কঠিন। PDS, ৰেচনকার্ডত অনা দৰিদ্র পৰিয়ালৰ অন্তভুর্ক্তিয়ে উচ্চ অন্তর্ভুক্তি ত্রুটিৰ সৃষ্টি কৰে। AP আৰ BPL পৰিয়াল চিনাক্ত কৰা প্রক্রিয়াটো গাওঁপঞ্চায়ত আৰু গাওঁসভাৰ দ্বাৰা কৰা হয়। ৰাজনৈতিক হেঁচা াৰু গাওঁ পঞ্চায়ত আৰু গাওঁসভাৰ দুর্নীতিয়ে বর্হিভূত কৰণ আৰু অন্তভুক্তি কৰণ ত্রুটিৰ সৃষ্টি কৰে। এইদৰে এই সমস্যাটোৱে ধাৰণাগত আৰু কার্যকৰীগত ভাৱে উপযুক্ত জনসাধাৰণে, PDS ৰ উপকাৰিতা সমূহ পাবলৈ সক্ষম হোৱা নাই।
- PDS **ব্যৱসায়ীৰ দুর্নীতি ঃ** খাদ্যশস্য সমূহ অধিক লাভৰ বাবে মুকলি বজাৰত বিক্রী কৰা, সুলভ মূল্যৰ দোকানত নিম্নমানৰ শস্য বিক্রী কৰা, দোকান খোলাৰ অনিয়মিতা ইত্যাদিৰ দ্বাৰা PDS ব্যৱসায়ী সকলে কৰা দুর্নীতিয়ে PDS ব্যৱস্থা কার্যকৰী ভাৱে ৰূপায়ন কৰাত বাধা প্রদান কৰিছে আৰু ইয়াৰ বাবে দেশত খাদ্য আৰু পুষ্টি সুৰক্ষা সমস্যা, সমাধান কৰাত ব্যর্থ হৈছে।
- PDS **দোকানৰ পৰা ক্রয় কৰাৰ প্রতি নিম্নউদ্গনি ঃ** APL পৰিয়ালৰ বাবে ই ইছু দৰ াৰু মুকলি বজাৰৰ দৰৰ মাজত পার্থক্য উল্লেখনীয় ভাৱে একেবাৰে কম। নিম্ন আয়ৰ APL পৰিয়াল সমূহে প্রায় মুকলি বজাৰৰ সমানে দৰ দিব লাগে। ই সুলভ মূল্যৰ দোকানৰ পৰা বস্তু কিনাৰ উৎসাহ হ্রাস কৰে। সর্বভাৰতীয় পর্যায়ত PDS শস্য উপভোগৰ গড় হাৰ অতি নিম্ন। ই সুলভ মূল্যৰ দোকানৰ মালিকৰ লাভ ও হ্রাস কৰে আৰু সুলভ মূল্যৰ দোকান সমূহ বর্তি থকাৰ প্রশ্নত্ত সৃষ্টি কৰে।

৭.৮ সমাধানৰ উপায়

PDS ত গাঁথনিগত আৰু কার্যকৰীকৰণৰ বহুতো সমস্যা আছে, কিন্তু তথাপিও ই দৰিদ্র সকলৰ বাবে এতিয়াও আটাইতকৈ ভাল প্রকৃতিৰ খাদ্য সুৰক্ষা বুলি বিবেচিত হৈছে। এই ব্যৱস্থাক আৰু অধিক শক্তিশালী আৰু কার্যক্ষম কৰিবলৈ আৰু ইয়াৰ সম্ভাৱনীয়তা সমূহৰ পূর্ণ ব্যৱহাৰৰ বাবে PDS ৰ সংস্কাৰৰ প্রয়োজন আছে। কেতবোৰ গুৰুত্বপূর্ণ সংস্কাৰৰ উপায় তলত দিয়া ধৰণৰ।

- হিতাধিকাৰীৰ চিনাক্তকৰণ ''বর্হিভূত কৰণ প্রক্রিয়াত''বিবেচনা কৰি কৰা উচিত। দৰিদ্র সকলক চিনাক্তকৰণ পৰিৱর্তে ধনীসকলক চিনাক্ত কৰি বাহিৰত ৰখা আৰু আন সকলোবোৰক

অন্তভুক্ত কৰি কৰাটো অধিক কার্যকৰী হ'ব। ই গ্রামাঞ্চলত হিতাধিকাৰীৰ অন্তর্ভুক্তি পৰিসৰ বৃদ্ধি কৰিব।

- **জৱাহৰ ৰোজগাৰ যোজনা** (JRY) বা মহাত্মাগান্ধী ৰাষ্ট্রীয় গ্রাম্য নিয়োগ নিশ্চিত কৰণ আইন (MGNREGA) আদিৰ দৰে নিয়োগ সৃষ্টিৰ আঁচনি প্রদানৰ জৰিয়তে PDS ত অনাদৰিদ্রৰ অন্তর্ভুক্তিৰ ত্রুটি হ্রাস কৰিব পাৰি।
- **ৰাজ্য চৰকাৰে খাদ্য মোহৰ** (Food Stamp) বা কুপন পঞ্চায়তী ৰাজ প্রতিষ্ঠান সমূহক বিতৰণ কৰা উচিত। যাতে তেওঁলোকে এইবোৰ দৰিদ্র সকলক বিতৰম কৰিব পাৰে। ই বিচলন ৰূ সুৰভাৰ সমস্যা হ্রাস কৰিব।
- **ৰাফাৰ মজুতৰ প্রয়োজনীয়তা আৰু পন্যগাৰ সমূহৰ সংৰক্ষণ** বা ক্ষমতাৰ যথাযথ নির্ধাৰণ কৰাটো PDS ৰ অধীনত আবন্তন কৰা খাদ্য শস্য সমূহৰ নিয়ন্ত্রণ ৰূ অপচয় হ্রাস কৰাৰ বাবে অত্যাবশ্যকীয়।
- **দক্ষতাপূর্ণ ব্যৱস্থাপনা আৰু নিয়মিত** পর্যবেক্ষনে সুলভ মূল্যৰ দোকান সমূহৰ কার্যকাৰীতা উন্নত কৰিব পাৰে আৰু অদক্ষতা তথা দুর্নীতি দূৰ কৰিব পাৰে।



৭.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- জনসাধাৰণৰ বাবে খাদ্য সুৰক্ষাৰ মৌলিক অধিকাৰ নিশ্চিত কৰাৰ কাৰণে ভাৰত চৰকাৰে বিভিন্ন পদক্ষেপ গ্রহণ কৰিছে।
- PDS ৰ বহুতো আঁসোবাহ থকাৰ কাৰণে ই দৰিদ্র সকলৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাত ব্যর্থ হৈছে।
- NFSA, 2013 PDS ৰ সংস্কাৰৰ দৰিদ্র কেন্দ্রীক নতুনত্ব হিচাপে আৰম্ভ কৰা হৈছে। কিন্তু ইও সমালোচনাৰ উর্ধৰত নহয়।
- বিভিন্ন অধ্যয়নৰ পৰা প্রতিয়নান হৈছে যে সুৰুঙা আৰু হিতাধিকাৰী চিনাক্তকৰণৰ সমস্য NFSA 2013 এতিয়াও বিৰাজমান।
- PDS ৰ ব্যাপক প্রসাৰেৰে দৰিদ্র সকলৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ বাবে দৰিদ্রতা হ্রাসকৰণ আৰু নিয়োগৰ সুবিধা সৃষ্টি কৌশলৰ ওপৰত অধিক জোৰ দিয়াটো সমীচিন হ'ব।



৭.১০ অধিক জানিবলৈ

1) Datt, G and Mahajan, A. (2016). *Datt & Sundharam's Indian Economy.* New Delhi: S. Chand & Co.
2) Misra, S.K. & Puri, V.K. (2018). *Indian Economy.* New Delhi: Himalya Publishing House.
3) Sen, A. K. (1983). *Poverty and Famines: An Essay on Entitlement and*

Deprivation. New Delhi: Oxford University Press.

৭.১০অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

২ নং প্রশ্ন উত্তৰ ঃ খাদ্য অসুৰক্ষিত মানুহবোৰৰ ভিতৰত পৰে সেই সকল মানুহ যি সকল কম মজুৰী বৃত্তিত নিয়োজিত হয়, দিন হাজিৰা কৰা শ্রমিক, ভূমিহীন লোক, কম ায়ৰ স্বনিয়োজিত লোক, লক্ষ্যহীন ভিক্ষাৰীকে ধৰি শ্রমিকসকল, প্রাকৃতিক দুর্যোগৰ দ্বাৰা আক্রান্ত লোক সকল আৰু আটাইতকৈ গুৰুত্বপূর্ণভাবে মহিলা আৰু শিশুসকল।

৩ নং প্রশ্ন উত্তৰ ঃ খাদ্য অসুৰক্ষিত অর্থনীতি এটাত ক্ষুধা আৰু দৰিদ্রতা দীর্ঘস্থায়ী। FAO ৰ নির্ধৰণ অনুসৰি, ২০১৫ চনত বিশ্বত খাদ্য অসুৰক্ষা প্রতিবেদন অনুসৰি ভাৰৱর্ষৰ ১৫.২% জনসংখ্যা অৱপুষ্টিত ভোগে আৰু ১৯৪৬ নিযুত মানুহ প্রতিদিনে ক্ষুধাত থাকে। ক্ষুধা দুই ধৰণৰ হ'ব পাৰে ঋতুগত ক্ষুধা আৰু দীর্ঘস্থায়ী ক্ষুধা।

ঋতুগত ক্ষুধা খাদ্য সুৰক্ষা আৰু অসুৰক্ষা চক্রৰ লগত জড়িত। ঋতুগত ক্ষধা হ'ল সেপ্রিকাৰৰ ক্ষুধা যেতিয়া এজন মানুহে বছৰটো কিছু সময় ধৰি সংখ্যাগত জৰে অথবা গুণগত ভাৰে উপযুক্ত খাদ্য যোগাৰ কৰিব নোৱাৰে। ক্ষউধা হ'ল দীর্ঘস্থায়ী খাদ্যৰ এক পৰিণতি হয় পৰিমানৰ ভিত্তিত অথবা গুণাগুণৰ ভিত্তিত। সমাজৰ দৰিদ্র শ্রেণীৰ লোকসকলে দীর্ঘস্থায়ী ক্ষুধা ভোগে কাৰণ তেওঁলোকৰ আয় অতি নিম্ন আৰু ফলস্বৰূপে তেওঁলোকে জীৱন ধাৰণৰ বাবে প্রয়োজনীয় খাদ্য সামগ্রী খিনি ক্রয় কৰিবলৈও অসমর্থ।

৪ নং প্রশ্ন উত্তৰ ঃ ভাৰতীয় খাদ্য নিগম (FCI) হ'ল PDS শৃংখল পৰিচালনাৰ প্রধান অভিকৰণ। (FCI) এ খাদ্যশস্য, বিশেষকৈ ঘেঁহু আৰু চাউল শস্য চপোৱাৰ ঠিক পিছে পিছে কৃষক সকলৰপৰা সংগ্রহ কৰে। এই শস্য সমূহৰ মজুত সমাজৰ দুখীয়া শ্রেণীৰ মাজত সুলক্ষ মূল্যৰ দোকানৰ যোগেদি বিতৰণ কৰা হয়। (FCI) ১৯৬৫ ত প্রতিষ্ঠা কৰা হৈছিল।

৫ নং প্রশ্ন উত্তৰ ঃ ভাৰত চৰকাৰে (খেতি কৰাৰ পূর্বে) নির্ধৰণ কৰা MSP হ'ল কৃষক সকলক বা উৎপাদনকাৰীসকলক অত্যাধিক উৎপাদনহোৱা বছৰ বোৰত অত্যাধিক দৰপতনৰ বিপৰীতে প্রদান কৰা সুৰক্ষা। ইছু দৰ হ'ল সেই দৰ যি দৰত (FCI) ৰপৰা খাদ্যাসামগ্রী আহৰণ কৰা হয়। MSP আৰু CIP মাজৰ পার্থক্য ৰাজসাহর্য্য বুলি কোৱা হয়।

৬ নং প্রশ্ন উত্তৰ ঃ PDS ৰ অধীনত বিতৰণ কৰা ৰেচনকার্ড সমূহ তিনি প্রকাৰৰ—

(ক) দৰিদ্র সীমা ৰেখাৰ তলৰ (BPL)

(খ) দৰিদ্র সীমা ৰেখাৰ ওপৰৰ (APL)

(গ) অন্তোদয়া অন্ত যোজনা (AAY)

৭.১২ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ ভাৰতবৰ্ষত খাদ্য সুৰক্ষাৰ সমস্যা আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ ভাৰতবৰ্ষত PDS ৰ কাৰ্য প্ৰণালীৰ ওপৰত এটি চমুটোকা লিখক।

৩ নং প্ৰশ্ন ঃ NFSA, 2013 ৰ মৌলিক বৈশিষ্ট্য সমূহ ব্যাখ্যা কৰক।

৪ নং প্ৰশ্ন ঃ চমু টোকা লিখক-

(ক) নিম্নতম সমৰ্থিত দৰ (MSP)

(খ) TPDS

(গ) ক্ষুধা আৰু পুষ্টিহীনতা

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ খাদ্য সুৰক্ষা কি? খাদ্য সুৰক্ষাৰ বিভিন্ন পৰিমাপ সমূহ আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ PDS ৰ কাৰ্য প্ৰণালী ব্যাখ্যা কৰক। ইয়াৰ সীমাৱদ্ধতা আলোচনা কৰক আৰু ইয়াৰ উন্নতিকল্পে কেত বোৰ গুৰুত্বপূৰ্ণ কৌশলৰ পৰামৰ্শ আগবঢ়াওক।

৩ নং প্ৰশ্ন ঃ "PDS হ'ল ভাৰত চৰকাৰে আৰম্ভ কৰা সৰ্ববৃহৎ খাদ্যভিত্তিক সুৰক্ষা শৃংখল।" ভাৰত দৰিদ্ৰতাৰ ওপৰত হ'য় PDS ৰ প্ৰভাৱ বিবেচনা কৰি উক্তিটোৰ মূল্যায়ন কৰক।

*** ***** ***